
# সূত্ৰধাৰ

১৬-৩০ জুন, ১৯৯২ ▫ সাত টকা



## বিশ্বব্ৰহ্মাণ্ডৰ দিগন্ত

# বিষয়-সূচী

সূত্ৰধাৰ

চতুৰ্থ বছৰ, একাদশ সংখ্যা
১৬-৩০ জুন, ১৯৯২
VoL. IV No.11
16—30 June, 1992

প্ৰচ্ছদ নিবন্ধ

বিশ্বব্ৰহ্মাণ্ডৰ/দিগন্ত ▫ ৭

বিশ্বব্ৰহ্মাণ্ড বুলিলে আমাৰ দৃষ্টি ইমান দূৰলৈ প্ৰসাৰিত কৰিব লাগে যে এটা সময়ত আমাৰ চকু আৰু মনৰ দৃষ্টিশক্তি অসীমৰ বুকুত হেৰাই যায়। নিবন্ধ লেখক পবিত্ৰ বৰগোহাঞিয়ে দৃষ্টিশক্তিৰ সীমাৰকথা আলচ কৰিছে তেখেতৰ নিবন্ধ 'বিশ্বব্ৰহ্মাণ্ডৰ দিগন্ত'ত।

বিশেষ নিবন্ধ

অসমীয়া ভাষাৰ বিভ্ৰাট ▫ ১৯

অসমীয়া ভাষাৰ ধ্বনি উচ্চাৰণ আৰু শব্দ প্ৰয়োগৰ সমস্যাৱলী দাঙি ধৰিছে কানাই গগৈয়ে তেখেতৰ নিবন্ধ 'অসমীয়া ভাষাৰ বিভ্ৰাট'ৰ যোগেদি

সাহিত্য

অফেলিয়াৰ বেদনা ▫ ২২

'হেমলেট' যদিও পুৰুষ প্ৰধান নাটক তথাপি শ্বেক্সপীয়েৰে এই নাটৰ নাৰী চৰিত্ৰ 'অফেলিয়া'ৰ প্ৰতি অৱহেলা কৰা নাই। 'হেমলেট'ত অফেলিয়া কিদৰে ওতঃপ্ৰোত হৈ জড়িত হৈ আছে সেই বিষয়ে ডাঃ বিজয়প্ৰসাদ বৰাৰ এক আলোচনা।

ভ্ৰমণ
ভাৰতবৰ্ষৰ চৰণ বিন্দুৰ পৰা ত্ৰিবেণীলৈ
▫ হৰিচৰণ দাস ▫ ১৩

সাহিত্য
কবিতাৰ ভাষা ঃ সংযুতিবাদী অনুসন্ধান
▫ নগেন শইকীয়া ▫ ২৯

বিশ্ব সাহিত্য/কবিতা ▫ ২৪
টিনটাৰ্ণ এবি
অনুবাদক ▫ কবীন ফুকন

শ্বেক্সপীয়েৰৰ তিনিটা চনেট ▫ অনুবাদক ▫ উপেন্দ্ৰনাথ শৰ্মা

নিবন্ধ
কবি অজিৎ বৰুৱাৰ কাব্যিক ধ্যান-ধাৰণা
▫ কুমুদ বৰুৱা ▫ ৩১

সানমিহলি
মহাত্মা গান্ধীৰ ৰামৰাজ্য ▫ ঘনকান্ত লস্কৰ ▫ ৩৯

ৰাজনীতি
উন্নয়নমূলক কাম-কাজ স্থবিৰ; প্ৰশাসনত দুৰ্নীতি দালালৰ অবাধ ৰাজত্ব ▫ হিতেন মহন্ত ▫ ৫২

নেপথ্য-দৰ্শন
বিদেশী নাগৰিক আৰু সুবিধাবাদী ৰাজনীতি
▫ ছদ্মবেশী ▫ ৫৫

প্ৰতিবেদন
চৰম হতাশাগ্ৰস্ত এইচাম যুৱকৰ মনোবেদনা মুখ্যমন্ত্ৰীয়ে উপলব্ধি কৰিছেনে ?
▫ দেৱব্ৰত বৰগোহাঞি ▫৫৩

অৰ্থনীতি
আদা বেপাৰীৰ জাহাজৰ খবৰ ঃ বাজেট, পৰিকল্পনা ইত্যাদি
▫ মছউদুল হক ▫ ৪৮

বিচিত্ৰা
মানুহ তপা হোৱাৰ ৰহস্য
▫ চন্দ্ৰশেখৰ শৰ্মা ▫ ৫০

লীলা-খেলা
কাতিমহীয়া হাঁহ
▫ ডাঃ মুক্তিপ্ৰসাদ গগৈ ▫ ৫৭

বিতৰ্ক
আহোম হওক ! আহোম !!
▫ চাও পুষ্প গগৈ ▫ ৫৮

খেল-ধেমালি
উইম্বলডনৰ কথা
▫ পবিত্ৰ কুমাৰ ডেকা ▫ ৬১

গ্ৰন্থ জগৎ
নামঘোষা, শঙ্কৰদেববাদৰ প্ৰচাৰক ▫ বিপুল কুমাৰ মহন্ত ▫ ৩৬

চিঠি ৪
সম্পাদকৰ টোকাবহী ৫
উপন্যাস ৪১
কবিতা ২৮
এক পৃষ্ঠা ৬২

সম্পাদক (অবৈতনিক)
হোমেন বৰগোহাঞি
সম্পাদনা সহকাৰী
মালবিকা পাঠক
কলা নিৰ্দেশক
চম্পক বৰবৰা
কাৰ্যাধ্যক্ষ
অনিল কুমাৰ গগৈ
অংগসজ্জা
মোহন নাথ

পূৰবী প্ৰকাশন প্ৰাইভেট লিমিটেডৰ হৈ অনিল কুমাৰ গগৈৰ দ্বাৰা ইষ্টাৰ্ণ প্ৰেছ এণ্ড পাব্লিকেশ্যনচ প্ৰাঃ লিঃ-ত মুদ্ৰিত আৰু মনজেৰা হাউচ, মতিলাল নেহৰু ৰোড, পানবজাৰ, গুৱাহাটী ১-ৰ পৰা প্ৰকাশিত; ▫ ফোন ২৪৮৫৪, ২৭৮২৩, ৩৩৬১৮

Calcutta:-
Mr. Gautam Sengupta.
7/1C Lindsay Street. (1st Floor)
Calcutta-700087
Ph. 449363, 448574

Delhi:-
Mr. Ranaji Sen.
B-51, Soami Nagar.
New Delhi-110017
Fh. 642, 8608

## সম্পাদকীয় ঃ "তদন্ত লাগে" প্ৰসঙ্গত

অসমৰ এখন উচ্চতম শিক্ষানুষ্ঠান ডিব্ৰুগড় বিশ্ববিদ্যালয়ত যোৱা প্ৰায় চাৰিটা বছৰ ধৰি যি ধৰণেৰে শিক্ষাজগতৰ মহৎ প্ৰমূল্যবোৰ প্ৰণালীবদ্ধভাৱে পদাঘাত কৰি গ'ল বুলি উঠা অতি গুৰুতৰ অভিযোগবোৰ "সূত্ৰধাৰ"ত নিৰ্মোহভাৱে প্ৰকাশ কৰি এই শিক্ষানুষ্ঠানটোৰ প্ৰতি অতি উপকাৰ কৰাৰ বাবে আৰু শেহতীয়াকৈ এই অভিযোগবোৰৰ ওপৰত ভিত্তি কৰি ব্যাপক তদন্তৰ দাবী কৰি এটি সম্পাদকীয় অতি সময়োপযোগীভাৱে লেখাৰ বাবে পোন প্ৰথমে "সূত্ৰধাৰ"ৰ সম্পাদক ডাঙৰীয়ালৈ আমাৰ অভিনন্দন আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

এইখন বিশ্ববিদ্যালয়ত চলি থকা অনিয়ম, অন্যায়, দুৰ্নীতি, আইন-কানুনৰ ব্যাপক উলংঘা কৰাৰ বিষয়ত বিভিন্ন কাকতত আমিও প্ৰায় লেখা-মেলা কৰি ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰি আহিছো। কিন্তু আক্ষেপৰ কথা হ'ল যে এই দিশত নিৰাময় কৰাৰ কোনো গুৰুত্বপূৰ্ণ পদক্ষেপ চৰকাৰ তথা আচাৰ্য মহোদয়ে লোৱা আমি এতিয়াও দেখা নাই। এতিয়াও সময় আছে; এই অনুষ্ঠানটিক ধ্বংসৰ গৰাহৰ পৰা বচাবলৈ হ'লে ইয়াত ব্যাপক ভিত্তিত এক ন্যায়িক তদন্ত হ'ব লাগে আৰু ইমানবোৰ অপৰাধৰ যি অভিযোগ উঠিছে, সেয়া যদি সঁচা হয় তেন্তে দোষীক শাস্তি দি ভৱিষ্যতলৈও বাট সুগম কৰিব পাৰি।

এইখিনিতে আমি কেইটামান কথা উল্লেখ কৰিব বিচাৰিছো। কেৱল উপাচাৰ্য শ্ৰীকমলেশ্বৰ বৰাকে দোষাৰোপ কৰিলে উচিত নহ'ব। অৱশ্যে শিক্ষানুষ্ঠানখনৰ গুৱিয়াল উপাচাৰ্য গৰাকীৰ নেতৃত্বত যেতিয়া ইমানবোৰ অপৰাধ কৰা হ'ল, তেখেতেই ঘাইকৈ ইয়াৰ বাবে জগৰীয়া বুলি কোৱাত কোনো দ্বিধা থাকিব নোৱাৰে। তাৰউপৰি বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ আসন গ্ৰহণ কৰাৰ আগতে শ্ৰীবৰাই অসমবাসী ৰাইজক বাতৰি কাকতৰ যোগে কৈছিল যে, এই বিশ্ববিদ্যালয়ত তেখেতে নিকা প্ৰশাসন দিব। পিছে দেখা গ'ল– নিকা প্ৰশাসনৰ নমুনাৰ নামত বহুত অক্ষমনীয় অপৰাধ হ'ল। শ্ৰীবৰাই অকলে এইবোৰ অপৰাধ কৰিলে বুলি ক'লে ভুল কৰা হ'ব। তেখেতৰ অপকৰ্মৰ অন্যতম অংশীদাৰ হ'ল বিশ্ববিদ্যালখনৰ কাৰ্যবাহী পৰিষদ। এই পৰিষদে বিশ্ববিদ্যালয়খনিৰ আইন-উপবিধি আদি উলংঘা কৰাৰ অলেখ উদাহৰণ আমাৰ হাতত আছে। উপাচাৰ্যই যি কয় তাকে চকুমুদি মানি লোৱাৰ স্বপ্ন বেজবৰুৱাই অভিযোগ কৰাৰ দৰে কাৰ্যবাহী পাৰিষদ সকলে নিজৰ কৰ্তব্য বিমুখতা দেখুৱাৰ বাবে বিশ্ববিদ্যালয়ৰ আইনৰ নিচিনা পবিত্ৰ ভেটিটোক কুঠাৰাঘাত কৰা হ'ল। উপাচাৰ্যৰ প্ৰতিটো অপকৰ্মৰ ভাগীদাৰ এই কাৰ্যবাহী পাৰিষদসকল।

দ্বিতীয়তে ভাগীদাৰ বিশ্ব-বিদ্যালয়ৰ এচাম শিক্ষক। শ্ৰীবৰাৰ প্ৰতিটো অপকৰ্মৰ অংশীদাৰ এইচাম শিক্ষক। এখেতসকলে বিশ্ববিদ্যালয়ৰ বিভিন্ন সমিতিত আৰু মুৰব্বীসকলৰ সভাত উপস্থিত থাকি অনিয়ম, অন্যায়, দুৰ্নীতিক প্ৰশ্ৰয় দি আহিল। যি দুই-চাৰিজন শিক্ষকে এই নিয়ম ভঙ্গ কৰাৰ প্ৰতিবাদ কৰিছিল, তেখেতসকলক হয় এঘৰীয়া কৰিবলৈ চেষ্টা কৰা হ'ল, নহয় নানা মিছা অভিযোগ আনি হাৰাশাস্তি কৰা হ'ল। ইমানবোৰ দুৰ্নীতি আৰু মিঠ্যাবাদৰ লগত সক্ৰিয়ভাৱে জড়িত বুলি উপাচাৰ্য গৰাকীৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ থকা সত্ত্বেও ডিব্ৰুঃ বিশ্ববিদ্যালয়ৰ শিক্ষক সংস্থাৰ সঁজাতী দলে আচাৰ্য মহোদয়ৰ ওচৰত শ্ৰীবৰাৰ কাৰ্যকাল বৃদ্ধি কৰিবলৈ অনুৰোধ কৰাৰ বাতৰি (নতুন দৈনিক ২ মে' ১৯৯২) এই বিশ্ববিদ্যালয়ৰ শিক্ষক সংস্থাৰ চৰম নৈতিক স্খলনৰ জ্বলন্ত আৰু লজ্জাজনক উপমা বুলি কোৱাৰ বাহিৰে আন একো হ'ব নোৱাৰে। নিজৰ পদোন্নতি, সৰু-সুৰা সুযোগৰ তাড়নাত নেতৃত্বই যদি শিক্ষাজগতৰ মৌলিক প্ৰমূল্যসমূহক ভৰিৰে গচকি থকাৰ কাৰ্যৰ প্ৰতিবাদ নকৰে তেতিয়া তেখেতসকলৰ পৰা আৰু কি আশা কৰিব পাৰি ?

তৃতীয়তে জগৰীয়া ছাত্ৰ সংস্থাৰ নেতৃত্বও। দূৰ্নীতিৰ বিৰুদ্ধে আন্দোলন কৰি অহা ছাত্ৰ সংস্থাৰ নেতৃত্ব কিন্তু উপাচাৰ্যৰ বিৰুদ্ধে নিৰ্দ্দিষ্ট অভিযোগৰ প্ৰমাণ থকা সত্ত্বেও নিমাত। সেয়েহে আমি ক'ব বিচাৰো যে কেৱল শ্ৰীকমলেশ্বৰ বৰাক দোষ নিদিব। সেইদৰে জগৰীয়া ৰাজ্যিক চৰকাৰো। শিক্ষাজগতৰ লগত পোনপটীয়াভাৱে জড়িত নোহোৱা, শিক্ষা জগতলৈ কোনো মৌলিক বৰঙণি নিদিয়া, বিশ্ববিদ্যালয়ৰ মৌলিক প্ৰমূল্যবোৰ হৃদয়ঙ্গম কৰিব নোৱৰা ব্যক্তিয়ে অৱসৰ লোৱাৰ পাছত ৰাজনৈতিক স্বাৰ্থৰ ওপৰত ভিত্তি কৰি বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ গুৰু পদত নিয়োগ কৰে, আৰু ইমানবোৰ অপৰাধ থকাৰ পিছতো ৰাজ্যিক চৰকাৰ নীৰৱে যেতিয়া থাকে তেতিয়া কেৱল উপাচাৰ্য জনকে দোষাৰোপ কৰাটো উচিৎ নহ'ব। একেদৰেই জগৰীয়া চাগে' আমি অসমবাসীও।আত্মসমালোচনাবোধ নথকা আমিবোৰেও আজি উদ্দাত্ত কণ্ঠে ক'ব পৰা নাই এষাৰ স্পষ্ট বাক্য– ডিব্ৰুগড় বিশ্ববিদ্যালয়খনক চৰম বিপৰ্যয়ৰ পৰা উদ্ধাৰ কৰক।

শৰৎ চন্দ্ৰ নেওগ
বৰবৰুৱা ঃ ডিব্ৰুগড়

## কাৰ্বি ঃ কেইটামান ভুল তথ্য

সূত্ৰধাৰৰ ১-১৫ মে' '৯২ সংখ্যাত "অসমৰ এটা বৰ্ণাঢ্য জনগোষ্ঠী ঃ কাৰ্বি" শীৰ্ষক ডঃ প্ৰভাত চন্দ্ৰ সভাপণ্ডিত আৰু আনন্দ বৰমুদৈৰ প্ৰচ্ছদ নিবন্ধটি পঢ়িলো। মই আপোনালোকক এনেকুৱা পিছপৰা কাৰ্বি জনজাতি সম্প্ৰদায়ৰ বিষয়ে লিখাৰ বাবে আগ্ৰহান্বিত হোৱাত ধন্যবাদ জ্ঞাপন কৰিছো। কিন্তু কথা হৈছে ইয়াৰ কিছুমান কথাত খুটি-নাটি ৰৈ যোৱা পৰিলক্ষিত হৈছে। মই ইয়াকে আঙুলিয়াই দিব খুজিছো। প্ৰথমে নিবন্ধটিত কাৰাবি সকলৰ "ঐতিহাসিক পটভূমি'ৰ শেষৰ দুটা বাক্য ভুলকৈ দাঙি ধৰিছে। বাক্য দুটি হ'ল "এওঁলোকে নিজকে "আৰ্লং" বুলি কয়। আৰ্লং শব্দৰ অৰ্থ হ'ল মানুহ।" আচলতে এই আৰ্লং শব্দৰ ঠাইত আৰ্লেং (Arleng) হে হ'ব লাগিছিল। কিয়নো কাৰবি সকলে আৰ্লেং মানেহে মানুহক বুজায়। আৰ্লং মানে শিলক বুজায়। দ্বিতীয়তে, আৰু এটা ভুল দৃষ্টিপাত হৈছে। সেইটো হ'ল কাৰবি সকলৰ সমাজ ব্যৱস্থাৰ যিটো ব্যাখ্যা দাঙি ধৰিছে। "যিসকল কাৰবি নগাওঁ জিলাৰ ভৈয়াম অঞ্চলত বসতি কৰিবলৈ ললে তেওঁলোকক কাৰবিসকলে দুম্ৰালি বুলি কয়।" এই সমাজ ব্যৱস্থাৰ ব্যাখ্যাত শেষৰ বাক্যটি প্ৰকৃততে হ'ব লাগিছিল নগাওঁ জিলাৰ পৰিবৰ্তে কামৰূপ জিলাত বাস কৰা ডিমৰীয়া মৌজাৰ অন্তৰ্গত কাৰ্বি লোককহে "দুম্ৰালি" বুলি কোৱা হয়। কাৰণ বৰ্তমান কামৰূপ জিলাত ডিমৰীয়া মৌজাৰ "দুমৰা আংলং" নামে এটা প্ৰকাণ্ড পাহাৰ ৩৭ নং ৰাষ্ট্ৰীয় পথৰ দক্ষিণ দিশত থিয় হৈ আছে। সেই পাহাৰৰ দাঁতিত বাস কৰা প্ৰধানকৈ কাৰ্বিসকলক "দুম্ৰালি" বুলি কোৱা হয়। অৱশ্যে আজি কালি "দুম্ৰা আংলং" পাহাৰৰ দাঁতিত বাস কৰা সকলো জনগোষ্ঠীকে দুমৰালি বুলি কোৱা হয়। ইয়াৰ প্ৰমাণ স্বৰূপে ডিমৰীয়াৰ ৰাজধানী বামফৰ গাঁৱত (নিহাং বেলগুৰিৰ দ্বাৰা পালিত) ৰজা আকেহাই ৰেচ' হলিৰাম ৰংহাংদেৱ এতিয়াও জীৱিত অৱস্থাত আছে। ইয়াক কোনেও নুই কৰিব নোৱাৰে।

ধীৰেন ইংতি
নিহাং বেলগুৰি
কামৰূপ

### বিশেষদ্ৰষ্টব্য

'সূত্ৰধাৰ'ত প্ৰকাশৰ বাবে পঠোৱা চিঠিসমূহ যথাসম্ভৱ সংক্ষেপে লিখা বাঞ্ছনীয়। আমাৰ প্ৰকাশিত বিভিন্ন লেখাৰ সন্দৰ্ভত পাঠকসকলৰ মতামত এই শিতানত বিশেষভাৱে প্ৰযোজ্য।






# মটক-মৰাণৰ দেশত দুটা দিন (২)

ইয়াৰ আগৰ প্ৰবন্ধতেই উল্লেখ কৰিছো যে আল্‌ফাৰ প্ৰতি সাধাৰণ মানুহৰ মনোভাব বুজিবলৈ চেষ্টা কৰাটোও পানীতোলালৈ যোৱাৰ মোৰ অন্যতম উদ্দেশ্য আছিল। কিন্তু আল্‌ফাৰ বিষয়ে মানুহে কি ভাবে তাৰ এটা আভাস মই পালো বৰঝাৰ বিমান বন্দৰতেই– অৰ্থাৎ পানীতোলা গৈ পোৱাৰ বহুত আগতেই।

সেইদিনা গুৱাহাটীৰ পৰা মোহনবাৰীলৈ যোৱা বিমান প্ৰায় তিনি ঘণ্টা 'লেট' আছিল। নিৰুপায় হৈ লাউঞ্জত বহি সময়খিনি পাৰ কৰিবলৈ চেষ্টা কৰোতেই এজন মাজ-বয়সীয়া অসমীয়া ভদ্ৰলোকে উপযাচি আহি মোৰ লগত চিনাকি হ'ল। মানুহজনক আগতে কেতিয়াও লগ পোৱা নাছিলো যদিও নামটো কোৱাৰ লগে লগে তেওঁক চিনি পালো। ভদ্ৰলোক চাহ শিল্পৰ লগত জড়িত। অসমৰ অৰ্থনীতিৰ বিষয়ে মাজে-সময়ে ইংৰাজী কাগজত প্ৰবন্ধ লিখে। চিন্তাশীল পণ্ডিত মানুহ– সেই বিষয়ে কোনো সন্দেহ নাই। পৰিচয় পৰ্ব শেষ হোৱাৰ পিছতে আমি দুয়ো অসমৰ বিভিন্ন সমস্যা সম্পৰ্কে মতামত বিনিময় কৰিবলৈ আৰম্ভ কৰিলো। চাহ শিল্পৰ বিষয়ে তেওঁ মোক বহুত নতুন কথা কৈ শুনালে। বিমান বন্দৰত ৰৈ থাকিব লগা হোৱা তিনি ঘণ্টা সময় যে অথলে নগ'ল– বৰং বহুত নতুন কথা জানিবলৈ সুযোগ পালো– সেই কথা ভাবি মোৰ মনটো বৰ ভাল লাগিল।

কথা-বাৰ্তাৰ মাজতে ভদ্ৰলোকে প্ৰায় অপ্ৰাসংগিকভাৱেই মোক এটা প্ৰশ্ন সুধিলে– 'আপুনি বাৰু আল্‌ফাৰ বিষয়ে কি ভাবে ?'

হঠাৎ এনে এটা প্ৰশ্নৰ কাৰণে মই অকণো প্ৰস্তুত নাছিলো। ভাবিবৰ কাৰণে অলপমান সময় লৈ মই তেওঁক কলো– 'যোৱা কেইবাবছৰ ধৰি মই আল্‌ফাৰ বিষয়ে ইমান লিখিছো যে সেই বিষয়ে মোৰ নতুনকৈ কবলগীয়া একো কথা বাকী নাই। তথাপি আপুনি সুধিছে যেতিয়া মই কওঁ ঃ আল্‌ফাই অসমৰ সমস্যাবোৰ যিভাৱে বিশ্লেষণ কৰিছে বা যি আবেগময় ৰূপত সমস্যাবোৰ মানুহৰ আগত দাঙি ধৰিছে তাত একেবাৰেই সত্যতা নাই বুলি মই নকওঁ; কিন্তু সেইবোৰৰ সমাধানৰ যি পথ তেওঁলোকে নিৰ্দেশ কৰিছে তাৰ লগত মই একেবাৰেই একমত নহওঁ। মই প্ৰাণ গলেও আল্‌ফাৰ সন্ত্ৰাসবাদ আৰু বিচ্ছিন্নতাবাদ সমৰ্থন নকৰো।'

মোৰ কথা শুনি ভদ্ৰলোকজন অলপ সময় নীৰৱ হৈ ৰ'ল। তাৰ পিছত তেওঁ আকৌ ক'লে– 'কিন্তু আপুনি এই কথা স্বীকাৰ নকৰেনে যে আল্‌ফাই এইখিনি কৰিছিলে কাৰণেই কেন্দ্ৰীয় চৰকাৰৰ বা অসমক লুণ্ঠন কৰা চাহ কোম্পানীবোৰৰ অলপমান গা লৰিছিল ? আল্‌ফা খতম হৈ গ'লে এই লুণ্ঠন আৰু বঞ্চনা অবাধে চলি থাকিব বুলি আপুনি নাভাবেনে ?'

মই অবাক হৈ ভদ্ৰলোকৰ মুখলৈ চাই ৰলো। মোৰ মনত পৰি গ'ল প্ৰায় এবছৰমানৰ আগতে এখন স্থানীয় ইংৰাজী দৈনিকত প্ৰকাশ হোৱা এখন চিঠিৰ কথা। বহু বছৰ বিদেশত চাকৰি কৰি অসমলৈ ঘূৰি অহা এজন অসমীয়া ইঞ্জিনিয়াৰে সেই চিঠিত প্ৰশ্ন কৰিছিল– 'আলফাই সন্ত্ৰাস সৃষ্টি নকৰা হ'লে কেন্দ্ৰীয় চৰকাৰৰ অসমলৈ মনত পৰিলহেঁতেননে ?'

চিঠি লেখা সেই ভদ্ৰলোকজনক মোৰ সুধিবলৈ মন গৈছিল– বা মুখৰ আগত পোৱা হ'লে সুধিলোহেঁতেন– 'মহাশয়, আপুনি ক'ব খুজিছে যে অসমৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবৰ কাৰণে আল্‌ফাই কিছুমান নিৰীহ নিৰপৰাধ মানুহক হত্যা কৰিব লগা হ'ল। কিন্তু আল্‌ফাৰ হাতত প্ৰাণ হেৰুওৱা সেই নিৰপৰাধ মানুহবোৰৰ ভিতৰত কোনোবা এজন যদি আপোনাৰ পুত্ৰ হ'লহেঁতেন বা পত্নী হ'লহেঁতেন, তেতিয়াও আপুনি এনে কথা ক'লেহেঁতেননে ?'

গুৱাহাটী বিমানবন্দৰত নতুনকৈ চিনাকি হোৱা বন্ধুজনকো একেটা প্ৰশ্নকে সুধিবলৈ মোৰ মন গৈছিল; কিন্তু মোৰ তৰ্ক-বিৰোধী স্বভাৱৰ কাৰণে সোধা নহ'ল। চহৰীয়া অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ এটা বুজন অংশই যোৱা বহুবছৰ ধৰি এই ঘৃণনীয় সুবিধাবাদী ভূমিকাত নিপুণভাৱে অভিনয় কৰি সকলোৰে চকুত চমক লগাই আছে। তেওঁলোকে নিজে নিৰাপদ দূৰত্বত থাকি হজুৱা-চহা গাঁৱলীয়া মানুহবোৰক আন্দোলন আৰু বিপ্লৱ কৰিবলৈ উচটাই থাকে। আন্দোলন আৰু বিপ্লৱ কৰি গাঁৱলীয়া মানুহবোৰ আওমৰণে মৰে; কিন্তু তেওঁলোকক উচটাই দিয়া এই চহৰীয়া মধ্যবিত্ত বীৰ-পুঙ্গৱসকলে ৰজাঘৰৰ পৰা পাব লগা সকলো সা-সুবিধা ভোগ কৰে। বিপ্লৱ আৰু আন্দোলনৰ নামত তেওঁলোকে অসমত জুই জ্বলাই দিয়ে; কিন্তু সেই জুইয়ে যাতে নিজৰ ল'ৰা-ছোৱালীক পুৰি মাৰিব নোৱাৰে সেই উদ্দেশ্যে তেওঁলোকে নিজৰ ল'ৰা-ছোৱালীক উচ্চ শিক্ষাৰ কাৰণে পঠায় অসম বা ভাৰতৰ বাহিৰলৈ। অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম কৰিব লাগে বুলি আন্দোলন কৰিবলৈ তেওঁলোকে দুখীয়া গাঁৱলীয়ামখাক উচটাই দিয়ে; কিন্তু নিজৰ ল'ৰা-ছোৱালীক মুখৰ মাত ফুটিবৰ দিন ধৰি শিক্ষা দিয়ে ইংৰাজী মাধ্যমত। চহৰীয়া অসমীয়া মধ্যবিত্ত শ্ৰেণীটো কিমান বেছি ভণ্ড আৰু স্বাৰ্থপৰ হ'ব পাৰে তাৰ আৰু এটা মাত্ৰ উদাহৰণ দিয়েই এই প্ৰসঙ্গ শেষ কৰিব খোজো। আল্‌ফাৰ 'স্বাধীন অসম'ৰ দাবীৰ উগ্ৰ সমৰ্থক এজন ভদ্ৰলোকৰ পুতেকে আমেৰিকা যুক্তৰাষ্ট্ৰত ডাঙৰ চাকৰি কৰি তাতেই স্থায়ীভাৱে বসবাস কৰি আছে। আল্‌ফাৰ বিৰুদ্ধে সেনাবাহিনীৰ 'অপাৰেশ্যন ৰাইনো' চলি থকাৰ সময়তে পুতেকজন কিছুদিনৰ কাৰণে ভাৰতলৈ আহিছিল। কিন্তু পুতেকজন কলিকতা আহি পোৱাৰ লগে লগে স্নেহান্ধ পিতৃয়ে পুতেকলৈ টেলিগ্ৰাম কৰিলে– 'অপাৰেশ্যন ৰাইনো' চলি থকাৰ সময়ত সি যেন কেতিয়াও অসমলৈ নাহে; তেওঁ নিজেই কলিকতালৈ গৈ তাক তাতে চাই আহিব। এয়েই হ'ল একশ্ৰেণীৰ অসমীয়া মধ্যবিত্তৰ ৰোমাণ্টিক দেশপ্ৰেমৰ বিলাস। বিভিন্ন অজুহাতত তেওঁলোকে অসমত জুই জ্বলাই দি তামাছা চাব খোজে, কাৰণ তেওঁলোকে ভালকৈয়ে জানে যে সেই জুইয়ে তেওঁলোকৰ নিজৰ ল'ৰা-ছোৱালীৰ গাৰ নোম এডালো স্পৰ্শ কৰিব নোৱাৰে। সৰ্বসাধাৰণ মানুহে ভণ্ড, স্বাৰ্থপৰ আৰু মানসিকভাৱে বিকৃত একাংশ অসমীয়া মধ্যবিত্তৰ আচল মতলব বুজিব নোৱৰাটোৱেই হ'ল অসমৰ সাম্প্ৰতিক দুৰ্ভাগ্য আৰু দুখ-দুৰ্দশাৰ এটা প্ৰধান কাৰণ।

সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ সোণালী জয়ন্তী অধিবেশন বহিছিল আল্‌ফাৰ তিনি শীৰ্ষনেতা পৰেশ বৰুৱা, গোলাপ বৰুৱা আৰু চক্ৰ গোহাঁইৰ জন্মস্থান জেৰাই গাঁৱৰ পৰা মাত্ৰ কেইকিলোমিটাৰমান দূৰত– পানীতোলা হাইস্কুল প্ৰাঙ্গণত। মোক তিনিচুকীয়া চাকিট হাউছত লগ পাবলৈ অহা বহুতো মানুহৰ পৰা

জানিব পাৰিছিলো যে যিখন সভালৈ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াক বিশিষ্ট অতিথি হিচাপে নিমন্ত্ৰণ কৰি অনা হৈছে সেই সভাখন জেৰাই গাঁৱৰ ইমান ওচৰতে অনুষ্ঠিত কৰাত জিলা প্ৰশাসনৰ দুৰ্ঘোৰ আপত্তি আছিল। মুখ্যমন্ত্ৰীৰ নিৰাপত্তাৰ কাৰণে তেওঁলোক খুব চিন্তিত হৈ পৰিছিল। আনহাতে মটক যুৱ-ছাত্ৰ সন্মিলনৰ উদ্যোক্তাসকলে মোক কৈছিল যে আলফাৰ শীৰ্ষনেতা কেইজনৰ নিজৰ জন্মস্থান আৰু নিজৰ সম্প্ৰদায়ৰ মাজতে তেওঁলোকৰ প্ৰভাৱ প্ৰায় শূন্যত পৰ্যবসিত হোৱা বুলি প্ৰমাণ কৰিবলৈকে পানীতোলাত মটক যুৱ-ছাত্ৰ সন্মিলনৰ সোণালী জয়ন্তী অধিবেশন পাতিবলৈ সিদ্ধান্ত লোৱা হৈছিল। (এই খিনিতে প্ৰসঙ্গক্ৰমে উল্লেখ কৰা দৰকাৰ যে পৰেশ বৰুৱা, গোলাপ বৰুৱা আৰু চক্ৰ গোহাঁই এই তিনিওজনেই মটক-মৰাণ সম্প্ৰদায়ৰ মানুহ)। ইয়াৰ দ্বাৰা এইটোও প্ৰমাণিত হ'ল যে সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনে আল্ফাৰ ৰাজনৈতিক দৰ্শন আৰু কৰ্মসূচী একেবাৰেই সমৰ্থন নকৰে।

তথাপি মোৰ মনৰ সন্দেহ একেবাৰে দূৰ হোৱা নাছিল। সভালৈ যদি মানুহ নাহে বা খুব কম মানুহ আহে তেন্তে তাৰ দ্বাৰাই কি প্ৰমাণ হ'ব? যিকোনো সংগঠনৰ দুজনমান বিষয়ববীয়াক হাত কৰি লৈ তেওঁলোকৰ দ্বাৰাই উদ্দেশ্যপূৰ্ণভাৱে কিছুমান কাম কৰাই লোৱাটো একো টান কাম নহয়। কিন্তু সভালৈ আহিবলৈ হাজাৰ হাজাৰ মানুহক কেনেকৈ বাধ্য কৰা যায়? গুৱাহাটীত অৱশ্যে শাসক দলৰ ৰাজনৈতিক সভা বা তথাকথিত গণ-সমাবেশবোৰলৈ ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ পৰা বাছ আৰু লৰীৰে মানুহ ভাৰা কৰি আনি কৃত্ৰিম জন-সমুদ্ৰ সৃষ্টি কৰাৰ এটা পৰম্পৰা বহু দিনৰ পৰা চলি আছে। ইচ্ছা কৰিলে পানীতোলাতো তেনে কৰাটো অসম্ভৱ নহয়। কিন্তু মটক যুৱ-ছাত্ৰ সন্মিলনৰ উদ্যোক্তাসকলৰ পৰা জানিব পৰা গ'ল যে দূৰণিবটীয়া গাঁৱৰ পৰা সভালৈ আহিবলৈ ইচ্ছুক মানুহ আনিবৰ কাৰণে তেওঁলোকে জিলা প্ৰশাসনৰ পৰা কেইখনমান বাছ বিচাৰিছিল; কিন্তু জিলা প্ৰশাসন কোনো ধৰণৰ সহযোগিতা আগবঢ়াবলৈ মান্তি নহ'ল। তিনিচুকিয়া জিলাত বহুদিন ধৰি নেৰানেপেৰা বৰষুণৰ বতৰ চলি আছে। বোকা-পানীৰ কাৰণে বাটলৈ ওলাবই নোৱাৰি। সভা হবৰ দিনাও ৰাতিপুৱাৰ পৰাই খতিখণ নোহোৱাকৈ বৰষুণ দিয়েই আছে। সভাৰ উদ্যোক্তাসকলৰ মুখত দুশ্চিন্তাৰ ক'লা ডাৱৰ। এনে বতৰত সভালৈ মানুহ আহিব জানো? যদি নাহে, তেন্তে বিভিন্ন মহলে তাৰ কি অৰ্থ কৰিব?

কিন্তু তেওঁলোকৰ সেই দুশ্চিন্তা বেছিপৰ স্থায়ী নহ'ল। সভাস্থলীত উপস্থিত হৈয়েই সকলোৱে সবিস্ময়ে আৱিষ্কাৰ কৰিলে যে সভাৰ নিৰ্দিষ্ট সময়ৰ বহু আগতেই হাজাৰ হাজাৰ মানুহ আহি সভাস্থলী ওপচাই পেলাইছে। ৰভাৰ তলত যিমান মানুহ, ৰভাৰ বাহিৰত প্ৰায় সিমানেই মানুহ। বতাহ-বৰষুণ আৰু বোকা-পানী অগ্ৰাহ্য কৰি তেওঁলোক আহিছে হিতেশ্বৰ শইকীয়াক চাবলৈ আৰু তেওঁৰ কথা শুনিবলৈ। স্বাভাৱিক পৰিস্থিতিত এই কথাৰ কোনো বিশেষ গুৰুত্ব বা তাৎপৰ্য নাথাকিলেহেঁতেন। কিন্তু আল্ফাৰ বিৰুদ্ধে সামৰিক অভিযান চলি থকাৰ সময়ত আৰু তাকে কেন্দ্ৰ কৰি মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে প্ৰবল প্ৰচাৰ অভিযান চলি থকাৰ সময়ত তেওঁ উপস্থিত থকা সভালৈ পৰেশ বৰুৱাৰ নিজৰ ঠাইৰ আৰু নিজৰ সম্প্ৰদায়ৰ ইমানবোৰ মানুহ এনেকৈ হিল-দল ভাঙি অহাটো বিশেষ তাৎপৰ্য বুলি মোৰ মনত ধাৰণা হ'ল। সভাৰ উদ্যোক্তাসকলে মোক পিছত কৈছিল যে বতৰ ফৰকাল হৈ থকাহ'লে জন-সমাগম তাতকৈয়ো চাৰি-পাঁচ গুণ বেছি হ'লহেঁতেন।

কিন্তু কেৱল পানীতোলাতে নহয়, যোৱা দুমাহমানত হিতেশ্বৰ শইকীয়াই উজনি অসমৰ য'তেই জনসভা কৰিছে ত'তেই বিপুল জনসমাগম হোৱা দেখা গৈছে। এই জন-সমাগমৰ অৰ্থ অতি পৰিষ্কাৰ। মুখ্যমন্ত্ৰীৰ সভালৈ মানুহ দলে দলে আহি এই কথাকে ক'ব খুজিছে যে স্বাধীন অসমৰ নামত হিংসা, সন্ত্ৰাস আৰু বৰ্বৰতা যথেষ্ট হ'ল; এতিয়া মানুহক শান্তি লাগে।

পানীতোলাৰ সভা হৈ যোৱাৰ পিছত মই মটক সম্প্ৰদায়ৰ পিছপৰা গাঁওবোৰত ফুৰিবলৈ যোৱাৰ কথা আছিল। কিন্তু অবিৰাম বতাহ-বৰষুণৰ কাৰণে সেই আশা বাদ দিব লগা হ'ল। তথাপি তেওঁলোকে মোক বৰুৱাহোলা গাঁওখন দেখুৱাবলৈ লৈ গ'ল। এটা ধুনীয়া স্কুল-ঘৰৰ ওচৰত গাড়ী ৰখাই তেওঁলোকে মোক সুধিলে— 'এনেকুৱা ধুনীয়া স্কুলঘৰ আপুনি আৰু কিমান দেখিছে চাৰ?'

মই স্বীকাৰ কৰিবলৈ বাধ্য হলো যে খুব বেছি দেখা নাই। তেতিয়া তেওঁলোকে আবেগ-কম্পিত কণ্ঠেৰে কবলৈ ধৰিলে— 'যিজন মানুহে অশেষ কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি এই স্কুল ঘৰটোৰ নিৰ্মাণত আগভাগ লৈছিল তেওঁ এই পিছপৰা অঞ্চলটোত শিক্ষা বিস্তাৰৰ কাৰণেই নিজৰ জীৱন উছৰ্গা কৰিছিল। কেৱল এইখন স্কুলেই নহয়, এনেকুৱা আৰু তিনিখন স্কুল তেওঁ স্থাপন কৰি থৈ গৈছে। কিন্তু এনেকুৱা এজন মানুহক আল্ফাই অপহৰণ কৰি নি নিৰ্মমভাৱে হত্যা কৰিলে।' এই বুলি কৈ তেওঁলোকে আল্ফাৰ নৃশংসতাৰ আৰু বহুত লোমহৰ্ষক কাহিনী মোক কবলৈ ধৰিলে। মোৰ আৰু বুজিবলৈ বাকী নৰ'ল যে যিটো সম্প্ৰদায়ৰ মাজৰ পৰা আল্ফাৰ শীৰ্ষ নেতৃত্ব ওলাই আহিছে সেই সম্প্ৰদায়টোৱে এতিয়া আল্ফাৰ ওপৰত সম্পূৰ্ণ অনাস্থা প্ৰকাশ কৰিছে।

কিন্তু তাৰ অৰ্থ এইটো নহয় যে চৰকাৰৰ ওপৰত তেওঁলোকৰ অকণমানো আস্থা আছে। মটক সম্প্ৰদায়ভুক্ত মৰাণসকল অসমৰ এটা প্ৰাচীন ঐতিহ্য-মণ্ডিত জনগোষ্ঠী হোৱা সত্ত্বেও তেওঁলোক এতিয়াও ইমান অবহেলিত আৰু অনগ্ৰসৰ হৈ আছে যে কুৰি শতিকাৰ শেষ দশকতো তেওঁলোকৰ মাজত এজনো ডাক্তৰ বা ইঞ্জিনিয়াৰ নাই। কলেজত পঢ়ি থকা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা এশজনতকৈয়ো কম। অৱশ্যে নিয়মিতভাৱে কানি খোৱা মানুহৰ সংখ্যা প্ৰায় ৪০০০ জন। তেওঁলোকৰ এই কৰুণ শোচনীয় অৱস্থাৰ প্ৰতি চৰকাৰ সম্পূৰ্ণ নিৰ্বিকাৰ। বহুদিনৰ পুঞ্জীভূত ক্ৰোধ আৰু অভিমানেই যে পৰেশ বৰুৱা আৰু গোলাপ বৰুৱাহঁতক উগ্ৰপন্থী কৰি তোলা নাই সেই কথা কোনোবাই বুকুত হাত দি ক'ব পাৰিবনে? মটক-মৰাণ যুৱক সকলে সম্প্ৰতি আল্ফাৰ প্ৰতি দেখুওৱা অনাস্থাৰ মনোভাৱে এই কথা প্ৰমাণ নকৰে যে তেওঁলোকে অন্যায় অবিচাৰ, অপমান আৰু চৰকাৰৰ উদাসীনতা অনিৰ্দিষ্ট কাললৈ সহ্য কৰি থাকিব। মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়ায়ো এই কথা ভবা উচিত নহয় যে দিনজয় সত্ৰৰ উন্নয়নৰ কাৰণে একলাখ টকা বা ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনিৰুদ্ধদেৱ আসন প্ৰতিষ্ঠাৰ কাৰণে পাঁচলাখ টকা দিলেই মটক-মৰাণ ডেকা-গাভৰুৰ খঙৰ জুই নুমাব বা তেওঁলোকৰ মুখ বন্ধ হ'ব। সাংস্কৃতিকভাৱে অতি চহকী কিন্তু আৰ্থিকভাৱে সম্প্ৰতি অতি পিছপৰি থকা এই সম্প্ৰদায়টোৰ ন্যায্য অভাৱ-অভিযোগবোৰ দূৰ কৰিবৰ কাৰণে চৰকাৰে কেতবোৰ জৰুৰী ব্যৱস্থা লোৱা উচিত হ'ব। অৱশ্যে তাৰ আগতে মটক-মৰাণ সম্প্ৰদায়ৰ আৰ্থিক আৰু সামাজিক অৱস্থা খৰচি মাৰি অধ্যয়ন কৰিবৰ কাৰণে চৰকাৰে এখন বিশেষজ্ঞ কমিটি গঠন কৰি দিব পাৰে।

হোমেন বৰগোহাঞি






# বিশ্বব্ৰহ্মাণ্ডৰ দিগন্ত

পবিত্ৰ বৰগোহাঞি

"We wonder, oh, we wonder
What on earth the
World may be"

*W. S. Gilbert, The Mikado*

বিশ্বব্ৰহ্মাণ্ডৰ কথা ভাবিলেই আমাৰ মনটোৱে ক'ব নোৱৰাকৈয়ে দৃশ্যমান বাস্তৱ জগতৰ সীমা পাৰ হৈ কল্পনাৰ এক ৰহস্যধূসৰ জগতত প্ৰৱেশ কৰেগৈ। আমাৰ মনপখী উৰণীয়া হৈ পৰে। পৰিবৰ কাৰণো আছে। আমাৰ পৰম বিশ্বাসভাজন আধুনিক বিজ্ঞানে বিশ্বব্ৰহ্মাণ্ডৰ গঠন সম্পৰ্কে এখন সম্পূৰ্ণ নিৰ্ভৰযোগ্য ছবি এতিয়াও পৰিষ্কাৰকৈ আমাৰ আগত দাঙি ধৰিব পৰা নাই। ইয়াৰ বাবে আধুনিক জ্যোতিৰ্বিজ্ঞানী আৰু বিশ্বতত্ত্ববিজ্ঞানী সকলক দোষাৰোপ কৰিবলৈ যাওঁতে আমি এটা কথা মনত ৰাখিব লাগিব। বিশ্বব্ৰহ্মাণ্ডৰ ৰূপ বা গঠন সম্পৰ্কে অধ্যয়ন কৰিবলৈ যাওঁতে এই সকল বিজ্ঞানীয়ে সমুখীন হ'বলগীয়া সমস্যাবোৰৰ স্বৰূপ বিজ্ঞানৰ আন আন শাখা-প্ৰশাখা সমূহ অধ্যয়নৰ ক্ষেত্ৰত সমুখীন হোৱা সমস্যাবোৰতকৈ বহুতো বেলেগ। বিজ্ঞানৰ প্ৰায়বোৰ শাখাতে বিজ্ঞানীসকলে যিবোৰ বস্তুৰ ওপৰত অধ্যয়ন কৰে সেইবোৰ তেওঁলোকে ঢুকি পোৱাৰ ভিতৰতে থাকে। সুচিন্তিত আৰু সুপৰিকল্পিত পৰীক্ষা-নিৰীক্ষাৰ সহায়ত পৰীক্ষাগাৰত এই অধ্যয়নৰ ফলাফল বা ইয়াৰ ভিত্তিত দাঙি ধৰা তত্ত্বটোৰ সত্যাসত্য বিচাৰ কৰি চাব পাৰি। কিন্তু জ্যোতিৰ্বিজ্ঞান বা বিশ্বতত্ত্ব বিজ্ঞানৰ ক্ষেত্ৰত এই কথাটো নেখাটে। কোটি কোটি আলোক বৰ্ষ ব্যাপ্ত বিশ্বব্ৰহ্মাণ্ডৰ গঠন সম্পৰ্কে অধ্যয়ন কৰা এই বিজ্ঞানীসকলে তেওঁলোকৰ প্ৰয়োজনীয় সকলো তথ্যপাতি দূৰৰ পৰাই সংগ্ৰহ কৰিবলগীয়া হয় আৰু সেইবোৰৰ ভিত্তিতে বৈজ্ঞানিক সিদ্ধান্তসমূহ গ্ৰহণ কৰিবলগীয়া হয়। এনেধৰণেৰে গ্ৰহণ কৰা সিদ্ধান্তসমূহৰ যথাৰ্থতা বিচাৰ কৰি চোৱাৰ কোনো উপায় অধিকাংশ ক্ষেত্ৰতেই তেওঁলোকৰ হাতত নেথাকে। প্ৰজ্ঞা আৰু মননশীলতাৰ গভীৰতাই হ'ল তেওঁলোকৰ পথৰ একমাত্ৰ সাৰথি। তেওঁলোকে গ্ৰহণ কৰা এই সিদ্ধান্তসমূহত আত্মগোপন কৰি থাকিব পৰা দুটা প্ৰধান দুৰ্বলতাৰ প্ৰতি তেওঁলোক সততে সচেতন হৈ থাকিবলগীয়া হয়। তাৰে এটা হ'ল যি যন্ত্ৰপাতিৰ সহায়ত তেওঁলোকে তথ্যপাতিবোৰ সংগ্ৰহ কৰে সেইবোৰৰ কাৰ্যকাৰিতাৰ সীমাৱদ্ধতা আৰু আনটো হ'ল এই যন্ত্ৰপাতিবোৰৰ দ্বাৰা সংগৃহীত তথ্যপাতিবোৰৰ বিশ্লেষণৰ সময়ত পাৰ্থিৱ বস্তুৰ ক্ষেত্ৰত প্ৰযোজ্য বিজ্ঞানৰ সূত্ৰসমূহৰ প্ৰয়োগৰ যুক্তিযুক্ততা। বাস্তৱ অভিজ্ঞতাৰ পৰা দেখা গৈছে যে বিজ্ঞানৰ অধিকাংশ তত্ত্বৰে প্ৰয়োগক্ষেত্ৰ সীমিত। এটা নিৰ্দিষ্ট সীমাৰ বাহিৰত তত্ত্বটো অচল হৈ পৰে। এনেক্ষেত্ৰত এইবোৰ তত্ত্বৰ প্ৰয়োগে প্ৰকৃত সত্যৰ সন্ধান দিব নোৱাৰে। সেইবাবেই বিজ্ঞানৰ আন আন শাখাত যি দৃঢ় আত্মবিশ্বাস আৰু আত্মপ্ৰত্যয়েৰে সৈতে বিজ্ঞানীসকলে একোটাহত তত্ত্ব উপস্থাপন কৰে বিশ্বতত্ত্ব বিজ্ঞানত তাৰ অভাৱ সততে পৰিলক্ষিত হয়। কিন্তু সেইবুলি এই সকল বিজ্ঞানীৰো প্ৰতি প্ৰভাতৰ সূৰ্য উঠা সফল নোহোৱাকৈ থকা নাই। বিশ্বব্ৰহ্মাণ্ড সম্পৰ্কীয় বহুতো নিৰ্ভৰযোগ্য তত্ত্বই ইতিমধ্যে মানুহৰ জ্ঞানৰ ভঁৰাল চহকী কৰিছেহি। উদাহৰণ স্বৰূপে



মাউন্ট উইলচনৰ ১০০ ইঞ্চি দুৰবীন; যাৰ দ্বাৰা এণ্ড্ৰমেদা গেলেক্সি পৰ্যবেক্ষণ কৰা হৈছিল

গ্ৰহ-নক্ষত্ৰৰ সৃষ্টি, বিবৰ্তন আৰু বিনাশ সম্বন্ধীয় তত্ত্বই প্ৰায় সৰ্বাঙ্গ সুন্দৰ ৰূপত আত্মপ্ৰকাশ কৰিছে। নক্ষত্ৰৰ কেন্দ্ৰত বিভিন্ন প্ৰকাৰৰ পদাৰ্থ সৃষ্টিৰ প্ৰক্ৰিয়া সম্বন্ধীয় তত্ত্বইও সময়ৰ পৰীক্ষাত উত্তীৰ্ণ হৈছে। অৱশ্যে এইবোৰ সাফল্যৰ কাৰণ নোহোৱাও নহয়। এইবোৰ ক্ষেত্ৰত আমি যিবোৰ ভৌতিক ৰাশিৰ লগত কাৰবাৰ কৰো – যেনে নক্ষত্ৰ এটাৰ ভৰ, আয়তন বা আমাৰ পৰা ইয়াৰ দূৰত্ব – সেইবোৰ আমাৰ আয়ত্তৰ ভিতৰত। কিন্তু বিশ্বব্ৰহ্মাণ্ড বুলিলেই আমাৰ দৃষ্টি ইমান দূৰলৈ প্ৰসাৰিত কৰিব লাগে যে এটা সময়ত আমাৰ চকু আৰু মনৰ দৃষ্টি শক্তি অসীমৰ বুকুত হেৰাই যায়। এই প্ৰবন্ধত আমাৰ চকুৰ দৃষ্টিশক্তিৰ সীমাৰ কথাহে আলোচনা কৰিম। ঈশ্বৰ প্ৰদত্ত আমাৰ চকুৰ দৃষ্টিশক্তিৰ যেনেকৈ এটা সীমা আছে এটা নিৰ্দিষ্ট দূৰত্বতকৈ অধিক দূৰত থকা বস্তুবোৰ যেনেকৈ আমাৰ চকুৱে মনিব নোৱাৰে ঠিক তেনেকৈ আধুনিক বিজ্ঞান প্ৰদত্ত আমাৰ দৃষ্টিশক্তিৰ পৰিবৰ্দ্ধক টেলিস্ক'প বা দূৰবীক্ষণ যন্ত্ৰবোৰৰো এটা কাৰ্যকৰী সীমা আছে। ইয়াৰ সহায়ত যিকোনো দূৰত্বৰ বস্তু নিৰীক্ষণ কৰিব নোৱাৰি। এই সীমাৱদ্ধতা যন্ত্ৰটোৰ নিৰ্মাণ কৌশলৰ অপৰিপক্কতাৰ বাবে নহয় – যি নীতিৰ ভিত্তিত এই যন্ত্ৰটোৱে কাম কৰে সেই নীতিটোৱেই ইয়াৰ কাৰ্যকাৰিতাৰ সীমাও নিৰ্দ্ধাৰণ কৰি দিয়ে। গতিকে দেখা গ'ল যে বিশ্বব্ৰহ্মাণ্ডখন প্ৰকৃততে কিমান দূৰলৈকে বিস্তৃত সেইটো প্ৰত্যক্ষ কৰাৰ কোনো উপায় বৰ্তমান আমাৰ হাতত নাই। তাত্ত্বিকভাৱে যিমান দূৰলৈকে আমি যন্ত্ৰপাতিৰ সহায়ত বিশ্বব্ৰহ্মাণ্ডখন দেখিব পাৰো সিমান দূৰলৈকে আমাৰ দৃশ্যমান বিশ্বব্ৰহ্মাণ্ড প্ৰসাৰিত আৰু তাৰ সীমাতেই অংকিত হৈছে বিশ্বব্ৰহ্মাণ্ডৰ দিগন্ত।

বিশ্বব্ৰহ্মাণ্ডৰ দিগন্ত বিচাৰি যাবৰ সময়ত আমি লগত লব লাগিব কণাৰ লাখুটি স্বৰূপ আমাৰ একমাত্ৰ ভৰসাৰ থল এটা আদৰ্শ দূৰবীক্ষণ যন্ত্ৰ। আদৰ্শ এই কাৰণেই যে আমাৰ তত্ত্বই নিৰ্দ্ধাৰণ কৰি দিয়া উচ্চতম কাৰ্যক্ষমতাৰ ই অধিকাৰী। কথাটো বুজিবৰ কাৰণে দূৰবীক্ষণৰ কাৰ্যনীতিৰ কথাটো জানি লোৱা প্ৰয়োজন। দূৰৰ বস্তু এটাৰ পৰা অহা পোহৰৰ ৰশ্মি দূৰবীক্ষণ যন্ত্ৰৰ সমুখৰ ফালে থকা লেন্স্ বা দাপোণত পৰিলে ইয়াৰ পৰ্দাত বস্তুটোৰ এটা প্ৰতিবিম্বৰ সৃষ্টি হয়। এই প্ৰতিবিম্বটো আমি চকুৰে দেখিবলৈ পাওঁ আৰু তাৰ পৰাই দূৰৰ বস্তুটোৰ অস্তিত্বৰ কথা গম পাওঁ। কিন্তু আকাশত থকা সকলোবোৰ জ্যোতিষ্ক ধৰা পেলাবৰ কাৰণে আমি যে কেৱল সেইবোৰে বিকিৰণ কৰা পোহৰৰহে সহায় লওঁ সেইটো নহয়। পোহৰৰ উপৰিও এই আকাশী বস্তুবোৰে পোহৰৰ সমধৰ্মী বিভিন্ন তৰঙ্গদৈৰ্ঘ্যৰ বহুতো তৰঙ্গ বিকিৰণ কৰে। এই তৰঙ্গবোৰক সাধাৰণভাৱে বিদ্যুৎ চুম্বকীয় তৰঙ্গ বোলা হয়। এই তৰঙ্গবোৰৰ গঠন, গতিবিধি আৰু বেগ একে যদিও সিহঁতৰ তৰঙ্গদৈৰ্ঘ্য ভিন ভিন আৰু সিহঁতে বহণ কৰা শক্তিৰ পৰিমাণো ভিন ভিন। তৰঙ্গদৈৰ্ঘ্যৰ মানৰ উৰ্ধ্বক্ৰম অনুসৰি এই তৰঙ্গবোৰক গামা ৰশ্মি, এক্স ৰশ্মি, অতি বেঙুনীয়া ৰশ্মি, আমি দেখা পোহৰৰ ৰশ্মি, অৱলোহিত ৰশ্মি, ৰেডিও তৰঙ্গ আদি বিভিন্ন শ্ৰেণীত ভাগ কৰা হয়। আমি দেখা পোহৰৰ ৰশ্মি আকাশৰ জ্যোতিষ্কবোৰে বিকিৰণ কৰা বিভিন্ন শ্ৰেণীৰ বিদ্যুৎ চুম্বকীয় তৰঙ্গৰ এটা অতি সামান্য অংশহে মাথোন। আকাশৰ বেলেগ বেলেগ জ্যোতিষ্কই সিহঁতৰ অৱস্থা অনুসৰি বেলেগ বেলেগ তৰঙ্গদৈৰ্ঘ্যৰ বিদ্যুৎ চুম্বকীয় তৰঙ্গ বিকিৰণ কৰে ঠিক যেনেকৈ 'পক্ষী সৰে উৰে নিজ পাখা অনুসাৰে'। বহুতো জ্যোতিষ্কই আমি দেখা পোহৰৰ পৰিবৰ্তে অন্য তৰঙ্গদৈৰ্ঘ্যৰ তৰঙ্গহে বিকিৰণ কৰে। এই তৰঙ্গবোৰ আমি চকুৰে নেদেখো বাবে এই জ্যোতিষ্কবোৰ আমি সচৰাচৰ ব্যৱহাৰ কৰা আলোক দূৰবীক্ষণ যন্ত্ৰৰ সহায়ত ধৰা পেলাব নোৱাৰি। কিন্তু এই জ্যোতিষ্কবোৰ ধৰা পেলাব পৰাকৈ বেলেগ বেলেগ তৰঙ্গদৈৰ্ঘ্যৰ বিদ্যুৎ চুম্বকীয় তৰঙ্গৰ বাবে কাৰ্যকৰী হোৱা দূৰবীক্ষণ যন্ত্ৰ (যেনে ৰেডিও টেলিস্ক'প, আলট্ৰা ভায়োলেট টেলিস্ক'প ইত্যাদি) ইতিমধ্যে আৱিষ্কৃত হৈছে আৰু সেইবোৰৰ বিস্তৰ ব্যৱহাৰো হৈছে। আমি ওপৰত উল্লেখ কৰা আদৰ্শ দূৰবীক্ষণ যন্ত্ৰটো হ'ল বিদ্যুৎ চুম্বকীয় তৰঙ্গৰ সকলো তৰঙ্গদৈৰ্ঘ্যতে কাৰ্যকৰী এটা যন্ত্ৰ। বাস্তৱ ক্ষেত্ৰত আমি ব্যৱহাৰ কৰিব লাগিব বিভিন্ন তৰঙ্গদৈৰ্ঘ্যত কাম কৰা বহুতো দূৰবীক্ষণ যন্ত্ৰ।

এনে এটা আলোকসন্ধানী দূৰবীক্ষণ লৈ আমি যদি আমাৰ বিশ্বব্ৰহ্মাণ্ড বিজয় যাত্ৰা আৰম্ভ কৰো প্ৰথমেই আমি কাৰ মুখামুখি হ'ম ? প্ৰথমেই আমি লগ পাম আমাৰ নিকটতম প্ৰতিবেশী পৃথিৱীৰ একমাত্ৰ উপগ্ৰহ চন্দ্ৰটো। চন্দ্ৰত মানুহৰ পদাৰ্পণৰ পাছত এতিয়া চন্দ্ৰটো আৰু আমাৰ কাৰণে অচিনাকি হৈ থকা নাই। এতিয়া আৰু তাৰ তুলসীৰ তলত মৃগ পহু নচৰে। চন্দ্ৰৰ পৰা চকু আঁতৰাই নিলেই আমি দেখিবলৈ পাম বিভিন্ন সংখ্যক উপগ্ৰহৰ দ্বাৰা পৰিবেষ্টিত সৌৰজগতৰ বিভিন্ন গ্ৰহবোৰ। নিজৰ পৰিয়াল সমেত এই গ্ৰহবোৰে নিজ নিজ কক্ষপথেৰে সূৰ্যৰ চাৰিওফালে অনবৰত ঘূৰিব লাগিছে। এইদৰে গ্ৰহবোৰৰ চাৰিওফালে উপগ্ৰহবোৰ আৰু সূৰ্যৰ চাৰিওফালে গ্ৰহবোৰ ঘূৰি ফুৰাৰ এটা বিশেষ কাৰণ আছে। ইয়াকে নকৰিলে সিহঁতৰ স্বকীয় অস্তিত্বই লোপ পাব। কথাটো বুজিবৰ কাৰণে আমি পৃথিৱীৰ কথাকে ধৰো। আমি জানো যে পৃথিৱী আৰু সূৰ্যই এক প্ৰবল মহাকৰ্ষণ বলেৰে পৰস্পৰে পৰস্পৰক আকৰ্ষণ কৰি আছে। অন্য কোনো প্ৰকাৰে এই বলক কামত নলগালে ইয়াৰ ক্ৰিয়াৰ ফলত পৃথিৱী আৰু সূৰ্য পৰস্পৰে পৰস্পৰৰ ওচৰ চাপি আহিব আৰু পৃথিৱীৰ ভৰ যিহেতু সূৰ্যৰ ভৰতকৈ সহস্ৰ গুণে কম পৃথিৱী গৈ সূৰ্যৰ বুকুত জাহ যাবগৈ – যেনেকৈ গছে গম নোপোৱাকৈয়ে পকা ফল নীৰৱে পৃথিৱীৰ বুকুত সৰি পৰে। পৃথিৱীয়ে সূৰ্যৰ চাৰিওফালে ঘূৰি থাকি নিজকে এইদৰে আত্মঘাতী হোৱাৰ পৰা ৰক্ষা কৰি আছে। উল্লেখযোগ্য যে কোনো এটা বস্তুৱে কোনো এটা বৃত্তীয় পথেৰে ঘূৰি থাকিবলৈ হলে বৃত্তীয় পথৰ কেন্দ্ৰৰ ফালে সকলো সময়তে এটা বলে ইয়াক টানি থাকিব লাগিব। বৃত্তীয় গতিৰ ক্ষেত্ৰত কেন্দ্ৰৰ ফালে ক্ৰিয়া কৰি থকা এই বলটোক অভিকেন্দ্ৰিক বল বোলা হয়। এই বলৰ মান ঘূৰি থকা বস্তুটোৰ ভৰ বেগ আৰু বৃত্তীয় পথৰ কেন্দ্ৰৰ পৰা ইয়াৰ দূৰত্বৰ ওপৰত নিৰ্ভৰ কৰে। স্বাভাৱিকতে সূৰ্যৰ চাৰিওফালে ঘূৰি থাকিবলৈ পৃথিৱীৰ ওপৰতো সূৰ্যৰ গাৰ ফাললৈ এটা বলে অনবৰত কাম কৰি থাকিব লাগিব। পৃথিৱীৰ ওপৰত সূৰ্যই প্ৰয়োগ কৰা মহাকৰ্ষণ বলেই এই কাম কৰে। পৃথিৱী সৃষ্টিৰ সময়ত সংঘটিত ঘটনা প্ৰৱাহৰ পৰিণাম স্বৰূপে পৃথিৱীয়ে সূৰ্যৰ পৰা এনে এটা দূৰত্বত অৱস্থান গ্ৰহণ কৰি ইয়াৰ চাৰিওফালে ঘূৰিবলৈ লাগিল যে সূৰ্যই পৃথিৱীৰ ওপৰত প্ৰয়োগ কৰা মহাকৰ্ষণ বলৰ মান পৃথিৱীক বৃত্তীয় পথত





মেজেলানৰ বৃহৎ মেঘ

ঘূৰিবৰ কাৰণে প্ৰয়োজন হোৱা অভিকেন্দ্ৰিক বলৰ মানৰ সমান হয়। অৰ্থাৎ সূৰ্যৰ মহাকৰ্ষণ বল অন্য কামত ব্যৱহৃত হ'ল আৰু পৃথিৱীও ইয়াৰ অত্যাচাৰৰ পৰা ৰক্ষা পৰিল। অন্যান্য গ্ৰহ উপগ্ৰহৰ ক্ষেত্ৰতো একে কথাই খাটে। সেয়েহে আমি ক'ব পাৰো যে আকাশী বস্তুবোৰৰ বৃত্তীয় গতি সিহঁতৰ নিজস্ব অস্তিত্ব ৰক্ষাৰ বাবে কৰি থকা অবিৰাম সংগ্ৰামহে মাথোন।

সূৰ্যৰ পৰিয়ালটোৰ বাসগৃহৰ চৌহদ সৌৰজগতৰ সীমা পাৰ হৈ আমি যদি আৰু অধিক দূৰলৈ আমাৰ দৃষ্টি নিক্ষেপ কৰো দেখিবলৈ পাম যে আমাৰ সৌৰজগতৰ দৰেই অগণন তাৰকাৰ পৰিয়াল সমবেত হৈ গঠন কৰিছে এখন বিশাল সাম্ৰাজ্য যাক আমি তাৰকাৰাজ্য (Galaxy) বুলি কওঁ। এই তাৰকাৰাজ্যৰ অধিবাসী সকলোবোৰ তাৰকাই আমাৰ সূৰ্যৰ সৈতে একে শ্ৰেণীৰ বা একে বয়সৰ নহয়। ইয়াত নক্ষত্ৰৰ সৃষ্টি, ক্ৰমবিবৰ্তন আৰু বিনাশ হবই লাগিছে। কৰবাত হয়তো আন্তঃনাক্ষত্ৰিক গেচ আৰু ধূলিকণাৰ মাজৰ পৰা জন্ম লাভ কৰি এটা নক্ষত্ৰই প্ৰথম ছাটি পোহৰেৰে তাৰ আগমনিৰ সংকেত দিছে আন এঠাইত হয়তো কোনো একোটা নক্ষত্ৰই শৈশৱৰ লীলা খেলা সামৰি প্ৰথম যৌৱনৰ উত্তাপত উৎফুল্লিত হৈ 'ৰঙা দৈত্যৰ' (Red Giant Star) বিৰাটাকাৰ ৰূপ ধাৰণ কৰিছে আন কৰবাত আকৌ কোনোটো তৰাই জীৱনৰ কাম-কাজ সামৰি 'বগা বাওনা'ৰ (White dwarf) ৰূপত মৃত তাৰকা হৈ মহাশূন্যত ওলমি আছে। বিভিন্ন বয়সৰ বিভিন্ন চৰিত্ৰৰ তাৰকা। আমি বাস কৰা তাৰকা ৰাজ্যখনক হাতীপটি (Milky Way) বুলি কোৱা হয়। আমাৰ সূৰ্যৰ দৰে ইয়াত থকা সকলো নক্ষত্ৰই নিজ নিজ পৰিয়ালবৰ্গৰে সৈতে হাতীপটিৰ কেন্দ্ৰৰ চাৰিওফালে অনবৰত ঘূৰিবই লাগিছে। নক্ষত্ৰবোৰৰ এই বৃত্তীয় গতিৰ কাৰণো পৃথিৱীয়ে সূৰ্যৰ চাৰিওফালে ঘূৰাৰ কাৰণৰ সৈতে একে – নিজৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম। নহলে যে গোটেই নক্ষত্ৰবোৰ লগলাগি একাকাৰ হৈ যাব! আমাৰ হাতীপটিত আছে প্ৰায় দহহেজাৰ কোটি নক্ষত্ৰ। ইয়াৰ উপৰিও আছে প্ৰচুৰ পৰিমাণৰ আন্তঃনাক্ষত্ৰিক গেচ আৰু ধূলিকণা। হাতীপটিৰ সাধাৰণ আকাৰ পৰিধিৰ পৰা কেন্দ্ৰৰফালে ক্ৰমে ডাঠ হৈ যোৱা এখন ঘূৰণীয়া আকৃতিৰ কাঁহীৰ নিচিনা। এই কাঁহীখনৰ ব্যাসাৰ্দ্ধ প্ৰায় ১৫০০০ পাৰছেক। (পাৰছেক হ'ল জ্যোতিৰ্বিজ্ঞানত ব্যৱহাৰ কৰা দূৰত্বৰ এটা একক। আকাশী বস্তুবোৰৰ মাজৰ দূৰত্ব অতি বেছি বাবে আমি সচৰাচৰ ব্যৱহাৰ কৰা মিটাৰ, কিলোমিটাৰ আদি দূৰত্বৰ এককবোৰ ইয়াত ব্যৱহাৰ কৰিবলৈ অসুবিধা। সেই বাবে দূৰত্বৰ এটা ডাঙৰ একক পাৰছেক ব্যৱহাৰ কৰা হয়। এক পাৰছেকৰ মান হ'ল $৩\times১০^{১৩}$ কিলোমিটাৰ।) আমাৰ সূৰ্যটো হাতীপটিৰ কেন্দ্ৰ আৰু পৰিধিৰ প্ৰায় মাজ মানতে থাকি প্ৰতি ছেকেণ্ডত ২৫০ কিলোমিটাৰ বেগেৰে হাতীপটিৰ কেন্দ্ৰৰ চাৰিওফালে ঘূৰি আছে। তাৰকাৰাজ্যৰ ভিতৰত আকৌ নক্ষত্ৰবোৰ সুষমভাৱে সিঁচৰতি হৈ নেথাকে। বহুতো তৰাই একে লগে জুম বান্ধি একোটাহত নক্ষত্ৰপুঞ্জ (Star cluster) গঠন কৰে। এনে ধৰণৰ ক্ষুদ্ৰতম গোট হ'ল যুৰীয়া তৰা (Binary stars)। হাতীপটিৰ প্ৰায় পঞ্চাছ শতাংশ তৰাই হ'ল এনেধৰণৰ যুৰীয়া তৰা। কেতিয়াবা কেতিয়াবা দুটা ওচৰা-ওচৰিকৈ থকা নক্ষত্ৰৰ ভৰ আৰু সিহঁতৰ মাজৰ দূৰত্ব এনেধৰণৰ হয় যে সিহঁতৰ এটাই আনটোৰ মহাকৰ্ষণৰ প্ৰভাৱৰ পৰা মুক্ত হৈ থাকিব নোৱাৰে। তেনে অৱস্থাত এই নক্ষত্ৰ দুটাৰ প্ৰত্যেকেই সিহঁতৰ উভয়ৰে সাধাৰণ ভৰকেন্দ্ৰৰ চাৰিওফালে ঘূৰি থাকি নিজৰ সুস্থিৰতা অব্যাহত ৰাখে। এনেদৰেই

যুৰীয়া তৰাৰ সৃষ্টি হয়। হাতীপটিত থকা ডাঙৰ নক্ষত্ৰপুঞ্জবোৰত প্ৰায় এশহেজাৰ মানলৈকে নক্ষত্ৰ থূপ খাই থাকে। কিন্তু আমি দেখা গ্ৰহ-নক্ষত্ৰবোৰত থকা পদাৰ্থখিনিয়েই আমাৰ তাৰকাৰাজ্যত থকা সমস্ত পদাৰ্থ নহয়। সাম্প্ৰতিক অধ্যয়নৰ পৰা দেখা হৈছে যে ইয়াতকৈ বহুতো বেছি পৰিমাণৰ পদাৰ্থই আমাৰ তাৰকা ৰাজ্যত আত্মগোপন কৰি আছে ডাৰ্ক মেটাৰ (Dark matter) বা কৃষ্ণ পদাৰ্থৰ ৰূপত। এইবোৰক ডাৰ্ক মেটাৰ বোলা হৈছে কাৰণ দৃশ্যমান পদাৰ্থবোৰৰ দৰে কোনো ধৰণৰ বিদ্যুৎ চুম্বকীয় তৰঙ্গ বিকিৰণ কৰি এই পদাৰ্থবোৰে সিহঁতৰ অস্তিত্বৰ সংকেত আমালৈ প্ৰেৰণ নকৰে। বিদ্যুৎ চুম্বকীয় তৰঙ্গ নহলে নিৰুপায় – আমাৰ দূৰবীক্ষণ যন্ত্ৰবোৰে সিহঁতক ধৰা পেলাব নোৱাৰে। কিন্তু আমাৰ তাৰকাৰাজ্যৰ চাৰিওফালে বহুদূৰলৈ বিস্তৃত এটা বিৰাটাকাৰ বলয়ৰ মাজত আৱদ্ধ হৈ থকা এই কৃষ্ণ পদাৰ্থবোৰৰ মহাকৰ্ষণ বল উপেক্ষণীয় নহয়। এই মহাকৰ্ষণ বলেই এইবোৰৰ অস্তিত্বৰ স্বাক্ষৰ বহণ কৰিছে। কৃষ্ণ পদাৰ্থৰ অস্তিত্ব সম্পৰ্কে সম্প্ৰতি হোৱা প্ৰচুৰ গৱেষণাৰ ফলস্বৰূপে জানিব পৰা গৈছে যে সমগ্ৰ বিশ্বব্ৰহ্মাণ্ড এনে ধৰণৰ কৃষ্ণ পদাৰ্থৰে ভৰি আছে আৰু এই পদাৰ্থবোৰৰ পৰিমাণ বিশ্বব্ৰহ্মাণ্ডত থকা দৃশ্যমান পদাৰ্থবোৰতকৈয়ো বহুতো বেছি। বিশ্বতত্ত্ব বিজ্ঞানী সকলে ইয়াকো ক'ব খোজে যে এই কৃষ্ণ পদাৰ্থবোৰৰ আৱিষ্কাৰে বিশ্বব্ৰহ্মাণ্ডৰ ভৱিষ্যত সম্পৰ্কীয় ধাৰণাটোকে ওলট-পালট কৰি দিছে আৰু বিশ্বব্ৰহ্মাণ্ডৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে ইয়াত থকা এই কৃষ্ণ পদাৰ্থবোৰৰ পৰিমাণৰ ওপৰতেই।

সি যি কি নহওক বিশ্বব্ৰহ্মাণ্ড বিজয় অভিযানৰ অভিযাত্ৰী আমি এতিয়া আমাৰ হাতীপটি এৰিবৰ হ'ল। হাতীপটিৰ সীমাৰ সিপাৰলৈ আমাৰ অনুসন্ধানী দৃষ্টি নিক্ষেপ কৰিলেই আমি দেখিবলৈ পাম – সমগ্ৰ বিশ্বব্ৰহ্মাণ্ড এনেধৰণৰ সৰু-বৰ অসংখ্য তাৰকাৰাজ্যৰে ভৰি আছে। অৱশ্যে এই সকলোবোৰ তাৰকাৰাজ্যৰ আকাৰ, আকৃতি আৰু গঠন একে ধৰণৰ নহয় – কিছুমানৰ আকাৰ সৰ্পিল (Spiral), কিছুমান উপবৃত্তীয় (Elliptical) আৰু আন বহুতৰে কোনো নিয়মিত আকাৰেই নাই। ইয়াৰ ওপৰিও আছে এই শতিকাৰ ষাঠিৰ দশকত আৱিষ্কৃত হোৱা সেই অদ্ভুত কোৱাচাৰবোৰ (Quasars)। এই কোৱাচাৰবোৰক বিশেষ একশ্ৰেণীৰ তাৰকাৰাজ্য বুলি ধাৰণা কৰা হৈছে। ইহঁতৰ এটা অতি উজ্জ্বল কেন্দ্ৰ বা নিউক্লিয়াচ থাকে। কেন্দ্ৰটোৰ এই চকুচাট মাৰি ধৰা উজ্জ্বলতাৰ বাবেই ইয়াত থকা তাৰকাবোৰ সুকীয়া সুকীয়াকৈ দেখা নেযায়। আনহাতে এই উজ্জ্বলতাৰ বাবেই কোৱাচাবোৰক বহুত দূৰৰ পৰাই দেখা পাব পাৰি। প্ৰকৃততে আমাৰ দূৰবীক্ষণ যন্ত্ৰই ধৰা পেলাব পৰা বিশ্বব্ৰহ্মাণ্ডৰ আটাইতকৈ দূৰৰ অধিবাসী হ'ল এই কোৱাচাৰবোৰেই। বৰ্তমানৰ হিচাপ মতে দৃশ্যমান বিশ্বব্ৰহ্মাণ্ডৰ সীমান্তৰ প্ৰহৰী এই কোৱাচাৰবোৰ আমাৰ পৰা প্ৰায় $১০^{২২}$ কিলোমিটাৰ দূৰত আছে। সমগ্ৰ বিশ্বব্ৰহ্মাণ্ডতে ব্যাপ্ত হৈ থকা তাৰকাৰাজ্যবোৰৰ অৱস্থান নিৰীক্ষণ কৰিলে দেখা যায় যে সেইবোৰো সুষমভাৱে সিঁচৰতি হৈ থকা নাই। বহুতো তাৰকাৰাজ্যই জুম বান্ধি গঠন কৰিছে একোটাহঁত বৃহদাকাৰ তাৰকাৰাজ্য থূপ বা গেলেক্টিক ক্লাষ্টাৰ (Galactic Cluster)। আমি বাস কৰা তাৰকাৰাজ্য থূপৰ আমাৰ হাতীপটি আৰু আমাৰ দুৱাৰমুখৰ প্ৰতিবেশী এণ্ড্ৰমেডা তাৰকাৰাজ্যৰ (Andromeda Galaxy) ওপৰিও প্ৰায় ত্ৰিশখনমান এনেধৰণৰ তাৰকা ৰাজ্যই জুম বান্ধি 'সন্মিলিত তাৰকাৰাজ্য সংঘৰ' সৃষ্টি কৰিছে। এই তাৰকাৰাজ্য থূপৰ বাহিৰলৈ চালে দেখিম বিশ্বব্ৰহ্মাণ্ডত এনেধৰণৰ তাৰকাৰাজ্য থূপো আছে অগণন আৰু সেইবোৰেও আকৌ জুম বান্ধি গঠন কৰিছে একোটাহঁত বৃহদাকাৰ অতি তাৰকাৰাজ্য থূপ বা চুপাৰ ক্লাষ্টাৰ (Super Cluster)।



এণ্ড্ৰমেদা তৰা জগৎ

বিশ্বব্ৰহ্মাণ্ডত যেন কোনোৱেই অকলে থাকিব নোখোজে। সুবিধা পালেই জুম বান্ধি সকলোৱেই সমস্বৰে গায় অনন্তৰ গান। 'ভাষা তাৰ ছদ্মবেশী – বাহ্মী হিব্ৰু অজাতেক খৰোষ্ঠী ৰোমান'। আমি বাস কৰা চুপাৰ ক্লাষ্টাৰটোৰ ব্যাপ্তি প্ৰায় $৫\times১০^{২০}$ কিলোমিটাৰ। ইয়াৰ কেন্দ্ৰ আমাৰ পৰা প্ৰায় $২\times১০^{২০}$ কিলোমিটাৰ দূৰত ভিৰগ' তাৰকাৰাজ্যৰ (Virgo coustellation) দিশত। বিশ্বব্ৰহ্মাণ্ডত আমি দেখা পোৱা পদাৰ্থ গোটবোৰৰ ভিতৰত এই চুপাৰ ক্লাষ্টাৰবোৰেই বৃহত্তম। তাত্ত্বিক দিশৰ পৰা বিশ্লেষণ কৰি জিওকী (F. Zwicky), এবেল (G. O. Abell) ওৰ্ট (J. H. Oort) প্ৰমুখ্যে জ্যোতিৰ্বিজ্ঞানীসকলে দেখুৱাইছে যে বিশ্বব্ৰহ্মাণ্ডত ইয়াতকৈ ডাঙৰ পদাৰ্থগোট সুস্থিৰ হৈ থাকিব নোৱাৰে।

আমাৰ পৰা আঁতৰি গৈ আছে আৰু এই আকাশী বস্তুবোৰৰ দূৰত্ব যিমানেই বেছি সিহঁতৰ অপসৰণ বেগো সিমানেই বেছি। যিহেতু আমাৰ এই নিৰীক্ষণৰ ফলাফলবোৰ বিশ্বব্ৰহ্মাণ্ডৰ যিকোনো ঠাইতে থকা যিকোনো নিৰীক্ষকৰ বাবে একেই হ'ব গতিকে আমি ক'ব পাৰো যে বিশ্বব্ৰহ্মাণ্ডৰ সকলো পদাৰ্থগোটেই পৰস্পৰে পৰস্পৰৰ পৰা আঁতৰি গৈ আছে। বিভিন্ন তাৰকাৰাজ্যৰ অপসৰণ বেগ আৰু সিহঁতৰ দূৰত্ব নিৰীক্ষণ কৰি বিখ্যাত মাৰ্কিন জ্যোতি বিজ্ঞানী এড্‌ৱিন হাবলে (Edwin Hubble) ১৯২৯ চনত এটা সূত্ৰ আৱিষ্কাৰ কৰিছিল। 'হাবলৰ সূত্ৰ' নামে জনাজাত এই সূত্ৰটোৰ মতে যদি দুখন তাৰকাৰাজ্যৰ মাজৰ দূৰত্ব L আৰু সিহঁতৰ মাজৰ আপেক্ষিক অপসৰণ বেগ V হয় তেন্তে V আৰু L -ৰ মাজৰ সম্বন্ধটো হ'ল $V=HL$ ইয়াত H ৰাশিটোক

## বিশ্বব্ৰহ্মাণ্ডত থকা বিভিন্ন পদাৰ্থগোটৰ আকাৰ আৰু ভৰ

| পদাৰ্থগোট | ৰৈখিক আকাৰ | ভৰ |
|---|---|---|
| পৃথিৱী | $৬.৪\times১০^{৩}$ কিলোমিটাৰ | $৬\times১০^{২৪}$ কিলোগ্ৰাম |
| সূৰ্য | $৭\times১০^{৫}$ কিলোমিটাৰ | $২\times১০^{৩০}$ কিলোগ্ৰাম = ১ সৌৰভৰ |
| নক্ষত্ৰপুঞ্জ | $১৫-৯০\times১০^{১৩}$ কিলোমিটাৰ | $১০^{৫}-১০^{৬}$ সৌৰভৰ |
| তাৰকাৰাজ্য | $৪৫\times১০^{১৬}$ কিলোমিটাৰ | $২\times১০^{১১}$ সৌৰভৰ |
| তাৰকাৰাজ্য থূপ | $৩-১৫\times১০^{১৯}$ কিলোমিটাৰ | $১০^{১৩}-১০^{১৫}$ সৌৰভৰ |
| চুপাৰ ক্লাষ্টাৰ | $১৫০-৩০০\times১০^{১৯}$ কিলোমিটাৰ | $-১০^{১৬}$ সৌৰভৰ |
| বিশ্বব্ৰহ্মাণ্ড | $৯-১৮\times১০^{২২}$ কিলোমিটাৰ | $-১০^{২১}$ সৌৰভৰ |

যদিও স্থান-কালৰ বিশাল বিস্তাৰৰ মাজত থূপাথূপিকৈ থকা সৰু বৰ বিভিন্ন আকাৰৰ অসংখ্য পদাৰ্থগোটৰ সমষ্টিৰে বিশ্বব্ৰহ্মাণ্ড গঠিত হৈছে আশ্চৰ্যৰ কথা যে বিশ্বব্ৰহ্মাণ্ডত সামগ্ৰীকভাৱে পদাৰ্থৰ বিতৰণ প্ৰায় সুষম। বিশ্বব্ৰহ্মাণ্ডৰ যিকোনো অংশৰে আপেক্ষিকভাৱে ডাঙৰ কোনো আয়তনত থকা পদাৰ্থৰ পৰিমাণ সমান। ইয়াৰ ওপৰিও বিশ্বব্ৰহ্মাণ্ডৰ সকলো দিশতে পদাৰ্থৰ বিতৰণো একেই দেখিবলৈ পোৱা যায়। ইয়াৰ অৱশ্যম্ভাৱী ফল এয়ে যে আমি বিশ্বব্ৰহ্মাণ্ডৰ যিকোনো বিন্দুৰ পৰাই লক্ষ্য নকৰো কিয় বিশ্বব্ৰহ্মাণ্ডখন সদায় একে ধৰণৰেই দেখিম। বিশ্বব্ৰহ্মাণ্ডৰ আন এটা বিশেষ ধৰ্ম হ'ল ইয়াৰ সাধাৰণ প্ৰসাৰণ। নিৰীক্ষণ কৰি দেখা গৈছে যে আমি দেখা নক্ষত্ৰ, নক্ষত্ৰপুঞ্জ বা তাৰকা ৰাজ্যবোৰ

হাবলৰ ধ্ৰুৱক বুলি কোৱা হয়। অৱশ্যে প্ৰকৃত অৰ্থত H এটা ধ্ৰুৱক নহয় ইয়াৰ মান বিশ্বব্ৰহ্মাণ্ডৰ বয়সৰ লগে লগে সলনি হৈ থাকে। গণিতৰ ভাষাত হাবলৰ ধ্ৰুৱকৰ মান বিশ্বব্ৰহ্মাণ্ডৰ বয়সৰ ব্যস্তানুপাতিক।

হাবলৰ সূত্ৰৰ আৱিষ্কাৰ আধুনিক বিশ্বতত্ত্ব বিজ্ঞানৰ ইতিহাসৰ এটা যুগান্তকাৰী ঘটনা। আধুনিক বিশ্বতত্ত্ব বিজ্ঞানৰ মূল ভেটি আইনষ্টাইনৰ সাধাৰণ আপেক্ষিকতাবাদ তত্ত্বক এই আৱিষ্কাৰে সুদৃঢ়ভাৱে প্ৰতিষ্ঠা কৰিলে। প্ৰকৃততে আইনষ্টাইনৰ সাধাৰণ আপেক্ষিকতাবাদৰ সমীকৰণবোৰ সমাধান কৰি বিখ্যাত ছোভিয়েত বিজ্ঞানী আলেকজেণ্ডাৰ ফ্ৰিয়েডমেনে ১৯২২ চনতে এনে এখন প্ৰসাৰণশীল বিশ্বব্ৰহ্মাণ্ডৰ আৰ্হি দাঙি ধৰিছিল। কিন্তু সেই সময়ৰ বিজ্ঞানীসকলে আনকি আইনষ্টাইনে নিজেও বিশ্বব্ৰহ্মাণ্ডৰ প্ৰসাৰণৰ কথা বিশ্বাস কৰিবলৈ টান পাইছিল। এই অবিশ্বাস ইমানেই প্ৰবল আছিল যে এখন প্ৰসাৰণহীন স্থিৰ বিশ্বৰ উপযোগীকৈ এটা ধ্ৰুৱক নতুনকৈ যোগ দি তেওঁ সাধাৰণ আপেক্ষিকতাবাদৰ সমীকৰণ কেইটাকে সলনি কৰি দিছিল। পিছত অৱশ্যে এইটো তেওঁৰ বৈজ্ঞানিক জীৱনৰ আটাইতকৈ ডাঙৰ ভুল বুলি নিজেই স্বীকাৰ কৰি গৈছে। সি যি কি নহওক হাবলৰ আৱিষ্কাৰে বিশ্বব্ৰহ্মাণ্ডৰ ৰূপ সম্পৰ্কে বিজ্ঞানীসকলৰ চকু মুকলি কৰি দিলে। অৱশ্যে হাবলৰ আগেয়েও শ্লিফাৰ, ৱিজ লাণ্ডমাৰ্ক আদি জ্যোতিৰ্বিজ্ঞানীসকলে বিশ্বব্ৰহ্মাণ্ডৰ এই প্ৰসাৰণৰ প্ৰমাণ পাইছিল। এই সকলোবোৰ জ্যোতিৰ্বিজ্ঞানীয়ে নিৰীক্ষণ কৰি লাভ কৰা তথ্যপাতিবোৰ ব্যাখ্যা কৰিবৰ কাৰণে সহায় লৈছিল বিজ্ঞান জগতত ইতিমধ্যে সুপ্ৰতিষ্ঠিত ডপ্লাৰ প্ৰক্ৰিয়া নামৰ এটা প্ৰক্ৰিয়াৰ। এই প্ৰক্ৰিয়ামতে শব্দ, পোহৰ আদিৰ তৰঙ্গৰ উৎস এটা আৰু সেই তৰঙ্গ নিৰীক্ষণ কৰা নিৰীক্ষক এজনৰ মাজত আপেক্ষিক বেগ থাকিলে অৰ্থাৎ নিৰীক্ষক আৰু উৎসৰ মাজৰ দূৰত্বৰ পৰিবৰ্তন হৈ থাকিলে উৎসটোৱে বিকিৰণ কৰা ঢৌৰ কম্পনাংক আৰু নিৰীক্ষকজনে নিৰীক্ষণ কৰা ঢৌৰ কম্পনাংকৰ মাজত এটা বিসঙ্গতিয়ে দেখা দিয়ে। নিৰীক্ষণ কৰা ঢৌৰ কম্পনাংক উৎসটোৱে প্ৰেৰণ কৰা ঢৌৰ কম্পনাংকতকৈ বেলেগ হয়। উৎসটো নিৰীক্ষকৰ পৰা আঁতৰি গলে বা নিৰীক্ষকজন উৎসটোৰ পৰা আঁতৰি আহিলে নিৰীক্ষিত ঢৌৰ কম্পনাংক প্ৰেৰিত ঢৌৰ কম্পনাংকতকৈ কম হয়। আনহাতে যদি নিৰীক্ষকজন উৎসটোৰ ফালে অগ্ৰসৰ হয় বা উৎসটো নিৰীক্ষকৰ ওচৰ চাপি আহে তেন্তে নিৰীক্ষিত কম্পনাংকৰ মান প্ৰেৰিত কম্পনাংকৰ মানতকৈ বেছি হয়। যিমানেই নিৰীক্ষক আৰু উৎসৰ মাজৰ আপেক্ষিক বেগ বেছি হয় সিমানেই নিৰীক্ষিত কম্পনাংকৰ হ্ৰাস বৃদ্ধি বেছি হয়। যিহেতু যিকোনো ঢৌৰে তৰঙ্গ দৈৰ্ঘ্য ইয়াৰ কম্পনাংকৰ ব্যস্তানুপাতিক গতিকে ডপ্লাৰৰ প্ৰক্ৰিয়াটো নিৰীক্ষিত তৰঙ্গৰ তৰঙ্গদৈৰ্ঘ্য পৰিবৰ্তনৰ ৰূপতো প্ৰকাশ কৰিব পাৰি। পোহৰৰ উৎস এটাৰ ক্ষেত্ৰত ডপ্লাৰৰ প্ৰক্ৰিয়াটো প্ৰয়োগ কৰি আমি তেতিয়া ক'ব পাৰো যে পোহৰৰ উৎস এটা যদি

নিৰীক্ষকৰ পৰা আঁতৰি গৈ থাকে তেন্তে নিৰীক্ষকজনে দেখা পোহৰৰ তৰঙ্গ দৈৰ্ঘ্য উৎসটোৱে বিকিৰণ কৰা পোহৰৰ তৰঙ্গ দৈৰ্ঘ্যতকৈ বেছি হব। উল্লেখযোগ্য যে আমি দেখা বগা পোহৰ বিভিন্ন ৰঙৰ সমষ্টি আৰু কোনো এটা পোহৰৰ ৰং নিৰ্ভৰ কৰে সেই পোহৰৰ তৰঙ্গ দৈৰ্ঘ্যৰ ওপৰত। সূৰ্যৰ পোহৰত তৰঙ্গ দৈৰ্ঘ্যৰ উৰ্দ্ধমুখী মানৰ ক্ৰম অনুসৰি বেঙুনীয়া, ঘননীলা, আকাশী নীলা, সেউজীয়া, হালধীয়া, কমলা ৰং আৰু ৰঙা ৰং এই সাতোটা ৰং থাকে বুলি কোৱা হয়। নক্ষত্ৰ এটাই যদি কোনো এক ৰং বিশিষ্ট তৰঙ্গ বিকিৰণ কৰি আমাৰ পৰা আঁতৰি গৈ থাকে তেন্তে ডপ্লাৰৰ সূত্ৰ মতে আমি নক্ষত্ৰটোৰ পৰা সি বিকিৰণ কৰাতকৈ অধিক তৰঙ্গ দৈৰ্ঘ্যৰ পোহৰ অহা দেখিবলৈ পাম। অৰ্থাৎ নিৰীক্ষিত পোহৰৰ ৰং ৰঙা ৰঙৰ (অধিক তৰঙ্গ দৈৰ্ঘ্যৰ) দিশলৈ অপসাৰিত হোৱা দেখা যাব। ইয়াকে কোৱা হয় ৰঙা সৰণ (red shift)। নক্ষত্ৰ এটাই যিমানেই বেছি বেগেৰে আমাৰ পৰা আঁতৰি গৈ থাকে সিমানেই সি বিকিৰণ কৰা পোহৰৰ ৰঙা সৰণ বেছি হব। নিৰীক্ষণ কৰি দেখা গৈছে যে জ্যোতিষ্ক এটাৰ আমাৰ পৰা দূৰত্ব যিমানেই বেছি তাৰ পোহৰৰ ৰঙা সৰণো সিমানেই বেছি। হাবলৰ সূত্ৰৰ মূল ভেটি হ'ল এইটোৱেই। এতিয়া যদি আমি এনে এটা দূৰত্বৰ কথা ভাবো য'ত জ্যোতিষ্কবোৰৰ বেগ প্ৰায় পোহৰৰ বেগৰ ওচৰা-ওচৰি হৈছেগৈ তেতিয়া ডপ্লাৰৰ সূত্ৰ প্ৰয়োগ কৰিলে আমি দেখিবলৈ পাম যে এইবোৰ জ্যোতিষ্কৰ পৰা অহা পোহৰৰ ৰঙা সৰণৰ মান প্ৰায় অসীম। এনেবোৰ পোহৰৰ তৰঙ্গ দৈৰ্ঘ্যও অসীম বা কম্পনাংক প্ৰায় শূন্য। আমাৰ কোনো যন্ত্ৰই এনে শূন্য কম্পনাংকৰ (?) পোহৰৰ তৰঙ্গ ধৰা পেলাব নোৱাৰে। অৰ্থাৎ এই জ্যোতিষ্কবোৰ আমি কেতিয়াও দেখিবলৈ সমৰ্থ নহওঁ। ইয়াতকৈ ওচৰত থকা জ্যোতিষ্কবোৰহে আমাৰ চকুত পৰিব। গতিকে তাত্বিক ভাবে এই দূৰত্বতেই বিশ্বব্ৰহ্মাণ্ডৰ দিগন্তৰ সীমাৰেখা অংকিত হৈছে। এই দিগন্তৰ সিপাৰে কি আছে তাক জনাৰ উপায় আমাৰ হাতত নাই। এইখিনিৰ পৰাই আমাৰ মনৰ পখীয়ে কল্পনাৰ ডেউকা মেলি উৰিবলৈ ধৰে – নীলিমাৰ বুকুত অনন্তৰ ভাষা পঢ়িবলৈ আৰম্ভ কৰি দিয়ে।


বিশ্বব্ৰহ্মাণ্ডৰ গঠনৰ বিষয়ে ইমানখিনি কোৱাৰ পাছতো আমাৰ অৱস্থা ৰামায়ণ পঢ়ি শেষ কৰি ৰাম কোন আছিল ক'ব নোৱৰাৰ নিচিনাই। বৰ্তমান বিশ্বব্ৰহ্মাণ্ডৰ প্ৰকৃত ৰূপটো কেনেকুৱা সেইটো আমি সঠিকভাৱে নেজানো আৰু আমাৰ জনাৰ উপায়ো নাই। ইয়াৰ বাবে প্ৰধান দোষী হ'ল পোহৰকে ধৰি বিদ্যুৎ চুম্বকীয় তৰঙ্গসমূহৰ ধেমাহি গতি। বিশ্বব্ৰহ্মাণ্ডৰ বিভিন্ন প্ৰান্তত থকা জ্যোতিষ্কবোৰৰ বিষয়ে আমাক অৱগত কৰোৱা প্ৰধান সংবাদবাহক হ'ল এই বিদ্যুৎ চুম্বকীয় তৰঙ্গবোৰ। শুন্যত এই তৰঙ্গবোৰৰ বেগ প্ৰতি ছেকেণ্ডত $৩\times১০^৫$ কিলোমিটাৰ। দৈনন্দিন জীৱনত আমি মুখামুখি হোৱা যিকোনে বেগৰ তুলনাত এই বেগ অকল্পনীয়ভাৱে বেছি। কিন্তু বিশ্বব্ৰহ্মাণ্ডৰ বিশাল বিস্তৃতি অধ্যয়ন কৰিবৰ বাবে যি বেগৰ প্ৰয়োজন তাৰ তুলনাত এই বেগৰ মান তেনেই কম। ভূ-পৃষ্ঠত থকা বস্তুবোৰৰ দূৰত্ব আপেক্ষিক ভাৱে কম বাবে সেইবোৰৰ পৰা পোহৰ আহি আমাৰ চকুত পৰিবলৈ লগা সময়ৰ পৰিমাণ নগণ্য। সেই বাবেই সেই বস্তুবোৰ আমি লগে লগেই (Instantaneously) দেখা পাওঁ। কিন্তু আকাশী বস্তুবোৰৰ ক্ষেত্ৰত এই কথা নেখাটে। এই বস্তুবোৰৰ দূৰত্ব ইমানেই বেছি যে পোহৰৰ এই প্ৰচণ্ড বেগ থকা সত্বেও সেই বস্তুবোৰৰ পৰা পোহৰ আহি আমাৰ চকুত পৰিবলৈ যথেষ্ঠ সময় লাগে। দূৰৰ জ্যোতিষ্ক এটাই প্ৰেৰণ কৰা বিদ্যুৎ চুম্বকীয় তৰঙ্গবোৰ আহি আমাৰ ওচৰ পাবলৈ যিমান সময় লাগে সিমান সময়ৰ আগৰ জ্যোতিষ্কটোৰ সংবাদহে এই তৰঙ্গবোৰৰ পৰা আমি পাওঁ। উদাহৰণ স্বৰূপে সূৰ্যৰ পৰা পোহৰ আহি পৃথিৱীত পৰিবলৈ প্ৰায় ৮ মিনিট সময় লাগে। গতিকে আমি যিকোনো মুহূৰ্তত যেতিয়া সূৰ্যটোৰ পিনে চাওঁ তেতিয়া সেই মুহূৰ্তৰ সূৰ্যটো দেখা নাপাওঁ। তাৰ ৮ মিনিটৰ আগৰ সূৰ্যটোহে দেখিবলৈ পাওঁ। ঠিক সেই মুহূৰ্তত সূৰ্যটো কেনে অৱস্থাত আছে সেইটো জনাৰ কোনো উপায় আমাৰ হাতত নাই। ইয়াৰ কাৰণ হ'ল এতিয়ালৈকে জানিব পৰা মতে (আইনষ্টাইনৰ বিশেষ আপেক্ষিকতাবাদ সূত্ৰ মতে) জ্যোতিষ্কবোৰৰ অস্তিত্বৰ স্বাক্ষৰ বহণ কৰা কোনো সংকেতেই শূন্যৰ মাজেদি পোহৰতকৈ অধিক বেগত আহিব নোৱাৰে। সূৰ্যৰ দৰে বিশ্বব্ৰহ্মাণ্ডৰ সকলো জ্যোতিষ্কৰ ক্ষেত্ৰতে এই কথা খাটে। কোৱাচাৰবোৰৰ পৰা পোহৰ আহি পৃথিৱী পাবলৈ সময় লাগে প্ৰায় $১০^৯$ বছৰ। ইয়াৰ তাৎপৰ্য হ'ল এয়ে যে আজি আমি দূৰবীক্ষণ যন্ত্ৰত যিটো কোৱাচাৰ দেখিছো সেইটো আজিৰ কোৱাচাৰ নহয় – $১০^৯$ বছৰৰ আগৰহে কোৱাচাৰ। বিবৰ্তনৰ পৰিণতি স্বৰূপে আজি সেই কোৱাচাৰটোৱে কি ৰূপ ধাৰণ ধৰিছে সেইকথা আমি নেজানো। ইয়াৰ পৰা নিশ্চয় এই কথা বুজিবলৈ অসুবিধা নহ'ব যে আমি যেতিয়া কোনো এটা মুহূৰ্তত দূৰবীক্ষণৰ সহায়েৰে বিশ্বব্ৰহ্মাণ্ডখন নিৰীক্ষণ কৰো সেই মুহূৰ্তৰ বিশ্বব্ৰহ্মাণ্ডখন আমি দেখিবলৈ নেপাওঁ। আমি দেখিবলৈ পাওঁ বিশ্বব্ৰহ্মাণ্ডৰ বিৱৰ্তনৰ এটা খণ্ডিত অংশ ইয়াৰ ইতিহাসৰ কেইটামান অধ্যায়ৰ জীৱন্ত ৰূপ। আমি যেন সময়ৰ সুদীৰ্ঘ নদীৰ সোঁতৰ বিপৰীতে যাবলৈ সমৰ্থ হওঁ – হেজাৰ নিযুত বছৰৰ আগৰ বিশ্বব্ৰহ্মাণ্ডৰ অংশবিশেষৰ পৰা এই মুহূৰ্তৰ বিশ্বব্ৰহ্মাণ্ডৰ অংশবিশেষলৈকে – এই সকলোবোৰে একে সময়তে আহি আমাৰ চকুৰ পৰ্দা আলোকিত কৰেহি। আমি দেখিবলৈ পাওঁ $১০^৯$ বছৰৰ আগৰ বিশ্বব্ৰহ্মাণ্ডৰ শৈশৱৰ স্মৃতি বহণ কৰি অনা কোৱাচাৰবোৰ আৰু একে লগে দেখিবলৈ পাওঁ $১৫\times১০^৯$ বছৰীয়া বৃদ্ধ বৰ্তমান বিশ্বৰ এটা বিন্দুত থকা ৰূপে ৰসে গন্ধে ভৰা এই মুহূৰ্তৰ আমাৰ পৃথিৱীখন। গতিকে গভীৰ দুখ আৰু হতাশাৰে সৈতে আমি মানি লবলৈ বাধ্য হৈছো যে বিশ্বব্ৰহ্মাণ্ডৰ ৰূপ সঠিকভাৱে জনাৰ কোনো উপায় আমাৰ হাতত নাই। ভগৱানে যেন তেওঁৰ এই অপূৰ্ব সৃষ্টি ৰহস্যৰ এক ঘন কুঁৱলীৰ আৱৰণেৰে ঢাকি ৰাখিছে। সেই ৰহস্যৰ কুঁৱলী ভেদ কৰিবৰ জোখাৰে জ্ঞানৰ জ্যোতি হয়তো তেওঁ মানুহৰ চকুত দিয়া নাই। হয়তো ব্ৰাউনস্কিৰ কথাই সত্য – "There is no absolute knowledge. And those who claim it, whether they are scientists or dogmatists open the door to tragedy. All information is imperfect. We have to treat it with humility." হয়তো বিশ্বব্ৰহ্মাণ্ডৰ ৰূপ আমাৰ কাৰণে হৈ থাকিব ৰবীন্দ্ৰ কাব্যৰ সেই বৰ্ণনাৰ দৰে 'অৰ্দ্ধেক মানবী তুমি অৰ্দ্ধেক কল্পনা।' আজিৰ পৰা এশ বছৰৰ পাছতো। ■





# ভাৰতবৰ্ষৰ চৰণ বিন্দুৰ পৰা ত্ৰিবেণীলৈ

হৰিচৰণ দাস



কন্যাকুমাৰী ৰেলষ্টেচনত দক্ষিণ ভাৰতীয় ৰেলপথৰ শেষ বিন্দুটো দেখি মই পুলকিত হৈ উঠিলো! অৰ্থাৎ এয়া আমি ভাৰতবৰ্ষৰ চৰণবিন্দুত উপনীত হৈছোহি! নাম লাকটুখিনি বুকুৰে পিঠিয়ে আঁৰি লৈ আমাৰ যোল্ল জনীয়া দলটো আগবাঢ়িলো সমুখৰ সেই বৃহদাকাৰ প্ৰবেশ পথটোৰ ফালে।

প্ৰবেশপথত মানুহৰ ভিৰ। শাৰী পাতি প্ৰবেশ দ্বাৰ অতিক্ৰম কৰি আমি আগবাঢ়িলো সাগৰৰ পাৰে পাৰে পাৰ হৈ যোৱা পথটোৰ ফালে। সৌৱা সাগৰ! উত্তৰে উত্তুঙ্গগিৰি, দক্ষিণে সাগৰ........। সাগৰৰ অশান্ত নীলাবোৰ আকাশৰ নীলাৰ সৈতে সুদূৰত মিলি গৈছে।

এখন দুমহলীয়া হোটেলৰ বৃহৎ কোঠা এটাত আমাৰ ৰাতিটো কটোৱাৰ ব্যৱস্থা কৰা হ'ল। মাঘ মাহৰ বতৰতো এই ঠাই টুকুৰাত গৰম। ঠিক অসমৰ চ'ত বহাগ মাহৰ দৰে। আমি গুৱাহাটীৰ পৰা ১২ জানুৱাৰী ৯২-ত যাত্ৰা কৰিছিলো – ত্ৰিবান্দ্ৰম অভিমুখে। ১৫ জানুৱাৰী তাৰিখে ত্ৰিবান্দ্ৰমত উপস্থিত হলো পুৱা ৫-১৫ বজাত। তাৰ পৰা ৭ বজাত কন্যাকুমাৰী অভিমুখে অহা ৰেলত উঠি এয়া কন্যাকুমাৰী পাইছোহি প্ৰায় এঘাৰ বজাত।

আমি মীন প্ৰযুক্তি বিজ্ঞানৰ ছাত্ৰ। শিক্ষামূলক ভ্ৰমণ হিচাপে আমাৰ প্ৰধান উদ্দেশ্য হ'ল সাগৰ সম্পৰ্কে কিছু জ্ঞান আহৰণ কৰা, বিভিন্ন ঠাইৰ মাছৰ খেতি চোৱা, সাগৰত মাছ মৰাৰ প্ৰণালীৰ বিষয়ে অৱগত হোৱা ইত্যাদি।

দুপৰীয়া গা-পা ধুই আমি কন্যাকুমাৰীৰ সাগৰৰ পাৰত অৱস্থিত 'কলিকতা হোটেল'ত ভাত সাজ খালো। ভাত কেইটা খাই বেছ ভাল লাগিল। কাৰণ এই কেইদিন আমি দক্ষিণ ভাৰতীয় আহাৰ খাই আহিছো। তেওঁলোকেও ভাতেই খায়, কিন্তু আঞ্জাৰ প্ৰকৃতিহে বেলেগ। তেওঁলোকৰ তৰকাৰীত জ্বলা আৰু টেঙা অপৰিহাৰ্য। দৈতো আদা-পিয়াঁজ কুটি দিয়ে! নৰসিংহৰ পাত প্ৰত্যেকখন তৰকাৰীত থাকিবই। উত্তৰ ভাৰতীয় লোকৰ বাবে সেয়েহে এই আহাৰ বিৰক্তিদায়ক! কিন্তু এই বঙালী হোটেলখনত সম্পূৰ্ণ উত্তৰ ভাৰতীয় আহাৰ পালো।

ভাত খাই উঠি আমি সাগৰৰ পাৰত অৱস্থিত গান্ধীজীৰ স্মৃতিসৌধটো চাবলৈ গলো। ইয়াতেই হেনো গান্ধীজীৰ অস্থি বিসৰ্জন দিয়া হৈছিল। ইয়াত গান্ধীজীৰ এটা প্ৰতিমূৰ্তি আছে। মন্দিৰ আকৃতিৰ এই সৌধটোৰ ওপৰলৈ উঠি গৈ তাৰ পৰা সাগৰৰ ৰেহৰূপ চোৱাৰ বেছ সুবিধা। আমিও উঠি গলো। সুন্দৰ ফিৰ্‌ফিৰীয়া বতাহ গা-পাতি লৈ আমি বিশাল সাগৰৰ থৌকি বাথৌ নৃত্য উপভোগ কৰিলো – কিছু সময়ৰ বাবে। দুপৰীয়া সূৰুযৰ প্ৰত্যক্ষ ৰশ্মি পৰি সাগৰ পৃষ্ঠত ৰূপোৱালী চিক্‌মিকনিৰ সৃষ্টি হৈছিল! পাৰলৈ ঢৌবোৰ এনেদৰে অগ্ৰসৰ হৈছিল যেন – পাৰৰ প্ৰতিটো শিল সিহঁতে প্ৰচণ্ড আঘাতেৰে চূৰমাৰ কৰি দিব! কিন্তু ব্যৰ্থ হৈ সিহঁত পুনৰ উভতি গৈছিল! গান্ধীজীৰ স্মৃতি সৌধ দৰ্শন কৰি আমি আগবাঢ়িলো স্বামী বিবেকানন্দৰ মন্দিৰ অভিমুখে। স্বামী বিবেকানন্দৰ মন্দিৰটো সাগৰৰ পাৰৰ পৰা প্ৰায় চাৰিশ মিটাৰমান আঁতৰত। স্বামীজীৰ অজস্ৰ ভক্তই তেওঁৰ মন্দিৰলৈ জাহাজেৰে অহা-যোৱা কৰিছে! এয়া হেনো স্বামীৰ ভক্ত সকলৰ মেলাৰ সময়। তেওঁলোকে ক'লা কুৰ্তা আৰু ক'লা লুঙি পিন্ধিছে। হাজাৰ হাজাৰ ভক্ত। তেওঁলোকৰ বেছিভাগেই বাছত আহিছে। কন্যাকুমাৰীৰ বাট পথত সেয়েহে শাৰী শাৰী বাছ। ভক্তসকলে ইজনে সিজনক স্বামীজী বুলি সম্বোধন কৰে। 'স্বামী' শব্দৰ অৰ্থ হ'ল ডাঙৰীয়া।

হাজাৰ হাজাৰ মানুহৰ সোঁতক নিয়ন্ত্ৰিত কৰিবৰ বাবে কেইবাটাও অকোৱা পকোৱা পথেৰে শাৰীবদ্ধ ভাবে জাহাজত উঠিবলৈ দিয়া হৈছে। আমিও শাৰী পাতি গৈ জাহাজত উঠিলো। মুহূৰ্ততে জাহাজখন ভৰি পৰিল। তাৰ পিছত আৰম্ভ হ'ল মাত্ৰ দহমিনিটৰ এক বিপদ সঙ্কুল সাগৰ যাত্ৰা! বিপদ সঙ্কুল আছিল এই কাৰণেই যে – সাগৰৰ এই অংশটো অতি অশান্ত। তাৰ উপৰি জাহাজখন আছিল সৰু। প্ৰকাণ্ড ঢৌৱে কেতিয়াবা জাহাজখন একমিটাৰমান ওপৰলৈ দাঙি নি ধুপুচকৈ পেলাই দিছিল। চৌপাশৰ লুণীয়া পানী আহি যাত্ৰীসকলৰ গাত ছিটিকি পৰিছিল। জাহাজখন টুলুংভুতুং কৰিলেই স্বামী সকলে স্বামীজীক সুঁৱৰি শ্লোগান দিছিল – "স্বামীজী হেয়াপ্পা, হেয়া-প্পা-স্বামীহে......" কিন্তু এই অশান্ত সাগৰৰ ৰুক্ষতাকো নেওচি দৰিদ্ৰ মাছমৰীয়া সকলে মাথোন তিনিচলা কাঠেৰে তৈয়াৰী প্ৰায় পোন্ধৰ ফুটমান

দীঘল 'কাটামাৰান' নামৰ নাও লৈ সাগৰৰ বুকুলৈ যায় জীৱিকাৰ সন্ধানত! এয়াই মানুহ। প্ৰকৃতিৰ সৈতে যুঁজি যুঁজি যুগ যুগ ধৰি এইসকল জীয়াই আছে!

দহমিনিটমান পাছত আমি স্বামী বিবেকানন্দৰ মন্দিৰত উঠিলোহি। ইয়াৰ ভিতৰত স্বামীজীৰ এটা ব্ৰঞ্জৰ মূৰ্তি আছে। মূৰ্তিটোৰ কাৰুকাৰ্যই দৰ্শক সকলক মুগ্ধ কৰে। মন্দিৰটো অৱস্থিত এক সুবৃহৎ শিলনিৰ ওপৰত। ইয়াক সজা হৈছে ১৯৮৫ চনতহে। ভাৰতৰ সকলোবোৰ ৰাজ্যই ইয়াত অনুদান আগবঢ়াইছে। দান ফলকখন পঢ়ি গম পালো, অসম চৰকাৰেও ইয়াত এক লাখ টকা দিছে। মন্দিৰটোৰ উদ্দেশ্য হ'ল স্বামীজীক ভাৰতীয় জনগণৰ একতা আৰু ৰাষ্ট্ৰীয়তাৰ প্ৰতীক ৰূপে ধৰি ৰখা।

মন্দিৰটোত এঘন্টামান কটাই আমি উভতি আহিলো। বাটত হেজাৰ বিজাৰ স্বামীভক্ত। তেওঁলোক শামুক কিনাত ব্যস্ত। কন্যাকুমাৰীত সাগৰীয় শামুকৰ দাম সস্তা। শামুকৰ মালা, গৃহ-সজ্জাৰ অলঙ্কাৰ আদিও সস্তা। আমিও তেনে কেইপদমান শামুক কিনিলো।

ক্ৰমাৎ গধূলি হৈ আহিছিল। অজস্ৰ লোক এই সময়ত ঢাপলি মেলিছিল সাগৰ অভিমুখে। উদ্দেশ্য – সাগৰত সূৰ্য ডুবাৰ দৃশ্য উপভোগ কৰা।

মানুহবোৰে সাগৰৰ পাৰত জুম বান্ধিলে। কোনো কোনোৰ হাতত কেমেৰা। অধীৰ আগ্ৰহেৰে তেওঁলোকে অপেক্ষা কৰিছে – সূৰুযৰ বিদায় মুহূৰ্তটোৰ বাবে আকাশখন ক্ৰমাৎ হেঙুলীয়া হৈ আহিছিল। পশ্চিম আকাশত প্ৰকাণ্ড সেই সেন্দুৰীয়া ফোঁটটোৱে ট ট কৈ আমাৰ ফালে চাই আছিল। ক্ৰমাৎ ইয়াৰ নিম্নাংশ কিছু জোঙা হৈ পৰিছিল আৰু সাগৰ পৃষ্ঠ স্পৰ্শ কৰিছিল। পোন্ধৰ মিনিটমান সময়ৰ পিছত সূৰ্যটোৰ আধাখিনিয়েই ডুব গৈছিল। চাই থাকোতে এনে লাগিছিল যেন সূৰ্যটো সাগৰৰ ভিতৰলৈ সোমাইহে গৈছে! আৰু দহমিনিটমান পাছত লাহে লাহে সূৰ্যৰ বাকী থকা অংশখিনিও গ'ল। লগে লগে সাগৰৰ পাৰৰ সহস্ৰ দৰ্শকে হাত চাপৰি বজাই দিলে! যেন কোনো এক বলিষ্ঠ অভিনেতাই তেওঁৰ অভিনয়ৰ যাদুৰে দৰ্শকক মুগ্ধ কৰি মঞ্চৰ পৰা প্ৰস্থান কৰাৰ পিছত দৰ্শক সকলে হাত চাপৰিৰে অভিনন্দনহে জনাইছে!

গধূলিৰ দৰেই পিছদিনা পুৱাও সাগৰ তীৰত জনতাৰ ভিৰ। পুৱাৰ সূৰ্য উঠা দৃশ্য চাবলৈ। আমিও দলে দলে গৈ সাগৰ পাৰত উপস্থিত হলো। মই আগদিনাখন কেমেৰা এটা কিনিছিলো। কেমেৰাটো হাতত লৈ বন্ধু ধ্ৰুৱজ্যোতি শৰ্মাৰ সৈতে এচটা শিলত বহি অপেক্ষা কৰিলো উষাৰ মুখৰ প্ৰথম হাঁহিটো চাবৰ বাবে। আমি যিখিনি ঠাইত বহিছিলো তাৰ সমুখতে, দুই মিটাৰ তলৰ শিলনিত অসংখ্য লোকে প্ৰকাশ্যে প্ৰাতঃকাৰ্য সম্পন্ন কৰিছিল! দৃশ্যটো দেখি মোৰ বন্ধু ধ্ৰুৱজ্যোতি শৰ্মাই চিংকাৰ কৰি উঠিল আৰু সিহঁতক অসমীয়া ভাষাতে গুৱাল গালি পাৰিবলৈ ধৰিলে। কিন্তু হলে কি হ'ব – সিওটো সূৰ্য উঠা দৃশ্যটোৰ দৰেই সত্য! মাথোন সূৰ্য উঠা দৃশ্যটো সুন্দৰ আৰু এইটো কুৎচিত! এই কুৎচিত দৃশ্যটোৱে পিছে দৰ্শক জনতাৰ মনত কোনো প্ৰতিক্ৰিয়াৰেই সৃষ্টি কৰিব নোৱাৰিলে! বৰং দুই এজন ফলোগ্ৰাফাৰে, তেওঁলোকৰ মাজলৈ গৈয়েই খুব স্বাভাৱিক ভাবে ফটোগ্ৰাফ ল'লে। ফটোগ্ৰাফাৰৰ যাতে অসুবিধা নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকৰো দুই এজনে আঁতৰি দিলে – যেন বাছত বহি থকা কোনো যাত্ৰীয়ে থিয় হোৱা যাত্ৰীক অলপ সুবিধা কৰি দিছে!

দুৰ্ভাগ্যজনক কথা, পুব আকাশত মেঘ থকা বাবে সূৰ্য উঠা দৃশ্য সুন্দৰ আৰু স্পষ্ট ভাবে উপভোগ কৰিব নোৱাৰিলো। কিন্তু ক্ষন্তেক সময়ৰ বাবে মেঘৰ ফাঁকেৰেই এবাৰ উষাৰাণীয়ে হাঁহি দিলে! ইও আছিল অপূৰ্ব – যেন পাতৰ আঁৰৰ ফুলকলি এটাহে হঠাৎ ফুলি উঠিছিল।

সেই দিনাই দহমান বজাত আমি এখন মিনিবাছেৰে মুট্টাম অভিমুখে যাত্ৰা কৰিলো। বাটে বাটে চাই আহিলো তামিলসকলৰ সৰু সৰু জুপুৰিবোৰ। তামিলসকল কষ্টসহিষ্ণু। মাছ মৰা, খেতি কৰা, ব্যৱসায় কৰা সকলোতে পকৈত। চৌপাশে নাৰিকলৰ গছ আৰু কলৰ বাগান। পথাৰত ধান। খেতি কৰা হয় সম্পূৰ্ণ বৈজ্ঞানিক পদ্ধতিৰে। গছৰ পাতৰ ৰং উজ্জ্বল সেউজীয়া। প্ৰাকৃতিক শোভা অনন্য। মানুহৰ শৃঙ্খলাবোধৰ বাবে এই দৃশ্য আৰু বেছি সুন্দৰ হৈ পৰিছে। খেতিয়কসকলে সুশৃঙ্খলাৰে বিঘা বিঘা জুৰি কলৰ খেতি কৰিছে। দ অংশবোৰত ধানৰ খেতি কৰিছে।

মুট্টাম কন্যাকুমাৰীৰ পৰা মাত্ৰ দহ কিলোমিটাৰ মানহে দূৰ। মুট্টামত এটা সাগৰত মীন খেতি কৰাৰ প্ৰকল্পৰ কাম চলি আছে। আমি তালৈকে গলো। সাগৰৰ কিছু অংশ বান্ধ দি ঘেৰি পেলোৱা হৈছে। মাজৰ অংশত খেতি কৰা হৈছে। প্ৰকল্পটো লোৱা হৈছে আমেৰিকাৰ সহায়ত। আমেৰিকাৰ পৰাই কাৰিকৰী লোকো অনা হৈছে। ইয়াতেই এখন অত্যাধুনিক মাছমৰীয়া জাহাজ দেখিলো। নাবিকজনে জাহাজখনৰ কাৰুকাৰ্যখিনি দেখুৱালে। কম্পিউটাৰ চালিত এই জাহাজখনৰ এনে কেতবোৰ যন্ত্ৰ আছে যিবোৰৰ দ্বাৰা মাছৰ জাক, দূৰত্ব আদি নিৰ্ণয় কৰিব পাৰি। যন্ত্ৰপাতিবোৰ এবাৰ ঠিক কৰি দিলে পিছত আৰু নাবিকৰ প্ৰয়োজন নাথাকে – জাহাজখনে নিজকে নিয়ন্ত্ৰণ কৰি গৈ থাকিব পাৰে। নাবিকজনে জাহাজখনত থকা বেতাঁৰ যন্ত্ৰেৰে চাৰি হেজাৰ কিঃ মিঃ দূৰৈত থকা এখন জাহাজৰ সৈতে কথা পাতিলে। এই জাহাজখনৰ নাম 'গাংগি টু'। জাহাজখনৰ সুঠাম স্বাস্থ্যৰ তামিল নাবিকজনক বেছ ভাল লাগিল। তেওঁ আৰু ভালেখিনি কথা ক'ব খুজিছিল – আমাৰ সময়ৰ অভাৱৰ বাবে বিনম্ৰ ভাবে উভতি আহিব লগা হ'ল। তেওঁ ইংৰাজী সুন্দৰভাবে ক'ব পাৰে, কিন্তু হিন্দী ক'ব নোৱাৰে। হিন্দী তামিল আৰু কেৰেলিয়ান সকলৰ বাবে অস্পৃশ্য। অৱশ্যে হিন্দী নিশিকি তেওঁলোকৰ জাতীয় জীৱনৰ ভালেখিনি লাভ হৈছে। প্ৰধান কথাটো হ'ল – হিন্দী নচলে বাবে উত্তৰ ভাৰতৰ ফাল্টু মানুহ ইয়ালৈ আহি তিষ্ঠিব নোৱাৰে। ইয়ালৈ আহিলে ইংৰাজী জনা সু-শিক্ষিত লোকহে আহিব লাগিব। গতিকে তেওঁলোকৰ ব্যৱসায় প্ৰতিষ্ঠান, উদ্যোগ আদিৰ পৰা আনে মুনাফা লুটাৰ সুবিধা কম। দ্বিতীয়তে, হিন্দী ছবিজগতৰ 'হাৱা' ইয়াত নাই। নিজৰ ভাষা আৰু কৃষ্টিৰ প্ৰতি তামিল সকলৰ অগাধ শ্ৰদ্ধা। হাতে-কামে, ভাতে, মাতে তেওঁলোক আত্মনিৰ্ভৰশীল জাতি। ৰুচিবান আৰু শিক্ষিত। সেয়েহে তেওঁলোকৰ জাতিৰ ভেটি সুদৃঢ়। ভাৰতৰ ভিতৰত থাকি একাংশ অসমীয়াৰ দৰে তেওঁলোকে নিজৰ জাতীয় সত্তাক ভাবি বিচলিত হোৱা নাই। হোৱাৰ প্ৰয়োজনো নাই। কষ্টসহিষ্ণুতা আৰু কৰ্তব্য পৰায়ণতাৰে তেওঁলোক শক্তিশালী।



মুট্টামৰ পৰা আমি ভিজিনজামলৈ ৰাওনা হলো। ভিজিনজামৰ দূৰত্ব ইয়াৰ পৰা প্ৰায় এশ কিলোমিটাৰ। বাটত সাগৰীয় মাছেৰে কালিকা ভিলেত ভাত খালো। ইয়াৰ হোটেল শিল্প উন্নত আৰু পৰিষ্কাৰ। দাম অসমতকৈ আনুপাতিক ভাবে কম। মাছৰ দাম অসমৰ তুলনাত আধা। ইয়াত আমি খনীয়া তামোলো খাবলৈ পালো। কিন্তু পাণবিধ অসমৰ দৰে নহয়। গোন্ধ আৰু সোৱাদ বেলেগ। লেহুকা। হলেও খাই ভাল লাগিল। হোটেলখনৰ কৰ্মচাৰীসকলে আমাক বিয়া যাত্ৰীৰ দৰে আথে-বেথে অভ্যৰ্থনা কৰিছিল। তেওঁলোকে আমাক বঙালী বুলি ভাবিছিল। আমি বুজাই দিলো যে আমি অসমীয়াহে।

ভিজিনজামত সাগৰীয় মীন গৱেষণা কেন্দ্ৰৰ এটা শাখা গৱেষণা কেন্দ্ৰ আছে। ইয়াত দুগৰাকী বৈজ্ঞানিকে সাগৰীয় প্ৰাণী 'গৰ্গনিও'ৰ বিষয়ে ক'লে। গৰ্গনিও প্ৰাণী যদিও দেখাত উদ্ভিদৰ দৰে। ইয়াৰ পৰা ঔষধ তৈয়াৰ কৰা হয়। কিন্তু দুৰ্ভাগ্যজনক কথা হ'ল ইয়াৰ পৰা ঔষধৰ উৎপাদন কৰা কাৰখানা ভাৰতবৰ্ষত নাই। ইয়াৰ বৈজ্ঞানিক সকলে চিন্তা কৰিছে কেনেদৰে ইয়াৰ পৰা ঔষধ উৎপাদন প্ৰণালী আয়ত্ত কৰি ভাৰতত তাৰ কাৰখানা স্থাপন কৰিব পৰা যায়।

ভিজিনজামৰ পৰা দুই বজাত আমি কোৱালালামপুৰ অভিমুখে ৰাওনা হলো। তিনিমান বজাত কোৱালালাম বিচ্চত উপনীত হলোগৈ। এইখন সৰু বিচ্। হলেও বিদেশী পৰ্যটক সকলৰ বাবে সুন্দৰ থকা মেলাৰ ব্যৱস্থা আছে। দুখৰ কথা হ'ল – ইয়াৰ প্ৰতিৰক্ষীসকল বিদেশীৰ প্ৰতিৰক্ষা দিয়াতেই ব্যস্ত। দেশৰ মানুহৰ প্ৰতি সিহঁতে কোনো কৰ্তব্য থকা যেন অনুভৱ নকৰে!

তিনি বাজি পঞ্চলিছ মিনিটত আমি ত্ৰিবান্দ্ৰম জংচনত উপনীত হলো। ইয়াৰ পৰা আমি য়াৰ্ণাকুলাম জিলাৰ কোচিনলৈ যাত্ৰা কৰিলো। কেৰেলাৰ উপকূলীয় অঞ্চলৰ কাষে কাষে এই ৰেলপথটো। কেৰেলাখন অসমৰ দৰেই সেউজীয়া। কৃষিৰ ক্ষেত্ৰত অতি আগবঢ়া। তেওঁলোকৰ শাৰী শাৰীকৈ থকা কলগছৰ খেতি, নাৰিকল, তামোল আদিৰ পানী দিয়া পদ্ধতি দেখি সঁচাকৈয়ে ভাল লাগিল। ইয়াৰ এক ইঞ্চি মাটিও যেন পেলনি যোৱা নাই। ঘৰৰ চোতাল বুলিবও নাই! চাৰিওফালে গছ, মাজতে ঘৰটো। ফলমূলৰ খেতিয়েই বেছি। এনে লাগিল যেন আমি এখন উদ্যানৰ মাজেৰেহে আহি আছো। ইয়াত থকা গছবোৰৰ ভিতৰত ৮০% ভাগেই নাৰিকলৰ গছ। গোটেই কেৰেলাখনেই নাৰিকলৰ বাগিচা যেন লাগে। 'কেৰা' মানেই হেনো নাৰিকল! মালায়ালম ভাষাত ই হ'ল গৈ 'কেৰলাম'। এই কেৰলামেই শেষত ইংৰাজৰ মুখত পৰি 'কেৰেলা' হৈ গ'ল! সেয়ে ৰাজ্যখনৰ নাম কেৰেলা। এগৰাকী কেৰেলিয়ান যাত্ৰীৰ পৰা 'কেৰেলা' শব্দৰ এই গূঢ়াৰ্থ বুজিব পাৰিলো।

কেৰেলাৰ লোক সকলে অসমৰ খবৰ ভালকৈ ৰাখে। অসমৰ প্ৰফুল্ল, ভৃগু আৰু হিতেশ্বৰ শইকীয়াক শিক্ষিত কেৰেলিয়ান সকলে খুব ভালকৈ জানে। এগৰাকী যাত্ৰীয়ে বন্ধু মাইনুদ্দিন আহমেদৰ সৈতে প্ৰায় এঘন্টামান অসমৰ ৰাজনৈতিক পৰিস্থিতি সম্পৰ্কে কথা পাতিলে। আন দুগৰাকী বন্ধু আবু চুকিয়ান আৰু শৰৎ দাসে লগ পালে অসমৰেই ডিব্ৰুগড়ত আইনৰ স্নাতক ডিগ্ৰী লোৱা কেৰেলিয়ান যুৱক এগৰাকী! তেওঁৰ মতে ভাৰতবৰ্ষত প্ৰাকৃতিক সৌন্দৰ্য আৰু সম্পদৰ পৰা দুখন ৰাজ্যকেই হেনো ৰিজাব পাৰি – সেই দুখন হ'ল কেৰেলা আৰু অসম। অসমীয়া সকলৰ দৰে কেৰেলিয়ান সকলেও নিজকে এলেহুৱা প্ৰকৃতিৰ বুলি ভাবে। কিন্তু কেৰেলাৰ সু-শৃঙ্খলিত আধুনিক কৃষি পথাৰ সমূহ দেখি আমাৰ তেনে ধাৰণা নহয়। শিক্ষিত লোক মাত্ৰেই কেৰেলাত ইংৰাজী ক'ব জানে। মালায়ালম ভাষাৰ পিছতে ৰাজ্যখনত প্ৰচলিত ভাষাটো হ'ল ইংৰাজী।

নিশা বাৰমান বজাত আমি য়াৰ্ণাকুলাম জংচনত নামিলো। এখন হোটেলত নিশাটো কটাই ৰাওনা হ'লো কোচিন বিমান বন্দৰৰ কাষতে অৱস্থিত কেন্দ্ৰীয় মীন সংস্থাটোলৈ য'ত মাছমৰীয়া জাহাজৰ নাবিক সকলক প্ৰশিক্ষণ দিয়া হয়। ইয়াৰ প্ৰশিক্ষণৰ সময় ১৮ মাহ। ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ চল্লিশ গৰাকী ছাত্ৰক ইয়াত ভৰ্তি কৰা হয়। বিহাৰ আৰু উৰিষ্যাৰ ছাত্ৰ কেইগৰাকীক বাদে অৱশ্যে প্ৰায়বিলাকেই আছিল কেৰেলিয়ান আৰু তামিল।

আমি ইয়াত জাহাজ সজা আৰু জাহাজেৰে বিভিন্ন প্ৰণালীৰে মাছ ধৰা পদ্ধতিৰ বিষয়ে অৱগত হলো।

কেন্দ্ৰীয় সাগৰীয় মীন গৱেষণা প্ৰতিষ্ঠানৰ মুখ্য কাৰ্যালয়টো কোচিনত অৱস্থিত। পিছদিনা পুৱা আমি এই প্ৰতিষ্ঠানটোলৈ গলো। ইয়াত জাপানৰ পৰা অনা এটা অণুবীক্ষণ যন্ত্ৰ আমাক দেখুওৱা হ'ল। যন্ত্ৰটোৰে এটা বস্তুক সাত লক্ষ্যগুণ ডাঙৰ কৈ দেখা যায়। যন্ত্ৰটো থকা কোঠাটোলৈ যেতিয়া আমি সোমাই গৈছিলো – এগৰাকী লুঙি পিন্ধা লোকে আমাক আদৰণি জনাই ভিতৰলৈ লৈ গৈছিল। প্ৰথমতে ভাবিছিলো মানুহগৰাকী হয়তো বিজ্ঞানাগাৰটোৰ চকিদাৰ! কিন্তু আমাৰ ধাৰণা ভুল আছিল। যেতিয়া তেওঁ আমাক যন্ত্ৰটোৰ বিষয়ে পুঙ্খানুপুঙ্খৰূপে বুজাই দিবলৈ ধৰিলে – তেতিয়াই বুজি পালো – তেওঁ এগৰাকী বিজ্ঞানীহে! অসমত বিজ্ঞানীয়ে লুঙি, ধুতি পিন্ধি অহাতো কল্পনাই কৰিব নোৱাৰি! কিন্তু ইয়াৰ লোকসকলে নিজৰ জাতীয় সাজ-পাৰক ইমানেই মূল্য দিয়ে যে কোনো বাহ্যিক হাৱা-বতাহে তেওঁলোকৰ নিজস্ব সত্তা উৰুৱাই নিব নোৱাৰে। বিজ্ঞানী গৰাকীৰ সুললিত ইংৰাজী, কথনভঙ্গী আদিৰ পৰা ধাৰণা হ'ল – তেওঁ এগৰাকী সুদক্ষ অধ্যাপক। এই প্ৰতিষ্ঠানত সাগৰীয় মীন খেতিৰ বিষয়ে শিক্ষা দিয়া হয়। ইংৰাজীত এই বিষয়টোক 'মেৰি কালচাৰ' (Mari Culture) বুলি কোৱা হয়। সাগৰত কেনেদৰে 'মুকুতা শামুক' (Pearl Oyster)ৰ খেতি কৰি কৃত্ৰিম ভাবে মুকুতা উৎপাদন কৰিব পাৰি সেই সম্পৰ্কেও আন এগৰাকী বিজ্ঞানীয়ে আমাক বুজাই কলে। মিছামাছ, ল'ব্ষ্টাৰ, অইষ্টাৰ, ক্লেম আদিৰ খেতি কৰি সাগৰৰ পৰা যথেষ্ট অৰ্থ আহৰণ কৰিব পাৰি। এই সাগৰীয় উৎপাদন সমূহ ৰপ্তানি কৰি ভাৰতে যথেষ্ট বৈদেশিক মুদ্ৰা অৰ্জন কৰে। মিছামাছৰ পৰা ভাৰতে বছৰি চল্লিশ কোটিৰো অধিক টকা আয় কৰে। এক কিলোগ্ৰাম ল'বষ্টাৰৰ দাম ভাৰতৰ টকাৰ হিচাপ অনুসৰি ছশ টকা! কিন্তু ভাৰতীয় লোকে আহাৰ হিচাপে ল'বষ্টাৰ ব্যৱহাৰ নকৰে। সেয়েহে ইয়াক জাপান, আমেৰিকা, ৰাছিয়া আদি দেশসমূহলৈ ৰপ্তানি কৰা হয়।

ভাৰতৰ সাগৰীয় উৎপাদন সমূহ বিক্ৰী কৰা আন্তৰ্জাতিক সংস্থাটো হ'ল 'এমপেডা' (MPEDA - Marine Product Export Development Agency)। ১৯৭২ চনত

ইয়াক স্থাপন কৰা হৈছিল। কেন্দ্ৰীয় সাগৰীয় মীন গৱেষণা কেন্দ্ৰ পৰিদৰ্শন কৰাৰ দিনাখনেই আবেলি আমি 'এমপেডা'ৰ প্ৰধান কাৰ্যালয়লৈ গৈছিলো। কাৰ্যালয়ৰ প্ৰচাৰ সচিব গৰাকী বৰ ৰসিক। তেওঁ আমাক সাদৰেৰে 'এমপেডা'ৰ সুদৃশ্য সভা-সমিতি পতা কোঠাটোলৈ লৈ গ'ল। তাতে আমাক আটাইকে বহুৱাই তেওঁ 'এমপেডা'ৰ বিষয়ে চমু বক্তব্য আগবঢ়ালে। লগতে ক'লে যে তেওঁৰ সময় নাই – কাৰণ তেওঁৰ ভোক লাগিছে। আচলতে সেইদিনা আমি তিনি বজাত কোচিনৰ পৰা মাঙ্গালোৰলৈ যোৱাৰ কথা। গতিকে আমাৰ হাতত সময় অতি কম আছিল। আমাৰ তত্ত্বাবধায়ক চাৰে এই কথাটো প্ৰচাৰ সচিব গৰাকীৰ কৰ্ণগোচৰ কৰিছিল আৰু সেই প্ৰসঙ্গক্ৰমে তেওঁ উক্ত কথাষাৰ কৈছিল! প্ৰচাৰ সচিব গৰাকীয়ে আৰু কলে – 'মই হলে ইংলিছ কোৱা নাই দেই – মাংলিছহে কৈছো! তোমালোকে বুজিব নোৱাৰিবও পাৰা!' পিছে এই মাংলিছনো আকৌ কি? মাংলিছ মানে মালায়ালম মিশ্ৰিত ইংলিছ। অৰ্থাৎ শব্দকেইটা ইংৰাজী কিন্তু সুৰটো মালায়ালম। তেতিয়া আমাৰ চাৰ কৃষ্ণকান্ত তামুলীদেৱেও কলে – একো নহয় দিয়ক, আমিও আচ-ইংলিছহে কওঁ! অৰ্থাৎ অসমীয়া সুৰ মিশ্ৰিত ইংলিছ। কথা কেই আষাৰে পৰিবেশটো বেছ জমাই তুলিলে।

প্ৰচাৰ সচিব গৰাকীয়ে এমপেডাৰ তথ্য দাঙি ধৰি কলে – ভাৰতে প্ৰতি বছৰে এক লাখ টন সাগৰীয় খাদ্যবস্তু উৎপাদন কৰে। ইয়াৰ পৰা ভাৰতে এহেজাৰ কোটিতকৈ অধিক টকা আয় কৰে। এতিয়া ভাৰতে মাত্ৰ এক কিঃ গ্ৰাঃ মিছামাছ বিক্ৰী কৰিয়েই লাভ কৰে ৪০৮.৩ টকা।

সাগৰীয় প্ৰাণীৰ উৎপাদন বেছি হয় 'ব্ৰেকিছৱাটাৰ' (Brackish water)ত। অসমীয়াত ক'বলৈ গলে অৰ্দ্ধলুণীয়া পানীত। অৰ্থাৎ স্থলভাগৰ কাষৰীয়া সাগৰৰ পানীৰ লৱণত্ব কম। আনহাতে এই পানী সমূহ সাৰুৱা। কাৰণ স্থলভাগৰ পৰা বৰষুণৰ পানী বা নদীৰ স্বচ্ছপানী বৈ আহি ইয়াত পৰে। গতিকে ই মিশ্ৰিত হৈ সাগৰৰ পানীৰ লৱণত্ব কমাই দিয়ে, আনহাতে ই কঢ়িয়াই অনা জৈৱ পদাৰ্থসমূহ হৈ পৰে সাগৰীয় প্ৰাণী বা উদ্ভিদৰ আহাৰ। গতিকে এই অঞ্চলটোতে সৰ্বাধিক পৰিমাণৰ সাগৰীয় প্ৰাণী আৰু উদ্ভিদ উৎপন্ন হয়। ভাৰতবৰ্ষৰ মুঠ অৰ্দ্ধলুণীয়া পানীকালি প্ৰায় ১১,৯০,৯০০ হেক্টাৰ। ইয়াৰ ভিতৰত ৬৫,০০০ হেক্টাৰ পানীত সাগৰীয় প্ৰাণীৰ খেতি কৰা হয়। ইয়াৰ পৰা উৎপন্ন হোৱা সাগৰীয় উৎপাদনৰ পৰিমাণ বছৰি ৩৫,৫০০০ টন।

কোচিন চহৰখনৰ সৌন্দৰ্য মনোৰম। সাগৰৰ মাজত ইয়াৰ পৰা এক কিঃ মিঃ-ৰ পৰা পাঁচ কিঃ মিঃ-ৰ ভিতৰত কেইবাটাও সৰু সৰু দ্বীপ আছে। ফেৰী জাহাজেৰে এই দ্বীপ সমূহলৈ অহাযোৱা কৰাৰ সুন্দৰ ব্যৱস্থা আছে। এই দ্বীপসমূহৰ লোকসকল মূলতঃ মাছমৰীয়া। পৰিভ্ৰমণকাৰী সকলৰ বাবে এই দ্বীপ কেইটা আকৰ্ষণৰ উৎস। সাগৰৰ মাজত অৱস্থিত গছে-বনে সুশোভিত এই দ্বীপ কেইটাৰ প্ৰাকৃতিক সৌন্দৰ্যই স্বাভাৱিকতেই ভ্ৰমণকাৰী সকলক মোহিত কৰে। সন্ধিয়া কোচিন বন্দৰত যেতিয়া শাৰী শাৰী বিজুলী বাতি জ্বলে, দ্বীপ সমূহলৈ লাইট জ্বলাই সৰু সৰু জাহাজবোৰে অহা যোৱা কৰে, তেতিয়া কোচিনৰ সাগৰৰ পাৰত অৱস্থিত সুবৃহৎ উদ্যানখনৰ পৰা ইয়াক সঁচাকৈয়ে এক ৰম্যপুৰী যেন লাগে।

কোচিনখন ধুনীয়া, ব্যস্ত – অথচ শান্ত, শৃঙ্খলাবদ্ধ। বাটপথ পৰিষ্কাৰ। ইয়াত দেখিলো মানুহে কলেৰেও চাহ খায়। কলৰ ব্যৱহাৰ খুব বেছি। কলৰ খেতিও কৰা হয় বৃহৎ বৃহৎ এলেকা জুৰি। কলবোৰ পিছে চোপ হিচাপে ৰোৱা নহয়। এডাল এডালকৈহে ৰোৱা হয়। তলেৰে পানী দিয়াৰ বাবে নলা খন্দা হয়। সম্পূৰ্ণ বৈজ্ঞানিক প্ৰণালীৰে কলৰ খেতি কৰা হয়। দামো আনুপাতিক ভাবে সস্তা। গোটে আকৃতি অনুসৰি পঁচিশ পইছাৰ পৰা পঞ্চাশ পইছা।

কোচিনৰ উদ্যানত বহুতো বিদেশী পৰ্যটকে টহল দিয়ে। আমি – জোন শৰ্মা, ইব্ৰাহিম আলিখান, শৰৎ দাস আৰু মই এদিন লগ পালো এহাল নৱ-দম্পতিক। দুয়ো চৌৱিশ বছৰীয়া যুৱক-যুৱতী। যুৱক গৰাকী দক্ষিণ আফ্ৰিকাৰ, যুৱতী গৰাকী ইজৰাইলৰ। দুয়োৰে দেখা হৈছিল ফ্ৰান্সত। 'লাভ এট এ ফাৰ্ষ্ট শ্লেন্স!' দুয়ো ভাৰত ভ্ৰমণ কৰিবলৈ আহিছে। যুৱক গৰাকীয়ে ক'লে – তেওঁ হেংপা এখন 'বাইক' কিনিব আৰু বাইকেৰেই দুয়ো কলিকতালৈ আহিব। চাৰিহাজাৰ কিঃ মিঃ বাইকেৰেই তেওঁলোকে ভ্ৰমণ কৰিব। আচৰিত হ'বলগীয়া তেওঁলোকৰ বাবে একো নাই! য'তে ৰাতি হ'ব সুদৃশ্য হোটেলত দুদিনমানৰ বাবে জিৰণি লৈ আকৌ আৰম্ভ কৰিব যাত্ৰা। আমাৰ সৈতে কথা পতাৰ পিছত তেওঁলোক দুয়ো দুয়োকে সাবটি ধৰি আতঁৰি গ'ল।

কোচিনৰ এই সুন্দৰ উদ্যানখনৰ নাম 'সুভাষ বসু' উদ্যান। বিশ জানুৱাৰী তাৰিখে যেতিয়া যাত্ৰা কৰিছিলো মাঙ্গালোৰ অভিমুখে বাটত উদ্যানখনৰ হেৰোৱা স্মৃতিয়ে বাৰুকৈয়ে আমনি কৰিছিল।

মাঙ্গালোৰ অভিমুখে অহাৰ পথত আমি কেন্নোৰ নামে ঠাইত ৰেল সলনি কৰিবলগীয়া হৈছিল। এই কেন্নোৰ পাইছিলোহি নিশা প্ৰায় বাৰ বজাত। পিছৰ ৰেলখনত উঠোতে আমি যথেষ্ট কষ্ট কৰিব লগা হ'ল! কাৰণ গাড়ী যাত্ৰীৰে ঠাহ খাই আহিছিল। আমি দুজনমান এটা ডবাত ঠেলিহেঁচি উঠিলো যদিও বাকী সকল ৰৈয়েই থাকিব লগা হ'ল! এনেতে এগৰাকী কেৰেলিয়ানে তেওঁলোকক চিঞৰি মাতিবলৈ ধৰিলে। সৌভাগ্যবশতঃ এই গৰাকী আছিল – অসমৰ পৰা ত্ৰিবান্দ্ৰমলৈ আহোতে লগ পোৱা এগৰাকী সৈনিক। তিনিদিন একেলগে আহি আমাৰ সৈতে ভাল বন্ধুত্ব গঢ়ি উঠিছিল। এই বন্ধু গৰাকীয়েই আগবাঢ়ি আহিল আমাক সহায় কৰিবলৈ। তেওঁ টি টি গৰাকীক কৈ মেলি এটা দ্বিতীয় শ্ৰেণীৰ ডবাত আমাৰ অন্যান্য বন্ধু সকলক ভৰাই দিলে। সেই নিশা – কেৰেলিয়ান গৰাকী যেন আমাক সহায় কৰিবলৈয়েই সেই ৰেলগাড়ীখনত আহিছিল। কৃতজ্ঞতাত আমাৰ মূৰ দোঁ খাই গ'ল। কি প্ৰয়োজন আছিল বাৰু দুদিনৰ চিনাকি এটা ষোল্লজনীয়া দলৰ সুবিধাৰ বাবে ইমানখিনি কষ্ট কৰাৰ। এয়াই মানৱতা। এয়াইতো ভাৰতীয়ত্ববোধ।

২১ জানুৱাৰী তাৰিখে কাহিলি পুৱা আমি মাঙ্গালোৰত উপস্থিত হলো। মাঙ্গালোৰ, বাঙ্গালোৰ চহৰৰ পৰা ৩৬৫ কিঃ মিঃ দূৰৈত সাগৰৰ পাৰত অৱস্থিত। ইয়াতেই ভাৰতৰ প্ৰথমখন মীন মহাবিদ্যালয় স্থাপিত হৈছিল ১৯৬৯ চনত। আমি এই মহাবিদ্যালয়তেই তিনিদিন কটালো। ইয়াত অসমৰ দুগৰাকী ছাত্ৰ আছে। জিতেন শৰ্মা আৰু কমল শৰ্মা। জিতেন শৰ্মাই জৈৱ ৰসায়ন আৰু কমল শৰ্মাই মীন জীৱবিজ্ঞানৰ স্নাতকোত্তৰ মহলাৰ ছাত্ৰ। কমল শৰ্মাই অসমৰ ঠাণ্ডা পানীৰ নৈত পোৱা ঘৰিয়া মাছৰ প্ৰজননৰ ওপৰত গৱেষণা কৰিছে। দুয়োগৰাকী ছাত্ৰক মহাবিদ্যালয়খনৰ বিভাগীয় শিক্ষকসকলে খুব প্ৰশংসা কৰিলে – আমাৰ সমুখতেই। বাহিৰলৈ আহিলে ধোদ্-অসমীয়াবোৰ সঁচাকৈয়ে বেছ 'স্মাৰ্ট' হৈ পৰে। নিজৰ ৰাজ্যত সেইটো নোহোৱাৰ কাৰণটো বা কি! আচলতে আমাৰ সমাজ ব্যৱস্থাটোৱেহে মানুহক 'লাহে লাহে' কৰি তোলে। অসমীয়া মানুহবোৰ ব্যক্তি হিচাপে ইমান এলেহুৱা নহয় নেকি!

আমি মাঙ্গালোৰ মীন মহাবিদ্যালয়ৰ কাৰিকৰী বিভাগটো পৰিদৰ্শন কৰিলো। ইয়াত আছে মাছ 'ফ্ৰিজিং' কৰা (ইয়াত নিম্ন উষ্ণতা প্ৰয়োগ কৰি মাছ সংৰক্ষণ কৰা হয়) 'কেনিং' কৰা (ইয়াত উচ্চ উষ্ণতা প্ৰয়োগ কৰি মাছত থকা অণুজীৱ ধ্বংস কৰি ইয়াক টুকুৰা টুকুৰকৈ নিৰ্দিষ্ট অনুপাতত কাটি টেমাত ভৰাই সংৰক্ষণ কৰা হয়।) প্ৰকাণ্ড প্ৰকাণ্ড যন্ত্ৰসমূহ। সাগৰীয় উৎপাদন বিদেশলৈ ৰপ্তানি কৰাৰ ক্ষেত্ৰত এই ফ্ৰিজিং আৰু কেনিং ব্যৱস্থাকেই লোৱা হয়। মীন কাৰিকৰী বিজ্ঞানৰ সেয়েহে এই বিভাগ দুটাৰ এক সুকীয়া গুৰুত্ব আছে।

মীন মহাবিদ্যালয়ৰ মাছমৰীয়া জাহাজেৰে এদিন আমাক সাগৰত মাছ মাৰিবৰ বাবে নিয়া হয়। ই আছিল আমাৰ বাবে এক ৰোমাঞ্চকৰ অভিজ্ঞতা। পুৱা ৯ মান বজাত আমি সৰু জাহাজ এখনেৰে আগবাঢ়িলো বন্দৰৰ পৰা সাগৰ অভিমুখে। মাঙ্গালোৰত এক বৃহৎ এলেকা জুৰি আছে মীন উদ্যোগসমূহ। প্ৰায় এক কিঃ মিঃ দীঘল মাছৰ বজাৰ! ট্ৰাকে ট্ৰাকে মাছ উদ্যোগলৈ কঢ়িয়াই নিয়া হৈছে। পঞ্চাশ-ষাঠিখন মান মাছমৰীয়া জাহাজ আমি বন্দৰত শাৰী পাতি থকা দেখিবলৈ পালো। সাগৰৰ পাৰে পাৰে শুকান বালিত মাছ শুকুৱাবলৈ দিয়া হৈছে। মাছৰ উপৰিও অন্যান্য সাগৰীয় প্ৰাণী যেনে স্কুইলা, শামুক, মিছামাছ আদিও ইয়াত যথেষ্ট পৰিমাণে ধৰা হয়।

বন্দৰৰ কাষে কাষে ক্ষুদ্ৰ মাছমৰীয়া সকলৰ সৰু সৰু জুপুৰিবোৰ। এওঁলোকে পৰম্পৰাগত মাছমৰীয়া। সৰু সৰু নাও লৈ তেওঁলোকে মাছ মাৰিবলৈ যায়। এওঁলোক দুখীয়া আৰু অশিক্ষিত। কিন্তু সাগৰ সম্বন্ধে এওঁলোকৰ আছে বিশাল অভিজ্ঞতা।

আমাৰ জাহাজখনে সাগৰৰ পাঁচ কিঃমিঃ মান ভিতৰলৈ গৈ জাল পেলালে। জালখন এখন মোনাৰ দৰে। ৰছিৰে ইয়াৰ বহল মুখখন জাহাজৰ পিছফালে সংলগ্ন থাকে। জাহাজখন গৈ থকাৰ লগে লগে জালখনো গৈ থাকে। এইদৰে প্ৰায় এঘন্টামান টনাৰ পিছত জালখন উঠোৱা হ'ল। জাল উঠোৱা নমোৱাৰ বাবে যন্ত্ৰ ব্যৱহাৰ কৰা হয়। কিন্তু ইয়াৰ বাবে কাৰিকৰী কৌশল জনা লোকৰ একান্ত আৱশ্যক। আমাৰ জালত পিছে বেছি মাছ নুঠিল। মাছতকৈ স্কুইলাৰ পৰিমাণহে আছিল অধিক।

সাগৰত এনেদৰে দিনে নিশাই মাছ মৰা হয়। ইয়াৰ বাবে বিভিন্ন আকৃতিৰ জাল যেনে ট্ৰলনেট, পিলনেট, পাৰ্চচিন আদি ব্যৱহাৰ কৰা হয়। ইয়াৰ ভিতৰত পাৰ্চচিন বিধেই হ'ল শক্তিশালী। পাৰ্চ চিন ব্যৱহাৰ কৰাৰ আগতে মাছৰ জাক চিনাক্ত কৰি লোৱা হয়। মাছৰ জাক চিনাক্ত কৰিবলৈ বিভিন্ন প্ৰাকৃতিক সংকেত অনুসৰণ কৰা হয়। যেনে – সাগৰৰ পানীৰ ৰং, ছাঁ, চৰাই আদিৰ গতিবিধি ইত্যাদি। অভিজ্ঞ নাবিকে ইয়াৰ পৰাই মাছৰ জাক কোনফালে আছে স্থিৰ কৰে আৰু পাৰ্চ চিনেৰে জাকটো আগুৰি পেলায়। ফলস্বৰূপে গোটেই জাকটোৱেই জালৰ ভিতৰত সোমাই পৰে।

আমি মাছ মাৰিবলৈ যোৱাৰ দিনা বতৰ আছিল ফৰকাল, সাগৰ আছিল শান্ত। সেয়েহে সুকলমেই আমি উভতি আহিলো। মীন মহাবিদ্যালয়খনৰ অসমীয়া ছাত্ৰ কমল শৰ্মা আছিল আমাৰ 'গাইড'। তেওঁ সাগৰৰ অভিজ্ঞতাৰ কথা কৈ কৈ আমাক নিৰ্ভয়ে থাকিবলৈ উপদেশ দিছিল। তথাপিও যেতিয়া জাহাজখনে টুলুংভুটুং কৰিবলৈ আৰম্ভ কৰিছিল, সাগৰৰ পাৰৰ প্ৰকাণ্ড শিলত ঢৌবোৰে জাঁপমাৰি উঠা দেখিছিলো – তেতিয়া ভয় নোখোৱাকৈ থকা নাছিলো।

২৪ ফেব্ৰুৱাৰী তাৰিখে নিশা দহ বজাত বাছেৰে আমি মাঙ্গালোৰৰ পৰা গোৱা অভিমুখে যাত্ৰা কৰিলো। কাহিলি পুৱা আমি গোৱাত উপস্থিত হলো। গোৱাত আমি যি ঠাইত নামিলো, তাৰ সমুখতেই এখন উদ্যান। উদ্যানৰ চাৰিওফালে কেইবাজনো লোকে খুব বেগেৰে প্ৰাতঃ ভ্ৰমণ কৰা দেখা গ'ল। কথাটো দেখি আমাৰ ইব্ৰাহীম খানেও তেওঁলোকৰ পাছে পাছে টুকটুককৈ দৌৰি মৰ্ণিংৱাক' কৰাত লাগি গ'ল। দেহটো দীঘল, কঁকালখন চেপেটা। দৌৰাৰ ভঙ্গীটো সেয়েহে বেছ আমোদজনক। আমি তাৰ কাণ্ড দেখি আটায়ে হাঁহিলো।

ৰাতিপুৱাৰ সময়খিনি অলপ জিৰণি লোৱাৰ বাবে এটা বহল কোঠা ঠিক কৰা হ'ল। চাৰিঘন্টামান জিৰণিলৈ ন'মান বজাত আমি এখন মিনি বাছেৰে গোৱা ফুৰিবলৈ ওলালো। কিন্তু আমাৰ হাতত সময় একেবাৰেই কম আছিল। কাৰণ আমি দিনৰ তিনিবজাত গোৱাৰ পৰা বোম্বেলৈ যাত্ৰা কৰিব লাগিব। সেয়েহে গোৱা আমি খুব খৰকৈ চাব লগা হ'ল। আমি য'ত আছিলো তাৰ পৰা প্ৰায় পঞ্চাশ কিঃ মিঃ মান দূৰৈত গোৱাৰ সবাতোকৈ পুৰণি গীৰ্জাটো অৱস্থিত। ইয়াৰ কাৰুকাৰ্য সঁচাকৈয়ে চাব লগীয়া। যীশু খ্ৰীষ্টৰ সোণৰ প্ৰতিমূৰ্তি ইয়াত প্ৰতিস্থাপিত কৰা হৈছে।

গীৰ্জাটো প্ৰদৰ্শন কৰি উঠি আমি ইয়াৰ সাগৰৰ পাৰলৈ আহিলো। গোৱাৰ সাগৰৰ পাৰলৈ শ শ বিদেশী পৰ্যটক আহে। তেওঁলোকে সাগৰত গা-ধোৱে আৰু অৰ্দ্ধ নগ্ন হৈ বালিত বাগৰি ৰ'দ লৈ থাকে। বেছিভাগ দম্পতিয়েই জলকেলি কৰিবলৈয়ে যেন ইয়ালৈ আহে।

আবেলি তিনি বজাত বাছেৰে আমি গোৱাৰ পৰা বোম্বাই অভিমুখে যাত্ৰা কৰিলো। গোৱাৰ পৰা বোম্বাইলৈ দূৰত্ব ৪০০ কিঃ মিঃ। বাছেৰে পোন্ধৰ ঘন্টাৰ ৰাস্তা। ৰাস্তাটো আছিল ঠেক। তাতে পাহাৰুৱা। গাড়ীখন সেই পথেৰেই হুৰহুৰকৈ আগবাঢ়িছিল। পাহাৰৰ শুকান শিলাময় ঠাইবোৰ দেখি মনটো কেনেবা লাগি গৈছিল। কিন্তু আমাৰ চাৰ – কৃষ্ণকান্ত তামুলীয়ে যেতিয়া ইয়াৰ মাজে মাজে থকা জোপোহা গছবোৰ কাজুবাদামৰ গছ বুলি ক'লে তেতিয়া সঁচাকৈয়ে ভাল লাগি গ'ল। পথটোৰ দুয়োকাষে কাজুবাদামৰ গছ। শ শ কিঃ মিঃ জুৰি কেৱল কাজু বাদামৰ গছ। এই পাহাৰীয়া অঞ্চলটোৰ মূল কৃষিৰ উৎপাদনেই হৈছে কাজু বাদাম।

বোম্বেলৈ গৈ থাকোতেই আমাৰ বাছত আৰু দুগৰাকী অসমীয়া মানুহ লগ পালো। তেওঁলোক নৱদম্পতি। যোৰহাটত ঘৰ। বিয়াৰ পিছত ফুৰিবলৈ আহিছে। তেওঁলোকক লগ পাই বেছ ভাল লাগিল। তেওঁলোকো বোম্বেলৈ যাব।

ৰাতিপুৱা ছয় বজাত আমি ভাৰতীয়

বোলছবি জগতৰ ৰাজধানী বোম্বাইত উপস্থিত হলো। বোম্বেত কেন্দ্ৰীয় মীন শিক্ষা কেন্দ্ৰ অৱস্থিত। আমি অটোৰিক্সাৰে সাতবাংলো নামে ঠাইত থকা এই কেন্দ্ৰটোলৈকে গ'লো। কেন্দ্ৰটোত তিনি গৰাকী অসমীয়া ছাত্ৰ আছে। তেওঁলোক হ'ল যথাক্ৰমে গোৱিন্দ পাছোৱান, সঞ্জীৱ চৌধুৰী আৰু প্ৰশান্ত দত্ত। ইয়াৰেই এগৰাকী শিখ বিজ্ঞানী ড° কুলহী অসমত আঠ বছৰ আছিল আৰু অসমৰ মীন ক্ষেত্ৰৰ ওপৰত গৱেষণা কৰিছিল। তেঁৱেই আমাক এই মীন শিক্ষা কেন্দ্ৰত থকা-খোৱাৰ সুবিধা কৰি দিলে। কেন্দ্ৰটোত থকা অসমীয়া ছাত্ৰ কেইগৰাকীয়েও আমাক খুব সহায় কৰিলে।

কিছু সময় জিৰণি লৈ, দহমান বজাত বন্ধু আবু ছুফিয়ান, ত্ৰৈলোক্য শইলে আৰু সাৰদাকান্ত ভাগৱতীৰ সৈতে বোম্বে চাবলৈ ওলালো। বোম্বাইত সাধাৰণতে মানুহে স্থানীয় ৰেলৰ ওপৰত বেছি নিৰ্ভৰ কৰে। এই ৰেল বিদ্যুৎ চালিত। এটা ষ্টেচনত খুব কম সময়ৰ বাবে ৰাখে। গতিবেগ সোনকালেই বাঢ়ে। অনভিজ্ঞ লোকৰ বাবে সেয়েহে বিপদজনক। চাৰিটামান ষ্টেচনৰ মাজত এটা জংচন থাকে। ইয়াত ৰেল কিছু বেছি সময় ৰাখে। আমি সাতবাংলাৰ ওচৰতে থকা ষ্টেচন আন্ধেৰীলৈ গ'লো। আন্ধেৰীৰ পৰা ৰেলত এনেয়ে দুটামান ষ্টেচন পাৰহৈ গৈ উভতি আহিলো। ই আছিল আমাৰ অভিজ্ঞতা আহৰণৰ বাবে কৰা আখৰা। এই আখৰাই পিছত লাম লাকটু লৈ স্থানীয় ৰেলত উঠাৰ ক্ষেত্ৰত যথেষ্ট সহায় কৰিছিল।

পিছদিনা আমি বোম্বেৰ তাৰাপুৰ একুৱাৰিয়াম, ইণ্ডিয়াগেট আদি প্ৰদৰ্শন কৰি হেঙিং গাৰ্ডেনত নামিলো। হেঙিং গাৰ্ডেনত চাবলগীয়া বিশেষ একো নাই অৱশ্যে ইয়াৰ পৰা বোম্বাই চহৰৰ কিছু অংশ সুন্দৰ ভাবে দেখা যায়। এই বাবেই ইয়াৰ নাম 'হেঙিং গাৰ্ডেন'।

কিন্তু হেঙিং গাৰ্ডেনৰ অন্য এক আকৰ্ষণ আছে। সেয়া হ'ল – অসমৰ যুৱক-যুৱতীয়ে যিবোৰ দৃশ্য উপভোগ কৰিবলৈ চিনেমা চাবলৈ যায় – সেইবোৰ দৃশ্য ইয়াত প্ৰকাশ্যে বিনা পইছাৰে উপভোগ কৰিব পাৰি! জোপোহা বনৰ আঁৰে আঁৰে হালে হালে কিশোৰ-কিশোৰী, যুৱক-যুৱতীয়ে ৰাসলীলা কৰিছে! সেই দিন দুপৰতে প্ৰেমিকৰ কোলাত বহি প্ৰেমিকাই সহস্ৰবাৰ চুম্বন কৰিছে প্ৰেমিকৰ গাল!

আকাশত দুপৰীয়া দুই বজাৰ সূৰ্য, কাষে কাষে অজস্ৰ মানুহ, তাতোকৈ ডাঙৰ কথা – এইখন হ'ল ভাৰতবৰ্ষ!! সন্ধিয়াৰ কেঁচা পোহৰতচোন যৌন-জীৱনৰ সকলোখিনি সত্যই ইয়াত ঘটি যাব পাৰে!!

২৯ জানুৱাৰী তাৰিখে আমি বোম্বেৰ পৰা এলাহাবাদ অভিমুখে ৰাওনা হলো। নিশা প্ৰায় বাৰমান বজাত আমি এলাহাবাদ চহৰ পালোহি। এলাহাবাদ বৰ বেছি ডাঙৰ চহৰ নহয়। কিন্তু চহৰখনৰ এক ঐতিহাসিক গুৰুত্ব আছে। ইয়াতেই আছে গঙ্গা-যমুনা-সৰস্বতীৰ সংগমস্থল – ত্ৰিবেণী সংগম। ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱহৰলাল নেহৰুৰ জন্মস্থানো আছিল এই এলাহাবাদ।

আমি এলাহাবাদৰ আনন্দ ভৱন (জৱহৰলালৰ জন্ম গৃহ), প্লেনেটেৰিয়াম, ত্ৰিবেণী সংগম, পাতালপুৰীৰ মন্দিৰ আদি প্ৰদৰ্শন কৰিলো। এলাহাবাদ চহৰত দেখিলো – দৰিদ্ৰ লোকৰ সংখ্যা বেছি। ৰিক্সা, টাংগা আদিৰ ভাৰা অতি কম। ইন্দিৰা গান্ধীৰ দৰে নাৰী ডাঙৰ দীঘল হোৱা এই এলাহাবাদৰ নাৰী এতিয়াও অশিক্ষিত। অৱশ্যে অভিজাত পৰিয়ালৰ মহিলাৰ কথা বেলেগ। ত্ৰিবেণী সংগমৰ মাঘ মেলাৰ দৃশ্য চাই ধাৰণা হ'ল – ধৰ্মীয় কু-সংস্কাৰে অশিক্ষিত মানুহখিনিক এতিয়াও চেপি ধৰি আছে। হাজাৰ হাজাৰ লোকে গঙ্গাৰ পাৰত তম্বু তৰি লৈ কেৱল ধৰ্মৰ নামতেই ব্যয় কৰিছে সুদীৰ্ঘ এটা মাহ।

এলাহাবাদত এটা মীন প্ৰজনন গৱেষণা কেন্দ্ৰ আছে। ইয়াত এগৰাকী অসমীয়া বিজ্ঞানীক লগ পালো। তেওঁৰ ঘৰ মিৰ্জতি। নাম প্ৰফুল্ল কুমাৰ মহন্ত। তেওঁ আন এগৰাকী বিজ্ঞানীৰে সৈতে লগ লাগি ভাৰতত পোৱা সকলোবোৰ মাছৰ নাম আৰু পৰিচয় সংগ্ৰহৰ কামত লাগি আছে। কেন্দ্ৰটোৰ আটাইবোৰ বিজ্ঞানীয়েই আমাক আদৰ সাদৰ কৰিলে – বিভিন্ন যন্ত্ৰ-পাতিবোৰ আগ্ৰহেৰে দেখুৱালে। ইয়াত মাছৰ শুক্ৰাণু সংৰক্ষণ কৰি, প্ৰয়োজন অনুসৰি ডিম্বৰ সৈতে মিহলাই মাছৰ কণী নিষিক্ত কৰা হয়। এওঁলোকে মাছৰ শুক্ৰ এবছৰলৈ সংৰক্ষণ কৰাত সফল হৈছে। সংৰক্ষণ কৰা মাছৰ শুক্ৰ আৰু ডিম্বৰ পৰা হোৱা মাছৰ পোৱালিও আমাক তেওঁলোকে দেখুৱালে।

এলাহাবাদেই আছিল আমাৰ ভ্ৰমণৰ অন্তিম পৰ্যায়। এলাহাবাদ এৰাৰ সময়ত সেয়েহে সঁচাকৈয়ে বেয়া লাগিছিল। বহু আকাংক্ষিত, শিক্ষাজীৱনৰ এক অধ্যায় যেন অন্ত পৰিল! মনত পৰিল গুৱাহাটীৰ পৰা ত্ৰিবান্দ্ৰম অভিমুখে যাত্ৰা কৰা দিনটো। সেই দিনকেইটা আমাৰ বাবে বেছ আমোদজনক আছিল। ৰেলৰ ভিতৰতে মাঘ বিহুও পাতিছিলো – ঘৰৰ পৰা নিয়া লাডু পিঠাৰেই। আমাৰ লগত আৰু এটা অসমীয়া পৰিয়াল আছিল। তেওঁলোক আহিছিল তিনিচুকীয়াৰ পৰা। কে চি বৰা নামৰ তিনিচুকীয়া কলেজৰ ৰাজনীতি বিজ্ঞানৰ অধ্যাপক গৰাকীয়ে তেওঁৰ দুগৰাকী কলেজীয়া জীয়েক আৰু পত্নীৰে সৈতে দক্ষিণ ভাৰত ভ্ৰমণৰ বাবে ওলাইছিল। তেওঁৰ পত্নীও অধ্যাপিকা। দুয়োগৰাকী অভিজ্ঞ ব্যক্তিক পাই আমাৰ বেছ ভাল লাগিছিল। আটাইবোৰ এটা পৰিয়ালৰ দৰে হৈ পৰিছিলো। জীয়েক দুজনীয়েও আমাৰ সৈতে হাঁহি ধেমালি কৰি আহিছিল।

গুৱাহাটীৰ পৰা আহোতে বেগত চাৰিখনমান কিতাপ আনিছিলো। গুৱাহাটী গ্ৰন্থ মেলাত কিনা কিতাপ। কিতাপ কেইখন আছিল 'মেক্সিম গৰ্কীৰ শ্ৰেষ্ঠ গল্প', ড° হীৰেণ গোহাঁইৰ 'স্বাধীনতাৰ সপোন আৰু দিঠক', হোমেন বৰগোহাঞিৰ এখন নিৰ্বাচিত গল্প সংকলন আৰু এখন প্ৰবন্ধ পুথি 'ভাৰতীয় চিন্তা'। কিতাপ কেইখন যাওঁতে পঢ়াই নহ'ল। অৱশ্যে তত্ত্বাৱধায়ক চাৰে শুই শুই প্ৰায় গোটেই কেইখন কিতাপেই পঢ়ি শেষ কৰিছিল। অনুপম শৰ্মা, ভৱানী নাথ, দিলীপ শৰ্মা, গণেশ তালুকদাৰ, যোগেন কলিতা, গণেশ ডেকা আদি বন্ধু সকলৰ বাবেও মাজে মাজে কিতাপ কেইখন মানসিক আহাৰ হৈছিল।

যোৱাৰ পৰত মোৰ মনৰ ভোক নাছিল। আছিল চকুৰ ভোক। খিৰিকিৰ কাষত বহি বাহিৰলৈ চাই গৈছিলো – অধীৰ আগ্ৰহেৰে – ক'ত কি দেখা পাওঁ! আৰু এতিয়া ওভোতাৰ সময়ত চকুৱে জিৰণি বিচাৰিছে – বিষাদগ্ৰস্ত মনটোৱে কিতাপৰ বুকুত মুখ গুজি নিজকে সান্ত্বনা দিব বিচাৰিছে।

ওপৰৰ বাথত শুই প্ৰিয় লেখক হোমেন বৰগোহাঞিদেৱৰ গল্প পুথিখনকে সেয়েহে মেলি ললো। ●





# অসমীয়া ভাষাৰ বিভ্ৰাট

কানাই গগৈ

*(এই নিবন্ধত বৰ্ণোৱা সমস্যাবোৰ অসমৰ বৰ্তমান পৰিস্থিতিত বহুতৰে অপ্ৰাসংগিক যেন লাগিব – বিশেষকৈ জীৱনত অসমীয়া কিতাপ-আলোচনী নিকিনাকৈও অসমীয়া ভাষাৰ 'অস্তিত্ব' ৰক্ষাৰ বাবে আন্দোলনৰ গুৰি ধৰি নিজৰ সন্তানক দিল্লী আদি চহৰত ইংৰাজী মাধ্যমত পঢ়িবলৈ পঠোৱাসকলৰ বাবে। অসমত আজি প্ৰায় প্ৰতিটো মধ্যবিত্তৰ পৰিয়ালতে তিনি বছৰৰ ওপৰৰ সন্তানবোৰে 'অ-আ-ক-খ' নিশিকি 'এ-বি-চি-ডি' শিকিছে, 'পদ্য' মুখস্থ নকৰি 'ৰাইম' মুখস্থ কৰিছে। প্ৰতিখন সৰু-বৰ চহৰৰ চুকে কোণে ইংৰাজী মাধ্যমৰ স্কুলবোৰ কাঠফুলা গজাদি গজি উঠিছে। অথচ আমোদজনক কথা হ'ল এয়ে যে ভাষা উৎকৰ্ষ, বিকাশ আদি এই মধ্যবিত্তৰ ওপৰতেই আটাইতকৈ বেছি নিৰ্ভৰ কৰে!)*

১৯৮৩ চনত 'মস্কো' ৰেডিঅ'ৰ অসমীয়া বিভাগত কাৰিকৰী নিৰ্দেশিকাৰ কাম কৰা এগৰাকী বয়সিয়াল ৰুছ মহিলাই মোক কৈছিল : "মই ভাৰতীয় আটাইবোৰ ভাষাৰ লগতে কাম কৰিছো, কিন্তু অসমীয়াৰ দৰে 'কোমল' আৰু শ্ৰুতিমধুৰ ভাষা মই শুনা নাই।" মহিলা গৰাকীয়ে অসমীয়া ভাষাৰ এটাও শব্দ নাজানে। সেই সময়ত 'মস্কো-ৰেডিঅ'ৰ পৰা প্ৰচাৰিত হোৱা অসমীয়া অনুষ্ঠান বাণীবদ্ধ কৰাৰ সময়ত শুনি অথবা আমি অসমীয়া কেইজনৰ মুখৰ কথা-বতৰা শুনিয়েই তেখেতে এই মন্তব্য দিছিল।

আজি ন বছৰে ৰুছ মহিলাগৰাকীৰ এই মন্তব্যটোক লৈ মই বহুতবাৰ ভাবিছো আৰু অৱশেষত গৈ নিজকে পতিয়ন নিয়াইছো যে মহিলা গৰাকীয়ে কথাষাৰ অন্তৰৰ পৰাই কৈছিল। কাৰণ তেখেতে তোষামোদ কৰি এই মন্তব্য দিয়াৰ কোনো কাৰণ মই বিচাৰি পোৱা নাই। মই ৰুছসকলৰ বিষয়ে যিখিনি জানো, তাৰ পৰা এইষাৰ কথা ডাঠি ক'ব পাৰো যে তেওঁলোকে সাধাৰণতে তোষামোদ কৰিব নাজানে। তদুপৰি যুক্তিৰ খাতিৰত তোষামোদ কৰা বুলি ধৰি ল'লেও তোষামোদৰ ধাৰণাটো আপোনা-আপুনি অসত্য প্ৰতিপন্ন হয়, কাৰণ মোক তোষামোদ কৰিলে মহিলা গৰাকীৰ একো লাভ নহয়! গতিকে তেখেতৰ মন্তব্যটোত ভণ্ডামি নাই বুলিয়েই ভাবিবলৈ বাধ্য হৈছো।

◆

> ১৯৮৩ চনত 'মস্কো-ৰেডিঅ'ৰ অসমীয়া বিভাগত কাৰিকৰী নিৰ্দেশিকাৰ কাম কৰা এগৰাকী বয়সিয়াল ৰুছ মহিলাই মোক কৈছিল : "মই ভাৰতীয় আটাইবোৰ ভাষাৰ লগতে কাম কৰিছো, কিন্তু অসমীয়াৰ দৰে 'কোমল' আৰু শ্ৰুতিমধুৰ ভাষা মই শুনা নাই।" মহিলা গৰাকীয়ে অসমীয়া ভাষাৰ এটাও শব্দ নাজানে।

◆

কিন্তু তেতিয়াই এটা গুৰুত্বপূৰ্ণ প্ৰশ্নই মনত ভুমুকি মাৰে : স্বীকৃতিপ্ৰাপ্ত ভাৰতীয় ভাষাবোৰৰ ভিতৰত কেৱল অসমীয়া ভাষাইহে তেওঁৰ কাণত 'কোমল' আৰু শ্ৰুতিমধুৰ হৈ ধৰা দিলে কিয়? অসমীয়া মানুহে নিজৰ ভাষাটো কওঁতে দন্ত্য আৰু মূৰ্ধন্য ধ্বনিৰ মাজত পাৰ্থক্য নাৰাখে, 'চ' আৰু 'ছ'-ৰ প্ৰকৃত উচ্চাৰণ নকৰে, অথবা 'স', 'শ', আৰু 'ষ'টো একে ধৰণে উচ্চাৰণ কৰে কাৰণেই নেকি? 'শ্ৰুতিমধুৰতা' আৰু 'শ্ৰুতিকটুতা' আদি ধাৰণাবোৰ আচলতে আপেক্ষিক আৰু ব্যক্তিভেদে এই ধাৰণাবোৰৰ 'তীব্ৰতাৰ' উত্থান-পতন হয়। ফৰাচী, ইটালীয়, জাৰ্মানি আদি ভাষা মই নাজানো, কিন্তু এইবোৰ ভাষা কোনোবাই ক'লে, কোনটো কৈছে – মই বুজি পাওঁ আৰু তেতিয়া এই ভাষাবোৰৰ মাজত থকা এটা পাৰ্থক্য মোৰ কাণত ধৰা পৰে : ফৰাচী ভাষাটো জাৰ্মানি ভাষাতকৈ 'কোমল', কিন্তু ইটলীয় ভাষাটো ফৰাচী ভাষাতকৈও 'কোমল'। সেইদৰে আৰবী ভাষাটোৱে মোৰ কাণত 'শ্ৰুতিকটু' হৈ ধৰা দিয়ে – বিশেষকৈ ছোৱালীয়ে এই ভাষাটো কওঁতে – অথচ এই ভাষাৰ এটাও শব্দ মই নাজানো। এইখিনিতে এটা কথা স্পষ্ট কৰি লওঁযে এইবোৰ মোৰ একান্ত ব্যক্তিগত অভিজ্ঞতাহে আৰু এইবোৰ কৈ মই কোনোবা এটা ভাষাক অপমান কৰিব বিচাৰিছো বুলি যেন কোনেও নাভাবে। নিজস্ব স্থানত প্ৰতিটো ভাষাই সমমৰ্যাদাসম্পন্ন।

অসমীয়া আৰু ৰুছ ভাষাৰ মাজত অন্ততঃ দুটা মিল আছে : অসমীয়াৰ 'স', 'শ', অথবা 'ষ' ধ্বনিটো ৰুছ ভাষাত আছে আৰু দুয়োটা ভাষাতে বাক্য গঠনৰ সময়ত কৰ্তা, কৰ্ম, ক্ৰিয়া আদিৰ পাৰস্পৰিক স্থানান্তৰণ ঘটাব পাৰি। মই জনাত ভাৰতীয় স্বীকৃতিপ্ৰাপ্ত ভাষাবোৰত অসমীয়াৰ 'স' ধ্বনিটো নাই। আৰবী আৰু উৰ্দু ভাষাত এই ধ্বনিটো (খ়) আছে যদিও ই অসমীয়াৰ 'স'তকৈ কঠিন। ৰুছ ভাষাৰ লগে লগে জাৰ্মানি ভাষাতো এই ধ্বনিটো আছে। এই ধ্বনিটো ভাৰতীয় ভাষাবোৰৰ ভিতৰত অসমীয়াত থকা এটা উল্লেখযোগ্য বৈশিষ্ট্য হলেও অসমৰে আহোম সম্প্ৰদায়ৰ লোকসকলৰ আটায়ে এই ধ্বনিটো ভালদৰে উচ্চাৰণ কৰিব নোৱাৰে – বিশেষকৈ ধ্বনিটো যদি শব্দৰ আৰম্ভণিতে থাকে (যেনে – 'সিহঁত' শব্দটো বহুত আহোমৰ মুখত 'হিহঁত' হৈ উচ্চাৰিত

হয়)। আহোমসকলৰ এই দুৰ্বলতাক লৈ অন্য সম্প্ৰদায়ৰ মানুহে ইতিকিঙো কৰে। শব্দৰ মাজত থাকিলে এই ধ্বনিটো বহুত আহোমৰ মুখত 'খ'ৰ দৰে উচ্চাৰিত হয়। অসমৰ বৰ্তমানৰ মুখ্যমন্ত্ৰীয়ে 'অসম' শব্দটো 'অখম'ৰ দৰে উচ্চাৰণ কৰে কাৰণে 'বুধবাৰৰ' দৰে কাকতে ৰাজহুৱাভাবে ইতিকিং কৰাও দেখিছো।

এই নিবন্ধটোৰ শিৰোনামাৰ লগত এইবোৰ কথাৰ একো সম্পৰ্ক নাই যেন লাগিলেও নিবন্ধটোৰ বিষয়বস্তু উপলব্ধি কৰাত হয়তো এই কথাবোৰে কিছু পৰিমাণে সহায় কৰিব। এতিয়া সমস্যাবোৰ এটা এটাকৈ ফঁহিয়াই চাওঁ, আহক।

প্ৰথমতে উচ্চাৰণৰ কথাই ধৰা যাওক। অসমীয়াত 'চ' ('Ch') ধ্বনিটো নাই। বহুত অসমীয়াই এই ধ্বনিটো উচ্চাৰণেই কৰিব নাজানে। স্কুলবিলাকতো সাধাৰণতে উচ্চাৰণৰ ওপৰত গুৰুত্ব দিয়া নহয়। সেইবাবে অসমীয়া ল'ৰা-ছোৱালীয়ে ইংৰাজী শিকোতে 'Ch' টো 'ছ' ('S') বুলিয়েই শিকি থয় আৰু সেইবাবেই অসমীয়াৰ মুখত 'Cheques' শব্দটো 'ছেক্স' (Sex?) হৈ উচ্চাৰিত হয়। একেদৰে দন্ত্য আৰু মূৰ্ধন্য ধ্বনিৰ মাজত থকা পাৰ্থক্য নুবুজা বাবে 'Temperature' টো 'তেম্পেৰেছাৰ' হৈ উচ্চাৰিত হয়। (অৱশ্যে অসমীয়াত উচ্চাৰণ লিখোতে 'টেম্পেৰেচাৰ' বুলিয়েই লেখা হয়!)। সেই বাবে বহুতো অসমীয়াৰ মুখৰ ইংৰাজী বৈয়াকৰণিক দিশৰ পৰা শুদ্ধ হলেও উচ্চাৰণৰ ফালৰ পৰা শ্ৰুতিকটু হৈ পৰে। অসমীয়াত 'চ' আৰু 'ছ'ৰ উচ্চাৰণ একে হলেও ইয়াৰ মাজৰ যিকোনো এটাক অপসাৰিত কৰিব নিশ্চয় নোৱাৰি, কাৰণ 'চৰণ' শব্দটো 'ছৰণ' লিখিলে অথবা 'ছাত্ৰ' শব্দটো 'চাত্ৰ' লিখিলে অৰ্থৰ বিকৃতি ঘটিব। সেইবাবে 'Ch' ধ্বনিটো বুজাবৰ বাবে তথা শিকিবৰ বাবে অসমীয়া বৰ্ণমালালৈ 'চ্চ' জাতীয় কিবা এটা বৰ্ণৰ আমদানি কৰিলে কেনে হয়?

দন্ত্য আৰু মূৰ্ধন্য ধ্বনিৰ ক্ষেত্ৰতো একে কথাই খাটে। 'তথ্য' শব্দটো 'টথ্য' লিখিলে অৰ্থহীন হৈ পৰিব, যদিও অসমীয়াত দুয়োটা শব্দৰে উচ্চাৰণ একেই ('তথ্য')! এই ক্ষেত্ৰত দন্ত্য আৰু মূৰ্ধন্য ধ্বনিৰ মাজত থকা পাৰ্থক্য ৰক্ষা কৰি উচ্চাৰণ কৰিবলৈ শিকাত বাদে অন্য উপায় মোৰ চকুত পৰা নাই। কিছুমান ভাষাত এই দুটা ধ্বনিৰ মাত্ৰ এটাহে থাকে; যেনে – ৰুছ ভাষাত কেৱল দন্ত্য ধ্বনিটোহে আছে।

একেদৰে 'উ' আৰু 'ও' তথা 'ই' আৰু 'ঈ'ৰ মাজত থকা পাৰ্থক্য ৰক্ষা কৰি উচ্চাৰণ কৰাত বাহিৰে অন্য উপায় হয়তো নাই। কাৰণ, অসমীয়া মানুহৰ মুখত 'মুৰ' আৰু 'মোৰ' – এট দুয়োটা শব্দই 'মুৰ'ৰ দৰে উচ্চাৰিত হয়।

ইংৰাজীৰ 'V' ধ্বনিটো অসমীয়াৰ 'ৱ' ধ্বনিৰ সমাৰ্থক, যদিও বহু ক্ষেত্ৰত 'ৱ'টো 'V' ৰ স্থানত ব্যৱহাৰ কৰিব নোৱাৰি। কাৰণ, অসমীয়াৰ 'ৱ'টো ইংৰাজীৰ 'V'ৰ দৰে উচ্চাৰণ (তলৰ ওঁঠটো ওপৰ পাৰি দাঁতত লগাই) কৰা নহয়। তদুপৰি অসমীয়াৰ 'ৱ'টো বহু ক্ষেত্ৰত 'অ' বা 'আ'ৰ দৰে উচ্চাৰিত হয়; যেনে – 'পোৱাল' শব্দটো উচ্চাৰিত হয় 'পোআল' হিচাপে। তথাপি 'ৱ'টো 'V'ৰ পৰিবৰ্তে ব্যৱহাৰ কৰাত হয়তো কাৰোৰ বিশেষ আপত্তি নাথাকিব। কিন্তু আশ্চৰ্যজনকভাবে অসমীয়াত 'V'ৰ পৰিবৰ্তে 'ভ' ধ্বনিটোহে ব্যৱহৃত হয়। এই ধাৰণাটো হয়তো বাংলা ভাষাৰ পৰা আমদানি কৰা হৈছে।

এইখিনিতে 'শগুণ' (Vulture)ক লৈ প্ৰচলিত কৌতুকটো স্মৰণীয় (শিক্ষকে শ্ৰেণীত ছাত্ৰসকলক 'শগুণৰ' ইংৰাজী প্ৰতিশব্দ সুধিলে; কোনেও নোৱাৰিলে। অৱশেষত শিক্ষকে আশা এৰি দি শেষৰ বেঞ্চিত বহি থকা ছাত্ৰ এজনক এনেয়ে সুধিলেঃ "তোমাৰ খবৰ কি হে?" ছাত্ৰই তপৰাই উত্তৰ দিলেঃ "ভাল, ছাৰ!" অৰ্থাৎ শুদ্ধ উত্তৰ তেওঁহে দিলে! কাৰণ, অসমীয়াত 'Vulture'টো 'ভালছাৰ' বুলি উচ্চাৰিত হয়!)। অসমীয়াত 'V'ৰ সমাৰ্থক ধ্বনি এটা আছে যেতিয়া তাৰ সদ্ব্যৱহাৰ কৰাই হয়তো উচিত হ'ব।

সেইদৰে অসমীয়াত 'জ' আৰু 'য'ৰ মাজত উচ্চাৰণৰ পাৰ্থক্য নাই; দুয়োটাই 'Z'ৰ দৰে উচ্চাৰিত হয়। ইংৰাজীৰ 'J'ৰ পৰিবৰ্তে অসমীয়াত 'জ' ব্যৱহৃত হয় যদিও ইয়াৰ প্ৰকৃত উচ্চাৰণ বহুত অসমীয়াই নাজানে (সেই বাবেই হয়তো 'তেজপুৰ' গৈ ইংৰাজীত 'Tezpur' হ'লগৈ!)। অসমীয়াত সমাৰ্থক উচ্চাৰণৰ দুটা বৰ্ণ আছে যেতিয়া এটাক 'J' ধ্বনিৰ বাবে (যেনে – 'জ') আৰু আনটোক 'Z'ধ্বনিৰ বাবে (যেনে – 'য') ব্যৱহাৰ কৰিল কেনে হয়? অথবা 'Z' ধ্বনিটো বুজাবলৈ বেলেগ এটা বৰ্ণৰ (যেনে – 'জ্ব' অথবা 'য'; হিন্দীত জ়) আমদানি কৰিলে কেনে হয়?

একে কথাই 'ফ' বৰ্ণটোৰ ক্ষেত্ৰটো খাটে।

অসমীয়াত 'Sh'ৰ সমাৰ্থক বৰ্ণ নাই; বৰ্তমান 'শ্ব' লিখা হয় যদিও বহুতে এই ধ্বনিৰ উচ্চাৰণ নাজানে। তদুপৰি বহু ক্ষেত্ৰত এই নিয়ম মানি চলাও নহয়। নিঃসন্দেহে এই 'শ্ব' ধ্বনিটো অসমীয়াত আৱশ্যকীয় (মই জনা ভাষাবোৰৰ আটাইকেইটাতে এই ধ্বনিটো আছে)। গতিকে ইয়াক এঘৰীয়া কৰি নাৰাখি অসমীয়া বৰ্ণমালাৰ অন্তৰ্ভুক্ত কৰিলে কেনে হয়? অৱশ্যে কেৱল বৰ্ণমালাৰ অন্তৰ্ভুক্ত কৰিলেই কাম নিসিজে; অসমীয়া মানুহক এই ধ্বনিটো সঠিকভাবে উচ্চাৰণ কৰিবলৈও শিকাব লাগিব। অপ্ৰাসংগিক যেন লাগিলেও এইখিনিতে এষাৰ কথা কোৱা ভাল হ'ব যেন পাওঁ। এসময়ত অসমীয়াত লিখা 'শ্বহীদ' শব্দটো আজিকালি কিয় 'ছহিদ' বুলি লিখা হয় – সি মোৰ বাবে এটা সাঁথৰ। বিদেশী শব্দ হিচাপে 'শ্বহীদ' লিখাত আপত্তি নথকাই স্বাভাৱিক (নে আৰবী শব্দবিলাক বিদেশী নহয়?); কাৰণ, 'Washington' শব্দটো আমি 'ৱাশ্বিংটন' বুলি লিখো – কোনোবাই 'ৱাচিংটন' লিখাটো সুকীয়া কথা।

এইখিনিতে অপ্ৰাসংগিক যেন লগা আৰু এটা কথা উল্লেখ কৰাৰ লোভ সামৰিব নোৱাৰিলো। 'Chekhov' শব্দটো অসমীয়াত 'চেখভ' বা 'চেখৱ' বুলি লিখা হয় যদিও প্ৰকৃততে 'চ্চেসৱ'হে লিখিব লাগে; কাৰণ আগেয়ে উল্লেখ কৰাৰ দৰে ৰুছ ভাষাত অসমীয়া ভাষাৰ 'স' ধ্বনিটো আছে। কিন্তু 'Khrushchyov' শব্দটো অসমীয়াত লিখিবলৈ লৈ মই থতমত খাই গৈছিলো। অকলশৰীয়াকৈ 'স'টো অসমীয়াত স্বকীয়ভাবে উচ্চাৰিত হয়, কিন্তু অন্য বৰ্ণৰ সংস্পৰ্শত ই নিজস্ব ধ্বনি হেৰুৱাই পেলায়; যেনে – 'স্ৰোৎ' শব্দটো 'স্ৰোৎ' দৰে উচ্চাৰিত নহৈ 'ছ্ৰোৎ'ৰ দৰেহে উচ্চাৰিত হয়! সেইবাবে 'Khrushchyov' শব্দটো প্ৰকৃততে 'স্ৰুশ্চ্যৱ' বুলিহে লিখিব লাগিছিল যদিও ইমান জটিলতাৰ মাজলৈ নগৈ অৱশেষত 'খ্ৰুশ্চ্যৱ' বুলিয়েই লিখিছিলো।

এইবাৰ অসমীয়া ভাষাত বাক্যৰ গঠনৰ কথালৈ আহো। ৰুছ ভাষাতো বাক্যৰ গঠন কৰ্তা, কৰ্ম, ক্ৰিয়াৰ পাৰস্পৰিক স্থানান্তৰণৰ দ্বাৰা কৰিব পাৰি যদিও তাত বাক্য সাজোতে এটা নিৰ্দিষ্ট নিয়ম ৰক্ষা কৰি চলা হয়। কিন্তু অসমীয়া ভাষাত বহুত লেখকেই এইবোৰৰ খেয়াল নাৰাখে যেন লাগে। এখন উপন্যাসত পঢ়িছিলো যে কাহিনীৰ নায়কক ছোৱালীবিলাকে সদায় আগুৰি ৰাখে, কাৰণ নায়কে খুব ভাল গান গাব পাৰে। ওপৰে ওপৰে চালে বাক্যটোৰ অলপো ভুল নাই। কিন্তু সূক্ষ্মভাবে লক্ষ্য কৰিলে চকুত পৰিব যে বাক্যটোত এটা গুৰুত্বপূৰ্ণ ভুল ৰৈ গৈছে। বাক্যটো লিখোতে লেখকে নিশ্চয় এইটো বুজাব খোজা নাছিল যে সাৰমৰ্ম থকা (খুব ভাল) গান গাব পৰা কাৰণেহে ছোৱালীবিলাকে তেওঁক আগুৰি থাকে, বৰঞ্চ এই কাৰণেহে আগুৰি থাকে যে নায়কে সুললিত কণ্ঠেৰে তথা তাল-মান ৰক্ষা কৰি গান গাব পাৰে – লাগিলে সেই গান অৰ্থহীনেই নহওক কিয়। সেইবাবে বাক্যটো "..........নায়কে খুব ভাল গান গাব পাৰে"ৰ পৰিবৰ্তে "..........নায়কে গান খুব ভাল গাব পাৰে" বুলি লিখা হলেহে হয়তো বেছি অৰ্থপূৰ্ণ হ'লহেঁতেন।

অসমীয়া সাহিত্যত সম্প্ৰতি আৰু এটা বদ অভ্যাসে গা কৰি উঠিছে আৰু সেইটো হ'ল গল্প-উপন্যাসত ইংৰাজী শব্দৰ প্ৰচুৰ ব্যৱহাৰ। ইয়াত গল্প-উপন্যাসত হোৱা কথোপকথনৰ কথা কোৱা হোৱা নাই; কাৰণ অসমীয়া তথা ভাৰতীয় শিক্ষিত লোকে কথা পাতোতে অসংখ্য ইংৰাজী শব্দ ব্যৱহাৰ কৰে। মোৰ এজন ৰুছ বন্ধুৱে কোৱা মতে ভাৰতীয়সকলে কথা পাতোতে নিজৰ নিজৰ মাতৃভাষাৰ কেৱল ব্যাকৰণহে ব্যৱহাৰ কৰে, কিন্তু শব্দ আটাইবোৰেই ইংৰাজীৰ হয়। কথাষাৰ মিছাও নহয়। অসমীয়াত কথিত আৰু লিখিত ভাষাৰ মাজত আকাশ-পাতাল প্ৰভেদ; আনকি কথোপকথনত হিন্দী কথাছবিৰ পৰা আমদানিকৃত এনে কিছুমান অৰ্থহীন শব্দ তথা বাক্যাংশও ব্যৱহাৰ কৰা হয় যে সেইবোৰ লিখিত ভাষাত ব্যৱহাৰ কৰা নাযায়। কিন্তু ৰুছ ভাষাত লিখোতে যিবোৰ শব্দ ব্যৱহাৰ কৰা হয়, কওঁতেও একেবোৰ শব্দকে ব্যৱহাৰ কৰা হয়। অৱশ্যে অশ্লীল শব্দৰ কথা ইয়াত কোৱা হোৱা নাই। আচল কথা হ'ল, ৰুছসকলে কথা পাতোতে বিদেশী ভাষাৰ সহায় নলয়। গতিকে গল্প-উপন্যাসত বাস্তৱতাৰ খাতিৰত চৰিত্ৰবিলাকৰ মাজত হোৱা কথা-বতৰাবিলাক লিপিবদ্ধ কৰোতে ইংৰাজী শব্দৰ ব্যৱহাৰত বাধা থাকিব নালাগে। কিন্তু লেখকে নিজে বৰ্ণনা কৰা অংশত ইংৰাজী শব্দ প্ৰচুৰ পৰিমাণে ব্যৱহাৰ কৰিলে সি শ্ৰুতিকটু তথা দৃষ্টিকটু হৈ পৰে। বিশেষকৈ ইংৰাজী বৰ্ণমালাৰে লিখা ইংৰাজী শব্দবিলাক গল্প-উপন্যাসত অধিক দৃষ্টিকটু। অলপতে এখন জনপ্ৰিয় পষেকীয়া আলোচনীত এটা গল্প পঢ়িছিলো। গল্পটোত লেখকে নিজে বৰ্ণনা কৰা অংশতে ইংৰাজী শব্দ ইমান ব্যৱহাৰ কৰিছে যে পঢ়ি যাওঁতে মোৰ মনত মাত্ৰ এটা কথাই খেলাই থাকিল – গল্পটো অসমীয়াত নিলিখি ইংৰাজীত লিখা হলেই হয়তো বেছি ভাল হ'লহেঁতেন। লেখকে ব্যৱহাৰ কৰা ইংৰাজী শব্দবিলাকৰ অসমীয়া প্ৰতিশব্দ আছে আৰু সেইবোৰ ব্যৱহাৰ কৰিলে গল্পৰ মানদণ্ড নিশ্চয় অৱনমিত নহয়। ইংৰাজী শব্দ ব্যৱহাৰ কৰাৰ এই অভ্যাসটো বাংলা সাহিত্যৰ প্ৰতিজন প্ৰতিষ্ঠিত লেখকৰে আছে। অসমীয়ালৈ এই অভ্যাসটো বাংলা সাহিত্যৰ পৰাই আমদানি কৰা হৈছে নেকি বাৰু?


> অসমীয়া সাহিত্যত সম্প্ৰতি আৰু এটা বদ অভ্যাসে গা কৰি উঠিছে আৰু সেইটো হ'ল গল্প-উপন্যাসত ইংৰাজী শব্দৰ প্ৰচুৰ ব্যৱহাৰ। ইয়াত গল্প-উপন্যাসত হোৱা কথোপকথনৰ কথা কোৱা হোৱা নাই; কাৰণ অসমীয়া তথা ভাৰতীয় শিক্ষিত লোকে কথা পাতোতে অসংখ্য ইংৰাজী শব্দ ব্যৱহাৰ কৰে। মোৰ এজন ৰুছ বন্ধুৱে কোৱা মতে ভাৰতীয়সকলে কথা পাতোতে নিজৰ নিজৰ মাতৃভাষাৰ কেৱল ব্যাকৰণহে ব্যৱহাৰ কৰে, কিন্তু শব্দ আটাইবোৰেই ইংৰাজীৰ হয়। কথাষাৰ মিছাও নহয়।


এই সন্দৰ্ভতে আৰু এষাৰ কথা কৈ থোৱা ভাল হ'ব যেন পাওঁ। অসমীয়া গল্প-উপন্যাসত চৰিত্ৰবিলাকৰ মুখ-নিঃসৃত উক্তিবিলাক লিপিবদ্ধ কৰোত নিৰ্দিষ্ট নিয়ম মানি চলা নহয়। কোনোবা লেখকে এই উক্তিবোৰ দুটা উৰ্ধ্বকমাৰ ("...........") ভিতৰত লিখে; কোনোবাই লিখে এটা উৰ্ধ্বকমাৰ ('...........') ভিতৰত; কোনোবাই উক্তিবোৰ বিসৰ্গৰে (ঃ) আৰম্ভ কৰে; কোনোবাই ডেশ্ব (–) দি লিপিবদ্ধ কৰে আৰু কোনোবা-কোনোবাই একো নিদিয়াকৈয়ে উক্তিবোৰ লিখে – অলপ ধ্যান দি পঢ়িলেহে এইবোৰ চৰিত্ৰৰ মুখৰ কথা বুলি ধৰিব পাৰি। এই ক্ষেত্ৰত এইদৰে বিভিন্ন নিয়মৰ প্ৰচলন নাৰাখি উক্তিবোৰ অসমীয়া ভাষাত এটা সাধাৰণ নিয়মত লিখাৰ ব্যৱস্থা কৰিলে কেনে হয়?

আজিকালি অসমীয়াত 'হয়' শব্দটোৰ প্ৰচলন অধিক হোৱা যেন লাগে। 'তেখেত কোন?', 'এইটো কি?'-ৰ পৰিবৰ্তে আজিকালি 'তেখেত কোন হয়?', 'এইটো কি হয়?' হে শুনা যায়। এইবোৰ ভাষাৰ প্ৰতি অজ্ঞতা, অসন্মান নে নতুন 'ফেশ্বন'?

সেইদৰে অসমীয়াৰ বাবে আজিকালি 'ক'ত' আৰু 'ক'লৈ'ৰ মাজৰ পাৰ্থক্য লাহে লাহে নাইকিয়া হৈ আহিছে। অসমীয়াই আজিকালি 'ক'লৈ যাবা?' বুলি নোসোধে, সোধে, 'ক'ত যাবা?' বুলিহে। আৰু উত্তৰো 'অমুকলৈ যাম' বুলি নাহে, আহে 'অমুকত যাম' বুলিহে! লেখাত ভুল বানান তথা ভুল শব্দৰ প্ৰয়োগৰ কথা নকলোৱেইবা!

সামৰণিত মাত্ৰ ইয়াকেই ক'ব খোজো যে ভাষাৰ অস্তিত্ব যদি কেতিয়াবা বিপন্নও হয়, তেন্তে সেই বিপন্নতা বাহিৰৰ পৰা নাহে; আহে ভিতৰৰ পৰাই, ভাষাটোক মাতৃভাষা হিচাপে ব্যৱহাৰ কৰা মানুহখিনিয়েই প্ৰকৃততে ইয়াৰ অস্তিত্ব বিপন্ন কৰি পেলায়।

# অফেলিয়াৰ বেদনা

ডাঃ বিজয় প্ৰসাদ বৰা

সাহিত্যপ্ৰেমী সকলৰ কাৰণে হেমলেট এটি পৰিচিত চৰিত্ৰ। হেমলেটৰ মনৰ দুখ, হাহাকাৰ, মানসিক দ্বন্দ্ব, হিংসা অপ্ৰকৃতিস্থ মন আদিৰ চৰিত্ৰৰ বিভিন্ন দিশবোৰ সকলোৱে জানে। কিন্তু হেমলেটৰ নেপথ্যত থকা এটি চৰিত্ৰৰ বিষয়ে সাধাৰণতেই চকুত নপৰে। সেই চৰিত্ৰটি হৈছে অফেলিয়াৰ। হেমলেটখন যদিও পুৰুষ প্ৰধান নাটক; তথাপি শ্বেক্সপীয়েৰে অফেলিয়াৰ প্ৰতি অৱহেলা কৰা নাই। কিন্তু অৱহেলা কৰিছে সমালোচক সকলে। হেমলেটৰ চৰিত্ৰ অঙ্কন কৰাটো যেন এটা চেলেঞ্জহে, সেই চেলেঞ্জ লবলৈ যাওঁতে অফেলিয়াৰ প্ৰতি চকু নপৰে। হেমলেটৰ অসহায় মন আৰু তেওঁৰ মানসিক দ্বন্দ্ব – 'অকলশৰীয়াকৈ মনৰ ব্যথাবোৰ সহ্য কৰি যামনে; সাগৰ সদৃশ বাধাৰ বিৰুদ্ধে যুদ্ধ কৰিম' আদি ভাববোৰ দেখিলে আমাৰ দুখ লাগে। কিন্তু অফেলিয়াই নীৰৱে তেওঁৰ মনৰ দুখবোৰ লৈ কোনে যাতনা বহণ কৰিছে তাৰ প্ৰতি সমালোচক সকল উদাসীন। মাত্ৰ যেতিয়া তেওঁ অপ্ৰকৃতিস্থ মনলৈ গীত গাই গাই পানীলৈ হাওলি পৰা ডাল এটাত ফুলৰ মালা পিন্ধাবলৈ গৈ পানীত পৰি মৃত্যু বৰণ কৰে তেতিয়া আমাৰ মনটো সেমেকি পৰে। সেই পানীৰ মাজত গীত গাই থকা তেওঁ যেন এগৰাকী জলকুঁৱৰীহে। (Mermaid - like which time she chanted snatches of old tune)

অফেলিয়া অতি সৰল মনুৰ। তেওঁ পিতাক আৰু ককায়েকৰ প্ৰতি অতি বাধ্য হৈ থকা যুৱতী। অফেলিয়াৰ হেমলেটৰ প্ৰতি থকা প্ৰেম, স্নেহ; তেওঁলোকৰ বাধাৰ কাৰণেহে অপ্ৰকাশিত হৈ থাকিল। অফেলিয়া ইমান নিমাখিত যে তেওঁলোকৰ বাধাৰ প্ৰতিবাদ কৰিব নোৱাৰিছিল।

তেওঁ হেমলেটৰ উদ্দেশ্য যে সৎ; সেইটো তেওঁলোকক সৈমান কৰিব পৰা নাছিল। কবলৈ গলে তেওঁৰ ককায়েক আৰু পিতাকে 'ৰক্ষণ-আৱৰণৰ' মাজত ৰাখিবলৈ গৈ অফেলিয়াৰ জীৱনটো বেদনাময় কৰি তুলিলে। ককায়েক লেৰেটিচে ফ্ৰান্সলৈ যোৱাৰ আগ মুহূৰ্তত অফেলিয়াক হেমলেটৰ লগত সম্বন্ধ নাৰাখিবলৈ দঢ়াই দঢ়াই বুজাইছিল। তেওঁ কৈছিল – 'ভায়োলেট ফুলবোৰ ৰাতিপুৱা ফুলি চাৰিওফালে সুগন্ধি ছটিয়াই আবেলি মৰহি যায়। ঠিক তেনেকৈ হেমলেটৰ যৌৱনৰ উচ্ছাহ ক্ষন্তেকীয়া। তোমাৰ প্ৰতি থকা প্ৰেমৰ নিবেদনো মৰহি যাব।'

'অতি সাধু প্ৰকৃতিৰ ছোৱালীয়েও যদি তেওঁৰ সৌন্দৰ্য বাহিৰত প্ৰকাশ কৰিবলৈ যায়; তেনেহলে সেই সাধুতা নষ্ট হৈ যায়। (The chariest Maid is prodigal enough if she unmasks her beauty to the moon) হেমলেটে এনে ব্যৱহাৰ কৰিলে তুমি নিশ্চয় বৰ দুখ পাবা। সেই কাৰণে মোৰ ভনী! ইয়াত ভীতিগ্ৰস্ত হোৱা। এই প্ৰেমৰ বান্ধোনৰ পৰা আঁতৰি যোৱা। জানিবা ভীতিগ্ৰস্ত মনে নিৰাপদতা আনে' (Best safety lies in fear)

লেৰেটিচৰ দীঘলীয়া বক্তব্যৰ প্ৰতি অফেলিয়াৰ কোনো উত্তৰ নাছিল। গুৰুজনৰ কথা যেন সত্য। 'তোমাৰ কথাবোৰ মই অন্তৰৰে সৈতে মানি লৈছো। সেই উপদেশেই মোৰ কাৰণে ৰক্ষা কবচ।' অফেলিয়া কি সৰল মনৰ! এই সৰলতাৰ কাৰণে তেওঁ; তেওঁৰ ভালপোৱা হেমলেটক দিব নোৱাৰিলে। সেই কাৰণে 'কল্‌ৰিনেই' কৈছিলে – 'এনে ধৰণৰ সাৱধানবাণী সৰল মনেৰে মানিবলৈ গৈ অফেলিয়াই নিজৰ নিজস্ব হেৰুৱাই পেলালে।' তেওঁৰ বিবেকবোধে তেওঁক কাপুৰুষ কৰি তুলিলে। শ্বেক্সপীয়েৰে এনে বিবেকক হেমলেটৰ উক্তিৰ মাজেৰে কোৱাইছে – 'বিবেকে মানুহক কাপুৰুষ কৰি তোলে' (Conscience does makes cowards of us all) অফেলিয়াই ককায়েকৰ উপদেশক বৰ বেছি গুৰুত্ব দিলে – 'তোমাৰ উপদেশবোৰ মোৰ অন্তৰত বান্ধি ৰাখিলো আৰু সেই বান্ধোনৰ চাবি-কাঠি তোমাৰ হাতত থাকিল।' লেৰেটিচৰ নিচিনাকৈ পিতাকেও অফেলিয়াৰ মনৰ পৰা হেমলেটৰ প্ৰতিচ্ছবি আঁতৰাবলৈ চেষ্টা কৰিছিল।

অফেলিয়াই কৈছিল যে হেমলেটে তেওঁক মৰম কৰে, ভাল পায় আৰু ভগৱানৰ শপতলৈ অতি সন্মানীয় হিচাপে প্ৰেম নিবেদন কৰে বুলি। কিন্তু পিতাকে এনে শপতবোৰ মিছা আৰু বাজে কথা বুলি তেওঁক 'আঁকৰী' বুলি তিৰস্কাৰ কৰিলে। তেওঁ কৈছিল – 'হেমলেটে নানা শপত গ্ৰহণ কৰি তোমাৰ মনলৈ পোহৰৰ জিলিঙনি আনিব পাৰে। কিন্তু সেই পোহৰেই তাপলৈ পৰিবৰ্তন হৈ তোমাক দহন কৰি পেলাব। সেই অগ্নিদহনৰ পৰা তুমি আঁতৰি আহা।'

এনে ধৰণৰ বুজনি, উপদেশবোৰ সৰল মনৰ অফেলিয়াই 'নহয়' বুলি কবলৈ নোৱাৰিছিল।

ইফালে হেমলেটে পিতাকৰ আস্বাভাৱিক মৃত্যু, মাকৰ খৰটকীয়াকৈ খুড়াকৰ লগত বিয়া, প্ৰেতাত্মাৰ পৰা খুড়াকৰ ষড়যন্ত্ৰৰ কথা জানি খং, অভিমান, দুখ, যন্ত্ৰণাত হাহাকাৰ কৰি ফুৰা অৱস্থাত অফেলিয়াই তেওঁ আবেগেৰে লিখা চিঠিবোৰ ওভতাই দিলে। ডেনমাৰ্কৰ যুৱৰাজ হেমলেটৰ আবেগ, মৰম, চেনেহৰে ভৰা এখন হৃদয় আছিল। তেওঁ অতি আবেগেৰে অফেলিয়ালৈ চিঠি লিখিছিল। 'স্বৰ্গৰ পৰীৰ তুল্য শুৱনি অফেলিয়া। তুমি মোৰ আত্মাৰ প্ৰতিমা। সূৰ্যত অগ্নিৰ স্ফুলিঙ্গ আছেনে বুলি সন্দেহ কৰিব পাৰা, সূৰ্যই প্ৰদক্ষিণ নকৰে বুলিও সন্দেহ কৰিব পাৰা, বা সত্যকো তুমি মিছা বুলি ভাবিব পাৰা, কিন্তু মোৰ প্ৰেমক তুমি সন্দেহ নকৰিবা। অ' অফেলিয়া! মই মোৰ মনৰ ভাববোৰ শুৱনিকৈ তোমাৰ ওচৰত প্ৰকাশ কৰিব নোৱাৰো। কিন্তু জানিবা মই তোমাক ভাল পাওঁ। এই ভালপোৱা বিশ্বাস কৰিবা। গোটেই জীৱনেই মই তোমাক ভাল পাই যাম।'

এনেকুৱাই আছিল হেমলেটৰ ভাল পোৱাৰ প্ৰকাশভঙ্গী। অফেলিয়াই বুজি পাইছিল হেমলেটৰ প্ৰেম আৰু জানিছিল হেমলেটৰ প্ৰতি নিজৰ অপ্ৰকাশিত প্ৰেম। কিন্তু ককায়েক আৰু পিতাকৰ হকা-বধাত তেওঁ হেমলেটৰ প্ৰেমক বাধা দিলে। হেমলেটৰ সেই আবেগ ভৰা, মৰমসনা চিঠিবোৰ অফেলিয়াই ওভতাই দিলে। ইফালে হেমলেটে প্ৰেতাত্মাৰ জৰিয়তে খুড়াকৰ ষড়যন্ত্ৰৰ কথা জানি ঘৃণা, খং হতাশ হৈ ধৰফৰাই ফুৰিছে। মানুহৰ প্ৰতি তেওঁৰ ধাৰণা আছিল অতি উচ্চ। কিন্তু সেই ভাব আজি ম্লান হৈ গ'ল। তিৰোতাৰ প্ৰতিও তেওঁৰ বিশ্বাস হেৰাই গ'ল। সেইকাৰণে তেওঁ চিঞৰি উঠিছে – "Frailty, thy name is woman!" এনে অৱস্থাত অফেলিয়াৰ ব্যৱহাৰে তেওঁক হতাশ কৰিলে। তেওঁ বহুত কিবা কম বুলি অফেলিয়াৰ কাষ চাপিলে। কিন্তু একো নকলে। অফেলিয়াৰ হাতখন বহুত সময় ধৰি থাকি দীঘল হুমুনিয়াহ পেলাই বিভ্ৰান্ত ভাবেৰে গুচি গ'ল। অফেলিয়াই তেওঁৰ ছেদেলী ভেদেলী হোৱা বেশ আৰু শেঁতা পৰি যোৱা মুখখন দেখি সচকিত হৈ পৰিলে। তেওঁ ভাবিছিল চিঠিবোৰ ওভতাই দিয়াৰ কাৰণে এনে হ'ল নেকি। সেই ভুলবোৰ শুধৰাবলৈ হয়তো তেওঁ হেমলেটৰ ওচৰলৈ গ'ল। অৱশ্যে হেমলেটৰ মাকেও তেওঁক, হেমলেটক মৰমৰে সুস্থ কৰি তুলিবলৈ অনুৰোধ কৰিলে।

অফেলিয়াক দেখি হেমলেটে ইতিকিং হিচাপে সম্ভাষণ জনাই কলে – 'সুন্দৰী অফেলিয়া হে দেৱী! মোৰ পাপ মোচন কৰা। (Nymph, is thy orison, Be all my sins remembered) অফেলিয়াই সুবিধা পাইছিল তেওঁৰ মনৰ গোপনীয় ভাল পোৱাৰ প্ৰকাশ কৰিবলৈ – 'মই তোমাৰ মনৰ খবৰ পাওঁ। তোমাৰ সেই সুমধুৰ কথাবোৰে সুগন্ধি ছটিয়াই গ'ল। তুমি মোৰ মৰমবোৰ পুনৰায় লোৱা।' তেওঁ হয়তো চিঠিবোৰৰ ওভতাই দিয়াৰ যুক্তি দিবলৈ গৈ কৈছে – 'ধুনীয়া উপহাৰ দিয়া ব্যক্তিজন যদি সলনি হৈ যায়, তেনেহলে সেই উপহাৰৰ কি মূল্য থাকিল' (Rich gift wax poor, when givers prove unkind)

হেমলেটৰ উত্তৰ আছিল কঠুৱা – 'তোমাৰ সেই বক্তব্যত সাধুতা আছেনে? যদি তুমি সঁচাকৈ সাধু তেনেহলে তোমাৰ সৌন্দৰ্যৰ লগত সাধুতাক কিয় মিহলি হবলৈ দিলা' – (Your honesty should admit no discourse to your beauty)

অফেলিয়াই সেই মন্তব্যৰ প্ৰতি ৰসবোধ আনিবলৈ কলে – 'সৌন্দৰ্যক সাধুতাৰ লগত সাঙুৰিলা। কিয় তাতকৈ ওপৰ স্তৰৰ লগত সৌন্দৰ্যক মিলাব নোৱাৰিনে?' 'হয়! হয়! নিশ্চয় পাৰি। সৌন্দৰ্যই সাধুতাক ব্যাভিচাৰলৈ নিয়াই। তাৰ পিছত নিজৰ অনুযায়ী কামবোৰ হৈ থাকে।'

অফেলিয়াই হেমলেটৰ মনৰ সুস্থিৰতা আনিবলৈ গৈছিলে। কিন্তু কি দেখিলে! 'সুন্দৰ, ভদ্ৰ, সাহসী, মধুৰ স্বভাৱ আৰু ডেনমাৰ্কৰ আমাৰ মানুহজনৰ আজি কি হ'ল। মই অতি হতভাগিনী। এসময়ত তেওঁৰ মধুৰ কথাবোৰৰ ৰস সুহিছিলো। কিন্তু আজি তেওঁৰ কি হ'ল! সকলোতকৈ শ্ৰেষ্ঠ ব্যক্তিজন আজি অপ্ৰকৃতিস্থ হৈ গ'ল। কি বেদনাদায়ক অৱস্থা দেখিলো।'

অফেলিয়াৰ মনৰ এনে অৱস্থাতেই; হেমলেটে হঠাতে তেওঁৰ পিতাকক হত্যা কৰিলে। এনে দুটা আঘাতত অফেলিয়াই মনৰ ভাৰসাম্য হেৰুৱাই মানসিক ভাৱৰ অসুস্থ হৈ পৰিল। অফেলিয়াৰ এনে দুখ দেখি ৰজাই কৈছিলে – "When sorrows come, they come not single spies, but in battalions"

অফেলিয়া উন্মাদ হ'ল। সেই মানসিক অসুস্থতাত তেওঁ গীত গাই ফুৰিছে। সেই অসংলগ্ন কৈ গোৱা গীতৰ মাজতো তেওঁৰ বেদনাবোৰ ফুটি উঠিছে –

'তোমাৰ মূৰৰ টুপী আৰু ভৰিৰ চেন্দেল যোৰৰ পৰা তোমাৰ প্ৰকৃত প্ৰেমৰ কথা জানিম নে আন কাৰোবাৰ পৰা জানিম।'

"কাইলৈ 'ষ্টেন্ট! ভেলেন্‌টাইন' দিৱস। মই কইনা সাজি তোমালৈ ভেলেন্‌টাইন হৈ থাকিম। তুমি বিয়া কৰাম বুলি কৈয়ো মোৰ শয্যাৰ কাষলৈ নাহিলা কিয়।"

অফেলিয়াই অসুস্থ মনত গোৱা গীতত সোমাই আছে ফুল, উদ্ভিদৰ নাম। এনে উল্লেখৰ জৰিয়তে আমি দেখা পাওঁ তেওঁৰ মনৰ গভীৰতাত থকা দুখবোৰ। এই ফুল, বনবোৰৰ নামত সোমাই আছে প্ৰতীক চিহ্নৰ অৰ্থবোৰ।' 'ৰজ্‌মেৰী এবিধ উদ্ভিদ। ইয়াক উপহাৰ দিয়া হয় প্ৰেমৰ প্ৰতীক ৰূপে। অফেলিয়াই এই 'ৰজমেৰী' দিছে নিজৰ ককায়েক লেৰেটিচক; আৰু দিছে 'পেন্‌চি'। এই পেন্‌চি হৈছে স্মৃতি ৰক্ষাৰ প্ৰতীক স্বৰূপ। 'ষ্টোন্টৰ' সমালোচনা মতে অফেলিয়াই অসুস্থ মনত লেৰেটিচক ভুলক্ৰমে হেমলেট বুলি ভাবিছে। অফেলিয়াই সুস্থ মনত হেমলেটলৈ প্ৰেম নিবেদন কৰিব নোৱাৰিলে। কিন্তু অসুস্থ মনত দিছে 'ভায়োলেট'। অনুৰাগৰ অৰ্থত 'ভায়োলেট' ব্যৱহাৰ কৰিছে। কিন্তু নৈতিক সবলতাও ফুটি উঠিছে, যেতিয়া তেওঁ কৈছে 'মোৰ' 'ডেইজী' আছে। পুৰুষৰ প্ৰতি সাৱধানে থকা অৰ্থত 'ডেইজী' এক প্ৰতীক। 'ৰু' মানে দুখ যদিও ই এবিধ উদ্ভিদ। মনৰ বেয়া ভাববোৰ ৰহিত কৰিবলৈ দিয়া এক প্ৰতীক চিহ্ন। অফেলিয়াই এই 'ৰু' দিছে ৰাণীক আৰু ৰাখিছে নিজৰ কাৰণেও (There's rue for you; and here's some for me) অফেলিয়া নিজেও হেমলেটৰ নিচিনাকৈ নাৰী বিদ্বেষী হৈ পৰিছিল নেকি? তেৰোঁ ৰাণীয়ে স্বামীৰ অস্বাভাৱিক মৃত্যুৰ পিছত দেওৰেকৰ লগত বিবাহ সম্পন্নটো মানি ল'ব পৰা নাছিল নেকি?

উন্মাদনাৰ মাজত অফেলিয়াই প্ৰকৃতিৰ মাজত যেন মিলি যাবলৈ বিচাৰিছে। সেই কাৰণে আমি তেওঁক দেখা পাওঁ ফুলৰ মাজত, ওইলো গছৰ ডালত, জুৰিৰ পাৰত। ওইলো গছৰ ডালত বগাই তেওঁ গীত গাইছে; হাতত ফুলৰ মালা; তলেদি বৈ গৈছে জুৰিটি। গীত গাই গাই হালিযোৱা ডাল এটিত মালা পিন্ধাবলৈ গৈছে। কিন্তু ডাল ভাঙি তেওঁ জুৰিটিত পৰি গ'ল। লগতে পৰি গ'ল নানা ৰঙেৰে গঁথা সেই ফুলৰ মালা। পানীৰ মাজতো তেওঁ গীত গাইছে যেন তেওঁ এগৰাকী জলকুঁৱৰীহে। তেওঁ সেই যান্ত্ৰণাৰ গীত মুখত লৈয়েই পানীৰ তল পালেগৈ। এগৰাকী শুৱনি গাভৰুৰ জীৱন নিষ্ঠুৰ ভাৱে মৰহি গ'ল।

অফেলিয়াৰ কৰুণ অৱসান হ'ল নিজৰ সৰলতাৰ কাৰণে। তেওঁ 'নহয়' বুলি কবলৈ মনৰ দৃঢ়তা নাছিল। ফলত ককায়েক, পিতাকৰ কথা মানিবলৈ গৈ হেমলেটৰ মনত আঘাত দিলে। নিজেও আঘাত পাইছিল বহুত। সেই ভুল শুধৰাবলৈ গৈ হেমলেটৰ আস্থা পুনৰাই আনিবলৈ অসমৰ্থ হৈছিল। তেওঁ হেমলেটক পায়ো হেৰুৱাই পেলালে। সিফালে পিতাককো হেৰুৱাই পেলালে। এই 'হেৰাই যোৱা' বোৰে তেওঁৰ মানসিক ভাৰসাম্য নাইকিয়া কৰিলে। এনে অৱস্থাতেই জলমগ্ন হৈ মৃত্যু হোৱাটো হয়তো দুৰ্ঘটনা বা আত্মহত্যা আছিল।

হেমলেটৰ চৰিত্ৰত সোমাই আছে খং, অভিমান, হিংসা, জিঘাংসা, অস্থিৰতা আদিৰে ভৰা এক অশান্ত মন। কিন্তু অফেলিয়াৰ অন্তৰত সোমাই আছে প্ৰেম – এক অপ্ৰকাশিত প্ৰেম। তেওঁৰ সৰলতা, স্নিগ্নতাৰ মাজত সোমাই থকা যাতনা দেখিলে পঢ়ুৱৈৰ মন সেমেকি উঠে। তেওঁৰ সেই মন ১৬শ শতিকাতেই সোমাই থকা নাই। বৰ্তমান আধুনিক জগততো সেই মন বিদ্যমান। শ্বেক্সপীয়াৰ মানুহৰ মনৰ অংকনত সদায়েই সত্য। অফেলিয়া, হেমলেটৰ মন আমি যুগে যুগে পাম। সেই কাৰণে সাহিত্যপ্ৰেমী সকলৰ কাৰণে অফেলিয়া হেমলেট সদায়েই আদৰৰ।

# টিনটাৰ্ণ এবি

(Wordsworth's "TINTERN ABBEY", 1798)

অনুবাদক ঃ কবীন ফুকন

পাৰ হ'ল পাঁচোটা বছৰৰ; পাঁচোটা উষ্মকাল, আৰু তাৰ সতে
পাঁচোটা সুদীৰ্ঘ শীতকাল ! – শুনিছো পুনঃ আজি
পৰ্বতীয়া ডুমুকৰ পৰা অন্তৰস্থ মৃদু গীত জুৰি
বই অহা সুৰদি সলিল । – পুনঃ দেখিছো আজি
এই নিঢলীয়া, উন্নত, সুউচ্চ শিখৰ,
যি নিৰ্জন ছননিত নিজানৰ চিন্তা-ভাবনাৰ
সাঁচ বহুৱায়; আৰু একেলগ কৰে
এই মনোহৰ পটভূমি আকাশৰ মৌনতাৰ সতে ।
এনে এটি দিন পাইছো আকৌ আজি জিৰাবলে ইয়াতেই
এইজোপা এণ্ডেৰুৱা ডিমৰু তলত, য'ৰ পৰা দুচকু জুৰায়
হজুৱা কুটিৰ সজা ডৰা ডৰা মাটি আৰু লাগনী গছৰ জোপাবোৰ দেখি;
যিবোৰ, ডাঁহেচীয়া গুটিৰে সতে বছৰৰ এই সময়ত,
কাঠনিৰ বননিৰ সেউজী ৰঙেৰে এক ৰঙে যায় মিলি,
আৰু সিবোৰৰ সেউজীয়া সৰল ৰহণে বননিৰ সুগভীৰ সেউজক
অকণোৱে নকৰে আমনি । দেখিছো আকৌ আজি এইবোৰ
জোপোহাৰ লানি, নহয় সঠিক মেৰণি, সৰু সৰু লেথেৰিহে,
জোপোহাৰ বনৰীয়া ৰঙিয়াল শাৰী; আৰু এইবোৰ গাঁৱলীয়া পামে
গছকে দুৱাৰমুখ সেউজী শুৱনি; য'ৰ পৰা উৰি যায় মেৰপাক লোৱা ধোঁৱা;
কাঠনিৰ মাজে মাজে নিঃশব্দে আকাশমুৱা;
উৰি উৰি ধোঁৱাবোৰে যেন অনিশ্চিত উৱাদিহ লয়
গৃহহীন হাবিয়নিত অস্থায়ী বসতি পতা যাযাবৰী মানুহৰ,
নতুন কোনো গহ্বৰৰ, যাৰ কাষতে জুই ধৰি বহি
তপস্বী বনবাসী অকলে জুৰায় ।

বহুকাল মই নাছিলো ইয়াত,
অতদিনে নাছিল তথাপি এই সৌন্দৰ্যৰ অনুপম গঢ়
অন্ধৰ দুচকুত যেনে দৃশ্যাৱলী হয় মৰ্মহীন ঃ
সঘনাই, নিঃসঙ্গ কোঠাত, আৰু নগৰীয়া উৰুমিয়ে আমনি কৰোতে,
অৱসাদে জুমুৰি ধৰোতে, কালিয়নে ল'লো মই সিবোৰৰে পৰা,
সিবোৰকে মনতে সুঁৱৰি, সুমধুৰ শিহৰণ অলেখ অপাৰ;
এই শিহৰণ তেজৰ সোঁতত আৰু আমঠুত অনুভূত হ'ল,
আৰু মোৰ নিৰ্মল সত্তালে নিগৰি সোমাই গ'ল,
সুগভীৰ শান্তিৰে শ্ৰান্তি আঁতৰাই ঃ উপচি পৰিল বুকু
বিস্মৃত সুখানুভূতিৰে; ইবোৰেই বোধহয় এনুৱা সন্তোষ
যাৰ অতুচ্ছ প্ৰভাৱে গঢ় দিয়ে সৎ সাধু-মানুহৰ

জীৱনৰ সুন্দৰ সৰ্বোত্তম অংশবিশেষ; আৰু উদগায়
নামহীন বিস্মৃত সৰু সৰু স্নেহময় দয়াময়
সহৃদয় কাম । মই ভাবো তাতোকৈ কোনো গুণে কমকে নহয়,
পালো মই সিবোৰৰে পৰা আৰু এটি অনন্য দান,
লক্ষণত অধিক মহান ঃ আশীৰ্বাদলব্ধ এই মনৰ উলাহ,



যাৰ গইনাত অভেদ্য ৰহস্যৰ ক্লেশময় ভৰ,
আৰু অতিকে অবোধ্য এই মহাজগতৰ
গধুৰ শ্ৰান্তিময় দুৰ্বহ বোজা
হঠাতে পাতল হয় ঃ সৰগীয় আশীষত পোৱা এই স্নিগ্ধ উলাহ,
যাৰ প্ৰভাৱত স্নেহময় অনুভূতিবোৰে সত্তাক আঁকোৱালি আগুৱাই নিয়ে
অনন্য মহৎ ক্ষণলে – যেতিয়া এই তেজ মঙহৰ দেহৰ নিশ্বাস,
আনকি নশ্বৰ সিৰাত বোৱা অবিশ্ৰান্ত তেজৰ প্ৰবাহো
প্ৰায় যেন থৰ লাগি ৰয়, যেন টোপনিত ঢলি পৰে অবয়ব
তেজ মঙহৰ, আৰু আমি হৈ পৰো অশৰীৰী সচেষ্ট প্ৰাণ ঃ
যেতিয়া সুমধুৰ সুশ্ৰাব্য ধ্বনিৰ আৱেশ লাগি প্ৰগাঢ় সৌম্য হোৱা
এই নয়নেৰে, আৰু সুগভীৰ উলাহৰ ক্ষমতাৰে আমি
জড়ময় জগতৰো প্ৰাণ দেখা পাওঁ ।

এয়া যদি
এটা মাথো অলীক বিশ্বাস, আঃ তথাপিও বাৰে বাৰে,
এন্ধাৰত, আৰু দিনৰ পোহৰে ভিন ভিন নিৰানন্দ
আকাৰ লওঁতে, নিষ্ফল হৈ চৈ হুৰাহুৰি
আৰু সংসাৰৰ জ্বৰ জ্বালা যন্ত্ৰণাই
কলিজাৰ ধমনীত আউজি হেঁচোতে,
ধিয়াইছো ক'ত বাৰ মনে মনে কেৱল তোমাক,
অ' মোৰ আৰণ্যক ৰূপোৱালী ৱাই ! বনে বনে ভ্ৰমি ফুৰা হে নদী,
সান্ত্বনা বিচাৰি মনে ক'ত বাৰ তোমাক ধিয়ায় !
আৰু যে এতিয়া, আধা আধি জঁই পৰা ভাবনাৰ জিলিঙনি পৰি,
আৰু ৰিণিকি ৰিণিকি অহা স্মৃতিৰ আৱেশ লাগি
অলপ বিমৰ্ষতা কিঞ্চিৎ বিবুদ্ধি নেওচি,
সাঁচি থোৱা মনৰ ছবিয়ে আকৌ সঁজাল ধৰে ঃ
ইয়াতে এতিয়া, ৰ লাগি চাওঁতে, সাম্প্ৰতিক সম্ভোগৰ শিহৰণ
উধাই গৈ উলাহতে ভাবো মই ঃ আছে এই অনন্য ক্ষণতে আগলি দিনৰ বাবে
সঞ্চিত প্ৰাণৰ সম্ভাৰ । সেয়ে মোৰ মনে নিৰ্ভয়ে পুহিছে আশা,
সঁচাই যদিও মোৰ বহুত সলনি হ'ল তাহানিৰ তুলনাত আজি–
সেই যে প্ৰথম পৰ্বতত দিছিলোহি খোজ, ডেও দি ডেও দি
মই হৰিণীৰ দৰে, গৈছিলো পাৰে পাৰে
সুগভীৰ নৈৰ আৰু অকলশৰীয়া বহু জুৰি নিজৰাৰ,
যি ফালেই প্ৰকৃতিয়ে মাতিছিলে মোক; নাছিলো তেতিয়া মই কিহবাক ভালপাই
মৰমতে পাছলোৱা জন, আছিলো এনেহে এজন যি কিহবাক ভয় কৰি
আঁতৰি পলায় । প্ৰকৃতি তেতিয়া মোৰ
(কৈশোৰৰ অকপট অশিষ্ট সম্ভোগৰ পুৰণি সোৱাদ
আৰু ইন্দ্ৰিয়-সুখৰ সেই ইচাট-বিচাটবোৰ আজি আৰু নাই)
আছিল সৰ্বস্ব । – তেতিয়া আছিলো কেনে তাৰ ছবি আজি
নোৱাৰো আঁকিব মই । – ওখ ঠাইৰ পৰা সশব্দে বৈ অহা নিজৰাৰ প্ৰতি
অনুৰাগে লম্ভিছিল মোক ঃ সুউচ্চ শিল,
পৰ্বত-পাহাৰ আৰু অন্ধকাৰ গহীন অৰণ্য,
সিবোৰৰ ৰং আৰু গঢ় মোৰ বাবে আছিল তেতিয়া
তীব্ৰ হেঁপাহ ঃ আছিল মোৰ অনুভূতি ইন্দ্ৰিয়জ পৰম আসক্তি,
যি বিচৰা নাছিল কোনো সুদূৰৰ অতীন্দ্ৰিয় সম্মোহন,
যাৰ ৰচদ পোৱা যায় সজাগ মনন নতু নয়ন-অতীত কোনো
আগ্ৰহৰ পৰা । – সেই কাল আজি আৰু নাই,
আজিতো নাপাওঁ তাহানিৰ সেই উত্তাল আপ্লাৱিত ইন্দ্ৰিয়জ সুখ,



OKDISC

সেই আহ্লাদ অথিৰ-অবিৰ । তেনে উল্লাসৰ বাবে আজি মই
আতুৰ নহওঁ, তাৰ অভাৱত খেদ বা বিলাপ নকৰো ঃ সিবোৰৰ সলনি যে,
পাইছো অন্য বহু দান, যিবোৰ মোৰ বাবে কৈশোৰৰ লুপ্ত উল্লাসৰ
বিস্তৰ পূৰণ । সঁচা, সঁচাই শিকিলো মই
প্ৰকৃতিৰ প্ৰীতি অন্য এক নতুন সম্ভ্ৰম; মননশূন্য ভাবে
যৌৱনকালৰ দৰে নকৰো প্ৰকৃতিক আজি আৰু ধ্যান, শুনো মই
প্ৰকৃতিত মানুহৰ জীৱনৰ কৰুণ নিটাল সুৰ,
যি সুৰ কৰ্কশ কঠোৰ নহয় আৰু আছে যাৰ শক্তি অপাৰ
দিবলে নিবৃত্তি আৰু পেলাবলে শাঁত । উমান পাইছো মই প্ৰকৃতিত আজি,
পাইছো এনে এটি উপস্থিতি যি মোক উন্নত দৰ্শনৰ আহ্লাদেৰে
উত্তেজিত কৰে; দিয়ে এটি উচ্চ আৰু গম্ভীৰ বোধ,
অগাধ সমন্বয়ত একাত্ম হোৱা কিবা এক অজানৰ বোধ,
যি অস্তমিত সূৰ্যৰ আলোকত ঘৰ পাতে, ঘৰ পাতে আৰু
ঘূৰণীয়া মহাসাগৰত, প্ৰাণময় পৱনত,
আকাশৰ নীলা আৰু মানুহৰ মনোজগতত;
যি এটি গতি, এটি শক্তি, যি ভাবুক প্ৰাণক দিয়ে
প্ৰাণময় উচটনি, দিয়ে মহাপ্ৰাণ ভাবনা বিচাৰি ফুৰা বস্তুজগতক,
আৰু ঘূৰি ঘূৰি বৈ যায় জড় জগতেদি । আজিও সেয়েই মই
হাবি বন চৰণীয়া পথাৰৰ আৰু পৰ্বত পাহাৰৰ
প্ৰীতি-অনুৰাগী । ভাল পাওঁ আৰু মই এই সেউজীয়া পৃথিৱীৰ
সমস্ত দৃশ্যাৱলী, চকুৰে মনিব পৰা কাণেৰে শুনিব পৰা এই
মহাজগতক, য'ত ইন্দ্ৰিয় আউজি ৰয় আৰু যাক কল্পনাই আধাআধি সাজে ।
অতিকৈ সন্তোষ লভো যেতিয়া বিচাৰি পাওঁ,
ইন্দ্ৰিয়জ ভাষা আৰু প্ৰকৃতিৰ সঁহাৰিত, যেতিয়া বিচাৰি পাওঁ
নিৰ্মল ভাবৰ লঙ্গৰ; যি নিৰ্মল ভাবে কৰে হৃদয়ৰ আপডাল আৰু দেখুৱায়
বাট, কলিজাৰ কৰে ডঁৰিয়লি, আৰু মোৰ নীতিশীল অস্তিত্বৰ হৈ পৰে
প্ৰিয়তম প্ৰাণ ।

মই ভাবো, দৈবাৎ
যদিহে মনে মোৰ এই জ্ঞান নাপালেহেঁতেন, তথাপিও মোৰ
স্নেহশীল প্ৰাণৰ সৌষ্ঠৱ মৰহি শুকাই জীৰ্ণশীৰ্ণ নহ'লহেঁতেন ঃ
কাৰণ তুমিও আজি ইয়াতে আছাহি, মোৰ সতে এইখন
ৰূপহী নদীৰ পাৰত ঃ হেৰা মোৰ সবাতোকৈ মৰমী বান্ধৱী !
অ' মোৰ স্নেহৰ ভগিনী ! আজি তোমাৰেই কণ্ঠত হৈছে ধ্বনিত
মোৰ তাহানিৰ অন্তৰৰ ভাষা, আজি জলমল উত্তেজিত
তোমাৰ চকুতে দেখো মোৰ তাহানিৰ তীব্ৰ উল্লাস ।
আঃ, আৰু কিছু পৰলে তোমাতেই চাই লওঁ তাহানিতে মই বাৰু
কেনেনো আছিলো ! হে মোৰ স্নেহৰ ভগিনী,
অন্তৰৰ পৰা মই প্ৰাৰ্থনা কৰিছো আজি,
এই কথা জানি যে প্ৰকৃতিয়ে প্ৰেয়সীক তেওঁৰ
নকৰে বঞ্চনা; প্ৰকৃতিৰ আছে এই মহান ক্ষমতা,
জীৱনৰ স্তৰে স্তৰে বছৰে বছৰে আগুৱাই নিবলে আমাক,
উলাহৰ পৰা আৰু মহীয়ান উলাহলে ঃ অন্তৰস্থ আমাৰ মনক
তেৱেঁইহে দিয়েহি বোধি; শান্তি আৰু সৌন্দৰ্যৰ বহুৱায়
চাপ, মহীয়ান ভাবনাৰ দি যায় মনক
খোৰাক, যাতে মুখৰ অসাধু মাতে, উদ্ধত উতনুৱা
অশুদ্ধ বিচাৰে, স্বাৰ্থান্ধ মানুহৰ ভেঙুচালি মস্কৰাই,
প্ৰীতিহীন কটুৰ প্ৰণামে, আৰু দৈনন্দিন জীৱনৰ নিৰানন্দ লেনদেনে
আমাক কদাপিও সৈমান কৰিব নোৱাৰে, আৰু নোৱাৰে টলাব
কোনো দিনে আমাৰ বিশ্বাস যে দুচকুৰে যি দেখো তাত
সৰ্বদায় মঙ্গল বিৰাজে । সেয়ে সখী জোনৰ আলোক
তোমাৰ নিঃসঙ্গ বাটত তিৰ্‌বিৰ্ কৰি থাওক,
আৰু উৰি আহি কুঁৱলিৰ সতে পৰ্বতীয়া পছোৱাই
তোমাক কোবাই যাওক ঃ সখী হে বছৰ বাগৰি গলে আহিব এদিন,
যি দিনা এনেবোৰ আবৰী আনন্দ ঠন ধৰি উঠি হ'ব
পৰিমিত আহ্লাদ, আৰু তোমাৰ মনটি হ'ব
সুষম সৌন্দৰ্যৰ সুঠাম শুৱনি ভৱন,
সোঁৱৰণিবোৰ হ'ব এটি যেন মধুৰ নিবাস,
আৰু মৌসনা ধ্বনি আৰু সমলয়ে থিতি ল'ব তাত, আঃ সেই
মধুৰ ক্ষণত, নিঃসঙ্গতা, ভয়-ভীতি, দুঃখ-বেদনা,
যদিহে তোমাৰ কপালত আছে, তেতিয়াই তুমি ঠুনুকা উলাহ
আৰু ভাবনাৰ শুকনীৰে সুঁৱৰিবা মোক, মনত পেলাবা আৰু
মোৰ এই উদগনিবোৰ ! আৰু যদি দৈবাৎ
তোমাৰ কণ্ঠস্বৰ শুনিব পৰাকৈ মই এই সংসাৰত তেতিয়া নাথাকো,
নাথাকো যদিহে দেখিবলৈ আৰু উত্তেজিত তোমাৰ চকুত মোৰেই অতীত থিতিৰ
জিলিঙনিবোৰ, তেতিয়া তুমি সখী পাহৰিবা নেকি–
এই ৰাংঢালী নিজৰাৰ পাৰতেই বৈছিলো
আমি দুয়ো একেলগে আহি; আৰু আহিছিলো মই সুদীৰ্ঘ দিনৰ
প্ৰকৃতিৰ উপাসক ৰূপে, অক্লান্ত আছিলো মই প্ৰকৃতিৰ নিবিড়
সেৱাত ঃ সখী সুঁৱৰি সুঁৱৰি কবা, আহিছিলো মই উমসনা মৰম
প্ৰীতিৰে, আৰু পবিত্ৰ প্ৰেমৰ সুগভীৰ উদ্যমো আনিছিলো
মোৰ হৃদয়ত । জানো মই কেতিয়াও তুমি পাহৰি নোযোৱা,
অনাই বনাই কৰা ভ্ৰমণৰ অন্তত, সুদীৰ্ঘ সময় নিলগত থকাৰ
পিছত, এই নিঢলীয়া হাবি-বন সুউচ্চ শিখৰ, আৰু
চহা সেউজীয়া এই সুষম দৃশ্যাৱলী মোৰ বাবে সদায়ে আছিল
অতি চেনেহৰ, সিবোৰৰ নিজা আৰু তোমাৰ দোহাইত । □

## শ্বেক্সপীয়াৰৰ তিনিটা চনেট

অনুবাদক ঃ উপেন্দ্ৰনাথ শৰ্মা

(এক)

বসন্ত কালৰ স'তে তোমাৰতো তুলনা নহয়
অধিক সুন্দৰ তুমি তোমাৰ স্বভাৱো মনোহৰ
বতাহত সৰি পৰি ফুলকলি সিঁচৰতি হয়
অলপ দিনীয়া মাথো বসন্তৰ লিজত স্বাক্ষৰ ।
উত্তপ্ত লোহাৰ দৰে সূৰ্য জ্বলে তপ্ত নিদাঘত
ৰবিৰ স্বৰ্ণাভদীপ্তি মেঘাচ্ছন্ন হয় কেতিয়াবা
সকলো সুন্দৰ ৰূপ কান্তিহীন হয়তো দেখিবা
দৈব আৰু প্ৰকৃতিৰ সুদৃঢ় অমোঘ বিধানত ।
তোমাৰ বসন্ত কিন্তু নিষ্প্ৰভ নহ'ব কোনোদিন
এই ৰূপ চিৰন্তন, যুগজয়ী ঐশ্বৰ্য সম্ভাৰ
মৃত্যুৰ দেশৰ তুমি আন্ধাৰত নোহোৱা বিলীন
চিৰন্তন পংক্তি শোভি সময়ৰ হ'বা অংশীদাৰ
মানুহ যিমান দিন দৃষ্টি লৈ থাকিব ধৰাত
তুমিও অমৰ হৈ ৰ'বা বন্ধু মোৰ কবিতাত ⌋

(দুই)

সত্যনিষ্ঠ হৃদয়ৰ পৰিণয় স্বচ্ছন্দ অবাধ
বাধাৰ প্ৰাচীৰ মই থিয় নকৰাওঁ । প্ৰেম অৰ্থহীন
পৰিবৰ্তনৰ ঢলে ভাঙে যদি হৃদয়ৰ বান্ধ ।
এজনৰ সলনিয়ে কৰে যদি প্ৰেমকে বিলীন ।
দিক্ নিৰ্ণয়িক দ্যুতি ধুমুহাতো প্ৰত্যায়িত, স্থি
প্ৰেমধ্ৰুব, সাগৰৰ দিক্‌ভ্ৰান্ত ভীত-নাবিকৰ,
উচ্চতা নিৰ্ণীত যাৰ, নভোমণ্ডলত সুগভীৰ
প্ৰভাব ৰহস্যময় । এনে শক্তি মোৰ ই প্ৰেমৰ
সময়ৰ বহুৱা নহয়, মোৰ ভালপোৱা চিৰন্তন
গুলপীয়া ওঁঠ, গাল সময়ৰ কাঁচিয়ে খহায়,
ঘণ্টা-সপ্তাহৰ ভাগ কালৰ পুতলা অনুক্ষণ
প্ৰেম কিন্তু অবিচল, শেষ বিচাৰৰ ভয় নাই ।
যদি কোৱা ভ্ৰান্তি মাথো এই দ... আত্মাৰ প্ৰত্যয়
অলিখিত কাব্য মোৰ, কোনো প্ৰেমে শাশ্বত । ⌋

(তিনি)

প্ৰিয়াৰ চকুত মোৰ দ্যুতি নাই সূৰ্য কিৰণৰ
ওষ্ঠাধৰ ৰঙা কিন্তু ৰং তাত নাই প্ৰবালৰ
বুকুৰ শুভ্ৰতাই তেওঁৰ তুষাৰৰ তুলনা না...
কেশদাম গুণা, কিন্তু ক'লা গুণা, নহয় সোণৰ
দেখিছো গোলাপ মই, ৰঙচুৱা, ৰঙা আৰু গো...
তেওঁৰ দুগালত কিন্তু নাই এনে গোলাপৰ বোল
প্ৰিয়াৰ নিশাহ কিন্তু উৎকৰ্ষ ঘামৰ গোন্ধ লগা
আঁতৰৰ গোন্ধে কৰে হিয়ামন অধিক বিভোল
তেওঁৰ মাতে অন্তৰত অহৰহ পুলক জগায়
তথাপি নিশ্চিত মই সংগীত অধিক সুমধুৰ
নাজানো স্বৰ্গৰ দেৱী কেনেকৈ খোজ কাঢ়ি যায়
প্ৰিয়াৰ চৰণ পৰে পৃথিৱীতে, ক্লেদাক্ত, বন্ধুৰ ।
মিছা তুলনাৰে আনে তিৰোতাৰ ভুলায় হৃদয়
মোৰ প্ৰিয়া ... নাই পৰাজয় । ⌋

OKDISCD

## মকৰা আৰু মৌমাখি

যজ্ঞেশ্বৰ শৰ্মা

মৌমাখি বিলাকে ভালেখিনি দূৰলৈ উৰি উৰি, চৌদিশে ঘূৰি ঘূৰি
বিবিধ ফুল চুপি চুপি বিচিত্ৰ ৰস সংগ্ৰহ কৰে।
তাৰেই মৌচাক ৰচনা কৰে।
তেওঁবিলাকে নিজে এটোপাও জোল খাবলৈ নাপায়।
ৰহঘৰা সাজে লোকলৈ বুলি।
মানুহে মধুপান কৰি তৃপ্তি পায়,
ঋষি কবিয়ে মধুৰ বিষয়ে ঋক্ ৰচনা কৰে।
মকৰাহঁতে নিজৰ পেটত থকা পিত্ পানীৰ পৰা
অপেশ্বৰী সূতা কাটি কাটি জাল একোখন তৰি থয়।
পোক পৰুৱা আহি পৰিলেই ঠাইতে খাই পেলায়;
লেখক সকলে কিতাপ বেচি পইছা খোৱাদি। ❑

## 'প্ৰথম কল্পনা'

জ্ঞানানন্দ শৰ্মা পাঠক

কেঁচা-কেঁচা হালধীয়া, আকাশী বল্লৰীবোৰ, আগলৈ আনা
লিহিৰি-লিহিৰি সেই, লৱণু-ললিত, আঙুলি কলিৰে
তৃষ্ণাতুৰ তন্দ্ৰামগ্ন, অনুৰাগে নন্দিত, প্ৰফুল্লিত কণ্ঠদেশ মোৰ
জোৰেৰে সাবটি লৈ, মৰমৰ বুলনিৰ, ৰমৰমা পৰশেৰে
আধামৰা – অচেতন, সংজ্ঞাহীন কৰি দিয়া মোক।

পদুমী-চকাৰ সেই আম-ৰঙা কুমলীয়া
চূড়াদুটা আনি মোৰ, অভিমানী বুকুখন–
কেঁচুৱা কোমল, জোৰকৈ হেঁচা মাৰি দিয়া।

মই জানো, বিচ্ছেদ আমাৰ
সূৰ্য-সত্য, ধ্ৰুৱ-সত্য মৃত্যুৰ দৰেই।
ৰ'বা তুমি অকমান, মাত্ৰ অকমান
চাবলৈ দিবা মোক, আকৌ এবাৰ
জটিল সাঁথৰে ৰচা
পূৰ্ণচন্দ্ৰ প্ৰতাপৰ কাৰুকাৰ্য
তোমাৰ দেহৰ ?

পাহৰি নেযাবা তুমি, এৰি অহা সময়ৰ
বাসনা-ব্যাকুল-ব্যৰ্থ, জীৱনৰ অভিনয়বোৰ
মই মাত্ৰ ইয়াকে বিচাৰো,
সপোনৰ মাজে মাজে, বিজুলীৰ বাহাৰেৰে
দেখা দিবা কেতিয়াবা, মৰণলৈ বৈ থকা
বৃহন্নলা বিষাদেৰে, যেৰি থকা তোমাৰেই
দেৱকান্ত প্ৰেমিকক
হে'ৰা মনোৰমা,
বিধাতাৰ প্ৰথম কল্পনা ? ❑



অংকন: চম্পক বৰুৱা





# কবিতাৰ ভাষাঃ সংযুতিবাদী অনুসন্ধান

নগেন শইকীয়া

কবিতাৰ ভাষা-সম্পৰ্কে কাব্য-সৃষ্টিৰ পিছৰে পৰা নানা মত-অভিমত ব্যক্ত হৈ আহিছে। এসময়ত বিশ্বাস কৰা হৈছিল যে কাব্য সৃষ্টিৰ বাবে সাধাৰণ মানুহৰ মুখৰ ভাষা উপযোগী নহয়। ভাৰতীয় আলঙ্কাৰিক কুন্তকে তেওঁৰ "বক্ৰোক্তিজীৱিত" নামৰ অলঙ্কাৰ শাস্ত্ৰত "শাকটিক বাক্য" অৰ্থাৎ গাৰোৱানৰ ভাষাৰে কাব্য সৃষ্টি নহয় বুলি মত পোষণ কৰিছিল। প্ৰাচীন সংস্কৃত নাটকত ৰজা আৰু সম্ভ্ৰান্ত সকলৰ মুখত সংস্কৃত ভাষা আৰু তিৰোতা আৰু সাধাৰণ মানুহৰ মুখত প্ৰাকৃত ভাষা প্ৰয়োগ কৰাৰ প্ৰসংগও এই ক্ষেত্ৰত উল্লেখযোগ্য। কবিতাৰ ভাষা সম্পৰ্কে চলি অহা এনেধৰণৰ মতবাদ সমূহ উনবিংশ শতিকাৰ পৰা পৰিত্যজ্য হবলৈ ধৰিলে। ওৱৰ্ডছৱৰ্থে তেওঁৰ Lyiracal Ballds-ৰ পাতনিত ঘোষণা কৰিলে যে কবিতাৰ ভাষা সাধাৰণ মানুহৰ মুখৰ ভাষা হ'ব লাগে। আধুনিক কালত T. S. Eliot -এও কবিতাৰ ভাষা মানুহৰ মুখৰ ভাষা হ'ব লাগে বুলি প্ৰকাশ কৰা মন্তব্যয়ো Wordswarth-ৰ মত সমৰ্থন কৰে। অৱশ্যে এই সাধাৰণ মানুহৰ মুখৰ ভাষাও কবিতাত এক উন্নীত ভাষালৈ (Heightoned language) উন্নীত হয় বুলি Leigh Hunt-এ কৰা মন্তব্য এই ক্ষেত্ৰত প্ৰণিধানযুক্ত। C. M. Bowra-ই তেওঁৰ Creative Experiment নামৰ গ্ৰন্থত কবিসকলে সাধাৰণ শব্দকো নতুন ব্যঞ্জনাৰে সগৰ্ভা কৰি তোলে বুলি কৰা মন্তব্যই সমস্যাটোৰ সমাধানৰ ইংগিত দিছে। Eliot-ৰ মন্তব্যৰ পিছফালেও "উন্নীত ভাষাৰ" ধাৰণাটো ক্ৰিয়াশীল।

কবিতাৰ ভাষালৈ চলি অহা এনে মত-অভিমতৰ এতিয়াও অন্ত পৰা নাই। ষাঠীৰ দশকত কেইগৰাকীমান ফৰাচী পণ্ডিতৰ (Claude Levi - Strauss, Roland Barthes, Michel Foucault, Jackes Lacan, Jackes Derida) হাতত গঢ়লৈ উঠা সমালোচনাৰ নতুন ধাৰা ষ্ট্ৰাক্‌চাৰেলিজম অৰ্থাৎ সংযুতিবাদে কবিতাৰ ভাষা সম্পৰ্কীয় বিষয়টোক এটা নতুন আয়তন দান কৰিছে। সংযুতিবাদী (ষ্ট্ৰাচ্‌চাৰিলিষ্ট)ক সকলে ভাষাৰ গঠনৰ লগত সংযুক্ত কৰিহে সাহিত্য বিচাৰ কৰে। তেওঁবিলাকে সাহিত্যক ভাষাৰ এক বিশেষ ধৰণৰ নিৰ্মিতি স্বৰূপে যিহেতু গ্ৰহণ কৰে, সেইবাবে ভাষা-বিচাৰৰ যোগেদিহে সাহিত্যৰ বিচাৰ সম্পূৰ্ণ হ'ব পাৰে বুলি ভাবে। সেয়ে হলেও ভাষাৰ দুটা ৰূপ তেওঁবিলাকে আঙুলিয়াই দিছে।. এটা হ'ল দৈনন্দিন কথ্য ভাষা (spoken language) আৰু আনটো হ'ল সাহিত্যৰ ভাষা (poetic language or literary language)। এই দুয়োটাৰ পাৰ্থক্যও নিৰ্দেশ কৰা হৈছে। আমি দৈনিক যি ভাষা আমাৰ জীৱনত ব্যৱহাৰ কৰো সেই ভাষা ব্যৱহাৰৰ উদ্দেশ্য হ'ল আমাৰ ভাবনা বা ধাৰণা আনক বুজাবৰ বাবে প্ৰয়োগ কৰা। এতেকে ইয়াৰ উদ্দেশ্য হ'ল যোগাযোগ বা ব্যৱহাৰিক সংযোগ স্থাপন কৰা। ইয়াত বিষয়টোহে প্ৰধান হৈ পৰে; ব্যৱহাৰ কৰা ভাষাটো প্ৰধান বিষয় নহয়। এনেক্ষেত্ৰত ভাষাৰে সম্পূৰ্ণকৈ নোৱাৰিলে তাৰ লগত অংগী-ভংগী যোগ কৰিও বিষয়টো বুজোৱাটো প্ৰধান লক্ষ্য হৈ পৰে। এতেকে তাৰ গাঠনিক ৰূপৰ ফালৰ পৰা ই কম সু-বিন্যস্ত; অৰ্থাৎ কবিতাৰ ভাষা হোৱাৰ বাবে অনুপযোগী। কথ্য ভাষাৰ উপৰিও কোনো বিষয়ৰ জ্ঞান দিবৰ বাবে ব্যৱহাৰ কৰা ভাষাৰো এটা নিজা চৰিত্ৰ আছে। ইয়াক আমি শৃঙ্খলিত ভাষা বুলি ক'ব পাৰো। কিন্তু এনে ভাষাৰো ঘাই লক্ষ্য হ'ল – বিষয়টো সম্পৰ্কে পৰিষ্কাৰ জ্ঞান দান কৰাহে। এতেকে ইয়াতো ভাষা নহয়, বিষয়হে মুখ্য আলোচ্য বস্তু। জ্ঞান দানৰ ক্ষেত্ৰত ভাষাৰ কোনো নিৰ্মাণ ক্ষমতা নাথাকে; অৰ্থাৎ ই কোনো এটা বিষয়ৰ ৰূপ নিৰ্মাণ নকৰে। ই কেৱল বিষয়টোৰ জ্ঞান জ্ঞাপন বা সঞ্চৰণ কৰে। কিন্তু সাহিত্যৰ ভাষা এই দুই ভাষাৰ পৰা পৃথক। কাৰণ এটা কবিতাৰ ভাষা কবিতাটোৰ বিষয়ৰ কেৱল জ্ঞাপক নহয়; বৰং ভাষা কবিতাটোৰ জীৱন্ত শৰীৰলৈ ৰূপান্তৰিত হয়। জ্ঞান দানৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা ভাষাক বিষয়ৰ পৰা পৃথক কৰিব পাৰি; তেতিয়াও বিষয়ৰ কোনো হানি-বিঘিনি নহয়। কিন্তু কবিতাৰ ক্ষেত্ৰত ভাষাই তাৰ শৰীৰ। এতেকে ভাষাক কাব্য ভাবনাৰ পৰা বিশ্লিষ্ট কৰিব নোৱাৰি। ইয়াত ভাষা হৈ উঠে অবিচ্ছেদ্য ভাবে ভাবনাৰ লগত বিন্যস্ত। Biographia Literaria গ্ৰন্থত Coleridge এ কৈছিল–

A poem is that species of composition, which is opposed to works of science, by proposing for its immediate object pleasure and not truth; and from all other species it is discriminated by proposing to itself such delight from the whole as in competable with a distict gratification for each component part.

সেইবাবেই Coleridge এ কবিতাৰ সংজ্ঞা দিবলৈ গৈ কৈছিল – Poetry — best words in the best order. এতেকে কবিতা হ'ল আটাইতকৈ সুবিন্যস্ত পদাৱলী। বোধকৰো কাব্যালঙ্কাৰ গ্ৰন্থত ভামহে "শব্দাৰ্থৌ সহিতৌ কাব্যম্" বুলি দিয়া সংজ্ঞাই কবিতাৰ ভাষাৰ চৰিত্ৰৰ বিষয়েও সঠিক নিৰ্দেশেই দি থৈ গৈছিল।

ষ্ট্ৰাক্‌চাৰেলিষ্ট অৰ্থাৎ সংযুতিবাদী সকলেও কবিতাৰ ভাষাক ভাবৰ শব্দৰূপ স্বৰূপে বিচাৰ কৰিছে আৰু সেই বাবেই ইয়াত ভাষা কেৱল ভাব প্ৰকাশৰ বাহন হৈ থকা নাই, বৰং ভাবৰ প্ৰতিৰূপ হৈ পৰিছে। এতেকে কাব্যৰ ভাষাক আঁতৰাই তাৰ ভাব বিচাৰ কৰা অসম্ভৱ। বৰং কবিতাৰ ভাষাই ভাবক চেৰাই গৈ অধিক দ্যোতনাৰ সৃষ্টি কৰিব পাৰে আৰু সেইবাবেই ইয়াত ভাষাই হৈ উঠে প্ৰধান। ইয়াত ভাষা নিজেই ভাবৰ অভিব্যক্তৰূপ





OKDISCD

স্বৰূপে প্ৰতিভাত হয়; অৰ্থাৎ ইয়াত ভাষাই তাৰ সাধাৰণ নিয়ম শৃঙ্খলাৰ বাহিৰৈলে আহি নিজকে ভাবৰ প্ৰতিৰূপ স্বৰূপে, কেতিয়াবা অধিক উজ্জ্বল প্ৰতিৰূপ স্বৰূপে প্ৰতিষ্ঠা কৰিবলৈ নতুন বিন্যাস গ্ৰহণ কৰে। Stankievicz এ তেওঁৰ Linguistics and the study of poetic Language নামৰ গ্ৰন্থত ইয়াকে "Certain rearrangement and modification of the elements of everyday spoken language বুলি কৈছে। ব্যাকৰণৰ স্বাভাৱিক নিয়ম শৃঙ্খলাৰ পৰা অপসৃত হৈ বা নহৈও যি ভাষা নিজেই বিষয়ৰ প্ৰতিৰূপ হৈ উঠে বা বিষয়ক চেৰাই গৈ অৰ্থৰ দ্যোতনাৰ সৃষ্টি কৰে সেই ভাষাই কাব্য-ভাষা। ষ্ট্ৰাক্‌চাৰেলিষ্ট সকলে কাব্য বা সাহিত্যৰ ভাষাক কাব্য বা সাহিত্যৰ শৰীৰ হিচাপে গণ্য কৰে আৰু এনে এক ৰচনা শিল্পগতভাৱে অখণ্ড আৰু সমগ্ৰ ৰূপ স্বৰূপে গ্ৰহণ কৰে। তেওঁলোকৰ লক্ষ্য হয় এনে এক অখণ্ড শিল্পৰ নিৰ্মাণৰ ভাষিক উপাদান সমূহৰ বিন্যাস বিশ্লেয়ষ কৰি উলিওৱা। এজন ষ্ট্ৰাক্‌চাৰেলিষ্ট সমালোচকে আৱিষ্কাৰ কৰিবৰ কাৰণে যত্ন কৰিব – সমালোচনাৰ বাবে গ্ৰহণ কৰা কোনো এক ৰচনাৰ শব্দ, বাক্য আৰু ধ্বনিগত উপাদান সমূহ কেনে ভাবে ব্যৱহৃত আৰু বিন্যস্ত হৈছে, আৰু এইবিলাকে কেনেধৰণৰ ধ্বনি আৰু চিত্ৰময়তাৰ মাজেদি কোনো এক ভাবৰ দ্যোতনা সৃষ্টি কৰিছে। এতেকে এজন সংযুতিবাদী সমালোচকৰ কোনো এক ৰচনাৰ ভাষাৰ আৱয়ৱিক ৰূপটোৰ আঁৰৰ গঠনেই হ'ল বিচাৰ্য বিষয়। ফলত এনে সমালোচনা ভাষাতত্ত্বৰ ভেটিত গঢ় লৈ উঠিছে। Levi Strauss, N. S. Trubetzcoy আহি সংযুতিবাদী সকলে ধ্বনি তত্ত্বক তেওঁবিলাকৰ সংযুতিবাদী সূত্ৰ প্ৰতিষ্ঠাৰ বাবে ব্যৱহাৰ কৰিছে। দেখা যায় সংযুতিবাদী সমালোচক সকলে এহাতে সাহিত্যক ভাষাৰ এটা সুনিৰ্দিষ্ট ৰূপ আৰু [illegible] সম্প্ৰস [illegible] স্বৰূপে বিচাৰ কৰে, আৰু ভাষা-বিচাৰৰ নীতি আৰু সূত্ৰক সাহিত্যৰ বিচাৰতো প্ৰয়োগ কৰে; আনহাতে কেৱল সাহিত্যকে নহয় নৃতত্ত্ব, পুৰাকাহিনী, ইতিহাস, গণিত শাস্ত্ৰ, বিজ্ঞান আদি বিষয়কো ভাষা তত্ত্বৰ বিশ্লেষণ-প্ৰণালীৰে বিচাৰ কৰিবলৈ যত্ন কৰে। দুয়োটাৰ ক্ষেত্ৰত ভাষাতত্ত্ব বিচাৰৰ প্ৰণালী প্ৰয়োগ কৰাৰ যুক্তি বেলেগ বেলেগ।

সাহিত্যৰ বিচাৰৰ ক্ষেত্ৰত ভাষা-বিচাৰৰ কি কি বিশেষ পদ্ধতি আৰু ধাৰণা সংযুতিবাদীসকলে ব্যৱহাৰ কৰে? তেওঁবিলাকে প্ৰত্যেকটো ভাষাক এটা সুনিৰ্দিষ্ট, বিশিষ্ট ৰূপ স্বৰূপে গ্ৰহণ কৰে। তেওঁবিলাকৰ মতে প্ৰত্যেকটো বিশিষ্ট ভাষাৰে নিজা একক গঠন বৈশিষ্ট্য আছে। যিবোৰ উপাদানেৰে সৈতে সেই ভাষাৰ গঠন বৈশিষ্ট্যৰ নিৰ্মিত হৈছে সেইবিলাক পৰস্পৰে সংযুক্ত আৰু শৃঙ্খলিত ৰূপত থাকে। সংযুতিবাদীসকলে এই উপাদান সমূহক চিনি উলিয়াই সিহঁতৰ মাজৰ সম্পৰ্ক বিশ্লেষণ কৰি অন্তৰ্নিহিত ভাব আৰু অৰ্থ বিচাৰি উলিয়াবলৈ যত্ন কৰে। উল্লিখিত উপাদান সমূহৰ বিযোজক আৰু সংযোজক দুটা স্তৰ থাকে বা থাকিব পাৰে। বিযোজকে একে স্তৰৰ উপাদান সমূহ সম্পৰ্কিত কৰি ৰাখে; সংযোজকে বেলেগ স্তৰৰ উপাদান সমূহৰ মাজত সম্পৰ্ক স্থাপন কৰে। ধ্বনিগত, শব্দগত আৰু বাক্যগত এই তিনিটা স্তৰত উপাদানসমূহ ভাগ কৰিব পাৰি; কিন্তু উপাদান সমূহ কথ্য ভাষা বা যোগাযোগৰ ভাষাত যেনে ভাবে ব্যৱহৃত হয়, কবিতাৰ ভাষাত তেনে ভাবে ব্যৱহৃত নহয়। এতেকে, কাব্য-সমালোচনাৰ ক্ষেত্ৰত এই উপাদান সমূহৰ বিশিষ্ট ব্যৱহাৰৰ কথা মনত ৰাখিব লাগিব। অৰ্থাৎ কাব্য-বিচাৰৰ ক্ষেত্ৰত ধ্বনিগত, শব্দগত আৰু বাক্যগত কোন উপাদান কাৰ লগত সম্পৰ্কিত হৈছে আৰু এনে ভাবে সম্পৰ্কিত হৈ কি উদ্দেশ্য সাধন কৰিছে সেই বিষয়ে সিদ্ধান্তত উপনীত হোৱাটোৱেই সংযুতিবাদীসকলৰ ঘাই লক্ষ্য হৈ পৰে। The Linguistic Study of Literary Text নামৰ প্ৰবন্ধত M. A. K. Hallidayই মত পোষণ কৰিছে যে সকলো ৰচনা আনকি সাহিত্যও ভাষাতত্ত্বৰ প্ৰচলিত পদ্ধতিৰেই বিশ্লেষণ কৰিব পাৰি। সংযুতিবাদীসকলে ভাষাতত্ত্বৰ পদ্ধতিৰে বিশ্লেষণ কৰিলেহে কোনো ৰচনাৰ শব্দ, বাক্য আৰু ধ্বনিগত বিশেষত্বৰ যোগেদি প্ৰকাশিত অৰ্থ উলিওৱা সম্ভৱ বুলি ভাবে। এনে পদ্ধতি গ্ৰহণ কৰিলে সমালোচকৰ ব্যক্তিগত ৰুচি অভিৰুচিৰ প্ৰভাৱ তাত নপৰে আৰু সমালোচনা হৈ উঠে নৈৰ্ব্যক্তিক, নিৰ্মোহ, উচ্ছ্বাসহীন আৰু শৃঙ্খলিত। অৰ্থাৎ সংযুতিবাদীসকলৰ মতে অভিব্যক্তিবাদী সমালোচনাৰ ব্যক্তিনিষ্ঠ চৰিত্ৰৰ ঠাইত এই ভাষাতত্ত্ববাদী সমালোচনাই সাহিত্যৰ প্ৰকৃত বিজ্ঞানসন্মত বিশ্লেষণ আগবঢ়ায়।

প্ৰশ্ন হয়, যান্ত্ৰিক পদ্ধতিৰে কাব্য-বিশ্লেষণ সম্ভৱনে? কোনো ৰচনাৰ উপাদান সমূহৰ অন্তৰ্নিহিত সম্পৰ্কৰ বৈজ্ঞানিক বিশ্লেষণে তাৰ সামগ্ৰিক সৌন্দৰ্যৰ পৰিচয় দিব পাৰেনে? Roland Barthesৰ দৰে সংযুতিবাদীয়ে মত পোষণ কৰে যে এনে সমালোচনা পিয়াঁজৰ বাকলি গুচোৱাৰ দৰে হ'ব পাৰে। সেইবাবে কবিতাৰ অৰ্থ আৰু সৌন্দৰ্যৰ অনুসন্ধানত ভাষাতত্ত্ববাদী সমালোচনাই কিমানদূৰ সফলতা লাভ কৰিব পাৰে সেই বিষয়ে যথেষ্ট সন্দেহৰ থল আছে। কাৰণ কবিতাকে ধৰি সকলো সৃষ্টিশীল ৰচনাৰ অন্তৰ্নিহিত ৰূপ আৰু সৌন্দৰ্যই কবিৰ মনত ধৰা দিওঁতে কোনো ভাষাৰ সহায় লৈ ধৰা নিদিয়ে। কবিয়ে সেই কল্পিত বিষয়ৰ ৰূপ আৰু সৌন্দৰ্য প্ৰকাশ কৰিবৰ বেলাহে ভাষাৰ সহায় লয়। এতেকে কবিতাক কেৱল ভাষাৰ নিৰ্মিতি বুলি যান্ত্ৰিক ভাবে ধৰিলে তাৰ অন্তৰ্নিহিত সৌন্দৰ্য অনুভৱ কৰা কঠিন হৈ পৰিব। এখন সুন্দৰ মুখৰ নাইবা এপাহ ফুলি উঠা ফুলৰ সৌন্দৰ্য বিচাৰ কৰিবলৈ গৈ যদি তেজ মাংস, হাড়-ছাল অথবা শিৰা-উপশিৰা, গ্ৰন্থি আদিৰ অৱস্থান আৰু ক্ৰিয়া বিশ্লেষণ কৰা হয়, সেই বিশ্লেষণে মুখখনৰ বা ফুলপাহৰ ৰূপ আৰু সৌন্দৰ্য ফুটাই তুলিব পাৰিবনে? সন্দেহ নাই যে সংযুতিবাদীসকলৰ সমালোচনাৰ ধাৰাই সাহিত্য সমালোচনাক এটা নতুন আয়তন দান কৰিছে। কিন্তু কাব্য-বিচাৰৰ শেষ স্তৰত ই নিজেই থমকি ৰৈছে। তথাপি এই আন্দোলনটোৰ পৰা দুটা লাভ হৈছে। এটা হ'ল বহু সময়ত সমালোচনাত ঠাই পোৱা সমালোচকৰ ব্যক্তিগত উচ্ছ্বাসক ই প্ৰতিহত কৰাত সহায় কৰিছে আৰু আনটো হ'ল সাহিত্য-সমালোচনাত এটা শৃঙ্খলিত পদ্ধতি প্ৰয়োগ কৰাত ই গুৰুত্ব দিছে। আৰু এটা লক্ষ্যণীয় বিষয় হ'ল এয়ে যে সংযুতিবাদীসকলে কেনে ভাষা কাব্য-ৰচনাৰ বাবে ব্যৱহৃত হ'ব লাগে সেই বিষয়ে একো নিৰ্দেশ নিদিয়ে; বৰং তেওঁবিলাকৰ কাম হ'ল সমালোচনাৰ বাবে গ্ৰহণ কৰা কোনো ৰচনাৰ ভাষাৰ বিচাৰৰ যোগে সাহিত্যৰ অন্তৰ্নিহিত ভাব আৱিষ্কাৰ কৰা। এতেকে ৰচনাৰ আঁৰৰ সামগ্ৰিক ভাষিক-সংযুতিহে তেওঁবিলাকৰ বিচাৰৰ বিষয়। কবিতাৰ ভাষাৰ এনে অনুসন্ধান নিঃসন্দেহে এক নতুন বিদ্যায়তনিক অনুশীলনৰ ফল। ■





# কবি অজিৎ বৰুৱাৰ কাব্যিক ধ্যান-ধাৰণা

কুমুদ বৰুৱা

*যোৱা সংখ্যাৰ পাছৰ পৰা*

ৰাজহুৱা ভাবাবেগৰ বিপৰীতে ব্যক্তিগত ভাবাবেগ আৰু পক্ষপাত 'বিযুক্ত' মানসিকতাৰ প্ৰাপ্তি কেনেকৈ হয় সাহিত্য- পৰম্পৰাৰ লগত নিবিড়ভাবে যুক্ত আধুনিক কবিৰ 'নৈৰ্ব্যক্তিকতা' (Impersonality) বস্তুটো কি, তাক বুজি পোৱাত এলিয়ট অধ্যয়নে আমাক সহায় নকৰে; ভাবাদৰ্শৰ (Ideology) সক্ৰিয় চৰিত্ৰৰ বিচাৰেহে সহায় কৰিব পাৰে। অৰ্থাৎ সৃষ্টি আৰু নিৰ্মাণ ভাববাদী দৃষ্টিকোণত পৃথক দুবিধ বাস্তৱ হিচাপে স্বীকৃত হ'লেও, সামাজিক বাস্তৱ হিচাপে তাৰ মাজৰ সূক্ষ্ম দ্বান্দ্বিক সম্পৰ্কহে বৈজ্ঞানিক দাৰ্শনিক যুক্তিবাদী চিন্তাৰ অন্তৰ্গত ধাৰণা। তেনে 'কূট দৃষ্টিভংগীয়ে প্ৰতীকবাদী কবিতাৰ ৰসাস্বাদনত সহায় নকৰে বুলি কোৱা কথা মানি ল'ব নোৱাৰি। ৰাজহুৱা ভাবাবেগৰ ফলত জন্মা কবিতাও জানো প্ৰতীকবাদী হ'ব নোৱাৰে। (উদাহৰণঃ লৰ্কা)? সাধাৰণ ইতিহাসবোধেও বোধহয় এই শিক্ষা দিয়ে যে সকলো প্ৰতীকবাদী কবিতাই 'নিৰ্জ্ঞাত'ৰ (Unconcious) অভিজ্ঞতা আৰু গৰিমা মহিমামণ্ডিত কৰিয়েই ক্ষান্ত থকা নাই।

## ছয়

বাস্তৱ-বিমুখ কাব্যৰসিকৰ সৌন্দৰ্যৰ ধাৰণাৰো হয়তো বিজ্ঞান সম্মত ব্যাখ্যাৰ প্ৰয়োজন ইয়াত আছে। বহিঃ প্ৰকৃতি অধ্যয়নৰ বেলিকা দাৰ্শনিকভাবে যি যান্ত্ৰিক বস্তুবাদী (Mechanical Materialism) ধাৰণাক নিৰ্ভুল বুলি মানি ল'ব নোৱাৰি, একে কাৰণতে সাহিত্যৰ আলোচনাতো 'বিশুদ্ধ সৌন্দৰ্য তত্ত্ব'ৰ ধাৰণাটো মানি ল'ব নোৱাৰি। ভাবাদৰ্শগত কাৰণতেই যে সৌন্দৰ্যৰ সম্পৰ্কত চেতনাৰ মুখ্য ভূমিকাক লৈ নন্দনতাত্ত্বিকসকলৰ দম্ভ, তাক বাহুল্য নকৰিলেও চলে। তেওঁলোকে এই কথা আওকাণ কৰে যে বস্তুৰ গাতো– There is a menfestation of an idea of the beautiful' নিহিত থাকিব পাৰে। তেওঁলোকে হয়তো এই কথাটোহে ক'ব খোজে যে Coenaesthesia ৰ স্নায়বিক উত্তেজনা উদ্ৰেককাৰী তত্ত্বমতে কুৎসিত বস্তুৰ গাতো সৌন্দৰ্যৰ সন্ধান সম্ভৱপৰ কাৰ্য; মূলতঃ মনৰ স্বাধীনতাহে প্ৰাথমিক কথা। কডৱেলে কৈছে যে মনস্তত্ত্ববিদ C. K. OGDEN ৰ সৈতে যুটীয়াভাবে লিখা সাহিত্যৰ সমালোচনামূলক গ্ৰন্থ "Meaning of Meaning" ত (১৯২৩ চনত লিখা) সৌন্দৰ্য সম্পৰ্কে 'নতুন সমালোচনা'ৰ শৈশৱত বিখ্যাত ইংৰাজ সমালোচক I. A. Richards -এ যি ব্যাখ্যা দিছে (Beauty is attributed to objects which produce coenaes thesia) দাৰ্শনিক ভাবে সি হ'ল এবিধ যান্ত্ৰিক জড়বাদী দৃষ্টিভংগী। কডৱেলে সেয়ে প্ৰশ্ন তুলিছিল– "A pork chop, well done may arouse strong feelings of coenaesthesia, but it is not beautiful--- or hideous. As an aesthetic object, it is neutral" (FURTHER STUDIES IN A DYING CULTURE, P 52) ডঃ হীৰেণ গোহাঁইদেৱৰ আলোচনাত আমি পাওঁ যে সমালোচক ৰিছাৰ্ডচৰ মতে সাহিত্য সত্য দৰ্শনৰ অস্ত্ৰ নহয়, আবেগিক স্বাস্থ্যৰহে ঔষধ। সাহিত্য পাঠৰ সম্পৰ্ক আমাৰ Nervous system ৰ ভাৰসাম্য উৎপাদনৰ লগতহে। এই কথাত বোধহয় পাঠকসকলৰ দ্বিমত নেথাকিব যে "ভাবাৰ্থ"ৰ প্ৰতি উদাসীন আৰু কেৱল কবিতাৰ স্বকীয় মূৰ্ত ৰূপৰ প্ৰতিহে সজাগ কাব্যিক চিন্তাৰ প্ৰতিফলনেই ৰিচাৰ্ডচৰ চিন্তাতো সুলভ। এনে প্ৰভাৱ কবি শ্ৰীঅজিৎ বৰুৱাৰ কাব্যিকতাতো সঞ্চাৰিত। কিন্তু Neurological Science ৰ ধাৰণাই অবচেতনৰ (Unconcious) মোহগ্ৰস্ত ভাববাদী ধাৰণা নাকচ কৰালৈ চাই, দেখাত আপাততঃ এনে ধাৰণা শুদ্ধ যেন ভাব হ'লেও, প্ৰকৃত অৰ্থত ৰিছাৰ্ডচৰ এনে ধাৰণাও বিভ্ৰান্ত ভাবাদৰ্শৰ (চিন্তাৰ ভিত্তিয়েই য'ত স্ববিৰোধী) প্ৰভাৱত পৰি হোৱা বিচ্যুতিহে। কিয়নো, এনেধৰণৰ যান্ত্ৰিক জড়বাদী দৃষ্টিকোণে মগজু আৰু তাৰ ধৰ্ম (Quality) হিচাপে চেতনাৰ সক্ৰিয় চৰিত্ৰৰ বৈচিত্ৰ্যৰ বৈশিষ্ট্য আওকাণ কৰি চলে বাবেই, ৰিছাৰ্ডচৰ এনে যুগান্তকাৰী বৈপ্লৱিক সিদ্ধান্তও দ্বান্দ্বমূলক আৰু ঐতিহাসিক বস্তুবাদী বৈজ্ঞানিক ধাৰণাৰ পৰিপন্থী হ'বলৈ বাধ্য। এই প্ৰসঙ্গত ডঃ হীৰেণ গোহাঁইদেৱৰ অদ্যাপি গুৰুত্ব নোপোৱা ব্যাখ্যাহে অধিক আকৰ্ষণীয় আৰু গ্ৰহণযোগ্য। ('সৃষ্টি আৰু যুক্তি' গ্ৰন্থ দ্ৰষ্টব্য, পৃঃ ৯৮-১১৪)। সমালোচক ৰিছাৰ্ডচৰ Coenaesthesia তত্ত্বমতেও সৌন্দৰ্যৰ মনস্তাত্ত্বিক বৈজ্ঞানিক ব্যাখ্যা গ্ৰহণযোগ্য বুলি ভাবিব নোৱাৰি। তেওঁৰ এনে তত্ত্বমতে, মনৰ প্ৰাথমিক যান্ত্ৰিক সক্ৰিয়তা অবিহনে বস্তুৰ নিজস্ব প্ৰকাশক্ষম গুণ (Quality) সম্পূৰ্ণ হৈ নুঠে। কিন্তু বস্তুৰ নিজস্ব সম্পূৰ্ণ প্ৰকাশক্ষম গুণৰ প্ৰতিফলন মনে স্বতন্ত্ৰভাবে কেনেকৈ নিয়ন্ত্ৰণ কৰিব পাৰে? মন যদিও নিৰ্জীৱ প্ৰতিফলক নহয়, তথাপিতো বস্তুৰ প্ৰতিফলনৰ সত্য, বস্তুৰ বস্তুনিষ্ঠ বাস্তৱতাক প্ৰত্যাখ্যান কৰি নতুনকৈ সম্ভৱ নহয়। মন বা চেতনাৰ ভাবাদৰ্শগত স্বাধীনতাৰ বৈশিষ্ট্য অৱশ্যে অন্য এটা "পৃথক" বাস্তৱতা, যাৰ দ্বাৰা প্ৰতিফলন প্ৰক্ৰিয়াৰ ব্যাখ্যাত বস্তুৰ পৃথক বাস্তৱ হয়তো সম্ভৱ হয়। ধাৰণা কৰা হৈছে যে সমালোচক ৰিছাৰ্ডচে এনে মোহগ্ৰস্ত ভাববাদী (idealist) ধাৰণাৰ বশৱৰ্তী হৈয়ে হয়তো ভাবিছিল যে যি সময়লৈকে মনে বস্তুৰ বস্তুনিষ্ঠ বাস্তৱ প্ৰতিফলন স্বীকাৰ নকৰে, বা যেনেভাবে স্বীকাৰ কৰে, তাৰ ওপৰতহে 'সত্যৰ অস্তিত্ব' নিৰ্ভৰ কৰে। Pork chop টোৱেও যেতিয়া Coenaesthesia উৎপন্ন কৰে, তাতো জানো মনে সৌন্দৰ্য বিচাৰি পাব লগা বাস্তৱতা থাকে? কিন্তু ভাবাদৰ্শগত যান্ত্ৰিক জড়বাদী প্ৰতিফলনৰ দৃষ্টিভংগীৰে, তাতো সৌন্দৰ্য বিচাৰি পোৱাটোও হয়তো সম্ভৱপৰ কাৰ্য (কিয়নো ৰিছাৰ্ডচৰ ধাৰণা– Beauty is 'in' the man-Beauty is a state of the man)। সত্য তেতিয়াহ'লে আপেক্ষিক নেকি? অমোঘ সত্য বুলি কোনো কথা থাকিব নোৱাৰে নেকি? ভাবাদৰ্শগত কাৰণতেই চেতনাৰ সক্ৰিয় চৰিত্ৰৰ বৈশিষ্ট্য হিচাপে মানুহৰ ভাবাদৰ্শৰ আপেক্ষিক স্বাধীনতা মানি লব লগা হয় বাবেই এইবোৰ বৰ আহুকলীয়া বিতৰ্ক। আনকি মাৰ্ক্সীয় বস্তুবাদেও বিজ্ঞানৰ আপেক্ষিক সীমাবদ্ধতা স্বীকাৰ কৰে। কিন্তু ৰিছাৰ্ডচৰ যান্ত্ৰিক বস্তুবাদৰ বিজ্ঞানে সত্যৰ কোনো absolute term, 'Tension' ৰ সৃষ্টি সম্ভৱ কৰি তুলিব পাৰে নে? একে কাৰণতে যিহেতু বিপৰীত ভাবাদৰ্শগত প্ৰতিফলনো সম্ভৱপৰ কাৰ্য- য'ত Pork chop টোক নিজস্ব স্বাধীন প্ৰকাশক্ষম ৰূপতো ব্যাখ্যা কৰিব পৰা যায় -গতিকে জীৱনৰ প্ৰকৃত বাস্তৱতাৰ ভেটিত 'দ্বন্দ্বাত্মক' কোনো অমোঘ

সত্যৰ তাৎপৰ্য অস্বীকাৰ কৰিব নোৱাৰি। ব্যক্তি-মানস অনিচ্ছুক হ'লেই, বা অন্য কোনো 'পৰিশুদ্ধি'ৰ জৰিয়তে স্পন্দনশীল হৈ উঠিলেই, বস্তু নিজস্ব, প্ৰকাশক্ষম গুণ-ৰহিত নহয়। যি কাৰণতেই নহওক কিয়, মনৰ ভাবাদৰ্শগত স্বাধীনতাই কেতিয়াও 'অকলে সৌন্দৰ্যৰ সৃষ্টি কৰিব নোৱাৰে, প্ৰথমতে বস্তুৰ গাত সেই গুণ (Quality) নিহিত থাকিব লাগিব। কডৱে'লে কৈছিল- 'We ourselves donot feel beautiful when we see a beautiful objec' m বস্তু হিচাপে প্ৰত্যক্ষকাৰীৰ (Observer) 'নৈৰ্ব্যক্তিকতা' ইয়াত বৈজ্ঞানিক দৃষ্টিভংগীৰ ফলতেই খৰ্ব হয়। প্ৰত্যক্ষকাৰী কেনেকৈ 'detached object' হ'ব পাৰে ? এনে ধাৰণা ভাববাদৰেই 'কূট' প্ৰয়াস হ'ব নোৱাৰে জানো ? আনহাতে তাপ (Heat) যেনেকৈ এটা বস্তুৰ গুণ (Quality) আৰু তাক আমি অনুভৱ কৰিব পাৰো- য'ত মনৰ প্ৰাথমিকতা খৰ্ব হয়, ঠিক তেনেকৈ এটা বস্তুৰ গাত সৌন্দৰ্য্য মূৰ্ত হৈ উঠিলেহে, সৌন্দৰ্যৰ অনুভৱ আমাৰ বাবে সম্ভৱপৰ হৈ উঠিব পাৰে। ঠিক তেনেকৈ ভাবিলেই, মনে এটা বস্তুৰ সৌন্দৰ্য অনুভৱ কৰিব নোৱাৰে- তাপ বা সৌন্দৰ্য বস্তুৰ অন্তৰ্নিহিত গুণ হিচাপেও বৰ্তি থাকিব লাগিব।

এইখিনিতে অন্য এটা 'কূট' প্ৰসংগৰ অৱতাৰণা হ'ব পাৰে। মনৰ স্বাধীনতাই যিহেতু সভ্যতাৰ বিকাশত, নিষ্ঠাবান মানসিকতাৰ 'পৰিশুদ্ধি'ৰ জৰিয়তে, কুৎসিত বস্তুৰ [illegible] সৌন্দৰ্য দেখা পাব পাৰে- কবিতাৰ ভাষাই যদি তেনে কিবা বক্তব্য প্ৰকাশ কৰে- তাক আমি কেনেকৈ গ্ৰহণ কৰিম ? আমাৰ ধাৰণা মতে সাহিত্য আৰু বিজ্ঞানৰ সম্পৰ্কৰ প্ৰশ্নটোও আচলতে তেনেকুৱা পৰিস্থিতিতেই বিচাৰ্য্য বিষয় হৈ পৰে। মনৰ সক্ৰিয় চৰিত্ৰৰ "বৈচিত্ৰ্য"ৰ বৈশিষ্ট্য হিচাপেহে তেনে ধাৰণাৰ প্ৰকৃত অস্তিত্ব ব্যাখ্যা-সম্ভৱ। কবিতাৰ ভাষাই প্ৰকাশ কৰা তেনে বক্তব্য বিজ্ঞানৰ বক্তব্যৰ লগত নিমিলিবও পাৰে। যিহেতু বিজ্ঞানৰ অৰ্থাৎ উক্ত ধাৰণাৰ বিপৰীত ভাবাদৰ্শৰ বক্তব্য (যেনে, মাৰ্ক্সবাদৰ) জীৱন আৰু জগত সম্পৰ্কে উদাসীন নহয়, সেয়ে, ব্যক্তিৰ মনৰ ভাবাদৰ্শগত উৎপাদন (বা সৃষ্টি), যেনে, কোনো সামাজিক-নৈতিক সৌন্দৰ্য সন্ধানী কবিতাৰ বক্তব্য; তাৰ লগত বিজ্ঞানৰ বক্তব্যৰ ধাৰণা বিজাই চোৱাটো একেবাৰেই দোষণীয় নহয় বৰং সি প্ৰয়োজনীয়হে। অন্যথা শিল্পকলাৰ যোগেদি সমাজত নৈৰাজ্যবাদী, নতুন ৰহস্যবাদ আৰু অন্ধকাৰবাদে গা কৰি উঠিব পাৰে। যথা বদলে'ৰ আছিল বুৰ্জোৱা সমাজৰ আত্মকেন্দ্ৰিক, হতাশাগ্ৰস্ত, আত্মঘাতী বিদ্ৰোহৰ অন্যতম সাক্ষীস্বৰূপ। কোৱা বাহুল্য হ'ব যে- এনে 'কূট' যুক্তিৰ ফলতেই আধুনিক মানসিকতাত, নিষ্ঠাবান মানৱীয় সৃষ্টিৰ পয়োভৰৰ মাজতো সভ্যতাৰ চোৰাংকাৰবাৰীৰ অপসংস্কৃতি আৰু বিজতৰীয়া, তৰাং ভাবাদৰ্শৰ প্ৰভাৱ, সমাজত ক্ৰমান্বয়ে সুদূৰপ্ৰসাৰী হ'ব লাগিছে। তাৰ সমূহীয়া পৰিণাম হ'ল মূল্যবোধৰ নৈৰাজ্যৰ এক ট্ৰেজিক উপলব্ধি। যি কোনো ধৰণৰ মানসিক প্ৰতিফলনেই বস্তুৰ অধীন- তাৰ সকলোবোৰ অভিব্যক্তি নিষ্ঠাবান মনৰ 'স্বাধীন' অভিব্যক্তি নহয়- সাধাৰণীকৰণত সেইবোৰ ব্যক্তিৰ বিশেষ বিশেষ ভাবাদৰ্শগত অভিব্যক্তিহে- গতিকে প্ৰতিক্ৰিয়াশীল, লগতে নৈৰাজ্যবাদীও। সেই কাৰণেই ভাবাদৰ্শৰ স্বাধীনতাৰ, মানস-স্বাতন্ত্ৰ্যৰ যথাৰ্থ বৈজ্ঞানিক বিচাৰ অপ্ৰয়োজনীয় নহয়।

'সুস্থ' আৰু 'স্বাভাৱিক' মনৰ স্বতঃস্ফূৰ্ত স্বাধীনতাৰ আকাংক্ষাই মানৱ চৰিত্ৰৰ কোনো সত্য প্ৰকাশ কৰিলেও, সেই আকাংক্ষা আচল জীৱনৰ সত্যদৰ্শনৰ মাৰ্গ নহৱও পাৰে। 'অচলা নিষ্ঠা'ৰ আৰোপিত চৰ্তয়ো সেই সত্যৰ মহানতা তথা কাৰ্যকাৰিতাৰ যথাৰ্থতা প্ৰমাণ নকৰে। সেই সত্য হ'ল আপেক্ষিক সত্য (relative truth) দ্বন্দ্বমূলক আৰু ঐতিহাসিক দাৰ্শনিক বস্তুবাদক আওকাণ কৰি চলা 'ৰক্ষণশীল' নন্দনতাত্ত্বিকৰ বহু ধাৰণাই সেয়ে বিশেষ ভাবাদৰ্শগত টালিভুলিৰ নিদৰ্শন। অপ্ৰিয় হ'লেও সমালোচক ৰিছাৰ্ডচৰ 'Meaning of Meaning' ৰ প্ৰচেষ্টাই তাৰ জ্বলন্ত দৃষ্টান্ত। তাত ভাষাৰ অৰ্থগত দিশক (আমাৰ ধাৰণাত যিটো নিৰ্দ্দিষ্ট ভাবাদৰ্শগত প্ৰতিফলন মাথোন আৰু Language as expression ৰ ধাৰণাতকৈ বেলেগ) আধুনিক বৈজ্ঞানিক ভিত্তিত প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰা হৈছে। ডঃ হীৰেণ গোহাঁইদেৱে [illegible] মন্তব্য কৰিছে যে- "সেই বৈজ্ঞানিক ভিত্তিও (Science and Literature নামৰ তেওঁৰ আন এখন কিতাপৰ দৰে) আধুনিক বিজ্ঞানৰ অগ্ৰগতিৰ ফলত জন্মা মোহগ্ৰস্ত ধাৰণা" (কবিতাৰ বিচাৰ আৰু নতুন সমালোচনা, পৃঃ ১৯) অৰ্থাৎ বৈজ্ঞানিক দৃষ্টবাদৰ বিৰুদ্ধে ৰিছাৰ্ডচৰ মনোভাৱ স্পষ্ট যদিও, কবিতাৰ বিচাৰত 'অৰ্থ -বৈচিত্ৰ্য আৰু অৰ্থ-বৈভৱ"ৰ জৰিয়তে বিজ্ঞানক 'নিৰস্ত্ৰ' কৰাৰ অৰ্থ এইটো হ'ব নেলাগিব যে তাত ভাবাদৰ্শৰ অন্য এবিধ দৃষ্টবাদী, নৈৰাজ্যকামী মনোভাৱে সমাজত বিচ্ছিন্নতাবাদী ৰহস্যবাদী ধাৰণা পুনৰ্প্ৰতিষ্ঠা কৰিব। সাধু শিল্পী-ব্যক্তিৰ স্বাধীনতাৰ অৰ্থ তথা কাব্যত ভাষা আৰু বক্তব্যৰ (য'ত কাব্যিক 'অনুভৱ' বক্তব্যৰ প্ৰধান উপাদান) স্বাধীনতাৰ অৰ্থ এইটো নহয় যে আমি সামগ্ৰিক সত্য দৰ্শনৰ পৰা নিৰাপদ দূৰত্বত অৱস্থান কৰিলেই কাম সিজিব। এই প্ৰসঙ্গতে প্ৰাকৃতিক বিজ্ঞান (Natural Science), যান্ত্ৰিক বস্তুবাদ সম্পৰ্কে আৰু বৈজ্ঞানিক দৃষ্টবাদৰ বিৰুদ্ধে মহামতি এংগেলচৰ (Frederick Engels) যুক্তিবাদী চিন্তা আৰু সকীয়নি বিশেষভাবে প্ৰণিধানযোগ্য। 'সত্য' সম্পৰ্কে মাৰ্ক্স-লেনিনৰ যুক্তিবাদী মতবাদ আনহাতে, ৰিছাৰ্ডচৰ ত্ৰুটি বুজাত সহায়ক হ'ব। ধাৰণা কৰিব পাৰি যে ৰিছাৰ্ডচৰ চিন্তাৰ ভিত্তি মূলতেই আছে- মনৰ আপেক্ষিক স্বাধীনতাৰ প্ৰশ্নটো। কিন্তু তেওঁৰ চিন্তা-চৰ্চাই প্ৰকৃত বৈজ্ঞানিক যুক্তিতকৈ, আমাৰ জ্ঞানৰ আপেক্ষিকতাক (Relativity) অধিবিদ্যাগত ভাৱেহে 'পৰম প্ৰত্যয়' কৰি তোলে আৰু তাৰ ফলত বিষয়নিষ্ঠ সত্য জনাৰ সম্ভাৱনাও অস্বীকাৰ কৰে। তেওঁৰ দৃষ্টিভংগীয়ে আমাক অজ্ঞেয়বাদৰ (Agnosticism) পথেৰে আগুৱাই যোৱাতহে সহায়তা কৰে। বৈজ্ঞানিক বস্তুবাদেও আমাৰ জ্ঞানৰ আপেক্ষিকতা স্বীকাৰ কৰে সঁচা, কিয়নো, সত্যৰ কাষ চপাৰ সুযোগ আমাৰ বাবে ঐতিহাসিকভাবে সীমিত। কিন্তু বিষয়নিষ্ঠ সত্যক অস্বীকাৰ কৰিলে আমাৰ কাম সিজিবনে ? তাৰ কেনেকুৱা সামাজিক পৰিণামৰ অভিজ্ঞতা আমাৰ হৈছে ? বৈজ্ঞানিক বাস্তৱ হিচাপে তাপৰ (Heat) বাস্তৱ অনুভূতি যদি অন্যান্য বহুতো 'প্ৰতীকবাদী' কবিতাই ৰূপায়ণ কৰিব পৰা তাপৰ বাস্তৱ অনুভূতি নহয়- যি অন্য ধৰণৰ ভাবাদৰ্শগত বুদ্ধিগ্ৰাহ্য নোহোৱা যুক্তিৰ উৰ্দ্ধত পৃথক 'সত্য' বুলি বিবেচিত হয়, সেই কথা সম্ভৱ হ'ব পাৰে- তাপৰ প্ৰকৃত বাস্তৱৰ "মোহগ্ৰস্ত ধাৰণা" হিচাপেহে। বৈজ্ঞানিক বিচাৰত, তেনে পৃথক বাস্তৱ, প্ৰকৃত বৈজ্ঞানিক সত্যৰ অপলাপ বুলি প্ৰমাণিত হ'লে, সি বিশেষ বিপৰীতধৰ্মী ভাবাদৰ্শগত বাস্তৱহে প্ৰতিপন্ন কৰিব- তাকো "ভাববাদী" আৰু বস্তুবাদী"- এনে পৃথক মানদণ্ডৰেহে জুখিব পৰা যাব।

এনে আহুকলীয়া পৰিস্থিতিৰ পৰা মুক্তিৰ উপায় ৰিছাৰ্ডচৰ Coenaestheia তত্ত্ব নে অন্য কিবা বাস্তৱ বৈজ্ঞানিক দৃষ্টিভংগী ? এই অৰ্থতেই 'বাস্তৱ-বিমুখ' কবিৰ সৌন্দৰ্যৰ ধাৰণা, কাব্যৰ 'যথাৰ্থ' ধাৰণা, (যেনে, বিজ্ঞানে ধৰিব নোৱাৰা ৰূপৰসগন্ধ বৰ্ণময় সৃষ্টিৰ মাহাত্ম্য- যুক্তিৰ পিনৰ পৰা যিটোক তাত স্ববিৰোধিতাৰ সংগতি বুলি অভিহিত কৰা হয়) এটা মোহগ্ৰস্ত 'ভাববাদী' ধাৰণা মাথোন। ভাববাদী কবিয়েহে কবিতাত ভাষাৰ স্বতন্ত্ৰ ব্যৱহাৰ আৰু প্ৰতীকৰ অৰ্থবহুলতাত জীৱনৰ প্ৰকৃত সৌন্দৰ্যৰ পৃথক বাস্তৱ সম্ভৱ বুলি ভাবিব পাৰে। এনে বহুতো দৃষ্টিকোণ ভাববাদী অভিজ্ঞতাবাদৰ (Empiricism) আত্মীয় আৰু যুক্তিবাদী চিন্তাৰ পৰিপন্থী। এনে ধাৰণাৰ প্ৰভাৱত পুঁজিবাদী শোষণৰ ফলত বিকৃত ৰূপ লোৱা বস্তু জগতকো, সত্য জ্ঞানৰ একমাত্ৰ উৎস হিচাপে, সংবেদী অভিজ্ঞতাৰ পোহৰত, মানসিক পৰিশুদ্ধিৰ জৰিয়তে গ্ৰহণ কৰি, স্থিতাৱস্থাকে মানি লবলৈ আমি পৰাঙ্মুখ হ'ব নেলাগিব। সেয়েহে ৰিছাৰ্ডচৰ যান্ত্ৰিক জড়বাদী চিন্তাত উদ্ভাসিত, কবিতাৰ অনুভূতিৰ গাঢ়তাই, তাৰ বক্তব্য, মূৰ্ত সংবেদনৰ পৰ্যায়লৈ ৰূপান্তৰেই নঘটায়; কবিতাত ব্যৱহৃত উক্তিৰ (Statement) সত্যাসত্যহে, অন্তিম পৰ্য্যায়ত পাঠকৰ বিচাৰ্য বিষয় হিচাপে অৱধাৰিত কৰি তোলে। ভাষা ব্যৱহাৰৰ তেনেকুৱা আধাসিজা সৌন্দৰ্য তত্ত্ব কেনেকৈ মানি চলিব পাৰি ?

## সাত

এটা স্ব-সংগত পূৰ্বনিৰ্দ্দিষ্ট ধাৰণা কবি শ্ৰীঅজিৎ বৰুৱাৰ নাই বুলি ভাবিব পৰা যায় যদিও, এটা কথা খাটাংকৈ কব পাৰি যে কবি ব্যক্তি মানসৰ প্ৰাথমিকতাৰ প্ৰতিহে অধিক শ্ৰদ্ধাশীল। বৈজ্ঞানিক দৃষ্টবাদ আৰু তেহেঁলৈ প্ৰকৃতিবাদৰ প্ৰৱণতাৰ বিৰুদ্ধে যি প্ৰতীকবাদৰ (Symbolism) জন্ম হ'ল, কবি শ্ৰীবৰুৱাৰ তাৰ প্ৰতিহে অধিক সহানুভূতিশীল। কিয়নো প্ৰতীকবাদ আধুনিক কবিতাৰ "উৎস" (কেৱল ভাববাদী অভিজ্ঞতাবাদেই আধুনিকতাৰ একমাত্ৰ লক্ষণ নে !) আৰু তেওঁ তাৰেই অন্যতম সাধক। অন্যান্য উৎসৰ প্ৰতি, যুক্তিবাদৰ প্ৰতি কবি উদাসীন কিয় ? এই উপলব্ধি কবিৰ সংশয়বাদৰ নে অনন্য মননশীলতাৰ পৰিশুদ্ধি ? তেখেতে হয়তো বুজিবলৈ কেতিয়াও চেষ্টাই নকৰিলে যে দৃষ্টবাদ আৰু প্ৰকৃতিবাদৰ বহু নিলগত মাৰ্ক্সবাদে, বহিঃপ্ৰকৃতি আৰু ব্যক্তি মানসৰ মাজৰ প্ৰকৃত দ্বান্দ্বিক সম্পৰ্কৰ 'মানৱীয়' সুব্যাখ্যা কৰি গৈছে। মাৰ্ক্সবাদী দৃষ্টিভংগীৰেই, চেতনা আৰু ভাবাদৰ্শৰ সক্ৰিয় চৰিত্ৰৰ জ্ঞানেৰে সুস্পষ্টকৈ বুজিব পাৰি যে আচলতে প্ৰতীকবাদীসকলৰ ভাবাদৰ্শতহে এটা 'কূট' দৃষ্টিকোণ প্ৰতীয়মান। ভাববাদীৰ শক্তিশেল স্বৰূপ সংবেদী অভিজ্ঞতাবাদেই যে আধুনিক সন্ধিক্ষণত জীয়াই থকাৰ শেষ সম্বল বুলি মানিব লাগিব- ধাৰণাটো, মোৰ বিশ্বাস, যুক্তিবাদী বিতৰ্কৰ উৰ্দ্ধত নহয়। অভিজ্ঞতাবাদী সংশয়ধৰ্মিতা বস্তুৰ এটা গুণহে (Quality) বস্তুৰ শেষ সত্য নহয়।

নিৰ্জ্ঞাত বা Unconcious ৰ ধাৰণাটোও আচলতে বুৰ্জোৱা মনস্তত্ত্ব (Bourgeois Psychology) ব্যাখ্যাৰ অন্যতম অভিব্যক্তি। কিন্তু বৈজ্ঞানিক যুক্তিবাদীৰ দৃষ্টিত সি হ'ল বস্তুগত- 'Cortex as the seat of unconciousness'। মনস্তত্ত্ব অধ্যয়নৰ পুৰাকল্পৰ যুগত উশাহ-নিশাহ লোৱা মনস্তত্ত্ববিদ ফ্ৰয়দৰ বাবে অৱচেতন বা নিৰ্জ্ঞাতৰ ধাৰণা আছিল আলাসতে ওপঙি থকা বস্তু; স্বতন্ত্ৰ আৰু স্বাধীন বস্তু। কিন্তু স্নায়ৱিক বিজ্ঞানৰ (Neurological Science) অধ্যয়নত ধৰা পৰিল যে অৱচেতন ভাবগত আৰু ৰহস্যাবৃত নহয়, তাৰ এটা বস্তুগত ভিত্তি থকাটোহে বিজ্ঞানসম্মত সত্য। মানুহৰ মগজুতহে তাৰ প্ৰকৃত স্থান সুৰক্ষিত। অৱচেতন সম্পূৰ্ণৰূপেই বস্তুগত স্নায়ৱিক প্ৰক্ৰিয়াৰ অধীন আৰু বস্তুগতভাবেই অনাবৰণসাধ্য (temporarily forgotten but recallable)। কিন্তু প্ৰতীকবাদী সকলে এই সত্য গোপন কৰে আৰু অৱচেতনৰ অনাবৰণ প্ৰক্ৰিয়া কোনো বিজ্ঞানসম্মত, বস্তুগত প্ৰক্ৰিয়াৰে সাধিত নহয় বুলিহে দাবী কৰে। সেয়ে প্ৰশ্ন উঠে, বস্তুগত মগজু অবিহনে, কোনো অনাবৰণ প্ৰক্ৰিয়াত আহৰণসাধ্য অৱচেতনৰ প্ৰতিফলন তেতিয়াহ'লে আন কি কথাৰ ওপৰত নিৰ্ভৰশীল ? নিৰ্জ্ঞাতৰ অনাবৰণৰ ধাৰণাত যদি অশৰীৰি ক্ৰিয়া-কলাপেই মূল উপজীব্য, তেনেহ'লে কিবা অলৌকিক উপায়েৰেহে মানুহে নিৰ্জ্ঞাতৰ অনাবৰণ কাৰ্য সম্ভৱ কৰি তুলিব পাৰে; বস্তুগত ভাৱে মগজুৱে নহয়! কিন্তু প্ৰতিফলন প্ৰক্ৰিয়াত প্ৰত্যক্ষকাৰীক 'Detached object' বুলি মানি চলিব পাৰি নে ? এনে বুদ্ধি অবাঞ্চিত, হাস্যকৰ যুক্তি। 'আধুনিক' চিন্তাই আনকি প্ৰতিফলনৰ ধাৰণাকো অস্বীকাৰ কৰিবলৈ উদ্যত হৈছে ! বহিঃ প্ৰকৃতি আৰু ব্যক্তি-মানস, বস্তু আৰু চেতনাৰ মাজৰ "বিষয়নিষ্ঠ সত্য" বুজিবলৈ অস্বীকাৰ কৰাৰ বাবেই প্ৰতীকবাদীসকলৰ এনে যান্ত্ৰিক যুক্তিৰ স্ব-বিৰোধী দুৰ্দ্দশা লক্ষণীয়। অৱচেতনৰ আলাসতে ওপঙি ফুৰা এনে ধাৰণাই (দাৰ্শনিক প্লেটোৰ ভাষাত The eternal world of ideas!) হয়তো আমাক "আত্মা" অথবা "পৰম সত্য" নামৰ সম্পূৰ্ণ নিৰালম্ব সৃষ্টি ক্ষমতাৰ (ব্যক্তি মানস য'ত প্ৰাথমিক) বিষয়ে যান্ত্ৰিক এবিধ মোহৰ জন্ম দিয়ে। কবি শ্ৰীঅজিৎ বৰুৱাই কিন্তু ভাবে বেলেগ ধৰণেৰে : এটা বিশেষ প্ৰকাৰৰ সৌন্দৰ্যৰ প্ৰতি আকৰ্ষিত হোৱাটো 'মোহ' নহয়- সিয়েই একমাত্ৰ কাব্য ধৰ্মাচৰণ। আমাৰ প্ৰতিবাদ হ'ল- সৌন্দৰ্যৰ ধাৰণাই য'ত সত্যৰ বিপৰীতে ভাববাদী মোহগ্ৰস্ততাৰ সাক্ষী, তাত সৌন্দৰ্য আৰু প্ৰকৃত কাব্য ধৰ্মাচৰণৰ সাৰ্থকতা মানৱজাতিয়ে কেনেকৈ উপলব্ধি কৰিব ? তাৰ পৰিণাম কি হ'ব ? চিন্তা যদি যুক্তিৰ বিপৰীতে নৈৰাজ্যবাদী ভাবাদৰ্শৰ স্বাধীনতাৰ মুকলি ৰাজ্য হয়, 'এক চিন্তাভংগী'য়েও হয়তো তেনে কাব্যিকতাত বিপৰ্যয় সৃষ্টি কৰিব নোৱাৰে- তাৰ বাবে সেই ক্ষেত্ৰ হ'ব যুক্তিবাদী সংগ্ৰামৰ ক্ষেত্ৰ। প্ৰশ্ন উঠে- সামাজিকভাবে, মানৱ সংস্কৃতিৰ বস্তুগত সৃষ্টি আৰু বাস্তৱ, কোনো 'পৰম সত্য"ৰ অনাবৰণৰ ফল বুলি মানি লব পাৰি নে ? বৈজ্ঞানিক দৃষ্টবাদী আৰু তেহেঁলৈ প্ৰকৃতিবিদ সকলৰ অত্যুৎসাহৰ বিৰুদ্ধেও, নিৰ্জ্ঞাতৰ তেনেকুৱা ভাববাদী, সংবেদী নিৰাবৰণ প্ৰচেষ্টা, অভিজ্ঞতাৰ ফালৰ পৰাও কোনো নিৰ্ভুল ব্যাখ্যা নহয়। সেইটো দৰাচলতে ব্যক্তিৰ ভাবাদৰ্শগত (ideological) বিভ্ৰান্তিহে ! আনকি ভাষাৰ মূল আধাৰো বস্তুগত (material)। কবিতাৰ আধুনিক সমালোচনাত ভাষাৰ অন্যান্য আপেক্ষিক অভিব্যক্তি, যেনে, চেতনাৰ স্বকীয় সক্ৰিয়তাৰ ক্ৰিয়া-কলাপ সত্য প্ৰতিষ্ঠাৰ মানৱীয় সমস্যা নহয়, যি আচলতে, মানস-স্বাতন্ত্ৰ্যৰ সংযমলৈ পিঠি দিয়া ভাবাদৰ্শৰ সমস্যাহে। মাৰ্ক্সবাদৰ নতুন নতুন ভাষ্যই, এই সমস্যাৰ আধাৰতেই, কবিক বহুসময়ত ৰেহাই দিয়াও পৰিলক্ষিত হ'ব পাৰে। তাৰ দ্বাৰা মূল সত্যৰ আধাৰ এতিয়াও নষ্ট নোহোৱাটোহে মন কৰিবলগীয়া। কবি গৰাকীৰ গুণমুগ্ধ বহুতো পাঠকেই হয়তো কবিক ডিফেণ্ড কৰিব : কবিৰ গাত কোনো 'দোষ' নাই নাইবা জীৱনবোধৰ তাৰতম্যই মহান কবিতাক স্পৰ্শ কৰিব নোৱাৰে। আমি কিন্তু 'পৰশ্ৰী কাতৰ'ৰ দল। আমি যুক্তি দিম : চেতনাৰ প্ৰাথমিকতাৰ প্ৰতি অত্যধিক সহানুভূতিশীল হোৱাৰ বাবেই হয়তো, কবি গৰাকীৰ বিচ্ছিন্ন, কোনো তৰ্কাতীত (Unquestionable) কাব্যাদৰ্শ, অনুভূতি-সৰ্বস্ব (emotionist) হোৱাৰ বোধহয় এটা প্ৰধান কাৰণ। কবিৰ ইতিহাসবোধত বিশ্বাসো আনকি এটা স্ববিৰোধী অৱস্থান। সেইটো তেওঁৰ 'জীৱন ধৰ্মী' সাৰগ্ৰাহী বিদ্ৰোহৰ অন্যতম কৃতি। কবিৰ তেনে সাধনা লব্ধ আৱিষ্কাৰে অৱশ্যে আমাক চমক নুনুৱাকৈ নেথাকে। 'যিহকে নাপালোঁ, সেয়েহে ভাল ? (কিছুমান পদ্য...... পৃঃ ১১)।

## আঠ

কবিতাৰ এটা নিজস্ব, স্বাধীন সত্তা আছে বুলি কবি গৰাকীৰ আত্মবিশ্বাস ইমানেই দৃঢ় যে নিজকে তেওঁ আনকি অপ্ৰগতিবাদী (Antiprogressive) বুলি কবলৈকো কুণ্ঠাবোধ নকৰে। তেওঁ 'বিপ্লৱ' (revolution) এইবাবেই বেয়া পাবলৈ শিকে যে শেষত গৈ সি 'বিদ্ৰোহৰ (rebellion) বিৰোধী হয়। ধাৰণা হয়, আলবে'ৰ কেম্যুৰ এনে উপলব্ধি কবিয়েও মনে-প্ৰাণে গ্ৰহণ কৰিছে। কিয়নো বিপ্লৱ সুপ্ৰতিষ্ঠিত হয় এটা সভ্যতাৰ পৰিবেশত। মানৱীয়তাৰ দাবী, সেই সভ্যতাৰ পৰিবেশ গঢ়িবলৈ কবি গৰাকীৰ কিন্তু কোনো আগ্ৰহ নাই। স্থূল মাৰ্ক্সবাদী বিদ্ৰোহৰ দৰেই কবি ইয়াত জনতাৰ কোলাহলৰ পৰা বিচ্ছিন্ন; জনগণক বিশ্বাসত লোৱাৰ, মানৱতাৰ প্ৰতি আস্থা প্ৰকাশ কৰাৰ কোনো ইংগিত ইয়াত নাই। তেনেহ'লে কবিৰ সাৰ্থকতা ক'ত ? হয়তো আছে। সেই মানৱতাবোধ আমি দেখা নেপাওঁ। সি মুষ্টিমেয় জনৰ দখলত। 'সেয়েই ভাল' ! কিয়নো, তেওঁৰ সাৰগ্ৰাহী দৃষ্টিত অত্যাচাৰী শাসন বা আতংকৰ পৰিধি চিৰন্তন প্ৰবহমান- অপৰিবৰ্তনীয়ও হয়তো ! পুঁজিবাদৰ লেকেটো জীৱই হয়তো তেওঁক 'নীৰৱ বিদ্ৰোহ'ৰ দৰ্শন মানি চলিবলৈ বাধ্য কৰাইছে। (ই অৱশ্যে আধুনিক চিন্তাৰো এটা প্ৰধান বৈশিষ্ট্য) : "জীয়াই থাকিবলৈ আৰু মৰিবলৈ শিকা, আৰু মানুহ হ'বৰ কাৰণেই দেৱতা হ'বলৈ অমান্তি হোৱা...... আমি বাচি লম ...... প্ৰাঞ্জল কৰ্ম-কাণ্ড,

সতৰ্কতা : ধুঁপাত খোৱা স্বাস্থ্যৰ কাৰণে হানিকাৰক।

যি মানুহে হৃদয়ংগম কৰিব পাৰে তেনেকুৱা মানুহৰ ঔদাৰ্য ..... আমাৰ ভাই বিলাকে আমাৰ লগত একে আকাশৰ তলতে উশাহ-নিশাহ লয়, ন্যায়-নিষ্ঠা জীৱন্ত" ( 'সাহিত্যৰ বিষয়ে', পৃঃ ৮৩-৮৪) এনে উপলব্ধি কি চৰিত্ৰৰ মানৱতাবাদী ? কবিয়ে গাইছে ঃ

মোৰ কোনো দৰকাৰ নাই
চেনৰ বুকুত বুৰঞ্জীৰ নাও ভহা চোৱা
মই চাব খোজো অপলক অচেতন ভাবে
বাঁহৰ পাতৰ ওপৰেদি বেলি লহিওৱা ।
*(চেনৰ পাৰত)*

সাধনা বস্তু নিৰপেক্ষ
কল্পনা শূন্যতাৰ
মনন স্তম্ভনলৈ উদ্দিষ্ট
যুক্তি বিক্ষিপ্তিৰ মাৰ্গ ।

কিন্তু নিজৰে মুখৰ ছবি আইনাত নিচিনাৰ দৰে,
ঘৰৰ বাটকে যদি পাহৰি পেলাওঁ ?

আৰু শুনা । সত্ত্বাৰ ৰক্ষাৰ বাবেই
সত্ত্বাৰ অস্তিত্ব অস্বীকাৰ ।
(স্কিজোফ্ৰেনিয়াৰ বিষয়ে)

আজি আকৌ মেজাংকৰীৰ এঙা চোলা পিন্ধি ৰ'দ লৈছো
মূৰৰ মথুৰা পাগ (পকা চুলি ঢাকিবলৈ)
যিহকে নাপালোঁ সেয়েতো ভাল ?
*(আজি আকৌ মেজাংকৰীৰ .....)*

মৰাৰ আগেয়ে লেখি যাব খুজিছিলো-
সত্যৰ প্ৰতি মোৰ নিস্পৃহাৰ কথা
(পূৰ্ণ সত্য একমাত্ৰ পূৰ্ণতাত জ্ঞাত)
*(পাঠকলৈ বিদায় সম্ভাষণ)*

ভাবাদৰ্শগত স্বাধীনতাৰ দৃষ্টিকোণেৰে, বৈজ্ঞানিক যুক্তিবাদৰ বিৰুদ্ধে, এনেকুৱা "হৃদয়বান", "জীৱনধৰ্মী" সংশয়বাদ আৰু "সত্যবাদী" জীৱনবোধ, আমাৰেই জীৱন্ত অনুভূতিৰ আত্মীয় নে ? বৰ্তমানৰ সভ্যতা-সংস্কৃতি জানো ভাবাদৰ্শৰ নৈৰাজ্যৰ বশ্যতা স্বীকাৰৰেই বহতীয়া সভ্যতা-সংস্কৃতি ? কিয়নো, "শব্দৰ লগত যুদ্ধত তেওঁ হাৰিছে ?" "কায়দা কৰি কথা কোৱাৰ, ছাঁয়াৰ ছায়াঁবাজীত তেওঁ হাৰিছে ?" প্ৰশ্ন উঠে, অসমক "গোঁৱাৰৰ দৰে" ভালপোৱাৰ কি সুফল আমি ভোগ কৰিছো ? তেওঁৰ ইচ্ছাৰ বিপৰীতেও (?), সাহিত্য একাডেমীৰ বঁটাৰে অসমলৈ সুনাম কঢ়িয়াই অনাটোৱেই সেই ভালপোৱা প্ৰতিপন্ন কৰে নেকি ? বঁটা লাভৰ পিছতেই দূৰদৰ্শনৰ এক সাক্ষাৎকাৰত কবিজনাই এই বঁটা ৰাষ্ট্ৰৰ পৰা পোৱা বাবে ভাল পোৱা নাই বুলি কৈছে । কিন্তু বিপৰীতে, ৰাষ্ট্ৰই প্ৰদান কৰা উপঢৌকন গ্ৰহণ কৰাত তেওঁৰ আপত্তি নাই । কাৰণ ধনৰ তেওঁৰ প্ৰয়োজন । অৰ্থাৎ বস্তুগতভাবে তেওঁ পৰাধীন আৰু বস্তুৰ লগত নিৰ্দ্দিষ্ট সম্পৰ্কেৰে সম্পৰ্কিত । কিন্তু মনৰ ফালৰ পৰা, ভাবগত ভাবেহে তেওঁ 'স্বাধীন'- কিয়নো সন্মানটো তেওঁ প্ৰত্যাখ্যান কৰিবলৈ পালে ভাল পাব । এতিয়াও কবি গৰাকীয়ে সংস্কৃতিৰ অৱগুণ্ঠিত সামাজিক প্ৰতিক্ৰিয়া বুজি নোপোৱাকৈ আছেনে ? এই ক্ষেত্ৰত তেওঁ হেনো ফৰাচী কবি বদলে'ৰ যুক্তি মানি চলিবলৈ ভাল পাব ঃ "ভূষিত হ'বলৈ সন্মতি দিয়া মানে ইয়াকে মানি লোৱা যে ৰাষ্ট্ৰৰ বা ৰজাৰ অধিকাৰ আছে যে আপোনাক বিচাৰ কৰাৰ" (ব্ৰহ্মপুত্ৰ ইত্যাদি পদ্য', মুখবন্ধ, পৃঃ১) । কবিৰ সাৱগ্ৰাহিতাৰ বিৰোধে ইয়াত চৰম সীমা পাইছে ! নকলেও চলিব যে সামাজিক প্ৰভাৱৰ পৰা (ইয়াৰ ভিতৰত সমালোচনাও পৰিব) কবি গৰাকী হাত সৰাৰ কোনো উপায় নাই । হয়তো পুৰস্কাৰৰ টকাখিনি গ্ৰহণ নকৰা হ'লেও, কবিৰ এটা মানৱীয়' দাবী অন্ততঃ, কিছুপৰিমাণে হ'লেও, তেওঁৰ নিৰ্ভেজাল গোৱাৰামিৰ ৰূপত অক্ষুণ্ণ থাকিলহেঁতেন । বাস্তৱত সেইটো অৱশ্যে সম্ভৱ হৈ নুঠিল । অধিক মন্তব্য নিষ্প্ৰয়োজন ।

প্ৰশ্ন উঠে ৰাষ্ট্ৰৰ বিপৰীতে পাঠকৰ দ্বাৰাও বিচাৰ হোৱাটো তেওঁ নিবিচাৰে নেকি ? অসহায়, গৰিষ্ঠ সংখ্যক পাঠকৰ প্ৰতি চৰম ঔদাসীন্যৰ প্ৰচ্ছন্ন ভাৱনাই হয়তো তেওঁৰ পক্ষত । কিন্তু কিয় আমি জানো বুজি নেপাওঁ ? স্বৰ্গীয় ভবানন্দ দত্ত জীয়াই থকা হ'লে এই প্ৰশ্নৰ উত্তৰ তেঁৱেই যথোচিতভাবে দিব পাৰিলেহেঁতেন । এটা সন্দেহ আমাৰ মনত সততেই ৰৈ যায় যে কবিৰ আত্মকেন্দ্ৰিক জীৱনৰ সীমাবদ্ধ ধাৰণাবলয়ত বোধহয় এনে উপলব্ধি কেতিয়াও হোৱা নাই অথবা হৈছে যদিও তাক ধূসৰ কৰা হৈছে যে, কবিতাক সামাজিক সাজপাৰেৰে ব্যক্তিৰ নিজৰ সম্পত্তি নহয়; অন্তিম বিচাৰত, সি সমাজৰহে সম্পত্তি । ভূষিত হ'বলৈ নিবিচাৰিলেও কবিতাৰ সামাজিক প্ৰতিক্ৰিয়াৰ পৰা ৰক্ষা পৰাৰ কোনো উপায় কবিৰ নাই । নিৰলাৰ প্ৰতি হাবিয়াস আৰু ৰাজহুৱা ভাবাবেগৰ প্ৰতি চৰম বিশ্বাসহীনতাৰ কি সত্য অভিজ্ঞতা কবিৰ অন্তৰত উপলব্ধিৰ জৰিয়তে এতিয়াও জীৱন্ত হৈ আছে ? অসমক গোঁৱাৰৰ দৰে ভালপোৱাৰ অৰ্থ এয়ে নেকি যে মাত্ৰ দুশজনমান কাব্যৰসিক পাঠকৰ বাহিৰে অসমৰ গৰিষ্ঠ সংখ্যক জনসাধাৰণ স্থূলবুদ্ধিৰ অসমৰ্থৰ দল ? "Art-form" ৰ লগত পৰিচয় ঘটাৰ কোনো 'সম্ভাৱনা তেওঁলোকৰ নাই ? কবি গৰাকীৰ সিদিনাৰ দূৰদৰ্শনৰ সাক্ষাৎকাৰত আধুনিক কাব্যিক আত্মম্ভৰিতাৰ যথেষ্ট প্ৰমাণ পোৱা গ'ল । ভাবাদৰ্শৰ স্বাধীনতাৰ অশৰীৰি বাহুবলত আমি কিন্তু হতবাক ।

ন

বিজ্ঞানৰ আপেক্ষিক সীমাবদ্ধতাৰ বাবেই হয়তো সমাজত ভাবাদৰ্শৰ স্বতন্ত্ৰ গতিবিধি আৰু সংগতি- এই কথা স্বৰ্গীয় ভবানন্দ দত্তই কৈছিল । কবিগৰাকীৰ অনুৰাগী পাঠকৰ মনত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ব যদিও ধাৰণা কৰিব পাৰি যে, শ্ৰীঅজিৎ বৰুৱাৰ কবিতাৰ প্ৰেৰণাও আধুনিক সভ্যতাৰ বিবৰ্তনশীল বলবান প্ৰমূল্য সমূহৰ পৰা উদ্ভূত নোহোৱাৰ বাবেই, তাৰ ঠাই অধিকাৰ কৰিছে সাহিত্য ইতিহাসৰ, অতীতবোধৰ, আত্মপ্ৰত্যয়হীন 'নতুন সমালোচনা'ৰ ৰূপগত (Formalist) সচেতন সাহিত্যিক আদৰ্শই । হয়তো সাহিত্য কলাৰ এই ধৰণৰ বিশ্বজনীনতা, তাৰ ধাৰাবাহিকতা অৱধাৰিত- ই চিৰন্তনভাবেই কোনো মুখ্য আৰু চিৰায়ত মনোজগতৰ প্ৰতিফলন । এই পৰিস্থিতি সলনি হোৱাৰ কোনো আশা নাই । কেম্যুৰে ভবাৰ দৰেই শিল্পকলাত বিদ্ৰোহী মানুহৰ ৰূপ লবলৈ বোধহয় সেয়ে সৎ সাহিত্যিকৰ প্ৰচেষ্টা হ'ব- সেই আদৰ্শত তাক সংঘটিত আৰু চিৰস্থায়ী কৰিবলৈ সৃষ্টি কাৰ্যত প্ৰবৃত্ত হোৱা- বক্তব্যকো আন বিষয়ৰ লগত সমান স্থান দিয়া সামাজিক সমালোচনাৰ প্ৰতি বৈৰাগ্য প্ৰকাশ কৰা । যুক্তিহীনতাৰ যুক্তি, জীৱনৰ অৰ্থহীনতাৰ অৰ্থ প্ৰতিষ্ঠাৰ কৰা । কাব্যত বিজ্ঞানে সহজে ধৰিব নোৱৰা ৰূপৰস গন্ধ বৰ্ণময় বিশেষ বাস্তৱ ধৰা পেলোৱা আৰু তেনে উপায়েৰেই জাককৰা জীৱনৰ কোলাহলৰ মাজত হেৰাব খোজা আমাৰ আত্মিক পৰিচয় সক্ৰিয় কৰি ৰখা, ইত্যাদি ।

ব্যক্তিৰ ভাবাদৰ্শগত স্বাধীনতাৰ মাপকাঠিৰে জুখিলে সেয়ে কবি গৰাকীৰ নিষ্ঠাবান সাধনা আপাততঃ সফল যেন লাগিলেও, গতিশীল নানান অমংগলীয়া দ্বন্দ্ব সংঘাতেৰে জৰ্জৰিত, আধুনিক সমাজৰ অংশীদাৰ এজন জীয়া মানুহ হিচাপে কবি শ্ৰীঅজিৎ বৰুৱাৰ কৃতিত্ব কোনো সুকীয়া, বিচ্ছিন্ন পৰ্যায়তহে উল্লেখযোগ্য । কেম্যুৰ দৰে সাধনাৰ সিদ্ধি সম্পৰ্কে (আনকি বিপৰীত তাবাৰ্দৰ শিবিৰতো হয়তো) যি কবি সংশয়াচ্ছন্ন, সীমাৰ মাজত 'সৃষ্টি'ৰ বিদ্ৰোহেই যাৰ লক্ষ্য, তাক হয়তো 'সমাজে' সস্নেহে গ্ৰহণ কৰিব, স্বীকৃতিও দিব । ভাবাদৰ্শৰ স্বাধীনতাৰ অপাৰ মহিমা! কবি শ্ৰীঅজিৎ বৰুৱাৰ মননশীলতাই যদি আমাৰ সাহিত্যত এক নতুন মাত্ৰা সংযোজিত কৰিছে- তাক সৎ সাহিত্যৰ প্ৰয়োজনীয়তা মাপকাঠি হিচাপেই স্বীকৃতি নিদিওঁ কিয় ? তেনে হৃদয়বান মননশীলতাই কি । আমাৰ সাহিত্যিক আদৰ্শ হ'ব নোৱাৰে ? আমিও মানুহ, "মতান্ধ" যন্ত্ৰ নহয় । মন মোৰো উগুল-থুগুল- মানৱীয় বৈচিত্ৰ্য নহয়, ভাবাদৰ্শৰ নৈৰাজ্যহে এতিয়া আমাৰ দশা । তাৰ পৰা হয়তো আমাৰ কোনো নিস্তাৰ নাই । চৰম সংশয়বাদৰ প্ৰকাশেই কি আমাৰ শেষ দশা হ'বগৈ নেকি ?

প্ৰশ্ন উঠে, কবি গৰাকীৰ 'পৰম' সাধনা ইমান সহজতে ফুঁ মাৰি উৰাই দিব পৰা বিধৰ নে ? গভীৰভাবে অনুধাবন কৰিব পাৰিলে ধৰা পৰিব যে পূৰ্ব-নিৰ্দ্দিষ্ট নহলেও, কবিৰ এটা বিশেষ স্ব-সংগত জীৱনবোধেই তেওঁৰ কবিতাৰ ভিত্তিও ৰচনা কৰিছে । কি সেই জীৱনবোধ ? জীৱন সম্পৰ্কে কবিৰ নিজস্ব ধাৰণা বলয়ত আছে কি ? আমোদজনকভাবে, মানুহৰ জীৱনত বৈজ্ঞানিক দৃষ্টিভংগী আৰু দৰ্শনৰ প্ৰয়োজনীয়তা তথা ব্যক্তি মাত্ৰেই নিজ নিজ ইচ্ছা অনুসৰি দৰ্শন গ্ৰহণৰ স্বাধীনতাৰ দ্বন্দ্বয়ো কবি গৰাকীৰ কাব্যিক ধ্যান-ধাৰণাক এক ব্যতিক্ৰম চৰিত্ৰ প্ৰদান কৰিছে । মোৰ ব্যক্তিগত ধাৰণা প্ৰবল যে, ফৰাচী লেখক আৰু দাৰ্শনিক আলবে'ৰ কেম্যুৰ জীৱনাদৰ্শৰ দ্বাৰাই কবিৰ জীৱন -দৰ্শন অধিকভাবে প্ৰভাৱিতঃ "অনন্ত যাত্ৰা চিৰ নিস্পন্দিত" (ব্ৰহ্মপুত্ৰ) অথবা "হে মোৰ আত্মা, অনন্ত জীৱনলৈ আকাংক্ষা নকৰিবা, সম্ভাব্যৰ ক্ষেত্ৰ নিঃশেষ কৰা" ("সাহিত্যৰ বিষয়ে', পৃঃ ৬৬) । পথভ্ৰষ্ট পথিকৰ বাবে এয়াই কি অন্তিম বাণী, বৈচিত্ৰ্য আৰু নৈৰাজ্যৰ মাজৰ সেয়াই কি জীয়াই থকাৰ একমাত্ৰ অৱলম্বন নে সাৰ্থক কবিতাৰ লগত এই দুয়োটা প্ৰয়োজনীয়তাৰেই, কোনো প্ৰকাৰেই সম্পৰ্ক নাই ?

কিন্তু তেওঁ কি সম্ভাব্যৰ ক্ষেত্ৰ নিঃশেষিত কৰিবলৈ বদ্ধপৰিকৰ ? আধুনিক সভ্যতাত সমাজ বিকাশৰ বৰ্তমান সন্ধিক্ষণত, শিল্পী সাহিত্যিকৰ দুই ধৰণৰ ভূমিকা সম্ভৱ হ'ব পাৰে । প্ৰথম হ'ল- নানান ভাবাগত মায়াজালৰ মাজত অৱস্থান কৰি (বিষয়নিষ্ঠ বাস্তৱেই যে অভিজ্ঞতাৰ ভিত্তি, সেই কথা অস্বীকাৰ কৰি) ভাববাদী 'যুক্তি' আৰু অবাধ স্বাধীনতাৰ আলমত স্থিতাৱস্থাবাদী দৃষ্টিভংগী গ্ৰহণ (বিদ্ৰোহৰ আত্মশ্লাঘাও ইয়াৰ অন্তৰ্গত) আৰু কবিতাৰ কলা-কৈবল্যগত (Arts for art's sake) চৰ্চা- কেৱল অনুভূতি আৰু বুদ্ধিগত অনুশীলনৰ (emotionism) ওপৰত গুৰুত্বদান, যিটোক কোনো এক বিশেষ অৰ্থত বহুতেই হয়তো বিকাশশীল (evolutionary) kলিও ক'ব পাৰে । দ্বিতীয়তে, স্থিতাৱস্থা ভংগ কৰি (অভ্ৰান্ত সত্যৰ সুযোগ ঐতিহাসিকভাবে সীমিত বুলি জানিও, জ্ঞানৰ আপেক্ষিকতাৰ বিপৰীতে বিষয়নিষ্ঠ সত্যক স্বীকাৰ কৰি) আগবাঢ়ি যোৱা যুগৰ ৰাজহুৱা আহ্বানৰ প্ৰতি সহাঁৰি জনোৱা আৰু বৈপ্লৱিক (Revolutionary) মুক্তিৰ প্ৰতি, বৈজ্ঞানিক দৃষ্টিভংগীৰ প্ৰতি আনুগত্য প্ৰকাশ কৰা । কোৱা বাহুল্য হ'ব যে যিকোনো ধৰণৰ অভিজ্ঞতাবাদ আৰু দৃষ্টবাদ আকোঁৱালি নোলোৱাকৈ, বৈজ্ঞানিক যুক্তিবাদৰ প্ৰভাৱত মনৰ আত্মসংযমৰ (আত্মসমালোচনাত) প্ৰবৃত্ত হ'ব পাৰি । বহুতো কবিয়েই হয়তো প্ৰশ্ন তুলিব, ভাবাদৰ্শগত সংযমৰ নিৰ্দ্দেশ মানি নচলাসকল কবি হ'ব নোৱাৰে নেকি ? উত্তৰত ক'ব পাৰি যে মনৰ সংযম নহলেও চলে, ভাষাৰ সংযমৰ দ্বাৰাও মননশীল কবি যে হ'ব পৰা যায় । তেনে কবি কিন্তু সদায়েই আত্মপ্ৰত্যয়হীন আৰু এটা গুৰুত্বপূৰ্ণ সমস্যাৰ পৰা তেওঁলোকে কেতিয়াও অব্যাহতি নেপায় । বিবেক দংশনে তেনে কবিক অহোৰাত্ৰি এই প্ৰশ্নৰ মুখামুখি হ'বলৈ বাধ্য কৰাব যে কাব্য সৃষ্টিত সামাজিক পৰিণাম সচেতন সংযমৰ স্থান নাই নেকি ? কি উত্তৰ দিব তেওঁলোকে ? তেওঁলোকৰো অৱস্থা হব এৰিষ্টোফেনিচৰ (Aristophenes) 'ডাৱৰ' (The clouds) নাটকৰ চক্ৰেটিছৰ দৰে ।

যিহেতু "art content" তকৈ "art form" ৰ প্ৰতিয়েই কবি শ্ৰীঅজিৎ বৰুৱাৰ আগ্ৰহ বেছি,- 'নতুন শিল্পকলা সৃষ্টিৰ প্ৰতি তেওঁৰ কোনো আগ্ৰহ নাই, কোনো উৎসাহ নাই । ই তেওঁৰ, বিশিষ্ট স্ব-সংগত জীৱন-দৰ্শনৰ প্ৰভাৱত গঢ় লোৱা 'মনোবৃত্তি' । তেওঁৰ নিজস্ব ধাৰণা, তেওঁ কলাৰ চিৰায়ত মনোজগতৰ প্ৰতি শ্ৰদ্ধাশীল এজন নীৰৱ সাধক । প্ৰকৃত অৰ্থত হয়তো এজন নীৰৱ, অক্লান্ত বিদ্ৰোহীও (Rebel) এই বিদ্ৰোহ কাৰ বিৰুদ্ধে ? অনুসন্ধান কৰিলে লক্ষ্য কৰিব পাৰি যে, এই বিদ্ৰোহ, সকলো ধৰণৰ ত্ৰাণ-সম্ভাৱনাৰ বিৰুদ্ধে (কিয়নো 'পূৰ্ণ সত্য একমাত্ৰ পূৰ্ণতাত জ্ঞাত'!) কবিয়ে নিশ্চয় বুজি পায় সাহিত্যতো পৰিবৰ্তনেই অপৰিবৰ্তনীয় সত্য । কথাষাৰ ইতিহাস সন্মতো । কবিয়েও কৈছে- "Like Albert Camus I also demand a right to change my opinion" 1r[ 'opinion' ভাবাদৰ্শৰ পৰিবৰ্তন নে অন্য কিবা বেলেগ বস্তু ? বিষয়নিষ্ঠ সত্যৰ প্ৰতি 'সংযমী পৰিবৰ্তন নে, মনৰ স্বাধীনতাৰ 'ছাঁয়াবাজী' ? এই পৰিবৰ্তন হয়তো এইবাবেই যে অতীতৰ সাহিত্য বৰ্তমানো উপভোগত আমাৰ অসুবিধা নহয়; কিয়নো অপ্ৰতিৰোধ্য বিকাশেও পৰিবৰ্তন কৰিব নোৱৰা কিছুমান উপাদান সাহিত্য-কলাৰ চিৰন্তন উপাদান । সেয়ে বুৰ্জোৱা মনস্তত্ত্ববিদ কাৰ্ল য়ুঙ (Karl Jung) অথবা স্বভাৱগত গোঁৱাৰৰ দৰেই তেঁৱো ভাবে যে নিৰ্জ্ঞাত বা আনকন্চাচৰ সংজ্ঞাৰ্থ দিব পৰাৰ কোনো আশা নাই । মনে যেতিয়া কোনো এটা প্ৰতীকৰ আৱিষ্কাৰ প্ৰচেষ্টা চলায়, যি উপনীত হয়, এনে কিছুমান ধাৰণাত, যি বিলাক যুক্তিগ্ৰাহ্য নহয় । সেয়ে হয়তো আমাৰ কবিয়েও প্ৰত্যাবৰ্তন কৰিব খোজে সাহিত্যৰ ইতিহাসৰ কোনো 'অজ্ঞেয়বাদী সত্য'ৰ সাধক 'অমৰ ছহিদ' সকলৰ কাষলৈ, যাতে তেওঁ পুনৰ ঘূৰি আহিব পাৰে বৰ্তমানলৈ- 'মানুহ' হিচাপে জীয়াই থকাৰ পৰিতৃপ্তি লভিবলৈ । অৰ্থাৎ পৰিবৰ্তন যৌক্তিকতাৰ বিক্ৰিয়া হিচাপে ঃ মানুহ কেৱল যুক্তিবাদী হৈয়ে জীয়াই থাকিব নোৱাৰে । কিন্তু মাৰ্ক্সে আমাৰ কবিক কেতিয়া কৈছে, কেৱল যুক্তিবাদী হৈয়ে কিন্তু জীয়াই থাকিবলৈ ? সাধু কবিৰ এয়া কেনেকুৱা অসাধুতা ?

অজ্ঞেয়বাদী সত্যৰ প্ৰকৃত অভিব্যক্তি কি ? কবি গৰাকীয়ে যি ধৰণৰ সত্যৰ প্ৰতি আস্থা ৰাখে, সেই সত্যই তেওঁৰ নিজস্ব জীৱনবোধৰ ভিত্তি সুদৃঢ় কৰি তুলিব পাৰিছেনে ? কিন্তু যুক্তিবাদী, বিষয়নিষ্ঠ সত্যৰ দাবীতেই, কাব্য-চৰ্চা হ'ল এটা সামাজিক কাম (Art is a social function) কিয়নো আনকি শ্ৰীঅজিৎ বৰুৱাৰ নিচিনা কবিসকলে, যি 'মানসিক' দৃষ্টিভংগীৰে কাব্য-চৰ্চা কৰে, সেই মুষ্টিমেয় সমাজতো, সামাজিক সত্তাৰ (Social being) ব্যতিক্ৰম ব্যক্তিগত অভিজ্ঞতাৰ ভিত্তিয়েই হ'ল এটা সামাজিক বাস্তৱতা (Social reality) m নৈসৰ্গিক কাৰ্যকাৰণৰ লগত তাৰ সম্পৰ্ক ওতঃপ্ৰোত । যি সংশ্লেষণ (Synthesis) প্ৰক্ৰিয়াৰ দ্বাৰা তেওঁ 'বিশুদ্ধ' শিল্পৰ অভিজ্ঞতা (অভিজ্ঞতাবাদ) ৰূপায়িত কৰে, তাৰো মূলতে থাকে এটা সামাজিক বাস্তৱতা । কবিৰ স্ব-নিয়োজিত (self determined) স্বাধীনতাৰ ধাৰণাই 'মায়া'ৰ সৃষ্টি কৰি, 'বিশুদ্ধ' শিল্পৰ ধাৰণা কবিক দিয়ে । মনৰ সক্ৰিয় চৰিত্ৰৰ বলত জাগ্ৰত কাব্যিক অভিব্যঞ্জনাত মতলীয়া কবিয়ে পাহৰি যায় যে সমাজৰ মাজত অৱস্থান কৰি তেওঁ কেৱল এজন 'স্বাধীন' শিল্পীয়েই নহয়, এজন 'পৰাধীন' সামাজিক মানুহো । কাব্য-চিন্তা আৰু কাব্য চৰ্চা যে কেৱল ব্যক্তিগত বুদ্ধিগত খেয়ালখুচী (সভ্যতাৰ 'অজ্ঞেয়বাদী' পৰিশুদ্ধিবোৰো তাৰ অন্তৰ্গত) প্ৰকাশৰ 'মুখা'ই নহয়; তাৰ অন্যান্য সামাজিক প্ৰতিক্ৰিয়াও লক্ষ্য কৰিব পাৰি- এই সম্পৰ্কে শিক্ষিত সমাজতো বোধহয় খুব কম মানুহহে সচেতন । প্ৰায়েই ভাব হয়, কবি শ্ৰীঅজিৎ বৰুৱাও এই দিশত সিমান সচেতন নহয় । সাহিত্য একাডেমীৰ বঁটা লাভ কৰাৰ পিছত, তেওঁ যিবোৰ উক্তি কৰিছে সেইবোৰ এনে আপাত সত্যৰ অন্যান্য উদাহৰণ । তেনেক্ষেত্ৰত, সামাজিক প্ৰতিক্ৰিয়া ৰূপত, নিবিচাৰিলেও, ৰাজন্যৰ দানে তাত সহযোগৰ সম্ভাৱনা অৱশ্যম্ভাৱী কৰি তোলে ।

সেয়ে কবি, শ্ৰীঅজিৎ বৰুৱা ব্যক্তিগতভাৱে নিৰলাৰ কবি হ'লেও ৰাজহুৱা স্বীকৃতিৰ প্ৰতি বিশেষ আগ্ৰহী নহলেও কবি গৰাকীৰ ৰাজহুৱা মূল্যায়ন এইবাবেই প্ৰয়োজন হৈ পৰিছে যে তেওঁৰ কাব্য চৰ্চাক সুস্থ ব্যক্তিয়ে কেতিয়াও স্থূল চিন্তাৰ সাংবাদিকতা বুলি অনাদৰ কৰিবলৈ যদিও সাহস নকৰে; তথাপিতো, কবিৰ অজ্ঞাতেই (অজ্ঞেয়বাদী সত্যৰ সামাজিক পৰিণাম !) তাৰ সুদূৰপ্ৰসাৰী সামাজিক প্ৰতিক্ৰিয়াই, নতুন কাব্য সৃষ্টিৰ পথ-প্ৰদৰ্শকৰ উদ্যমতেই চেঁচা পানী ঢলাৰ আশংকা ৰৈ যায় । কিয়নো, সকলো ব্যক্তি-স্বাতন্ত্ৰ্যবাদী ভাবাদৰ্শৰ অচলা নিষ্ঠাই যে সংস্কৃতি প্ৰয়াসী আৰু নৈৰাজ্যবাদ বিৰোধী কাব্যাদৰ্শৰ প্ৰেৰণা নিশ্চিত কৰিব পাৰে- তেনে ভৰসাৰো কোনো গেৰান্টি নাই ।

# নামঘোষা শঙ্কৰদেৱবাদ (Sankardewism)ৰ প্ৰচাৰক

বিপুল কুমাৰ মহন্ত

নৱবৈষ্ণৱ ধৰ্ম আন্দোলনৰ অন্যতম প্ৰৱৰ্তক মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰিয়তম শিষ্য মাধৱদেৱৰ ভক্তিকাৰুণ্যময় আধ্যাত্মিক জীৱনৰ প্ৰাজ্ঞ অভিজ্ঞতাৰ ছন্দোময় প্ৰকাশ 'নামঘোষা'ক কথাৰূপ, পদ, মূল আৰু ভাটখাওে পদ্ধতিৰ সুৰ-চানেকিৰে অভিনৱ ৰূপ প্ৰদান কৰিছে শঙ্কৰী যুগৰ সাহিত্যৰাজিৰ আলোচক, গৱেষক-পণ্ডিত ড° কেশৱানন্দ দেৱ গোস্বামীয়ে। মধ্যযুগীয় ইউৰোপীয় সাহিত্যিকসকলৰ বিশ্ববন্দিত সাহিত্যকৃতিৰ অধিকাংশকে পৰৱৰ্তীকালৰ গৱেষক-পণ্ডিতসকলে পুনৰ্বীক্ষণ তথা পুনৰীক্ষণৰে সম্পাদনা কৰাৰ দৰে, ড° গোস্বামীয়ে শঙ্কৰোত্তৰ আধুনিক কালৰ পটভূমিকাত পাঁচশ বছৰৰ প্ৰাচীন 'নামঘোষা' গ্ৰন্থৰ স্বকীয় মূল্যায়ন কৰিছে – য'ত বিষয়বস্তুৰ ধ্ৰুপদী মহত্ব, ভাবৰ গাম্ভীৰ্য আৰু অধ্যাত্মসাধনৰ দৰে গূঢ়, বিশিষ্ট বিষয়সমূহ তিলমানো মলিন হোৱা নাই; বৰঞ্চ ড° মহেন্দ্ৰ বৰাৰ ভাষাৰে, "'নামঘোষা' একেবাৰে পাগত উঠিছে, চকুচৰহাসকলে যিয়েই নকওক

জনসাধাৰণৰ আধ্যাত্মিক উৎকৰ্ষসাধন আৰু সামাজিক চৈতন্যৰ জাগৰণৰ বাবে প্ৰচাৰিত নৱবৈষ্ণৱ ধৰ্মৰ মূল আদৰ্শ প্ৰচাৰৰ মাধ্যম বৈষ্ণৱ লিখিত সাহিত্যৰাজিৰ ভিতৰত 'নামঘোষা'ৰ স্থান, ধৰ্ম, দৰ্শন, ভক্তিমাৰ্গ আৰু অধ্যাত্মসাধন, কেউদিশৰে পৰা অনন্য। মাধৱদেৱৰ পাণ্ডিত্য, শাস্ত্ৰজ্ঞান, কবিত্ব প্ৰতিভা, ধৰ্মীয় মতবাদ, আধ্যাত্মিক ভাবাদৰ্শ আৰু অভিজ্ঞতা, স্ব-উপলব্ধ সত্যৰ স্বৰূপ 'নামঘোষা'ত শৰণ, তুতি, কাকূতি, অনুনামনা, আত্মনিন্দা, খেদ, অনুখিতা, প্ৰাৰ্থনা আদিৰ ৰূপত প্ৰাণস্পৰ্শীভাবে প্ৰকাশিত হৈছে। 'দীন মাধৱ', 'মূৰুখ মাধৱ', 'দাসৰো দাস', 'পতিত-পামৰ' মাধৱৰ যি আত্মলঘিমাৰ প্ৰকাশ – তাৰ বিশিষ্টতা অন্যত্ৰ বিৰল। সেয়েহে হয়তো ভাৰতীয় জাতীয় সাহিত্যত গীতা আদি বেদান্তৰ যি স্থান, অসমীয়া জাতীয় সাহিত্যতো 'কবি পৰিচয় – প্ৰচাৰ বিমুখ' মাধৱদেৱ আৰু তেওঁৰ 'নামঘোষা'ৰ সেই একে মহৎ স্থান। একাধাৰে, অসমত প্ৰৱৰ্তিত নৱবৈষ্ণৱ ধৰ্মৰ (ড° মহেশ্বৰ নেওগদেৱৰ আখ্যাৰে শঙ্কৰদেৱবাদ বা Sankardewism) দৰ্শনৰ পৰিচায়ক, বৈষ্ণৱ কবি-সাহিত্যিকসকলৰ সংঘাতময় কালৰ প্ৰভাৱ বিজৰিত, কৃষ্ণ ভক্তি ৰস মাহাত্ম্য, আৰু আধ্যাত্মিক জীৱনৰ ভক্তিকাৰুণ্যময় উপলব্ধিৰ প্ৰতিবিম্বন ছন্দোৱদ্ধ ভাষাৰ প্ৰাঞ্জলতাৰে প্ৰকাশ কৰাত সক্ষম গ্ৰন্থ 'নামঘোষা'ত বাদে অন্য এখন নাই। বৈষ্ণৱ সাহিত্যিকসকলৰ নিৰ্দিষ্ট আদৰ্শ, তাৰ আনুষংগিক সীমাৱদ্ধতা, অ-শাস্ত্ৰীয় বিষয় গ্ৰহণ নকৰাৰ ক্লাছিকেল সংযম (classical reticence) আৰু 'সৰ্বগুণাকৰ' শঙ্কৰদেৱৰ 'মূল ৰাখিব পাৰিলে সজ' উপদেশৰ যথাযথ অনুসৰণৰ ফলস্বৰূপেই নামঘোষাত 'পৰম আনন্দ ৰসময় মহাভাগৱত গ্ৰন্থ', 'উপনিষদ ধেনু দুগ্ধ গীতামৃত' 'বিষ্ণু-বামণ-মৎস্য-স্কন্দ-ব্ৰহ্ম-ব্ৰহ্মাণ্ড-বৃহন্নাৰদীয়-স্বৰ্গ আৰু উত্তৰখণ্ডী পদ্মপুৰাণ' আদি পুৰাণসমূহৰ নিৰ্বাচিত শ্লোক; 'ৰামায়ণ', 'মহাভাৰত' আৰু 'ভাগৱত-ভাৱাৰ্থ-দীপিকা'ৰ উল্লেখযোগ্য শ্লোকসমূহৰ শাস্ত্ৰীয় সমাবেশ ঘটিছে। হেজাৰী ঘোষা আখ্যায়িত নামঘোষাৰ সেয়ে প্ৰায় ছশ (৬০০) ঘোষা শাস্ত্ৰীয় গণ্ডীৰ আৰু অন্যান্য চাৰিশ (৪০০) মাধৱদেৱক ধৰ্মীয়-আধ্যাত্মিক মাৰ্গ প্ৰদৰ্শন কৰোতা পুণ্যশ্লোক শঙ্কৰদেৱৰ স্মৃতি বিজৰিত স্বকীয় উপলব্ধিৰ কাৰুণ্যময় প্ৰকাশ।

'নামঘোষা' গ্ৰন্থখনি বৰ্তমানলৈকে কেইবাটাও ভাৰতীয় ভাষাত অনূদিত হৈছে। আচাৰ্য বিনোৱা ভাৱেই উচ্চ প্ৰশংসা সহকাৰে কৰা ইয়াৰ হিন্দী ভাঙনি আৰু পণ্ডিত নাৰায়ণ মিশ্ৰই কৰা পাণ্ডিত্যপূৰ্ণ, মননশীল ব্যাখ্যা এই প্ৰসঙ্গত উল্লেখযোগ্য। অসমীয়া ভাষাত বাপচন্দ্ৰ মহন্তৰ 'নামঘোষাৰ তত্ত্ব দৰ্শন', অমৃতভূষণ অধিকাৰীৰ পদানুশ্ৰিত টীকা, ধলৰসত্ৰৰ শ্ৰীতীৰ্থনাথ গোস্বামীদেৱৰ ব্যাখ্যা সম্বলিত সম্পাদনা, স্বামী কৃষ্ণানন্দ ব্ৰহ্মচাৰীৰ মূল শ্লোকসমূহৰ উদ্ধৃতিপূৰ্বক কৰা অসমীয়া ভাঙনি আৰু তাৰ ব্যাখ্যা, ড° মহেশ্বৰ নেওগদেৱৰ 'নামঘোষা'ৰ ঘোষাসমূহৰ মূল আৰু বৰ্ণিত অৰ্থৰ তাৎপৰ্য নিৰ্ণয় কৰাৰ প্ৰযত্ন মন কৰিবলগীয়া। ইংৰাজী ভাষালৈ নামঘোষাৰ সাৱলীল অনুবাদ কৰি গৈছে বেণুধৰ ৰাজখোৱাদেৱে। ৰামেশ্বৰ বৰুৱাই ৰাজখোৱাৰ সমসাময়িকভাবে 'নামঘোষা'ৰ পৰিচয়মূলক এখনি গ্ৰন্থ প্ৰকাশ কৰিছিল। পাঞ্জাবী আৰু উড়িয়া, এই দুয়োটা আধুনিক ভাৰতীয় ভাষালৈ 'নামঘোষা' অনুবাদ কৰিছিল, এসময়ৰ পাঞ্জাবী বিশ্ববিদ্যালয়ৰ শঙ্কৰদেৱ আসনৰ প্ৰতিষ্ঠাপক অধ্যাপক ড° কেশৱানন্দ দেৱ গোস্বামীয়ে। ড° গোস্বামীয়েই সম্প্ৰতি 'নামঘোষা'ৰ পদছন্দ আৰু গদ্যভাঙনি, সুৰ চানেকিৰ সংযোজন সহকাৰে প্ৰকাশ কৰি উলিয়াইছে।

প্ৰাক্‌শঙ্কৰী যুগৰ কবি মাধৱ কন্দলী, হৰিবৰ বিপ্ৰ আদিয়ে প্ৰৱৰ্তন কৰি থৈ যোৱা কৃত্ৰিম সাহিত্যিক ঠাঁচৰ ভাষাকে বৈষ্ণৱ যুগৰ কবি-সাহিত্যিকসকলে ব্যৱহাৰ কৰিছিল। 'নামঘোষা'ৰ ৰচকো এই দিশত ব্যতিক্ৰম নহয়। বিভিন্ন বিষয়ৰ বৰ্ণনত, ব্যৱহাৰ হোৱা বৰ্ণবৃত্ত ছন্দৰ পদ (পঢ়াৰ), ছবি, দুলড়ি আদি ছন্দ তথা কাব্য-ব্যৱস্থা, লেছাৰী বা দীৰ্ঘ-ত্ৰিপদী ছন্দসমূহৰ ব্যৱহাৰ, 'নামঘোষা'ৰ দেহবিচাৰত মন কৰিবলগীয়া। 'নামঘোষা'ৰ পদানুবাদত, পুৰণি সাহিত্যৰ বৰ্ণবৃত্ত ছবিছন্দৰ (৮+৮+১০; তিনি পৰ্ব) ৰূপান্তৰ ড° গোস্বামীয়ে কৰিছে এনেদৰে ঃ

মূল পাঠ ॥ ছবি ছন্দ ঃ

'দুৰ্লভ মনুষ্য-জন্ম   লভিয়া পশুৰ যোগ্য
বিষয়ৰ আশা পৰিহৰা।
সন্তৰ সঙ্গত বসি   সুখে হৰিগুণ গায়া
সন্তোষ অমৃত পান কৰা ॥' ২৭

ড° গোস্বামীৰ পদানুবাদ ঃ

'সহজে পোৱাতো টান মানৱ জনম
তেনেহেন জন্ম পাই পশুৱেও পাব পৰা
বিষয়ৰ আশা ত্যাগ কৰাতো উচিত
সন্ত সাধু সঙ্গ লৈ গাই হৰিগুণ
অমৃত পানেৰে তৃপ্ত কৰা চিত ॥' ২৭

ড° গোস্বামীয়ে কৰা গদ্যানুবাদ ঃ

'মানুহ জনমটো সহজে পোৱা নাযায় – ই বৰ দুৰ্লভ। তেনে জন্ম লাভ কৰি পশু জীৱনতো পাব পৰা বিষয় সুখৰ দৰে নিচেই সামান্য কথা পৰিহাৰ কৰা। সন্ত-সাধুসকলৰ লগত বহি হৰিগুণ গাই পৰম সন্তোষেৰে নামামৃত পান কৰা উচিত।' ২৭

মধ্যযুগীয় সাহিত্যত ব্যৱহৃত ছন্দসজ্জা আধুনিক কালৰ সাহিত্যৰ কাব্য-ব্যৱস্থাত পৰিহৃত হ'ল। বিষয়-বস্তুৰ গুৰুত্ব অনুসৰি ড° গোস্বামীয়ে এই কাব্য ব্যৱস্থা, দীৰ্ঘ-ত্ৰিপদী বা লেছাৰী ছন্দত নিৰূপণ কৰিছে এনেদৰে ঃ

মূল পাঠ ॥ লেছাৰী ছন্দ (১০+১০+১৪; তিনি পৰ্ব)

'কৃষ্ণ এক দেৱ দুখহাৰী
কাল মায়াদিৰো অধিকাৰী
কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ।
সৃষ্টি স্থিতি অন্তকাৰী দেৱ
তান্ত বিনে আন নাহি কেৱ
জানিবা বিষ্ণুসে   সমস্ত জগত সাৰ ॥
৫৮৭

ড° গোস্বামীকৃত পদানুবাদ ঃ

'কৃষ্ণইসে একমাত্ৰ দুখ দূৰ কৰোতা
দেৱতা
কালমায়া আদিৰো তেঁৱেই অধিষ্ঠাতা
কৃষ্ণৰ বাহিৰে আৰু
শ্ৰেষ্ঠ আন দেৱ কোনো নাই
স্ৰজন পালন নাশ কৰোতা তেঁৱেই
জগতৰ সাৰ বিষ্ণুৱেই।' ৫৮৭

গদ্যানুবাদ –

'কৃষ্ণই একমাত্ৰ দুখ দূৰ বা হৰণকাৰী দেৱতা। তেওঁ কালমায়া আদিৰো গৰাকী, কৃষ্ণৰ বাহিৰে আন কোনো উত্তম বা শ্ৰেষ্ঠ দেৱতা নাই। তেওঁ সৃজন পালন আৰু বিনাশ কৰোতা; তেওঁৰ বাহিৰে আৰু অন্য কোনো নাই। বিষ্ণুৱেই গোটেই জগতৰ সাৰ বস্তু বুলি জানিবা ॥' ৫৮৭

৬+৬+৮=২০ টা বৰ্ণৰে গঠিত দুলড়ি (দুলৰি) ছন্দ শ্ৰীমন্ত শঙ্কৰদেৱৰো অতি প্ৰিয় আছিল। 'নামঘোষা'ত ব্যৱহৃত এই ছন্দতো তিনিটাকৈ পৰ্ববিভাজন লক্ষ্যণীয়। ড° গোস্বামীয়ে, দুলড়ি ছন্দসজ্জাৰে লিখিত, ঘোষা সমূহৰ পদ্যানুবাদ আৰু গদ্যানুবাদ, (আৰু স্বৰলিপি) ছবি ছন্দ আৰু দীৰ্ঘ ত্ৰিপদী ছন্দত লিখিত ঘোষাসমূহৰ দৰেই অতি নিপুণতাৰে সম্পাদন কৰিছে। ড° গোস্বামীৰ দ্বাৰা 'নামঘোষা'ৰ ঘোষাসমূহৰ (১) পদ্যানুবাদ, (২) গদ্যানুবাদ আৰু (৩) স্বৰলিপি – এই ত্ৰি-স্তৰীয়কাৰ্য একত্ৰে সাধিত হৈছে। অনুবাদ (১ পদ্যানুবাদ আৰু ২ গদ্যানুবাদ) মাধৱদেৱ কৃত মূলৰ পৰা আঁতৰি নোযোৱা ধৰণৰ। পৰম্পৰাগতভাবে বৈষ্ণৱ কবিসকলে অনুকৰণ কৰি অহা ৰূঢ়িগত প্ৰতীক, কবি-প্ৰসিদ্ধি আৰু ৰূপকাদি অলংকাৰসমূহত অৰ্বাচীনত্ব আৰোপৰ দ্বাৰা যুগোপযোগী কৰি তোলাৰ প্ৰচেষ্টা দেখা যায়। লেখকৰ ভাষাৰে কবলৈ হ'লে – 'শক্তি চাইহে ভক্তি'। এই ত্ৰি-স্তৰীয় সম্পাদনা কাৰ্যত, ঘোষাসমূহৰ মূল সংস্কৃত বা শাস্ত্ৰীয় গণ্ডীৰ উৎস নিৰ্ণয় কৰি সংযোজন কৰাহেঁতেন সৰ্বতোদিশ সামৰি ল'ব পৰা ধৰণৰ সম্পাদনা হ'লহেঁতেন।




'অসম শাখা নৱবৈষ্ণৱ ধৰ্ম' বা Sankardewism প্ৰচাৰৰ মূল কেন্দ্ৰ (১) মাজুলী, (২) বৰদোৱা আৰু (৩) বৰপেটা অঞ্চলত, সুৰৰ পাৰ্থক্য বৰগীতসমূহৰ গায়ন প্ৰথাত পৰিলক্ষিত হোৱাৰ দৰে, 'নামঘোষা'ৰ গায়ন প্ৰথাতো সুৰ ভাণ্ডাৰৰ ভিন্নতা পৰিলক্ষিত হৈছে। এই, অঞ্চলভেদে হোৱা ভিন্নতা বা সুৰ-ঐশ্বৰ্যৰ তাৰতম্যৰ মাজতে, অধিকভাৱে প্ৰচলিত সুৰ সংযোজন প্ৰথা অনুসৰণ কৰি, ড° গোস্বামীয়ে ভাটখাণ্ডে পদ্ধতিৰ স্বৰলিপি প্ৰস্তুত কৰি উলিয়াইছে। এই স্বৰলিপি প্ৰস্তুতকৰণ কাৰ্যত, উদাত্ত বা উদাৰাৰ বোধ, ব্যৱহৃত স্বৰটিৰ তলত '০' চিহ্ন ব্যৱহাৰ কৰি (যেনে, উদাৰা গ=গ০) দেখুওৱা হৈছে। স্বৰিত বা তাৰাৰ বোধ, ব্যৱহৃত স্বৰটিৰ ওপৰত একোটাকৈ ফুট চিহ্ন দি (যেনে, তাৰা ম=ম°) দেখুওৱা হৈছে। কোনোটো স্বৰ অশুদ্ধ বা কোমল; তাক বুজাবলৈ স্বৰটোৰ তলত আঁচৰ ব্যৱহাৰ (যেনে, কোমল ৰ=ৰ) কৰিছে। কোনোটো স্বৰ আকৌ তীব্ৰ। তীব্ৰ স্বৰ বুজাবলৈ স্বৰটোৰ ওপৰত আঁচৰ সংকেত (যেনে, তীব্ৰ ম=ৰ্ম) ব্যৱহাৰ কৰা হৈছে। একমাত্ৰা জ্ঞানৰ বাবে এটা স্বৰ, যুক্তভাৱে ব্যৱহাৰ হোৱা স্বৰৰ সোঁহাতৰটো মুখ্য আৰু বাওঁহাতৰটো স্পৰ্শৰ চিন বুলি বুজোৱা হৈছে।

উদাহৰণস্বৰূপে, বৰ্ণবৃত্ত ছবি ছন্দ (৮+৮+১০) ঃ

মূলপাঠ ॥

'মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময়ী মাগোহো ভকতি।
সমস্ত মস্তক মণি নিজ ভকতৰ বৈশ্য
ভজো হেন দেৱ যদুপতি ॥'

ড° গোস্বামী কৃত স্বৰলিপি ঃ

(১)

ৰ গ – – ৰ স ৰ – গ – ৰ – গ – ম
মু ক্তি ত নি স্পৃ হ যি S টো S সে হি ভ ক

গ ৰ – – স ৰস ধ০ – – স – ৰ
ত S S ক ন SS মো S ৰ স ম য়ী

স ৰ গ ম গ ৰ স ৰ – –
মা গো হো S ভ S ক তি S S

অঞ্চল ভেদে অন্য এক প্ৰকাৰেও ইয়াক গোৱা হয় ঃ

(২)

স ৰ – – ৰ – গ – ৰ – গ –
মু ক্তি S S ত S নি S স্পৃ S হ S

আচাৰ্য বিনোৱা ভাৱেৰ পৰা পণ্ডিত প্ৰৱৰ ড° মহেশ্বৰ নেওগদেৱলৈকে, যিসকল লোকে নামঘোষাৰ ভাঙনি আৰু সম্পাদনা কৰি উলিয়াইছে, সেই সকলোৰে ভিতৰত ড° গোস্বামীকৃত সম্পাদনা এক ব্যতিক্ৰম। এই ব্যতিক্ৰমতা পৰিলক্ষিত হৈছে স্বৰলিপি (musical notation)ৰ ক্ষেত্ৰত। পুৱাৰ পৰা নিশালৈকে সত্ৰসমূহৰ চৌধ্য প্ৰসঙ্গৰ আৱৰ্তত তাল-লয়াশ্ৰিত বৰগীতবোৰ, বিষয়ানুসৰি গাওঁতে ব্যৱহাৰ কৰা সুৰৰ দৰে, স্পন্দিল ছন্দত ৰচিত, 'নামঘোষা'ৰ লতাকটা ঘোষাসমূহো সুৰ-সন্নিবিষ্টতাৰে গোৱা হয়। এইক্ষেত্ৰত ছবি ছন্দৰ এটি ঘোষাৰ সুৰ, অন্যান্য ছবি ছন্দৰ ঘোষাৰ ক্ষেত্ৰতো একে; কেনেকৈ দুলড়ি ছন্দৰ এটি ঘোষাৰ সুৰৰ সৈতে অন্যান্য দুলড়ি ছন্দৰ ঘোষাবোৰৰ সুৰ একে। দীৰ্ঘ-ত্ৰিপদী বা লেছাৰী ছন্দৰ সুৰত ভক্তি-বিগলিত বিষয়-সুখে 'শোক-মোহ-মহাপঙ্কত' নিমজ্জিত কৰা মানৱ প্ৰাণৰ আত্মখেদত কাতৰ আৰু হিয়াভেদ কৰি ওলোৱা ৰসময়ী ভক্তি নিৱেদনৰ আকুলতা মৰ্মস্পৰ্শীভাৱে প্ৰথিত হৈছে। আঞ্চলিক ভেদ অনুসৰি, সুৰ-সংযোজনৰ বিভিন্নতা, ভিন্ন উপলক্ষ্যত লক্ষ্য কৰা যায়। ড° গোস্বামীয়ে 'নামঘোষা'ৰ গায়ন প্ৰথা পৰ্যবেক্ষণ কৰি, প্ৰায় ন-প্ৰকাৰৰ বৈচিত্ৰ্যময় সুৰ ব্যৱহাৰ হোৱাৰ কথা উল্লেখ কৰিছে। সেয়া হৈছে ঃ

(১) সাধাৰণ পাঠৰ সুৰ
(২) ঘোষা কীৰ্তন প্ৰসঙ্গৰ সুৰ
(৩) তাল কোবোৱা সুৰ
(৪) আচল নাম-প্ৰসঙ্গ বা প্ৰসঙ্গীয়া নামৰ সুৰ
(৫) দুলড়ি ঘোষাৰ সুৰ
(৬) যোৰ প্ৰসঙ্গ বা খোল প্ৰসঙ্গৰ সুৰ
(৭) দিহা নাম কৰি গোৱা সুৰ
(৮) ভাওনাৰ ঘোষা-ধেমালিৰ সুৰ
(৯) 'নাম-সামৰা' অনুষ্ঠানত নাচি সমূহীয়াভাৱে গোৱা সুৰ।

বিবিধ উপলক্ষ্যত গোৱা নামঘোষাৰ সুৰ সম্বলিত ঘোষাসমূহৰ স্বৰলিপিও ড° গোস্বামীয়ে অতি ঐকান্তিকভাৱে কৰিছে। 'নামঘোষা' গায়নৰ বিবিধ উপলক্ষ্যৰ ভিতৰত (১) মঞ্জীৰা নামৰ নান্দীঘোষা, (২) ঘোষা প্ৰসঙ্গৰ ঘোষা; ইয়াৰে কোনোটো খৰমান তালৰ, কোনোটো দোমানি একতালৰ আৰু কোনোটোহত ঠাকতালৰ, (৩) ঘোষা কীৰ্তন প্ৰসঙ্গৰ দুলড়ি ঘোষা, (৪) নাম সামৰাৰ ঘোষা, (৫) ঘোষা ধেমালিত গোৱা ঘোষা, (৬) থিয় নাম হিচাপে গোৱা ঘোষা আৰু (৭) দিহা নাম কৰি গোৱা ঘোষা আৰু ইবিলাকৰ স্বৰলিপি এই প্ৰসঙ্গত উল্লেখযোগ্য। 'নামঘোষা'ৰ মূল ঘোষাসমূহৰ সুৰ ঐশ্বৰ্যৰ ক্ৰমো ড° গোস্বামীয়ে স্বৰলিপি প্ৰস্তুত প্ৰসঙ্গত উল্লেখ কৰিছে। অক্লান্ত পৰিশ্ৰম আৰু একাগ্ৰমনৰ যৌথ সাধনাতেই, হয়তো স্বৰলিপি প্ৰস্তুতকৰণৰ দৰে জটিল, এক নান্দনিক কাৰ্য সম্পন্ন কৰাত ড° গোস্বামী সফল হৈছে। আধ্যাত্মিক দিশৰ শূন্যতা, নৈতিক স্খলন, প্ৰাচীন মূল্যবোধৰ প্ৰতি প্ৰবল হোৱা অনীহা আৰু ধৰ্মীয় মতবাদ প্ৰচাৰৰ মূল কেন্দ্ৰসমূহৰ জৰাজীৰ্ণ অৱস্থাৰ কৱলত পৰি একবিংশ শতিকাৰ মাজভাগলৈ কি বৰগীত, কি নামঘোষা – কেওটিৰে সুৰভাণ্ডাৰৰ ঐশ্বৰ্য যে হেৰাই নগ'লহেঁতেন তাক কোনেও নুই কৰিব নোৱাৰে। ড° গোস্বামীৰ এই সাৰ্থক প্ৰচেষ্টাই পুৰণি-ঐতিহ্য অনুৰাগী সকলৰ অনুৰাগ বঢ়াব। 'নামঘোষা'ৰ ত্ৰি-স্তৰীয় সম্পাদনাৰ কাৰণে, ড° গোস্বামী সঁচাকৈয়ে 'সৰ্বজন অভিনন্দনহি'!

*গ্ৰন্থ পৰিচয় ঃ*

**নামঘোষা**

(কথাৰূপ, পদ, মূল আৰু সুৰ চানেকিৰে)

**সম্পাদক ঃ** ড° কেশৱানন্দ দেৱ গোস্বামী

**প্ৰকাশক ঃ** ষ্টুডেন্টচ্‌ ষ্টোৰচ্‌ গুৱাহাটী৭৮১০০১।

**মূল্য ঃ** ৬৫.০০ টকা।



# মহাত্মা গান্ধীৰ ৰামৰাজ্য

ঘনকান্ত লস্কৰ

অতীতৰ স্মৃতি ৰোমন্থন কৰোতে ঘটনাৱলীয়ে শাৰী পাতেহি। কেতিয়াবা কেঁচু খান্দোতে সাপ ওলায়। কথাত কথা ওলায়। কেতিয়াবা কাৰোবাৰ অনুৰূপ অভিজ্ঞতাৰ বৰ্ণনাই সুৰসুৰণি তোলে। তেতিয়া নিজৰ অভিজ্ঞতাই শাৰী পাতে। লেখিবলৈ মন যায়। নহলে নেযায়। অন্ততঃ মোৰ নেযায়। সূত্ৰধাৰৰ ১-১৫ ফেব্ৰুৱাৰী ১৯৯২ সংখ্যাৰ সম্পাদকীয়ই মোৰ মহাত্মা গান্ধী সম্পৰ্কীয় স্মৃতিত সুৰসুৰণি তুলিলে।

মহাত্মা গান্ধীৰ নাম সৰুকালতে গাঁৱত শুনিছিলো। মহাত্মা গান্ধী কৃষ্ণৰ দৰে আজানু লম্বিত, ভাৰতীয় ঋষি-মুনিৰ দৰে ত্যাগী, ভৱিষ্যত দ্ৰষ্টা, পানীত পেলাই দিলে নুডুবে, বৃটিছ ৰজাই দেশদ্ৰোহী বুলি গুলীয়াই মাৰি পেলাব নোৱাৰে – বন্দুকৰ গুলি পানী হৈ ওলাই যায় – এনেবোৰ অলৌকিক কাহিনী গাঁৱৰ ডেকা-বুঢ়া সকলোৰে মুখে মুখে। প্ৰচাৰ পত্ৰবোৰত বন্দুকৰ আগত মহাত্মা গান্ধীৰ ছবি দেখা পোৱা মনত পৰে। 'বন্দেমাতৰম্‌ মহাত্মা গান্ধীজী কী জয়' ধ্বনিয়ে গাঁও-ভূই মুখৰিত। সৰ্বসাধাৰণে উঠোতে বহোতে গান্ধীজীৰ নাম উচ্চাৰণ কৰিছিল। মুঠৰ ওপৰত মহাত্মা গান্ধীয়ে এজন অৱতাৰী পুৰুষ হিচাপে সাধাৰণ ৰাইজৰ অন্তৰত থাপনা পাতি বহি লবলৈ সকলোকে অনুপ্ৰাণীত কৰিবলৈ সক্ষম হৈছিল।

পাঠশালা স্কুলত কছৰৎ কৰোতে আমি ইটোৱে সিটোৰ হাত জুখি চাইছিলো কাৰ হাত আঠুলৈকে পৰা অৰ্থাৎ কোন আজানুলম্বিত। এইদৰে আমি চকুৰে নেদেখিলেও মহাত্মা গান্ধীৰ সান্নিধ্য উপলব্ধি কৰিছিলো।

মহাত্মা গান্ধীক চকুৰে দেখাৰ সৌভাগ্য হ'ল নগাঁও হাইস্কুল খেলপথাৰত ৰাজহুৱা সভাত। সেয়া ১৯৩৪ চন – কপিলীৰ বলিয়া বানৰ বছৰ। সাতানব্বৈৰ (১৮৯৭) বৰ ভূইকঁপ আৰু চৌত্ৰিছৰ (১৯৩৪) বলিয়া বান কপিলীৰ মুখ মণ্ডলত আইগুটিৰ দাগ হৈ এতিয়াও মাৰ যোৱা নাই। থাওক। সেয়া অন্য প্ৰসঙ্গ।

গান্ধীজীৰ পিন্ধনত আঠুমুৰীয়া ধুতি। সময় সচেতন মহাত্মা গান্ধীৰ পকেট ঘড়ী থবলৈ পকেট নাই কাৰণ গা উদং। এডাল



........ মহাত্মা গান্ধীৰ কল্পনাৰ পুলিচ মিলিটেৰী বিহীন ৰাষ্ট্ৰ এখন নিৰৰ্থক নহয়। সচেতন নাগৰিকৰ মাজত অধিকাৰৰ সংঘৰ্ষ নহয়।

লগুণত ঘড়ীটো ওলোমাই লৈছিল। হাতত এডাল লাঠি দেখা মনত পৰে। লোকে লোকাৰণ্য। অৰণ্য ফালি মহাত্মাৰ কাষ চাপি লাঠিৰ আকাৰ প্ৰকাৰ চাবৰ সাধ্য নাছিল। আমাৰ মহাত্মা দৰ্শন হৈছিল আঁতৰৰ গছৰ ওপৰৰ পৰা। ইয়াৰ চাৰি বছৰ আগতে অৰ্থাৎ ১৯৩০ চনত লোণ আইন অমান্য কৰিবলৈ দাণ্ডী যাত্ৰা কৰোতে মহাত্মা গান্ধীয়ে এডাল লাঠিত ভৰ দি গৈছিল। সেই ডাল হেনো চৌৱান্ন ইঞ্চি দীঘল, এক ইঞ্চি শকত বাঁহৰ লাঠি আছিল। ইয়াৰ চাৰি বছৰৰ পাছত দেখা লাঠিডাল দাণ্ডী যাত্ৰাৰ লাঠি ডালেই যেন লাগে। মহাত্মা গান্ধীৰ জীৱনাদৰ্শ হ'ল – Minimise your wants, you will minimise your worries মহাত্মা গান্ধীয়ে প্ৰত্যেক যাত্ৰাত লাঠি সলনি কৰা সম্ভৱ যেন নেলাগে।

দাণ্ডী যাত্ৰাৰে মহাত্মা গান্ধীয়ে দ্বিতীয় পৰ্যায়ৰ স্বাধীনতা আন্দোলন আৰম্ভ কৰিছিল। আন্দোলন প্ৰথম আৰম্ভ হয় ১৯২১ চনত। সেই চনতেই গান্ধীজী প্ৰথম অসমলৈ আহিছিল – আন্দোলনৰ ঢৌ বোৱাবলৈ। দ্বিতীয়বাৰ আহিছিল ১৯২৬ চনত পাণ্ডু কংগ্ৰেছত যোগদান কৰিবলৈ। তৃতীয়বাৰৰ (১৯৩৪) কথা কৈছোৱেই। চতুৰ্থবাৰ এইবাৰেই শেষবাৰ – আহিছিল ১৯৪৫ চনত শৰণীয়াত কস্তুৰীবা আশ্ৰমৰ অনুষ্ঠানত যোগ দিবৰ কাৰণে।

হাইস্কুলত পঢ়োতে আমি আন্দোলনৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিলো। উত্তেজিতো হৈছিলো। ক্লাছত আমাৰ ভিতৰত উত্তপ্ত আলোচনা হৈছিল। আমি মহাত্মা গান্ধীৰ আদৰ্শ আৰু কৰ্মপদ্ধতি সম্বন্ধে আলোচনা কৰিবলৈ অক্ষম হৈছিলো। আমাৰ হেড্‌মাষ্টাৰ স্বৰ্গীয় ৰামেশ্বৰ বৰুৱাই এই বিষয়ত কোনো বাধা প্ৰদান কৰা নাছিল। তেখেতে সপ্তাহত এদিন এঘন্টাৰ 'সাধাৰণ জ্ঞানৰ' ক্লাছ লৈছিল। নিয়ম আছিল পাঁচটা বেলেগ বিষয়ৰ প্ৰত্যেকৰে একোটাকৈ মুঠ পাঁচটা প্ৰশ্ন বৰ্ডত লেখি থব লাগে আৰু তেখেতে আহি তাৰ উত্তৰ দিয়ে।

প্ৰশ্নকেইটা ক্লাছত গৃহীত হলেহে বৰ্ডত লেখা যায়। তাৰ বাবে আলোচনা হয় আৰু প্ৰশ্নকৰ্তাৰ বাহিৰেও সকলোৱে আলোচনাত ভাগ ল'ব লগীয়া হৈছিল। ইয়াৰ দ্বাৰা সকলোৱে উপকৃত. হৈছিল। ছাৰৰ উদ্দেশ্যও সেইটোৱেই আছিল। এবাৰ আমাৰ প্ৰশ্ন আছিল মহাত্মা গান্ধী ৰাজনীতিক (Politician) নে সাধু পুৰুষ (Saints)। উত্তৰ কি আছিল হুবহু মনত নাই।

মহাত্মা গান্ধীৰ সময়ে সময়ে কৰা উক্তি আৰু কৰ্মপদ্ধতিবোৰত তেখেতৰ নিজস্ব ৰাজনীতিৰ সংজ্ঞা প্ৰকাশ পাইছিল। সেইমতে ধৰ্মনীতি আৰু ৰাজনীতি ব্যৱহাৰিক অৰ্থত পৃথক হ'ব পাৰে, কিন্তু মূলতঃ পৃথক নহয়। দুয়ো মানৱ কেন্দ্ৰিক আৰু দুয়োৰে লক্ষ্য মানৱৰ কল্যাণ সাধন কৰা। যিখিনি গুণৰ কাৰণে এজনক ধাৰ্মিক বুলি কোৱা হয়, ৰাজনীতিকৰো একেখিনি মানৱীয় গুণ থাকিব লাগিব। ঠগ, প্ৰবঞ্চক, চৰিত্ৰহীন, নৈতিকতাহীন লোক প্ৰকৃত ধাৰ্মিকো নহয়, প্ৰকৃত ৰাজনীতিকো নহয়। সেই সূত্ৰমতে মহাত্মা গান্ধী এজন ৰাজনীতিক। তেখেত কৌটিল পন্থী ৰাজনীতিক নহয়। সৎ উদ্দেশ্য অসৎ উপায়েৰে সাধন কৰাৰ পক্ষপাতী নহয়।

সশস্ত্ৰ সংগ্ৰাম কৰি স্বাধীনতা লাভ কৰা নতুন কথা নহয়। মহাত্মা গান্ধীয়ে নিৰস্ত্ৰ সংগ্ৰাম কৰি স্বাধীনতা লাভ কৰিছে, লগতে অস্পৃশ্যতা কু-সংস্কাৰ আদি হেজাৰ বিজাৰ সামাজিক ব্যাধিৰ পৰা মুক্তিৰ বাবেও সংগ্ৰাম কৰিছিল, আনকি পৰিয়াল পৰিকল্পনা, স্বাস্থ্যৰক্ষাৰ নিয়ম এইবোৰো ৰাজনীতিৰ চিন্তা-চৰ্চাৰ অংশ বিশেষ বুলি ভাবিছিল। এনেকুৱা কেইজন ৰাজনীতিক পৃথিৱীত জন্মিছিল কোনোবাই ক'ব পাৰিবনে? 'উত্তৰ পুৰুষ সকলে গান্ধীক এটা কাল্পনিক চৰিত্ৰ বুলি ভাবিব, গান্ধী নামৰ তেজ মাংসৰ শৰীৰ ধাৰী এজন মানুহ বাস্তৱিকতে আছিল বুলি বিশ্বাস কৰিবলৈ টান পাব।' এয়া বিশ্ব বিশ্ৰুত বিজ্ঞানী আইনষ্টাইনে মহাত্মা গান্ধীৰ বিষয়ে কৰা মন্তব্য।

মই মোৰ কৰ্মজীৱনত কিছুকাল এখন প্ৰশিক্ষণ কেন্দ্ৰৰ লগত জড়িত আছিলো। 'আইন আৰু অপৰাধ' এই বিষয়ৰ আলচ পাঠ যুগুতাওঁতে তাত মহাত্মা গান্ধীৰ 'ৰামৰাজ্য'ৰ তাত্ত্বিক ব্যাখ্যা অন্তৰ্ভুক্ত কৰা হৈছিল। ৰামৰাজ্যৰ তাত্ত্বিক ব্যাখ্যা বুলি কওঁতে কোনো ধৰ্মমত বা ৰাজনৈতিক মতবাদৰ ভিত্তি অৱলম্বন কৰা হোৱা নাছিল। আচলতে মহাত্মা গান্ধী কোনোধৰণৰ ইন্‌ডক্‌ট্ৰিনেশ্বনত (Indoctrination) বিশ্বাসী বা মতান্ধ নাছিল। সেই কাৰণে গান্ধীজীয়ে কোনো ৰাজনৈতিক থিচিছ (Thesis) লেখি থৈ যোৱা নাই। পৰিবৰ্তনশীল জগতত কোনো মতবাদ স্থায়ী হ'ব নোৱাৰে। তেখেতৰ আত্মজীৱনীখনক 'মোৰ সত্য অন্বেষণৰ কাহিনী' বুলিহে অভিহিত কৰিছে।

প্ৰত্যেক অধিকাৰৰ পাৰস্পৰিক কৰ্তব্য আছে। সীমাহীন অধিকাৰ অৰণ্যৰ বন্য প্ৰাণীৰ মাজতহে বৰ্তিব পাৰে। মানৱ সমাজত অধিকাৰৰ সীমা নিৰ্দ্ধাৰণৰ প্ৰয়োজনীয়তা আহি পৰিল। সেই প্ৰক্ৰিয়াটোৱেই আইন। আইনে বান্ধি দিয়া সীমা অতিক্ৰম কৰাৰ অৰ্থ হ'ল অন্য এজনৰ অধিকাৰৰ ওপৰত হস্তক্ষেপ কৰা। সেই হস্তক্ষেপেই অপৰাধ। অৰ্থাৎ অধিকাৰৰ সংঘৰ্ষই অপৰাধৰ মূল কাৰণ। মানৱ সমাজত দেশ কাল নিৰ্বিশেষে সেইটোৱেই অপৰাধৰ মূলসূত্ৰ। ভাৰতীয় দণ্ডবিধিত একে সূত্ৰকে অৱলম্বন কৰা হৈছে। অৰ্থাৎ এজন মানুহে অপৰাধ কৰিছেনে নাই সেইটো সিদ্ধান্ত কৰিব লগীয়া হলে, তেওঁ নিজৰ অধিকাৰ সাব্যস্ত কৰিবলৈ গৈ পৰক তেওঁৰ অধিকাৰৰ পৰা বঞ্চিত কৰিছেনে নাই সেইটো ঠাৱৰ কৰিলেই হ'ব।

মহাত্মা গান্ধীৰ ৰামৰাজ্য এই আইন শিখাৰ পোহৰতহে খুচৰি চোৱা হৈছিল আৰু পাঠ্যক্ৰমত উল্লেখ কৰা হৈছিল।

আইনে দুটা বস্তু প্ৰতিফলিত কৰে। এটাই আগতে কোৱাৰ দৰে – অধিকাৰৰ ওপৰত হস্তক্ষেপ। আনটো অধিকাৰৰ পাৰস্পৰিক কৰ্তব্যৰ প্ৰতি অৱহেলা। এটা উদাহৰণ দিয়া হৈছিল। উদাহৰণটো অৱশ্যে মনে সজা, ভাবটো ফট্‌ফটীয়াকৈ বুজাই দিবৰ কাৰণেই সজোৱা হৈছিল। তিনিজন বন্ধু এঘৰলৈ গ'ল। গৃহস্থ ঘৰত নাই। টেবুলত এটা দামী কলম পৰি আছিল। কলমটো কোনেও হস্তগত নকৰিলে। কিন্তু নকৰাৰ কাৰণ প্ৰত্যেকৰে বেলেগ। প্ৰথম জনৰ কাৰণ হ'ল – কলমটোৰ প্ৰতি তেওঁৰ আগ্ৰহী নাই। তেওঁৰ নিজৰে তাতকৈ ভাল কলম আছে। দ্বিতীয়জনে স্বীকাৰ কৰিছে – কলমটো মালিকজনৰ যাৰ অৰ্থ কলমটোৰ ওপৰত তেওঁৰ অধিকাৰ আছে। মালিকজন অনুপস্থিত থাকিলেও কলমটোৰ ওপৰত তেওঁৰ মালিকীস্বত্ত্ব হেৰুওৱা নাই। (Constructive possession)। কলমটো লৈ যোৱা মানে মালিকক তেওঁৰ অধিকাৰৰ পৰা বঞ্চিত কৰা হ'ব। তৃতীয়জনে একেদৰেই মালিকৰ অধিকাৰ মানি লোৱাৰ বাহিৰেও আৰু এখোজ আগ বাঢ়িছে। মালিকৰ অধিকাৰ মানি ললেই যথেষ্ট নহয়। মালিকৰ অধিকাৰ মানি লোৱাটো তেওঁৰ পবিত্ৰ কৰ্তব্য – নহলে কৰ্তব্যবিমুখতাৰ পাপে চুব – এনেভাবৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। এই জনেই আদৰ্শনীয় সচেতন নাগৰিক।

ব্যক্তিৰ সমষ্টিয়েই সমাজ। ভাল সমাজ পাবলৈ হলে ব্যক্তিসকল ভাল হ'ব লাগিব। ৰাজনৈতিক আদৰ্শ (Political ideology) যিয়েই নহওক, ব্যক্তিৰ আচৰণ বিধিহে মূলবস্তু। অধিকাৰ আৰু পাৰস্পৰিক কৰ্তব্যৰ আধাৰতেই এই আচৰণ বিধি প্ৰতিষ্ঠিত হ'ব লাগে – ৰাজনৈতিক বা ধাৰ্মিক গোড়ামিৰ ভিত্তিত নহয়। ৰাজনৈতিক শ্লোগান দিয়া বহুতেই এই আচৰণ বিধিত দেউলীয়া। ফলত কোনো পৰিকল্পনা বা মতবাদৰ মন্ত্ৰই গুণ নিদিয়ে। পৰিকল্পনা মতবাদ যিমানেই ভাল নহওক, বেয়া মানুহে তাক কাৰ্যকৰী কৰিব নোৱাৰে। মহাত্মা গান্ধীয়ে সচেতন নাগৰিক তৈয়াৰ কৰাতহে গুৰুত্ব দিছিল। দেশৰ সম্পদ দেশবাসীহে। ভূ-গৰ্ভত থকা খনিজ পদাৰ্থৰ অৰ্থনৈতিক মূল্য নাই। যি সকলে পদাৰ্থখিনি উদ্‌ঘাটন কৰি ব্যৱহাৰ উপযোগী কৰে তেওঁলোকহে প্ৰকৃত সম্পদ।

য'তে ৰাষ্ট্ৰ আছে ত'তে ৰাষ্ট্ৰযন্ত্ৰ আছে। ৰাষ্ট্ৰ যন্ত্ৰৰ লগত গাঁথা আছে দমন, শোষণ, নিপীড়ন ইত্যাদি। সেই কাৰণে ৰাষ্ট্ৰবিহীন মানৱ সমাজৰ কল্পনা ৰাজনৈতিক চৰমসীমা।

এতিয়া আমি এনে এখন ৰাষ্ট্ৰৰ কল্পনা কৰো য'ত প্ৰত্যেকজন নাগৰিকেই ওপৰত উল্লেখ কৰা সচেতন নাগৰিকৰ অভিন্ন। তেতিয়াহলে মহাত্মা গান্ধীৰ কল্পনাৰ পুলিচ-মিলিটাৰী বিহীন ৰাষ্ট্ৰ এখন (ৰামৰাজ্য) নিৰৰ্থক নহয়। সচেতন নাগৰিকৰ মাজত অধিকাৰৰ সংঘৰ্ষ নহয়। অধিকাৰৰ সংঘৰ্ষ নহলে অপৰাধ নহ'ব। অপৰাধ নহলে পুলিচৰ প্ৰয়োজন নাই। প্ৰত্যেক ৰাষ্ট্ৰই এজন সচেতন নাগৰিকৰ দৰে আচৰণ কৰিলে অন্য ৰাজ্যৰ লগত সংঘৰ্ষ নহ'ব। সংঘৰ্ষ নহলেই সশস্ত্ৰ বাহিনীৰ আৱশ্যকতা নহ'ব। এয়ে সহ অৱস্থান। সেই হিচাপে মহাত্মা গান্ধীৰ ৰামৰাজ্য ৰাষ্ট্ৰবিহীন সমাজৰ নামান্তৰ মাত্ৰ।



# কালচক্ৰ ঃ সন্ধিক্ষণ

ডাঃ আনন্দেশ্বৰ বৰঠাকুৰ



অংকন: চম্পক বৰবৰা

ধৰত মাইকী মানুহৰ উমঘাম দেখি নতুনকৈ বহা সৰ্বাইবন্ধাৰ চুবুৰিটোৰ মানুহবোৰে বিয়াৰ বতৰা ল'বলৈ আহিলে। হাইস্কুলৰ ওপৰৰ শ্ৰেণীত পঢ়া ঘৰৰ ওচৰৰ ল'ৰা কেইটামান বয়সিয়াল এজনে আনি মেধিৰ হাতত গতাই দি ক'লে, "ইহঁতে বিয়াৰ যা-যোগাৰৰ উপৰিও আপোনাৰ লাচনি-পাচনি কৰিব পাৰিব।"

কথা-কাণ্ড দেখি মেধিয়ে তলকা মাৰিলে। ভাবিছিল দৰাঘৰৰ আয়োজনটো তেনেই চমু হ'ব বুলি। পিছে এতিয়া দেখিলে বিয়াখন ডাঙৰকৈ পাতিব লাগিব। নিজৰ পাচ বুকৰ পৰা বৰা, নেওগ আৰু মেধিয়ে কিছু টকা উলিয়ালে। মেধিয়ে উপদেশ দিলে, "তেওঁ কাৰবাৰী মানুহ। কাৰবাৰটো চলি থাকিলে পিছে পৰেও আমাৰ বাবৰ ধনখিনি আমি উলিয়াই ল'ব পাৰিম।"

আটাইৰে জেদ লাগিল– বিয়াখন ভালকৈ পতাৰ কাৰণে। ককিলামুখৰ গুৱালৰ তাত দৈ-গাখীৰ লগালে। কোমল চাউল, চিৰা, পিঠা-পণা আদিৰো যোগাৰ হ'ল। দেৰগাঁৱৰ গুৰ অতি উত্তম। গেলাবিলৰ ঘৰলৈ যাওঁতে মেধিয়ে কুৰি টেকেলিমান গুৰ সস্তীয়া দৰত লৈ আহিছিল। যথা সময়ত কেঁচা তামোল-পাণেৰে শৰাইঢকাৰে শৰাই ঢাকি চুবুৰিৰ মানুহখিনিৰ লিষ্ট কৰি ডেকা ল'ৰাকেইটাৰ হতুৱাই নিমন্ত্ৰণ দিয়ালে। শইকীয়াই ক'লে– বজাৰৰ দোকানী কেইঘৰমানকো মাতিব লাগিব।"

ভদ্ৰ ঘোষে এটিন ৰসগোল্লা এনেয়ে দি থৈ গ'ল। জোৰোণ পিন্ধাবলৈ নেওগ, বৰা আৰু মেধিয়ে চাইকেল মাৰি পকামুৱা ওলালগৈ। কাকতিৰ ঘৰতো উলহ-মালহৰ অভাৱ নাছিল। সেমেনা-সেমেনিকৈ কাকতিক বলো মেধিয়ে ক'লে, "দাইটি, আমাৰ

পিনৰ পৰা দৰাৰ লগত মানুহ ভবাতকৈ সংখ্যাত ভালেমান বাঢ়িল।"

পৰিতৃপ্তিৰ হাঁহি এটা মাৰি কাকতিয়ে ক'লে, "সজ কথা, দহজনৰ চৰণৰ ধূলি মোৰ চোতালত পৰিব। সেইটো মোৰ ভাগ্যৰ কথাহে। বোপা তুমি নিশ্চিন্ত থাকা। আমাৰ যোগাৰত ত্ৰুটি নহয়।"

দৰা যাবৰ বাবে ফজলভাইক মটৰ গাড়ীখন কৈ থোৱা আছিল যদিও এতিয়া দেখা গ'ল বাছ এখন লগা হ'ল। বৰাই গৈ ফজলৰ ওচৰ চাপিলহি। মনতে পাঙিলে তেওঁ ড্ৰাইভাৰ মানুহ। বাছৰ মালিকৰ লগত চা-চিনাকি আছে। গতিকে উচিত মূল্যত বাছ এখন ভাৰা কৰিবলৈ তেওঁকে পাচিব বুলি। ফজলে কথা শুনি গৰম হৈ গ'ল। "বাছ হ'ব বাৰু। শইকীয়া মোৰ দোস্ত নহয় জানো। দৰা মোৰ গাড়ীতহে যাব। তোমালোকে গাড়ীৰ ভাৰা দিব নালাগে। বাছ আৰু গাড়ী তৈয়াৰ থাকিব। পাঁচ বজাত দৰাৰ ঘৰত হাজিৰ হ'বগৈ। বাছৰ ভাড়া বন্দবস্ত মই যি কৰো কৰিম। খালি ভাই চাবা, কইনাঘৰৰ খানাটো জব্বৰ হয় যাতে।"

ফজলভাই দিলদৰীয়া মানুহ। দোষৰ ভিতৰত– সাজ লগাৰ পিছত এটুপি ফূৰ্ত্তিপানী খায়। মনৰ শংকাটো বেকট কৰি বৰাই ক'লে, "ফজল ভাই, এইবোৰ গাঁৱৰ কথা। তুমি কিন্তু সেইদিনা গোলাপীত নাথাকিবা।"

"আৰে ভাই সেইবোৰ মোক নক'বা। সেইদিনা জুম্মাবাৰ। মৌলবীয়ে মোক এই বস্তুবিধ হাৰাম বুলি খাবলৈ হাক দিছিল। মই চেষ্টা কৰিও নোৱাৰিলো। পিছে মৌলবীক আল্লাৰ কচম খাই ক'লো, "জুম্মাবাৰৰ দিনা মই সেই লাইনত নাযাওঁ।" আশ্বস্ত হৈ বৰাই সকলো কথা বৰকৰ্তা হিচাপে ঠাৱৰ কৰা বলো মেধিক ক'লে– "তেতিয়া হ'লে আৰু চিন্তাৰ কোনো কাৰণ নাই। ফজল ভাই মুছলমান মানুহ। তাৰ জৱানৰ মূল্য আছে– শিলৰ ৰেখাৰ নিচিনা। 'পিছে তাৰ ঘৰতো শৰাই এখন নি মাইকী মানুহক মাতি থৈ আহিবাগৈ।"

কথা শুনি নেওগে তবধ মানিলে। "ককাই তুমি এইবোৰ কি কৈছা। আমাৰ হাতেৰে দিয়া জলপান তেওঁলোকে নাখাই নহয়। মুছলমান মানুহৰ নিয়ম-নিষ্ঠা আমাতকৈ বেছি।"

"তোমালোকে মোক ইমান কেঁচা মানুহ বুলি কিয় ভাবিছা? আমাৰ লগত কাম কৰা আমানুল্লাৰ পৰিয়ালটোক মই বিয়াৰ নিমন্ত্ৰণ কেতিয়াবাই দি থৈছো। তাৰ ঘৰৰ মানুহে ইহঁতৰ খোৱা-বোৱাৰ যোগাৰটো বেলেগে কৰিব। আমি বস্তুখিনিৰ যোগাৰ দিলেই হ'ল।

যথাসময়ত বিয়াখন হৈ গ'ল। কইনা আহি ঘৰ সোমালেহি। লগতে ভনীয়েক সুৰক লৈ আহিছিল। লাচনি পাচনি কৰিবলৈ ছোৱালী এজনীয়ো আহিছিল। কাকতিয়ে দৰাৰ ঘৰ চাবলৈ আহোতে দেখিছিল নতুনকৈ বহা চুবুৰিটোত বসতি তেনেই সেৰেঙা। কইনাৰ ককায়েক শ্ৰীমন্তকো লগতে পঠিয়ালে; অকলশৰে নতুন ঠাইত ছোৱালীইঁতে থাকিবলৈ ভয় কৰিব বুলি। জোঁৱায়েকে দোকান বন্ধ কৰি ঘৰ আহি পাওঁতে নিশা ভালেমান পৰ হয়।

প্ৰথম পষেকটোত কইনা চাবলৈ অহা মানুহৰ লানি নিচিগিছিল। বৰা আৰু নেওগৰ ল'ৰা-ছোৱালীখিনি কণ কণ কাৰণে সিহঁতক লৈ বৰানী আৰু নেওগনী ঘৰলৈ গ'লগৈ। মেধিয়নীৰ দায়িত্ব বেছি। সেইকাৰণে ছোৱালীক শিকাই বুজাই সংসাৰ চলোৱাৰ কিটিপবোৰ দেখুৱাই এমাহমান শইকীয়াৰ ঘৰতে থাকিল। আলহীক তামোল-পাণ, চাহ-পানী যোগাওঁতে সুৰৰ সেইকেইদিন আহৰি নোহোৱা হ'ল। বজাৰ-সমাৰ কৰাৰ ভাৰটো শ্ৰীমন্তই হাতত ল'লে। ইয়াৰ ভিতৰতে আঁঠ মঙ্গলাৰ দিনা সুৰ আৰু বায়েকক লৈ শইকীয়াই শহুৰেকৰ ঘৰ পালেগৈ। ক'লামনৰ সৈতে শ্ৰীমন্তই ঘৰ ৰখীয়া হৈ ৰ'ল। কাম কৰা লিগিৰী ছোৱালীজনীও সুৰহঁতৰ লগত ওলাল। তাইক থৈ যাব বুলি ভাবোতে তাই ৰাউচি জুৰি কান্দিলে। সেইদিনাই মেধিয়নীয়ে ঘৰলৈ গৈ নিশাটো থাকি ঘৰখন থান-থিত লগাই পিছদিনা আকৌ শইকীয়াৰ ঘৰ পালেহি।

সুৰলৈ আনি দিয়া কিলিপ আৰু ফিটা বায়েকে মাৰি দি তাইক চুচি মাজি ধুনীয়াকৈ উলিয়াইছিল। ভিনিহিয়েকে নতুন ফুলাম ফ্ৰক এটাও আনি দিছিল। কাম কৰা ছোৱালীজনীৰ কাৰণেও নতুন ফ্ৰক এটা আনিছিল। পিন্ধি-উৰি ওলাওঁতে তাইয়ো দেখিবলৈ ধুনীয়াজনী হৈছিল। ফজল ভাইয়ে গাড়ীত তুলি সিহঁতক ঘাই ৰাস্তাত নমাই দি আহিলগৈ। সিফালে দেৰমাইল মান বাট খোজ কাঢ়ি যাব লগা হ'ল। শইকীয়াই ভাড়াৰ কথা কওঁতে পিঠিত থাপৰ এটা মাৰি ফজল ভায়ে কৈছিল– "ভাই চাহাব, দোস্তনো কিহৰ বাবে লাগে! আল্লাই দিছে কাৰণেহে এইখিনি কৰিব পাৰিছো। তেওঁৰ ওচৰত দোৱা বিচাৰিছো তোমালোকৰ ভাল হওক।"

শইকীয়াই অলপ অলপকৈ ঘৈণীয়েক সেউতীৰ লগত কথা পাতিবলৈ আৰম্ভ কৰিছিল। গিৰিয়েক-ঘৈণীয়েকৰ মাজত লাজৰ ভাব বেছিদিন নাথাকে। ফজল ভাইয়ে ওচৰ চাপোতে মুখৰ সুৰাৰ গোন্ধটো ধৰিব পৰাকৈ ওলাইছিল। বাটত আহোতে বাহুল্যকৈ কোৱা কথাবোৰ লেবাই লেবাই কৈছিল। এনেকুৱা মদ খোৱা মানুহ এজনৰ লগত গাড়ীত উঠি আহিব লগীয়া হোৱাত সেউতীয়ে বৰ বেয়া পাইছিল। সেই কথা লক্ষ্য কৰি শইকীয়াই সেউতীক কৈছিল– "এই ফজল সদায় এনেকুৱা নাছিল। তাৰ ল'ৰাটো নিজৰ গাড়ীখনৰ পৰা পৰি থিতাতে ঢুকাল। সেই পৰিয়ালটোত তেতিয়াৰ পৰাই এটা দুখৰ ছাঁ পৰিল। আমাৰ বিয়ালৈ বান্ধই নিজে মাতি আহিছিলগৈ। কিন্তু তাৰ ঘৰৰ মানুহ আজি কালি আৰু বাহিৰলৈ নোলায়।"

সেউতীৰ মনটো অলপ পাতল হ'ল। খোজকাঢ়ি আগবাঢ়ি গৈ থাকোতে ঘৰৰ পদূলিমুখ কেতিয়াকৈ পাওঁ পাওঁ যেন লাগিল। গিৰিয়েকৰ কথাও মাজে মাজে ভাবিলে। মানুহজন বৰ ভাল। বৰ মৰমিয়াল। শইকীয়াইও গম পালে তেওঁৰ জীৱনলৈ এটা ডাঙৰ পৰিৱৰ্তন আহিছে। মনটো লাহে লাহে গধুৰ হৈ আহিল। মাজে মাজে সাপেখাটী ষ্টেচনৰ তিনি মাইল নিলগৰ নিজৰ গাঁৱৰ ঘৰখনৰ কথা মনত পৰিল। সেইবোৰ সোঁৱৰণী তেওঁ পাহৰিবলৈ যত্ন কৰে। সুৰ আৰু সেউতীয়ে আগবাঢ়ি গৈ হাঁহি হাঁহি কথা পাতে। তেওঁ ধীৰ মন্থৰ গতিত পিছে পিছে গৈ থাকে। হঠাৎ ফজলৰ কথা মনলৈ আহে। সেই ফজল আৰু এই ফজল। পৃথিৱীৰ সকলো কথা যেন পানীৰ মিঠৈৰ দৰে। খন্তেকৰ ভোজ খাওঁতা নাই। গাঁওৰ বাটেৰে খোজকাঢ়ি আগবাঢ়োতে শইকীয়াৰ মনত পৰে ফজলৰ মৰ্মন্তুদ কাহিনীটো। এবাৰ গাড়ীখন লৈ কৰবালৈ যাওঁতে পিছ ফালৰ কেৰিয়াৰত সাত বছৰীয়া বৰ ল'ৰাটো যে উঠি আছিল সেইটো তেওঁ গমকে পোৱা নাছিল। অলপ আগবাঢ়ি যাওঁতে ল'ৰাটো গাড়ীৰ কেৰিয়াৰৰ পৰা পৰিল। ৰালিবাটত ৱসতি ঘন। গোটেইবোৰ মানুহে হুলস্থূল কৰিলে। দূৰৰ পৰা ঘটনাটো দেখি থকা বুঢ়া এজনে হাত দাঙি গাড়ী ৰখালে। গাড়ী ৰখোৱাৰ বাবে ফজল ভাইৰ পোনচাতে খং উঠিছিল। তেওঁৰ খংটো বেছি বুলি সকলোৱে জানিছিল। দেউতাকে তাহানিখন ভাটিৰ দেশৰ পৰা আহি দোকান এখন খুলি চাইকেল বিক্ৰী আৰু মেৰামতি কৰিছিল। ওখ-পাখ থুলন্তৰ পুৰুষ আছিল। পাঠানৰ তেজ আছিল তেওঁৰ গাত। তেৱোঁ বৰ খঙাল আছিল। পিছে চিধা কথা আৰু এক কথাৰ মানুহ আছিল। কালক্ৰমত ফজল ভাইৰ দেউতাক ভাটিলৈ উভতি নগ'ল, ইয়াতে ছোৱালী নিকাহ কৰি হাড়ে হিমজুৱে অসমীয়া পৰিয়াল এটাৰ পাতনি মেলিলে। ফজল ভাইৰ আচল নাম আব্দুল ফজল খান। বাপেকৰ তেজটোপা গাত থকা কাৰণে তেওঁৰ সৰুৰে পৰা খংটো বেছি। গাড়ী ৰখাই পিছলৈ উভতি চাই মাটিত তেজেৰে লুতুৰি পুতুৰি হৈ থকা নিজৰ বুকুৰ কেঁচা সোণটোক দেখি তেওঁ চিঞৰি উঠিল। য়্যা আল্লা, য়্যা খোদা কি কৰিলা। দৌৰি আহি ল'ৰাটোক কোঁচত লৈ চ'ক বজাৰৰ ওচৰত থকা চিভিল হাস্পাতাল পালেগৈ। তেতিয়াৰ চিভিল চাৰ্জন বিলাক চাহাব আছিল। ল'ৰাটোক লিৰিকি বিদাৰি চাই পৰীক্ষা কৰি চকু কেইটা চলচলীয়াকৈ ফজললৈ চাই এলেন চাহাবে ক'লে "ফজল "He is dead" ইংৰাজী ভালকৈ নাজানিলেও 'dead' মানে ফজলে বুজিছিল। সংজ্ঞাহীন হৈ সি মাটিত পৰি গ'ল। এই ল'ৰাটো উপজোতে মাকে বৰ কষ্ট পাইছিল। হস্পিতেললৈ লৈ আহোঁতে এলেন চাহাবে নিজে তাক ডেলিভাৰী কৰিছিল। তেতিয়াৰে পৰা ফজল বদলি গ'ল। ঘৰলৈ দোভাগ নিশাতহে উভতি আহে। ঘৰৰ দুৱাৰ মুখ পালে শুনে ঘৈণীয়েকে উচুপি উচুপি ইনাই বিনাই কান্দি থকা ভালেমান বছৰলৈকে। ঘৈণীয়েক জনী অপৰূপ সুন্দৰী আছিল! গোলাপ ফুলৰ নিচিনা বৰণ। এটা ভাবিব নোৱৰা সৌন্দৰ্য ফুটি উঠিছিল তাইৰ চকুৱে মুখে। ফজলে মৰমতে মাতিছিল দিলজান বুলি। আচল নাম আছিল ফাতেমা। ঘৈণীয়েকৰ কান্দোন শুনিব নোৱাৰি দোস্ত ইয়াৰবোৰৰ লগত পৰি ফজলে সুৰাপান কৰিবলৈ ধৰিলে। ঘৰলৈ আহোতে কেতিয়াবা বেহুঁচ হৈ আহে। কেতিয়াবা কোনোবাই ধৰি ধৰি লৈ আহিব লগীয়া হয়। ঘৰ পায়েই বিছনাত বাগৰি পৰি গভীৰ নিদ্ৰাত নিমগ্ন হয়। নিচেই পুৱাতে চাহ পানী টোপা মুখত দি দিনটোৰ বাবে ওলাই যায়। ফাতেমাই অকলশৰীয়াকৈ সেই শোকৰ বোজাটো লৈ লৈ লাহে লাহে সকলো আল্লাৰ ওচৰত সপি দিবলৈ আৰম্ভ কৰে। বাকী ল'ৰা-ছোৱালী হাল অযত্নত ডাঙৰ হ'বলৈ ধৰিলে।

পাঁচ ৰকত নামাজ পঢ়াৰ উপৰিও কোৰাণ শ্বৰিফখন আহৰিৰ সকলো সময়তে পঢ়িবলৈ লয়। কিমানবাৰ যে পঢ়িলে তাৰ থানথিত নাই। এতিয়া প্ৰায় মুখস্থ হোৱাদি হ'ল। ফজলৰ পৰিয়ালৰ সেইটোৱেই মৰ্মান্তিক কাহিনী। কথাবোৰ ভাবি যাওঁতে যাওঁতে শইকীয়াৰ মনটো শোকাৰ্ত হৈ উঠে।

শহুৰেকৰ ঘৰৰ দুৱাৰ মুখ পাই আকৌ এটা উলহমালহৰ পৰিবেশৰ সৃষ্টি হ'ল। মুৰৰ ওৰণিখন পেলাই সেউতীয়ে ভিতৰলৈ দৌৰ মাৰিলে। কাকতিয়ে বাহিৰলৈ আহি জোঁৱায়েকক ভিতৰলৈ আগবঢ়াই নিলে। কোনোবা এটা পাকত শাহুৱেকে দীঘল ওৰণিখন লৈ ওৰণিৰ ফাঁকেৰে জোঁৱায়েকলৈ চাই বিচনীখনেৰে দুচাটমান বা দি মৰম লগাকৈ সুধিলে– "বোপা আহোতে চাগে বৰ কষ্ট খালা।" সুৰৰ কাণ সমনীয়া বৰদেউতাকৰ ছোৱালীজনী তাতে আছিল। খুৰীয়েকৰ হাতৰ পৰা বিচনীখন থাপ মাৰি লৈ ভিনিহিয়েকক বিচিবলৈ ধৰিলে। তাইলৈ হাঁহি হাঁহি চাই শইকীয়াই ওচৰ চপাই আনি বিচনীখন নিজৰ হাতত ললে। জেপৰ পৰা লুজেন গুটি কেইটামান তাইৰ হাতত দি ক'লে বায়েৰাই তোমালৈ বুলি আনিবলৈ কৈছিল। সেউতীয়ে পিছে সেইবোৰ কথা একোকে নাজানে। লুজেন এটা মুখত ভৰাই দৌৰি দৌৰি তাই ভিতৰ সোমাল "বাইটিয়ে ভিনিহিক আনিবলৈ দিয়া লুজেন গুটি মোক দিলে।"

চুবুৰিৰ ইঘৰ সিঘৰৰ পৰা ভালেকেইজন আহি ন-জোঁৱাইৰ লগত চা-চিনাকি হ'ল। যাবৰ সময়ত তেওঁলোকৰ ঘৰলৈকো পাক এটা মাৰিবলৈ কৈ থৈ গ'ল। কাকতিয়ে জোঁৱায়েকক বাৰীখন দেখুৱাবলৈ বুলি লৈ গ'ল। পাঁচ পুৰা মাটিৰ বাৰীখনত তামোল তিনিশ জোপামান, তাৰ বাহিৰেও আম কঠাল, লেতেকু, পনীয়াল, আহোম বগৰী, নৰা বগৰীকে আদি কৰি বতৰুৱা ফলৰ গছৰ অন্ত নাই। কঠোৰ পৰিশ্ৰমী মানুহ কাকতি। ধুনীয়াকৈ চিকুণাই থোৱা আছিল কেউপিনে। প্ৰায় দুবিঘা যোৰা মাটিৰে প্ৰকাণ্ড ডাঙৰ পুখুৰীটো। গোটেইবোৰ পিত পিতকৈ শহুৰেকে দেখুৱালে। প্ৰসন্নতাৰে শইকীয়াৰ মুখখন উপচি উঠিল। ইয়াৰ পৰাই কলম নি সৰ্ব্বাইবন্ধাৰ নিজৰ বাৰীখন ভালকৈ পতাৰ কথা মনে মনে পাঙিলে। শহুৰেক জোঁৱায়েকে ওচৰা-ওচৰিকৈ বহি বাৰ ব্যঞ্জনেৰে দুপৰীয়া ভোজন কৰিলে। জোঁৱায়েকক বাহিৰৰ চ'ৰা ঘৰৰ পাটীতে কাটি হ'বলৈ দি কাকতিয়ে পথাৰৰ পিনে ওলাই গ'ল। কুহিয়াৰতলী খনৰ মাটি ডৰা হালবাই ঠিক কৰিবলৈ হালোৱা কেইটাক কৈ থৈছিল। কাম কিমানদূৰ আগবাঢ়িলে চাবগৈ লাগে। সৰিয়হ, মাটিমাহ আদি কেইবিধমান কাকতিয়ে খেতি নকৰা শস্য দুই এঘৰত কিনিবৰ বাবে বাইনা দি থৈছিল। সেইবোৰৰো ভু ল'ব লাগে। উভতি আহোতে ভাল দৈ এটেকেলি পাই ঘৰলৈ বুলি লৈ আহিল।

সেইদিনা নিশা সেউতীহঁত ঘৰতে থাকিল। মাকে ক'লে পিছদিনা পুৱাতে ঘৰৰ গৰু-গাড়ী খনেৰে থোৱাই দিব বুলি। জোঁৱায়েকে তাৰ পৰাই ভাবি আহিছিল– নিশাটো থাকিব লাগিব বুলি। লাজ লাজ কৰি আবেলিৰ চাহপানী টোপা লচকৰা দুটামানৰ সৈতে সেউতীয়ে গিৰিয়েকক দি গ'ল। কথা নকলে, খালি মুখত এমোকোৰা আপোনভোলা হাঁহিৰে সৈতে গিৰিয়েকলৈ চালে। গিৰিয়েকে হাঁহি এটাৰে সৈতে সমিধান দিলে। হাঁহি খিকিন্দালি, ৰং ৰহইচৰ মাজেৰে সন্ধিয়াটো কাটি নিশাও পাৰ হৈ গ'ল। পুৱতি নিশাতে কাকতিয়ে ঘৰখনত খদমদমাই দিলে। হাঁহিৰামক মাতি ভালৰ ভাল গৰুহাল যুৰি গাড়ীখন ঠিক কৰিবলৈ দিলে। ভঁৰাল ঘৰৰ পিছপিনৰ পৰা চৈখন আনি বান্ধি কুন্ধি ঠিক কৰি ললে। গাড়ীত খেৰ পাৰি তাৰ ওপৰত দলিচা পৰা হ'ল। এপদ দুপদকৈ নানা তৰহৰ নানা বিধ বস্তু গাড়ীত সুমুৱালে। কেইটেকেলিমান গুৰ, কেইটামান জহা কোমোৱা, অকণমান কাহুদি খাৰলি, খৰিচা আদি কৰি নানা তৰহৰ বস্তুৰে গাড়ী বোজাই হ'ল। কাকতিয়নীয়ে জীয়েকক দঢ়াই দঢ়াই ক'লে নেওগ, বৰা আৰু মেধিহঁতৰ ঘৰলৈকো বস্তু অলপ অলপকৈ দিবলৈ। ন-খাবৰ বাবে নতুন জহা চাউল কেইটামানো টোপোলা বান্ধি দিলে। ভাৰ ভেটিৰ সংখ্যা নাইকিয়া হ'ল। পোহৰ হোৱাৰ লগে লগে তপতে তপতে ভাত কেইটামান খুৱাই জীয়েকক গাড়ীত তুলি দিলে।

শেষত শাক-পাচলি, চাউলৰ টোপোলা এটা বেলেগে আনি জীয়েকৰ হাতত দি ক'লে আজিৰ ৰাতিৰ সাজ তই এইখিনি ৰান্ধি খাবি। সিখন ঘৰৰ বস্তু আজি খাব নাপায়। সুৰও গাড়ীত উঠিলহি। গাড়ীখন এৰাৰ আগতে শাহুৱেক শহুৰেকৰ চৰণ চুই শইকীয়াই সেৱা কৰিলে।

সুৰক ঘৰৰ ওচৰৰে স্কুল্ এখনত নাম লগাই দিব খোজা বুলিও আগতে কৈছিল। শ্ৰীমন্তয়ো শইকীয়াৰ তাতে থাকি প্ৰাইভেটকৈ তাৰ পৰাই মেট্ৰিক পৰীক্ষা দিয়াৰ কথাটো স্থিৰ কৰিছিল। কাকতিয়ে জোঁৱায়েকৰ বিবেচনাবোৰ বৰ ভাল পাইছিল। জোঁৱায়েকক কৈছিল "শ্ৰীমন্তক কবা সি মোক আমোলা মহৰি হৈ ধন ঘটি খুৱাব নালাগে। বাকী দুটা ল'ৰা সৰু হৈ আছে সি ঘৰখন ধৰিব পৰা হ'লেই হ'ল। খোৱাৰ নাটনি কৰি সিহঁতক মই এৰি থৈ নাযাওঁ। আমাৰ ঘৰত ইংৰাজী পাছ ল'ৰা এটাও নাই, গাঁওখনতো নাই; সি পাছ কৰি আহিলে আমাৰ নাম উজ্জ্বল হ'ব। তুমি মোৰ বৰ-পোৰ সমান। ইহঁতক তোমাক গটালো।

লাচনি পাচনি কৰিবলৈ সৰু ছোৱালী জনীক গাড়ীত তুলি ল'লে। টিলিঙা লগোৱা গৰুৰ পিঠিত হাঁহিৰামে সৌকা লগোৱাৰ লগে লগে গাড়ী আগবাঢ়িল। নঙলামুখলৈ আগবাঢ়ি আটায়ে সিঁহত যোৱাৰ পিনে চাই ৰ'ল। কাকতিয়ে জোঁৱায়েকৰ লগত খোজকাঢ়ি কিছুদূৰ আগবঢ়াই উভতি আহিল। উভতাৰ আগতে চিঞৰ এটা মাৰি হাঁহিৰামক সকীয়াই দিলে "গৰুহাল তজবজীয়া। চহৰত গাড়ী-মটৰৰ শব্দ শুনি চক খাই দৌৰ নামাৰে যাতে তই আগতেই চাবি।"

ঘৰ পাওঁতে সেইদিনা দুপৰীয়া এঘাৰমান বাজিলগৈ। শ্ৰীমন্তই জপনামুখতে ৰৈ আছিল। সিহঁত অহাৰ লগে লগে মুখত এমোকোৰা হাঁহি ফুটি উঠিল। ভনীয়েকক পেৰি পেৰি ঘৰৰ কথা সুধিলে। সেইদিনা শইকীয়া আৰু দোকানলৈ নগ'ল। পিছদিনাৰ পৰা কাৰবাৰৰ কাম পূৰ্ণ উদ্যমেৰে আৰম্ভ হ'ল। স্কুলত সুৰৰ নাম লগাই দিলে। শ্ৰীমন্তৰ মাষ্টৰ ধৰা কাম শেষ হ'ল। পুৱা-গধূলি ভনীয়েকৰ বাৰীখনৰ তদাৰকি কৰিবলৈও সি ল'লে। এটা বন্দৱস্তিত পকা পকি হ'ল। শনিবাৰে শইকীয়াই দোকান সোনকালে 'বন্ধ কৰি ঘৰলৈ আহিব। সেইদিনাই শ্ৰীমন্তই চাইকেলখন লৈ পকামুৰাৰ ঘৰলৈ যাব। ঘৰৰ পৰা চাইকেলৰ কেৰিয়াৰত ইপদ সিপদকৈ চাউল, মাহ ইত্যাদি লৈ আহে। বাৰীত লগাবৰ কাৰণেও গছৰ পুলি আনে। দেউতাকে জীয়েকৰ কষ্ট হ'ব বুলি চেউৰী পোৱালি এটাৰ সৈতে খিৰতী গাই এজনীও পঠাই দিলে। সেউতীয়ে গিৰিয়েকক কৈ ৰতি মিস্ত্ৰিক মতাই তাঁত এখন গঢ়াই ল'লে আৰু ঘৰৰ পিছফালৰ বাৰান্দাতে বহুৱালে। আজিকালি শইকীয়াই ঘৰলৈ আহি ঘৰখন দেখি আপোনমনে কিবা কিবিবোৰ ভাবি বহি থাকে। অতীজৰ কথাবোৰ চাগে মনলৈ আহে।



চাওঁতে চাওঁতে দিনবোৰ পাৰ হৈ যাবলৈ ধৰিলে। ঘৰত মাষ্টৰ লগাই পঢ়োৱা সত্বেও সেইবাৰো শ্ৰীমন্তই মেট্ৰিকত ফেল কৰিলে। পৰীক্ষাৰ খবৰ ওলোৱাৰ পিছত ভালেকেইদিন জুপুকা মাৰি থাকি এদিন নিচেই পুৱাতে ভনীয়েকক কৈ শইকীয়া উঠাৰ আগতে তেওঁৰ চাইকেলখন লৈ পকামুৰা ওলালগৈ। দেউতাকে তাৰ মুখখন দেখি কথাটো অনুমান কৰিলে। খন্তেক ৰৈ দীঘল উশাহ এটা পেলাই ক'লে খবৰ পালি হ'বলা। শ্ৰীমন্তই নিমাত হৈ তলমূৰ কৰি ৰ'ল। "সেই কথালৈ ইমান বেজাৰ কৰাৰ সকাম নাই, চুৰিয়া পিন্ধা মতা ল'ৰা হৈ উপজিছ যেতিয়া এইখন ভাৰতত পাছ ফেলৰ ভিতৰত এটা হ'বই লাগিব। মোক পিতাইহঁতে এৰি থৈ যাওঁতে দলনিত পোনা মেলাদি এৰিছিল। নিজৰ বাহুবলেৰে আজি এইখন সংসাৰ তৰিলো। ইয়াতো মোৰ বহু পৰীক্ষা দিব লগা হ'ল। ময়ো যে পাছ কৰিছো সেইটো নহয়, ফেলো কৰিছো কেতিয়াবা। পাছ কৰি কৰি আগুৱাই যোৱাটো উজু কিন্তু ফেল কৰি তাৰ পিছত আকৌ ঠিয় দণ্ডা দি এঘড়ি যুঁজিবলৈ কঁকালত টঙালি বন্ধাটোহে টান"। কথাখিনি শেষ হওঁ নৌহওঁতেই শ্ৰীমন্তই মাত লগালে "পিতাই তই মোক আকৌ পঢ়িবলৈ নকবি মোৰ মন ভাগিল, এইখন সংসাৰত মই খেতিতো মন দিব নোৱাৰিম। সকলোৰে ওচৰত নাকটো কটা গ'ল। মই কাক কি কম। এই ঘৰখনৰ ভাৰ বুজন হ'লে ভাই দুটাকে দিবি। মই যোৰহাট চহৰলৈ আকৌ উভতি যাম। তাতে কিবা এটা কৰি মানুহ হ'ব পাৰিলেহে এই ঘৰখনলৈ উভতি আহিম। পঢ়া-শুনাটো মোৰ বস্তু নহয়। তই মোৰ কাৰণে চিন্তা নকৰিবি।"

শ্ৰীমন্তই ভিতৰলৈ সোমাই গ'ল। মাকৰ ভাত হৈছিল বুলি উমান পাই কালৈকো নৰই মজিয়াত পীৰা এখন পাৰি বহিলে। "বৌটি ভাত দে ভোক লাগিছে" ল'ৰাৰ মুখখন চাই বুদ্ধিমতী মাকে একো নামাতিলে। মাতিবলৈ গ'লে এইবোৰ সময়ত বাৰিষাৰ পানী ভেটাৰ নিচিনা হ'ব। গোটেইখন তলমল হৈ উঠিব। ল'ৰাৰ বাপেকৰ বিবেচনা আছে। যি কৰে তেওঁৱেই কৰিব, মাক হিচাপে গোসাঁইৰ আগত ল'ৰাৰ মংগল কামনা কৰাৰ বাহিৰে আননো কি আছে। ততা তৈয়াকৈ নাকে-মুখে ভাত কেইটা গুজিয়ে শ্ৰীমন্তই আহি বাহিৰ চোতাল পালে। মাকে তামোল এখন তাৰ হাতত তুলি ক'লে "মুহুদি নকৰাকৈ ঘৰৰ পৰা ওলাব নেপায়। বাটতে আলষণীয়ে পাব।"

চ'ৰা ঘৰত বহি কাকতিয়ে ভেবা লাগি চাই থাকিল পুতেকে বাইচাইকেলত উঠি গৈ থকাটো। সৰ্ব্বাইবন্ধাৰ ভনীয়েকৰ ঘৰ পাই দেখিলে ভনী জোঁৱায়েক মধু শইকীয়াই উৎকণ্ঠাৰে ৰৈ আছিল। শ্ৰীমন্তই মনে মনে ভাবিলে সেইদিনা বোধকৰো তেওঁ দোকানলৈ নগ'ল। সেউতীয়ে আখলৰ পৰা ওলাই আহিল। সুৰইও আহি ওচৰতে থিয় দিলে। আজি কিছুদিনৰ পৰা সেউতীৰ গাটো ভালে নাছিল। অলপ কাম বন কৰিলে মূৰ ঘূৰায়। খাবৰ মন নোযোৱাৰ কাৰণে অকণমান মুখখন খীণাইছেও। বেছি সময় থিয় হৈ থাকিব নোৱাৰিব বুলি মুঢ়া এটা আনি সেউতীয়ে তাতে বহিল।

"ককাইদেউ তই ঘৰলৈকে গৈছিলিনে ?"

"ৰাতিপুৱাই তোক নো মই মিছা মাতিবলৈ কেলেই যাম।"

"ইমান সোনকালে আহিলি কেনেকৈ ? ঘৰত সকলোৰে ভালনে, পিতায়ে তোক কিবা বেয়াকৈ ক'লে নেকি ?" চোতাললৈ নামি গৈ অলপ পৰ ৰ লাগি বাহিৰলৈ চাই ৰ'ল শ্ৰীমন্তই। সেউতীহঁতলৈ মুখ নিফিৰোৱাকৈ ক'লে "পিতাইয়ে কিবা কোৱা হ'লে ভালেই আছিল। বৌটিয়েও গালি পাৰিবকে নেজানে। কোনেও একো কোৱা নাই কাৰণেই মোৰ বিপদ মই আৰু ঘৰলৈ নাযাওঁ সেউতী। কেতিয়াবা মানুহ হ'ব পাৰিলেহে যাম।"

এইবাৰ মধু শইকীয়ালৈ চাই ব্যাকুল ভাবে সুধিলে "মধু তোমাৰ ঘৰতে দীঘলীয়াকৈ থাকিবলৈ দিবানে ?"

কথাকেইটা কোৱা হওঁ নহওঁতেই সেউতীয়ে চিঞৰি উঠিল "এইজন মানুহক তই চিনি নেপালি নেকি ? কিনো কথা সুধিছ ?" খন্তেকপৰ ৰ লাগি চাই থাকি সেউতীয়ে মাটিত ঢলি পৰিল। মুখখন তেনেই শেঁতা হৈ গ'ল। সুৰই আৰু কামকৰা ছোৱালীজনীয়ে চিঞৰি কান্দিবলৈ ধৰিলে। শইকীয়াই কি কৰো নকৰোকৈ থাকোতে শ্ৰীমন্তই তাইক কোঁচত তুলি লৈ পাটীত শুৱাই দিলে। আলিটোৰ সিপাৰে সেইখন হাজৰিকাহঁতৰ বাৰী। এইখিনিৰ পুৰণি মানুহ। ঘৰত হাই-কান্দোন শুনি হাজৰিকাৰ শাহুৱেক দৌৰ মাৰি আহিল। ৰিহাখনেৰে ভালকৈ মূৰত ওৰণি ল'বলৈ সময়কে নাপালে। বাহিৰতে শইকীয়াক দেখি সুধিলে "বোপা কি হ'ল।"

"জানো আই এওঁৰ কি হৈছে ? মই কবকে পৰা নাই।"

ভিতৰলৈ সোমাই গৈ পাটীত শুই থকা সেউতীৰ মূৰত কেইচাটিমান চেঁচাপানী মাৰি বুঢ়ীয়ে শ্ৰীমন্তহঁতক কোঠাৰপৰা ওলাই যাবলৈ ক'লে। বিচনীখনেৰে মূৰত অলপ পৰ বা দিয়াৰ পাছতে সেউতীয়ে সম্বিত ফিৰাই পালে। তাইক কাটি হৈ শুই থাকিবলৈ দি হাজৰিকানী ওলাই আহিল।

হাজৰিকাৰ শাহুৱেকৰ পদবীও হাজৰিকা আছিল। একমাত্ৰ ছোৱালীজনী পোৱাৰ পিছতে গিৰিয়েক হানি হ'ল। সেই ছোৱালীজনীক লৈ ককায়েকহঁতৰ ঘৰতে ছোৱালী ডাঙৰ কৰিলে। ছোৱালী বিয়া দিয়াৰ পাছত জোঁৱায়েকৰ ঘৰতে থাকিবলৈ আহিল। দহে কিবা ক'লে কয় "ছোৱালী বুলিবলৈ, পো বুলিবলৈ ইহঁত হালেই। ইহঁতৰ হাততে চকু মুদিবলৈ পালে মই শান্তি পাম।"

হাজৰিকানী ওলাই অহাৰ পিছতে শ্ৰীমন্তই সুধিলে "আই মোৰ ভনীজনী বাচি আছেনে ?"

"আপদ চপোৱা কথা মুখত উলিয়াব নাপায় নহয়। বোপা চিকাৰূপ এটা হাঁচতিত বান্ধি থোৱা। কাইলৈ নামঘৰত নাম আছে, শৰাই এখন দিবাগৈ।" শ্ৰীমন্তলৈ চাই সোলা দাঁত কেইটা উলিয়াই হাঁহি ক'লে মোমায়েৰে হ'বলৈ ওলাইছা। এইবোৰ কথা নেজানা। তাইক আজি আৰু চৰু চুবলৈ যাবলৈ নিদিবা। তোমালোকে সুদাই নিকাই ৰান্ধি খাবা আৰু তাইকো খুৱাবা।"

এইবাৰ আটাইৰে মুখত পানী আহিল। শ্ৰীমন্ত, সুৰ আৰু কাম কৰা ছোৱালীজনী ভিতৰ সোমালগৈ। সুৰই ঘৰত মাকে নেমু টেঙা চেপি তেলপানী ভৰিত সানি দিয়া দেখিছিল। তায়ো তাকে কৰিবলৈ ল'লে।

শইকীয়াই ভিতৰলৈ নগ'ল। অদ্ভুত চিন্তা নিমগ্নতা এটাৰে মুঢ়াটোত বহি বাহিৰ পিনলৈ চাই ৰ'ল। দুখোজমান গৈ হাজৰিকানী বুঢ়ী আকৌ উভতি আহিল। "বোপা তুমি চিন্তা নকৰিবা, মাকলৈ বতৰা পঠিয়াবা। দুই এদিন জীয়েকৰ লগত থাকি তাইৰ মুখত লগাকৈ মাটি কাদুৰি, মানিমুনি, কেঁহেৰাজ আদিৰ জোল ৰান্ধি খুৱাওক। মই সৰু ধনক কৈ তিনি আলিৰ মূৰত থকা গন্ধীয়া বুঢ়ীকো মাতি পঠিয়াম। সিহঁত টেলেঙা মানুহ। আমাৰ এই অঞ্চলত ধাইৰ কাম তাইয়ে কৰে। আটায়ে কয় বোলে তাইৰ হাতখন ভাল।"

হাজৰিকানী যোৱাৰ পিছতো শইকীয়া বহি থাকিল। ভৱিষ্যতৰ কথা এইবাৰ ভালকৈ ভাবিব লগা হ'ল। শ্ৰীমন্তৰো এটা গট লগাব লাগিব। কোনে জানে সুৰকো কিজানি তেওঁৱে বিয়া দিব লাগিব আৰু এতিয়া আহিবলৈ ওলোৱাটো কি বা হয়, ভগৱন্ত পুৰুষেহে জানে। লাহে লাহে ঘৰত কেঁচুৱা কণ হ'ব বুলি জানি মনটো পাতল হৈ আহিল। সুৰক মাতি ৰান্ধনি ঘৰলৈ আগবাঢ়ি গ'ল। বৰলা হৈ থাকোতে ভাত ৰন্ধাৰ অভ্যাস আছিল। ইবিধ সিবিধকৈ ভালে কেইবিধ ব্যঞ্জন ৰান্ধিলে। গাটো ভাল পাই সেউতীয়ে কোনোবা এটা সময়ত ৰান্ধনি ঘৰৰ দুৱাৰ মুখৰ পৰা গিৰিয়েকৰ কাম কৰা ধৰণবোৰ চাবলৈ ধৰিলে। মনে মনে ভাবিলে আই ঐ দেহি মানুহজনক বৰ কষ্ট দিছো। মধু শইকীয়াই উভতি চাই ঘৈণীয়েকক দেখি উচাপ খাই উঠিল।

"তুমি আকৌ ইয়ালৈ কেলেই আহিলা ?"

হঠাৎ মনত পৰি সুৰলৈ চাই ক'লে "মই পাহৰিয়ে গৈছো শোৱা কোঠাৰ গোসাঁইৰ থাপনাখনত চাকি এগছ জ্বলাই দেগৈ। বায়েৰৰ গাটো বাৰু নহয়। গোসাঁইক সেৱা এটা কৰি কৰি সকলো বিঘিনি আঁতৰাই কুশল কৰিবলৈ।"

সুৰই ভিনিহিয়েকৰ কথা শুনি খিল খিলকৈ হাঁহিলে। 'বাইদেউৱে ইমানপৰে থাপনাত চাকি দিয়া নাই বুলি ভাবিছা নেকি ভিনিদেউ ?"

আত্মপ্ৰসাদৰ সন্তুষ্টিৰে মধু শইকীয়াৰ মন উপচি পৰিল। ভাত খাবৰ সময়ত সেউতীক একেলগে খাবলৈ মাতোতে নাহিল। সাতামপুৰুষীয়া সংস্কাৰে বাধা দিলে। "মই গাটো এতিয়া ভাল পাইছো, আপুনি খাই লওক।" বৃথা বাক্য ব্যয় নকৰি খোৱা শেষ হ'লত বাহিৰলৈ ওলাই আহিল। বুজিলে বায়েক ভনীয়েকে তেওঁক চকু সামৰিবলৈ নিদিয়ে।

শ্ৰীমন্তক কিবা এটা ক'ব খোজোতে তপৰাই মাত দিলে "তুমি মোক হ'লে ঘৰলৈ খবৰ দিবলৈ যাবলৈ নক'বা। এতিয়া আৰু মই ঘৰমুৱা নহওঁ। মোৰ কথাটো তুমি ভাবিবা, তুমি জীৱনত বহু যুঁজ-বাগৰ কৰি আগবাঢ়িছা। ভাগিন এটাও ঘৰলৈ আহিব, তোমাৰ নহয় মোৰো দায়িত্ব বাঢ়িল।"

নিশা ভালেমান পৰলৈকে মধু শইকীয়াৰ টোপনি অহা নাছিল। পিছদিনা পুৱাই তৰাজানৰ বলো মেধিৰ ঘৰ ওলালগৈ। সকলো কথা বিতংকৈ বিৱৰি মেধিক ক'লে। কথা শুনি মেধিয়ে হো-হোকৈ হাঁহি উঠিল।

"বোলো শুনিছনে নাই কণ বাপৰ মাক, আহচোন এইফালে। মধুৱে ভাল বতৰা লৈ আহিছে। তই বৰমাক হ'বলৈ ওলাইছ।" মেধিয়নীৰ ক'লা দাঁতকেইটা হাঁহিত তিৰবিৰাই উঠিল। সেইবোৰ বন্ধোৱা দাঁত। তাহানিৰ মানুহে ঘৈণীয়েকৰ বগা দাঁত পুৱাতে দেখিলে গৃহস্থৰ অমঙ্গল হয় বুলি ভাবিছিল। থেকেৰা আদি কৰি কিবা কিবি বস্তু দাঁতত লগাই নিশাটো থোৱাৰ পাছত দাঁত বোৰৰ বৰণ ক'লা হয়। শুৱনি মানুহো দাঁত কেইটা ক'লা হ'লে আপচু হয়। সেইবাবে খেনোৱে হাঁহিবলৈকে এৰে।

মানুহ তাইৰ মুখত জুতি লগাকৈ কেনেকৈ ৰান্ধি খুৱাওঁ। আজি মাহেক ধৰি খীণাইছে হয়। পিছে খাব নোৱৰা আৰু বমি হোৱাৰ সম্ভেদটো মই কালিহে পালো।" আগদিনা আবেলি সেউতীয়ে মূৰ্ছা যোৱাৰ বৃত্তান্তটো শইকীয়াই ক'লে। মেধিয়ে মাত লগালে "হ'ব বাৰু কেছাৰীত দৰ্খাস্ত এখন দি মই বোৱাৰীহঁতৰ ঘৰ ওলামগৈ। আজিয়ে উভতি আহি তোমাক সম্ভেদ দিম।"

ইতিমধ্যে চাহ পানী দুগিলাচেৰে সৈতে টেকেলি মুখত দিয়া পিঠা কেইখনমান দি মেধিয়নীয়ে ততাতয়াকৈ ভিতৰলৈ সোমাই গ'ল। শইকীয়াই আপত্তিৰ সুৰত ক'লে "নবৌৱে এই পুৱাতে চাহপানী যতনাবলৈ গ'ল কেলেই বাৰু ?"

সৰ্ব্বাইবন্ধাৰ পৰা তৰাজানৰ মেধিৰ ঘৰখনলৈ ভালেমান দূৰ বাট। ডিঙিটো শুকাই আহিছিল। তপত চাহ পানী টোপা খাবলৈ পাই মধু শইকীয়াই ভাল পালে। মেধিৰ ছোৱালীজনীয়ে তামোলৰ বটাটো থৈ গ'লহি কটাৰিখন গোটা তামোল এটা আৰু পাণ দুখিলাৰে সৈতে। ভিতৰলৈ সোমাই যোৱাৰ আগতে দেউতাকক ক'লে 'দেউতা; মায়ে গা ধুবলৈ গৈছে তামোলখন তোমাকে কাটি দিবলৈ কৈছে। খুৰাদেউক মা অহাৰ আগতে যাবলৈ মানা কৰিছে।"

মধু শইকীয়াৰ চিন্তাক্লিষ্ট মুখখনলৈ চাই নানা তৰহৰ বাবে বাংকৰা কথা উলিয়াই মেধিয়ে তামোলৰ বাকলি গুচাই গুচাই ক'বলৈ ধৰিলে। "মাইকী মানুহৰ এইবোৰ কথা বুজিবলৈও টান। ক'বলৈও টান। আমাৰ এইজনীয়ে আকৌ প্ৰথম ল'ৰাটো পাওঁতে কথাৰ গুৰিটো মাহেকমান আগতেহে মই গ'ম পাইছো। তাই মানুহজনী টান। বুঢ়া সদাশিৱৰ কৃপাত সকলো ভালে ভালে হৈ গৈছিল।"

ডবিয়া কটাৰিখনৰ ধাৰ অলপ কমিছিল। তামোলটো খনিয়াবলৈ মেধিয়ে টান পাইছিল। মধু শইকীয়াই হাতখন আগবঢ়াই কটাৰিখন খুজিলে। "ককাই তুমি বৰলা ভাত খোৱা নাই নহয়, এইবোৰ মাইকী মানুহৰ কাম কেনেকৈ কৰিবা। মোক দিয়া।"

মেধিয়ে কটাৰিখন আগবঢ়াই দি সেমেনা সেমেনিকৈ ক'লে, "নহয়হে কটাৰিখনত ধাৰ নাই ভাবতেই ধাৰ বেছি যেন লাগিছিল।"

"ৰবা ৰবা। নবৌৰ কটাৰিখনৰ তুমি অশলাগি নহ'বা, চোৱা মই কেনেকৈ ফালিলো। শিৰে শিৰে তামোল কাটিলেহে ফালে। চোতালখন বেঁকা বুলিলে কেনেকৈ হ'ব।"

দুয়ো হাঁহিলে। তামোল পাণ খন চূণ লগাই মুখত সুমাই লৈ মেধিয়ে ছোৱালীজনীক ৰিঙিয়াই মাতিলে। "হেৰ লাহৰি, ধপাতৰ জেবাটো কি কৰিলি।" গাঁওৰ ঘৰলৈ যাওঁতে মাজে মাজে এচুঙাকৈ অসমীয়া ধপাত মেধিয়ে লৈ আহে। ধপাত নহ'লে তামোলৰ সোৱাদ নেপায়। কেছাৰীলৈ যাওঁতে চূণ ধপাতৰ সৈতে হাঁচতিত তামোলখন বান্ধি লৈ যায়। কেছাৰীৰ দুই এজন তামুলীয়ে মেধিৰ ওচৰত হাত-পাতি হাঁচতিৰ তামোল একোখন খাই প্ৰশংসা কৰে। "মেধি আপোনাৰ হাঁচতিৰ তামোলৰ সোৱাদেই বেলেগ। এইবাৰ গাঁওলৈ গ'লে আমাৰ কাৰণেও এচুঙা ধপাত আনিবচোন।" অসমীয়া ধপাতৰ এই লোভ লগা গোন্ধটো আজি কালি নোহোৱা হ'ল। ধপাত বনোৱা সকলে আগৰ দৰে ধপাত নবনায়। কথা তাতেই শেষ হ'ল। গাঁৱলৈ যাওঁতে মেধিয়েও ধপাতৰ চুঙা নানে। পাচোতা জনেও খুজিবলৈ নাহে।

কাপোৰ এসাজ পিন্ধি মেধিয়নী বাহিৰলৈ ওলাই আহিল। ফুৰিবলৈ ওলোৱাৰ সাজ-পাৰ দেখি মেধিয়ে তভক মানি সুধিলে– "কণ বাপৰ মাক, তইনো কলৈ ওলালি ?"

গিৰিয়েকলৈ নোচোৱাকৈ মেধিয়নীয়ে উত্তৰ দিলে– "কিনো কথাবোৰ সোধে ? এইখন বিয়াত মই টেকেলি ধৰিছিলো, তাই নতুন ছোৱালী ভয় খালে বেয়া হ'ব। মোৰ গা-পুৰিবলৈ ধৰিছে। মই এতিয়া বোপাৰ ঘৰলৈকে যাওঁ। আপুনি ভাত মুঠি বহাই খাব। পৰীক্ষা শেষ হৈছে কাৰণে ল'ৰা-ছোৱালী কেইটাৰ স্কুলৰ লেঠাও নাই।" কথাৰ সুৰত এটা স্পষ্ট দৃঢ়তাৰ ইঙ্গিত পাই মেধিয়ে আপত্তি কৰিবৰ বাট নেপালে।

শইকীয়াক ক'লে "নবৌৱেৰে যাব খুজিছে যেতিয়া লৈ যোৱা। মাইকী মানুহেহে মাইকী মানুহৰ কথা বুজিব। এতিয়া পিছে যাওঁতেহে তোমাৰ এইজনী ভালুকৰ সাঙী হ'ল।"

হাঁহি হাঁহি মধু শইকীয়াই ক'লে "ককাই মোৰ মুখত এতিয়াহে পানী আহিছে। নবৌ আকৌ ভালুকৰ সাঙী হ'বলৈ যাব কেনেকৈ ? আমাৰ আটাইৰে কপালৰ গুণেহে আপোনাৰ ঘৰলৈ এইজনী লখিমী আহিছে।"

নঙলা মুখলৈ মেধিয়নী আৰু শইকীয়া আগবাঢ়ি গ'ল। শইকীয়াই চাইকেলখন ঠেলি ঠেলি গৈ থাকিল। পিছফালৰ পৰা মেধিয়ে ৰিঙিয়াই ক'লে– "আজি মই বৰবিহ খালো। তুমি তাইক একেবাৰে মূৰৰ ওপৰত তুলিলাগৈ, বিষ মাৰি তললৈ নমাওঁতে কিমানদিন লাগিবগৈ ক'ব নোৱাৰো।" মেধিয়নী আৰু শইকীয়াই খিল-খিলকৈ হাঁহিবলৈ ধৰিলে। নঙলাকেই ডাল মেধিয়ে মাৰি ক'লে, "যোৱা যোৱা লৰালৰিকে যোৱা, তোমাৰ দোকানলৈ আহিবৰ হ'বই নহয়।"

( আগলৈ )





# আদা বেপাৰীৰ জাহাজৰ খবৰ

## বাজেট, পৰিকল্পনা ইত্যাদি

মছ্উদুল হক

ভাৰতবৰ্ষ পৃথিৱীৰ অন্যতম প্ৰাচীন সভ্যতাৰ দেশ। কিন্তু দুখৰ কথা হ'ল আজিৰ ভাৰতবৰ্ষ ব্ৰাজিল আৰু মেক্সিকোৰ পিছতে পৃথিৱীৰ আটাইতকৈ ধৰুৱা দেশ। অন্যতম দৰিদ্ৰ দেশ। এইখন দেশৰ তিনি চতুৰ্থাংশ মানুহ কৃষি কৰ্মত নিযুক্ত। অথচ জনমূৰি উৎপাদন হ'ল নিম্নতম পৰ্যায়ৰ। আশীভাগ কৃষি কৰ্মত চাৰি হাজাৰ বছৰ পুৰণি পদ্ধতিয়েই সম্বল। পাঞ্জাব, হাৰিয়ানা আৰু পশ্চিম উত্তৰ প্ৰদেশ বাদ দিলে প্ৰায় গোটেই ভাৰতবৰ্ষতে কৃষি উৎপাদনত ঘাটি। আমি ৰেকৰ্ড পৰিমাণ উৎপাদনৰ খবৰ পঢ়ি থকা সময়তে কালাহান্দিৰ পৰা বাস্তাৰ আৰু গোৱালপাৰালৈকে দুৰ্ভিক্ষ বা দুৰ্ভিক্ষ সদৃশ অৱস্থা বিৰাজ কৰে। হস্তশিল্পীৰ অনুদান আৰু পুৰস্কাৰ বিতৰণ চলি থকা সময়ত অন্ধ্ৰৰ এশৰ ওপৰ তাঁতীয়ে অভাৱৰ তাড়নাত আত্মহত্যা কৰাৰ খবৰ শাসক দলৰ সংসদ সদস্যয়েই দাঙি ধৰে। আমাৰ এই তাজ্জব দেশখনৰ এফালে সীমাহীন দাৰিদ্ৰ্য, অন্যফালে কল্পনাতীত প্ৰাচূৰ্য। কেৱল খোৱা ঠাইৰ অভাৱতে লাখ লাখ বস্তা খাদ্য দ্ৰব্য নষ্ট হয় আমাৰ দেশখনত। এন্দুৰ, পোক, পৰুৱাৰ কথা নকলোৱেবা। শ শ কোটি টকাৰ আঁচনি কাগজৰ পাততে থাকি গলেও টকা খৰচ হৈ যায়। এশ কোটিৰ আঁচনি শামুকীয়া গতিৰে ৰূপায়ণ হয়গৈ মানে তাৰ খৰচ কুৰি গুণ বাঢ়ে।

জাতিৰ পিতা গান্ধীজীৰ ভাৰতবৰ্ষ মূলতঃ পাঁচ লাখখন গাঁৱৰ মানুহৰ দেশ। কৃষক আৰু হস্তশিল্পীক বাদ দি গান্ধীজীৰ ভাৰতৰ কল্পনাও অসম্ভৱ। ফেবিয়ান সমাজবাদী নেহৰুৰ দৃষ্টিভঙ্গীতো গাওঁবাসী কৃষকৰ গুৰুত্ব আছিল। আম্বেদকাৰ, মহলানবীশ আদি মহান ভাৰতীয়ই ভাৰতবৰ্ষত সকলোৰে বাবে সাধাৰণ শিক্ষা, চিকিৎসা, খোৱাপানী, বাসস্থান, কামৰ অধিকাৰ, সম্পদৰ বিতৰণ, বৃদ্ধ-শিশু-বিকলাঙ্গৰ বাবে ব্যৱস্থা, দৰিদ্ৰ আৰু দলিতৰ বাবে বিশেষ কাৰ্যসূচী, পৰিচালনাত শ্ৰমিকৰ অংশগ্ৰহণ, কৃষি বনুৱা আৰু হস্ত শিল্পীৰ ৰক্ষণাবেক্ষণ আদি খুটি-নাটি ভাৰতৰ সংবিধানৰ নিৰ্দেশক নীতিৰ ভিতৰত সন্নিবিষ্ট কৰিছিল।

বছৰি বাজেটৰ যোগে আয়-ব্যয়ৰ খতিয়ানৰ লগতে দেশৰ অৰ্থনীতিৰ পৰিচালনা ব্যৱস্থা দাঙি ধৰাটো চৰকাৰৰ নিয়ম। পাৰ হৈ যোৱা বছৰটোৰ অৰ্থনৈতিক পৰ্যালোচনা দাঙি ধৰাটোও নিয়ম। অৰ্থনীতিৰ পণ্ডিত সকলে আলোচনা, পৰ্যালোচনা কৰি প্ৰচাৰ মাধ্যমবোৰ মুখৰ কৰি ৰখাটোও নিয়মেই। কিন্তু আমাৰ জনসাধাৰণৰ সুবৃহৎ অংশই এইবোৰ হিচাপ-পত্ৰ বুজিনো কি হ'ব বুলি ভাবে। বুজিব খোজা দুই-একে দাঁত ভগা শব্দ আৰু পৰিসংখ্যাৰ খুন্দাত থমকি ৰয়। পিছে জানিব লগা প্ৰথম কথাটোৱেই হ'ল দেশখন চলিবলৈ প্ৰয়োজন হোৱা পুঁজিলৈ কম হওক বেছি হওক আমাৰ প্ৰত্যেকৰে বৰঙণি আছে। গতিকে আয়-ব্যয়, লাভ-লোকচান আৰু বৰ্তমান-ভৱিষ্যতৰ কথাবোৰ জানিব খোজাটো আমাৰ আদা বেপাৰী অৰ্থাৎ চহা কৃষকৰো কৰ্তব্য। আমি তেওঁলোকৰ কামত অহাকৈ দুটামান কথা আলোচনা কৰিবলৈ চেষ্টা কৰিছো।

বহলকৈ আজিকালিৰ অৰ্থনৈতিক পণ্ডিতসকলক দুভাগে ভগাব পাৰি। এভাগৰ বক্তব্য হ'ল দেশৰ অৰ্থনীতি টনকিয়াল কৰিবলৈ হলে উদ্যোগপতি আৰু বেংকাৰসকলক প্ৰচুৰ সুবিধা দিব লাগিব। তেওঁলোকৰ আয় যিমানে দ্ৰুত গতিত বাঢ়িব বিনিয়োগো সিমানে বাঢ়িব। নিয়োগ বাঢ়িব, উৎপাদন বাঢ়িব, মজদুৰ-শ্ৰমিকৰ আয় বাঢ়িব। এই Trickle down strategy-ত দাৰিদ্ৰ্য নিৰ্মূল, সমাজকল্যাণ আদি অদৰকাৰী, লোকচানী ব্যৱস্থা। জাতীয় আয় (GNP) বৃদ্ধিহে আচল কথা। বিতৰণ ব্যৱস্থালৈ মূৰ ঘমোৱা ৰাষ্ট্ৰৰ কাম নহয়। একাংশৰ মতে স্বাস্থ্যৰক্ষাৰ আঁচনিবোৰো দামী কৰিব লাগে, বিনামূলীয়া ছিটা আদি ব্যৱস্থাবোৰো তুলি দিব লাগে যাতে জনসংখ্যা বৃদ্ধিৰ সমস্যা নিজে নিজে সমাধান হয়। এখেতসকলৰ চিন্তা আৰু পৰিকল্পনা উচ্চবিত্ত ১০ শতাংশ মানুহৰ বাবে। এনে ব্যৱস্থাৰ সীমাবদ্ধতাৰ কথালৈ নগৈ আমি ক'ব পাৰো যে গধুৰ শিল্প আৰু আধুনিক যান্ত্ৰিকীকৰণৰ দ্ৰুত বিকাশ ইয়াৰ লক্ষ্য, নিযুক্তি বঢ়োৱা নহয়।

অন্যফালে আছে পৰিকল্পিত অৰ্থনীতিৰ প্ৰবক্তাসকল। তেওঁলোকে গুৰুত্ব দিব খোজে সংখ্যাগৰিষ্ঠক। দাৰিদ্ৰ্য নিৰ্মূলৰ পৰা জনস্বাস্থ্য, শিক্ষা, খাদ্য দ্ৰব্যৰ বিতৰণ ব্যৱস্থা আদি কল্যাণকামী কাৰ্যসূচীৰ যোগেদি সম্পদৰ কিছু হলেও বিতৰণক অগ্ৰাধিকাৰ দিয়ে। নিয়োগমুখী আঁচনিৰ বাবে হস্তশিল্প আৰু ক্ষুদ্ৰশিল্পই প্ৰাধান্য পায়। গধুৰ শিল্প নিশ্চয় থাকিব কিন্তু বেছিতকৈ বেছি মানুহক দাৰিদ্ৰ্যৰ পৰা উদ্ধাৰ কৰাটো ৰাষ্ট্ৰৰ কৰ্তব্য বুলি ভবা হয়। ইয়াতো বহুত সীমাবদ্ধতা আছে। নাগৰিক দায়িত্বশীল আৰু উদ্যোগী নোহোৱাৰ ফলত আমাৰ ভাৰততে যতমানে কল্যাণকামী আঁচনিত খৰচ হোৱা বহু হাজাৰ কোটি টকা দুৰ্নীতিপৰায়ণ ৰাজনীতিজ্ঞ আমোলাৰ ভোগত লগাত বাদে একো নহ'ল। কিন্তু উপযুক্তভাৱে কামত লগাব পৰা হলে সুফল আছিল নিশ্চিত।

খৰখেদাকৈ সিদ্ধান্ত কৰি নেপেলাব যে প্ৰথম বিধৰ ব্যৱস্থাৰ প্ৰবক্তাসকল পুঁজিবাদী আৰু দ্বিতীয় বিধৰ সকল সমাজবাদী (তথাকথিত কমিউনিষ্ট)।

আজিৰ পৃথিৱীৰ অৰ্থনীতিত ইমান স্পষ্ট সীমাৰেখা নাই। দুটামান সাধাৰণ উদাহৰণ দিলে কথাটো পৰিষ্কাৰ হ'ব। ইউৰোপৰ পুঁজিবাদী দেশবোৰতো খাদ্য সামগ্ৰীত subsidy ব্যৱস্থা আছে। নিবনুৱা আৰু বৃদ্ধৰ ভাট্টাৰ পৰা আৰম্ভ কৰি বহুত কল্যাণকামী ব্যৱস্থা আছে। বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানৰ ওপৰত নিয়ন্ত্ৰণো আছে। ক'ৰবাত সম্পদৰ ওপৰত কৰ আছে, ক'ৰবাত আছে উত্তৰাধিকাৰত। উদ্যোগীকৰণত নতুনকৈ দ্ৰুত উন্নতি কৰা জাপান আৰু দক্ষিণ কোৰিয়াৰ উদাহৰণো চাবলগীয়া। ৰাষ্ট্ৰই উদ্যোগৰ স্থান, নিয়োগৰ নীতি, আকাৰ, ব্যৱহাৰ হ'ব লগা যান্ত্ৰিক কৌশল আৰু আনকি বিক্ৰীৰ ব্যৱস্থাৰ ওপৰতো নিয়ন্ত্ৰণ ৰাখিছে। আমদানিৰ নীতিও যথেষ্ট কঠোৰ। ফ্ৰাঞ্চ, জাৰ্মানী, জাপান, বা দক্ষিণ কোৰিয়াই আমেৰিকান পুঁজিৰ নিৰ্দেশত নিয়ন্ত্ৰণ তোলা নাই। আনকি ডাংকেল প্ৰস্তাবো (বেলেগে আলোচনা কৰিলে ভাল হ'ব) সমৰ্থন কৰা নাই। আমদানি নিয়ন্ত্ৰণৰ ফলত এইবোৰ উন্নত দেশৰ বজাৰত আমেৰিকান ভোগবাদী দৰ্শনে প্ৰভাব পেলাব পৰা নাই। বৰং জাপান, দঃ কোৰিয়া, জাৰ্মানীৰ অৰ্থনৈতিক শক্তি আমেৰিকান পুঁজিৰ বাবে ভয়ৰহে কাৰণ হৈ পৰিছে।

সমাজবাদ, পুঁজিবাদ আমাৰ শত্ৰু নে মিত্ৰ – এই ধৰণৰ বিতৰ্কৰ অৱকাশ যথেষ্ট কমিছে। কাৰণ আমেৰিকান সাম্ৰাজ্যবাদে কঢ়িয়াই আনিছে ভয়ঙ্কৰ বিপদ। ছোভিয়েত ৰাছিয়াই যোৱা দুটা দশকত আমাক দিয়া পেলনীয়া কাৰিকৰী কৌশলবোৰ, সামান্য স্ক্ৰুটোও ৰাছিয়াৰ পৰা অনাৰ লগতে জুই নুমুৱাবলৈ, কয়লাখনিৰ দুৰ্ঘটনাগ্ৰস্তক উদ্ধাৰ কৰিবলৈ ৰুছ বিশেষজ্ঞ আনিবলগীয়া হোৱা দিনবোৰলৈ মন কৰক। বোকাৰো-ভিলাইৰ তীখা কাৰখানাৰ উৎপাদনৰ সৰহভাগ ৰাছিয়াক দিব লগীয়া হোৱা চুক্তিবোৰলৈ চালেই দেখিব সাম্ৰাজ্যবাদৰ কামোৰ কেনেকুৱা। অৱশ্যে এইটো অনস্বীকাৰ্য যে ছোভিয়েতৰ শোষণ আমেৰিকান সাম্ৰাজ্যবাদৰ শোষণৰ তুলনাত তেনেই নৰম। ছোভিয়েত ৰাছিয়াৰ পতনৰ পাছত আজিৰ আন্তৰ্জাতিক পৰিস্থিতিত আটাইতকৈ ডাঙৰ বিপদৰ উৎস হ'ল আমেৰিকান সাম্ৰাজ্যবাদ আৰু তাৰ সহচৰ বহুজাতিক নিগমবোৰ।

ইৰাক বা লিবিয়াৰ ঘটনাৱলী অনুধাৱন কৰা সকলে জানে যে আমেৰিকান সাম্ৰাজ্যবাদে একছত্ৰী আধিপত্যত কোনো বাধা সহ্য নকৰে। যুদ্ধাস্ত্ৰৰ ব্যৱসায় বন্ধ হলে আমেৰিকা আৰু মিত্ৰ ৰাষ্ট্ৰবোৰৰ বুকুত নিবনুৱাই হাহাকাৰ কৰিব। শিল্পক্ষেত্ৰত আহিব সীমাহীন মন্দা (recession)। গতিকে চাদ্দাম বা গাদাফি নাথাকিলে বেলেগ একোজন ডন কিস্‌তে তৈয়াৰ কৰি ল'ব লাগিব। দক্ষিণ আৰু পশ্চিম এচিয়া, ভাৰতীয় উপ-মহাদেশ, আফ্ৰিকা, লেটিন আমেৰিকাৰ দেশবোৰত যুদ্ধ-যুদ্ধ খেল চলি থাকিব লাগিব। চলি থাকিব লাগিব সন্ত্ৰাসবাদীৰ লীলা-খেলা, দমনৰ নামত ৰাষ্ট্ৰৰ সন্ত্ৰাস। অস্ত্ৰ যোগানৰ বিশ্বজোৰা বজাৰ চলি থাকিব লাগিব। উন্নয়নশীল দেশবোৰে যাতে অৰ্থনীতি টনকিয়াল কৰিব নোৱাৰে, যাতে প্ৰতিৰক্ষাতে সৰ্বস্বান্ত হয়, তাৰ বাবে বিৰাজ কৰি থাকিব লাগিব সামাজিক আৰু ৰাজনৈতিক অস্থিৰতা।

(২)

১৯৫০ চনত পৰিকল্পনা আয়োগ গঠন হোৱাৰ পাছত তেতিয়াৰ বিত্তমন্ত্ৰীয়ে পদত্যাগ কৰিছিল। আয়োগক দিয়া ক্ষমতা দেখি বিত্তমন্ত্ৰী চিন্তিত হৈছিল যে তেওঁলৈ হয়তো কোনো ক্ষমতা অৱশিষ্ট নাথাকিব। সাতটাকৈ পাঁচ বছৰীয়া পৰিকল্পনাৰ পাছত এতিয়া চিন্তাৰ বিষয় হ'ল পৰিকল্পনা আয়োগৰ বিশাল ভৱনটো আৰু পাঁচ হাজাৰ কৰ্মচাৰীৰ বাহিৰে কিবা ক্ষমতা আছে নে নাই। পৰিকল্পিত অৰ্থনীতিৰ প্ৰবল প্ৰবক্তা অশোক মেহতা আৰু চি চুৱামনিয়মৰ দিনতে পৰিকল্পনা আয়োগ প্ৰধানমন্ত্ৰীৰ খেয়াল-খুচিত চলা অনুষ্ঠানত পৰিণত হৈছিল। চীন আৰু পাকিস্তানৰ যুদ্ধই অৰ্থনৈতিক বিপৰ্যয় মাতি আনিলে। পি এল ৪৮০-ৰ অধীনত অহা খাদ্যসামগ্ৰীয়ে কঢ়িয়াই অনা অপমানজনক চৰ্তবোৰৰ ফলতে কৃষি ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতা আহিল। পিছে তাৰ সুফল অন্য ক্ষেত্ৰলৈ বিয়পাৰ আগতেই আহিল বাংলাদেশৰ যুদ্ধ। আহিল অৰ্থনৈতিক গৰাখহনীয়া। অৰ্থনৈতিক-ৰাজনৈতিক স্থিৰতা ৰাখিব নোৱাৰি প্ৰৱৰ্তন কৰিব লগা হ'ল জৰুৰী অৱস্থা। ছোভিয়েত ৰাছিয়াৰ ওপৰত নিৰ্ভৰতা বাঢ়ি আহিল।

ভাৰতৰ অভিযন্তা, বৈজ্ঞানিক, কাৰিকৰসকলৰ পৃথিৱীৰ উন্নত দেশবো কৌশল আয়ত্ত কৰিব পৰা ক্ষমতা ব্যৱহাৰ নহ'ল। পৰিকল্পনা নামতহে থাকিল। নেতাৰ খেয়ালত হঠাৎ আহি পৰিল "স্ক্ৰু-ড্ৰাইভাৰ টেকনলজী"। আমাৰ কাৰিকৰে নিৰ্মাণ কৰালৈ বাট চাবলৈ নেতাসকলৰ সময় নাই। বিদেশী ভোগ্য দ্ৰব্য তেওঁলোকক লাগেই। আজিৰ অৰ্থনৈতিক বিপৰ্যয়ৰ অন্যতম প্ৰধান কাৰণ এইটোৱেই। অৰ্থনৈতিক পৰিস্থিতিৰ সমুখীন হবলৈ কোনো ধৰণৰ আভ্যন্তৰীণ বুজা-পৰা কৰা নহ'ল। তেলৰ সংকটৰ সময়ত ১৯৭৯-তে মুঠি টান কৰিব লাগিছিল। কিন্তু তেলৰ খৰচ নিয়ন্ত্ৰণৰ সাহস নেতাসকলৰ নহ'ল। মধ্যবিত্ত আৰু উচ্চবিত্তৰ সুখ-সুবিধা বজাই ৰাখিবলৈ গৈ ধাৰৰ প্ৰক্ৰিয়া আৰম্ভ হ'ল। মূল্যবৃদ্ধি আৰু মুদ্ৰাস্ফীতি তীব্ৰ হ'ল। মূল্য বৃদ্ধিৰ ওপৰত চোকা নিয়ন্ত্ৰণ নকৰি দৰমহা বৃদ্ধিৰ চক্ৰ আৰম্ভ কৰা হ'ল। ঘাটি বাজেটৰ আকাশচুম্বী অঙ্কই মুদ্ৰাস্ফীতি সাংঘাতিক অৱস্থা পোৱালে। ইফালে কিছু সহজ চৰ্তত পোৱা IMF-ৰ ঋণ খৰচ হ'ল উৰাজাহাজ, হেলিকপ্তাৰ, বৰটোপত। ধাৰৰ টকাৰে আভ্যন্তৰীণ সম্পদ আৰু কাৰিকৰী দক্ষতা আৰু উৎপাদন বৃদ্ধিৰ এটা সুন্দৰ সুযোগ আকৌ নষ্ট হ'ল।

ইফালে এনেবোৰ পৰিস্থিতিত প্ৰচাৰ মাধ্যম আৰু জনমতক সন্তুষ্ট কৰি ৰখাৰ চৰকাৰী কৌশল হ'ল মধ্যবিত্তক সুখ-সুবিধা দি সন্তুষ্ট কৰি ৰখা। দৰমহা বৃদ্ধি, বিত্তীয় প্ৰতিষ্ঠানৰ উদাৰ সাহায্যত দুচকীয়া-চাৰিচকীয়া যান, টিভি, ভি চি পি, ভি চি আৰ, বিলাসী দ্ৰব্য সহজ লভ্য হ'ল। ধন খৰচ হ'ল অনুৎপাদনশীল কাৰ্যত। মধ্যবিত্ত যেতিয়া সন্তুষ্ট প্ৰতিবাদ কৰে কোনে? Like all heady stuff consumer goods impaired our collective power to think.

ৰাজীৱ গান্ধীৰ নেতৃত্বতে দেশ ধাৰত পোত গ'ল সঁচা। কিন্তু আজিৰ অৰ্থনৈতিক অৱস্থাৰ বাবে বিশ্বনাথ প্ৰতাপ সিং বা চন্দ্ৰশেখৰো কম দায়ী নহয়। ৰাজীৱৰ ঋণ-মেলাই অৰ্থনীতিৰ যিমান ক্ষতি কৰিলে, ভি পি-ৰ ঋণ মাফে তাতকৈ কম কৰা নাই। সমাজবাদৰ নামত সুন্দৰ সুন্দৰ কথা কোৱা চন্দ্ৰশেখৰ পৰিগণিত হ'ল আমাৰ যুগৰ আটাইতকৈ সুবিধাবাদী নেতাত। নিয়মীয়া বাজেট উত্থাপন কৰিব নোৱৰাৰ ফলত অৰ্থনীতিৰ কম ক্ষতি হোৱা নাই।

আমাৰ পৰিকল্পনা ব্যৱস্থাত যিমান খুঁতেই নেথাকক তাক দূৰ কৰি কাৰ্যক্ষম কৰাৰ অৱস্থা এতিয়াও আছে। ভাৰতীয় অৰ্থনীতিৰ যিটো ভেটি আছে সি সাতটাকৈ পৰিকল্পনাৰ বাবেহে সম্ভৱ হৈছে। আমাৰ আটাইতকৈ ডাঙৰ অসুবিধাটো সাংঘাতিক সুবিধাবাদী দুৰ্নীতিপৰায়ণ ৰাজনীতিজ্ঞসকল। তেওঁলোকৰ বাবেই সমাজৰ সৰ্বস্তৰতে দুৰ্নীতিৰ পয়োভৰ। পৰিকল্পনাই সম্পূৰ্ণভাবে লক্ষ্যত উপনীত হ'ব নোৱৰাৰ এয়ে কাৰণ। অৰ্থনীতিৰ ছবিখন যিমানে ভয় লগা কৰি নেদেখুৱাওক তাৰ ৰূপ সলাই দিব পৰা ক্ষমতা আৰু কাৰিকৰী দক্ষতা আমাৰ আছে। তাকে নকৰি দুৰ্বল নেতৃত্বই নি আছে অন্ধকাৰ ভৱিষ্যতৰ ফালে। ধাৰৰ সুদ দিবলৈ ধাৰ, ধাৰ মাৰিবলৈ ধাৰ, ধাৰৰ অন্তহীন ফান্দত আমি ভৰি দিছো। অৰ্থনীতিৰ নবেল পুৰস্কাৰ বিজেতা জাঁ টিনবাৰ্জাৰৰ ভাষাত – "১৯৮৫ চনৰ পৰা উন্নয়নশীল দেশবোৰে আচলতে খুব কম সাহায্যহে পাইছে। গোটেইবোৰ দেশক এটা গ্ৰুপ বুলি ধৰিলে দেখা যাব তেওঁলোকে ১৯৮৫ চনত যিমান ধাৰ আছিল ১৯৯১ চনত তাতকৈ বেছি পৰিশোধ কৰিছে। অথচ সমানে ধৰুৱা হৈ আছে। মুদ্ৰাৰ মূল্যহ্ৰাস, সুদৰ হাৰ আৰু চৰ্ত পৰিবৰ্তন আদিৰ যোগেদি উন্নয়নশীল দেশবোৰক ঋণৰ চকৰিত ঘূৰাই ৰখা হৈছে। আগৰ অৱস্থাত থাকিবলৈকে সেই দেশবোৰে আগতকৈ বহুত বেছি দৌৰিব লগা হৈছে।"

ইফালে আমাৰ নেতাসকলে বেছি ধাৰ লব পৰাটো কৃতিত্ব হিচাপে দেখুৱাইছে।

(৩)

আমাৰ সাধাৰণ মানুহেও জানে যে ঋণ মুক্ত হবলৈ মিতব্যয়িতাৰ লগতে দ্ৰুত উৎপাদন বঢ়াব লাগিব। আমাৰ কৃষক আৰু হস্তশিল্পীৰ সংখ্যা গৰিষ্ঠতা থকা দেশখনত এই দুই শিতানত উৎপাদন বঢ়োৱা আৰু নিযুক্তিৰ ব্যৱস্থাৰ প্ৰবল সম্ভাৱনা আছে। ইয়াত লগ্ন হ'ব লগা পুঁজিও আমাৰ বলে পৰাৰ ভিতৰতে। জনসাধাৰণক সকাহ দিব পৰা উন্নত বিতৰণ ব্যৱস্থাই অন্য বহুত আঁচনি আগবঢ়াৰ বাবে সুস্থিৰ পৰিবেশ গঢ়ে। চৰকাৰী যোগানত অখাদ্য দ্ৰব্য আৰু অন্য দুৰ্নীতি বন্ধ কৰিব নোৱৰাটো চৰকাৰৰ দুৰ্বলতা। কিন্তু ব্যৱস্থাটো জনসাধাৰণৰ বাবে উপকাৰী। জলসিঞ্চন, কৃষিক্ষেত্ৰত খৰচ কমোৱাৰ লগতে খাদ্যত subsidy কমিছে। ইফালে ধনী কৃষকৰ বাবে সাৰৰ subsidy আছে, খাদ্যশস্যৰ সংগ্ৰহ মূল্য বাঢ়িছে। খাদ্য দ্ৰব্যৰ মূল্যবৃদ্ধিয়ে অভাৱগ্ৰস্ত মানুহক সন্ত্ৰাসবাদীৰ সমৰ্থকত পৰিণত কৰাৰ লগতে অসামাজিক কাৰ্যকলাপো বঢ়াব।

প্ৰতিৰক্ষা শিতানত আমাৰ খৰচ প্ৰায় সোতৰ হাজাৰ কোটি, খাৰুৱা তেল আমদানিৰ খৰচো প্ৰায় সিমানেই। অন্যফালে ঋণবোৰৰ সুদ বছৰি বত্ৰিশ হাজাৰ কোটি। প্ৰতি বছৰে এইবোৰ খৰচ বাঢ়ি যায়। তিনি বছৰৰ পাছত প্ৰায় ডেৰ গুণ বাঢ়িব। প্ৰতিবেশী দেশৰ লগত সম্পৰ্ক কৰি, তেলৰ খৰচত কঠোৰ নিয়ন্ত্ৰণ কৰি খৰচ যথেষ্ট কমাব পাৰি। অকল কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰণালয়বোৰেই পোন্ধৰ হাজাৰ কোটি টকা খৰচ কৰে। চৰকাৰী গাড়ীবোৰৰ খৰচ কমোৱাৰ কিমান অৱকাশ আছে এই বিষয়ে চিন্তা কৰা প্ৰতিজন ব্যক্তিয়েই জানে। এই খৰচবোৰ ক'ৰ পৰা আহে সামান্য ভাবে উনুকিওৱা ভাল হ'ব।

আমাৰ ৮৫০ নিযুত জনসংখ্যাৰ ৬০ নিযুত মধ্যবিত্ত আৰু ৫ নিযুত উচ্চবিত্তৰ ভিতৰত পৰে। নতুন আয়কৰ নীতিত আয়কৰ দিয়া মানুহ ৬ নিযুতলৈ কমিব। সম্পত্তি কৰৰ সীমা ১৫ লাখলৈ বঢ়াত সম্পত্তি কৰ দিব লগা মানুহ কেইহাজাৰ মানলৈ কমিব। Laffer-ৰ ধাৰণামতে কম কৰ হলে বেছি মানুহে কৰ দিব আৰু সংগ্ৰহ বেছি হ'ব, তেনে কথা ভাৰতত নাখাটে। আমদানি শুল্ক কমিল ২৭০০ কোটি টকা। মুঠতে ধনী আৰু উচ্চবিত্তই দিয়া প্ৰত্যক্ষ কৰ ১০,০০০ কোটি টকাৰো কম। উদ্যোগপতি বৃহৎ ব্যৱসায়ীৰ বাবে ৰখা ব্যৱস্থাবোৰৰ বিশ্লেষণলৈ নগৈ চকুত পৰি যোৱা কথাটো হ'ল ক'লা টকাৰ গিৰিহঁতৰ বাবে amnesty ব্যৱস্থাবোৰ বাঢ়িল। কথাটো এনে হ'ল যেন সৎ ব্যৱসায়ীৰ ঠাইত অসৎ ব্যৱসায়ীহে চৰকাৰৰ চকুত সন্মানিত। আয়কৰৰ পৰিধিৰ ভিতৰলৈ বহুত বেছি মানুহক অনাৰ অৱকাশ আছে। ক'লা টকা গোটোৱাসকলক চিনাক্ত কৰাটো আজি বৰ টান কাম নহয়। তেওঁলোকৰ গাড়ী-ঘৰ-বিলাসী সামগ্ৰী আৰু জীৱন ধাৰণৰ পদ্ধতিৰ পৰাই চকুত পৰি যায়। ব্যৱস্থাটো সামান্য দুৰ্নীতিমুক্ত কৰিব পাৰিলে আয়কৰৰ পৰা বৰ্তমানৰ চাৰিগুণ ধন সংগ্ৰহ হ'ব পাৰে। কিন্তু আমোলা-ৰাজনীতিজ্ঞ সকল যিহেতু নিজেই ক'লা টকাৰ মালিক গতিকে আয়কৰ সংগ্ৰহৰ ব্যৱস্থা ফলপ্ৰসু হয় কেনেকৈ? স্বাভাৱিকতে পৰোক্ষ কৰ বঢ়োৱাটোৱেই চৰকাৰৰ পছন্দ। নিম্ন মধ্যবিত্ত আৰু দৰিদ্ৰৰ হৈ মাত মাতোতা কোনো নাই। প্ৰচাৰ মাধ্যমেও সহায় নকৰে। আবকাৰী শুল্কৰ পৰা সংগ্ৰহ হোৱা ত্ৰিশ হাজাৰ কোটিৰ লগত আৰু আঢ়ৈ হাজাৰ কোটি বাঢ়িল। বিশেষ শুল্ক আছেই। চেনি, চাবোন, সূতা, কাপোৰ, তেল আদিৰ যোগেদি এই বৃহৎ পৰিমাণৰ কৰ দিব লাগিব আমাৰ সাধাৰণ মানুহেই। ইতিমধ্যেই তীব্ৰ ভাবে বঢ়া দ্ৰব্যমূল্য আৰু বাঢ়িবলৈ বাধ্য। ৰেলভাড়া, মালভাড়া বৃদ্ধিৰ পৰা তীখা, চিমেন্টৰ মূল্যবৃদ্ধিলৈকে অন্য হেঁচাবোৰ আছেই। চমুকৈ ইয়াকেহে কম যে গোটেই ব্যৱস্থাৱলী চহকী আৰু উচ্চ মধ্যবিত্ত ১০ শতাংশৰ বাবেহে কৰা হ'ল।

ধাৰ আমি ললোৱেই, চৰ্তবোৰ মানিলোৱেই। তাৰ পৰা পৰিত্ৰাণৰ সহজ উপায় নাই। কিন্তু যাতে সকলোৱে কষ্টখিনি বিতৰণ কৰি লব পাৰে, যাতে এনে জটিল পৰিস্থিতিতো আমাৰ নিবনুৱা যুৱক-যুৱতীৰ কৰ্ম-সংস্থানৰ বাট খোলা থাকে, যাতে জনকল্যাণকামী ব্যৱস্থাবোৰ বৰ্তি থাকে তাৰ বাবে দেশ জোৰা বিতৰ্ক, আলোচনা, চেমিনাৰ হ'ব লাগিছিল। বহু উদ্যোগ বন্ধ হৈ যোৱাৰ বিপদটো কেনেকৈ ৰোধ কৰিব পাৰি, দেশীয় উৎপাদন আৰু ক্ষুদ্ৰ উদ্যোগে কিছু ৰক্ষণাবেক্ষণ কেনেকৈ পাব পাৰে পৰিবহণ আৰু বিদ্যুতৰ দৰে লাভজনক ব্যৱসায় দুৰ্নীতিৰ বাবেই নষ্ট হোৱাৰ

পৰা কেনেকৈ ৰক্ষা কৰিব পাৰি, বিদেশৰ পেলনীয়া বস্তু আৰু যন্ত্রপাতি যাতে নাহে, বিদেশী পুঁজিৰ নামত কোকোকোলা – ডালমুট-আলুভজা-চকলেটৰ যন্ত্র যাতে নাহে, বিদেশত চলি থকা মন্দা (recession)ই আমাৰ যাতে ক্ষতি নকৰে – এনেকুৱা ক'ত খুটি-নাটি তন্ন-তন্নকৈ আলোচনা কৰি ব্যৱস্থা লোৱাৰ প্রয়োজন আছিল। আমদানি-ৰপ্তানি আমি মুকলি কৰিম কিন্তু আমেৰিকান সাম্রাজ্যবাদৰ নির্দেশত আমি উন্নত কম্পিউটাৰ আনিব নোৱাৰিম, চুক্তিৰ পাছতো ৰাছিয়াই ৰকেটৰ কাৰিকৰী কৌশল নিদিব – এই ধৰণৰ সাম্রাজ্যবাদী দাদাগিৰিৰ সমুখত আমি অসহায় হৈ থাকিম নে ? বিদেশী পুঁজি এবাৰ আহিব। কিন্তু তাৰ লাভাংশ, সুদ, ৰপ্তানিৰ অংশ, কাৰিকৰী মাচুল আমি দিয়ে থাকিম নেকি ? আচলতে আমাৰ নিজৰ দেশীয় কাৰিকৰী কৌশল উন্নত কৰাৰ কোনো বিকল্প নাই। আমি নিজে তৈয়াৰ কৰিব নোৱৰা পর্যন্ত 'উৰাজাহাজ, অত্যাধুনিক বিলাসী দ্রব্য আমি ব্যৱহাৰ নকৰো' ধৰণৰ সংকল্প থাকিব লাগিব। হিন্দু গৌৰৱ, মুছলিম গৌৰৱ আদি অবাস্তৱ চিন্তাই নহয়, ভাৰতীয় জাতীয় গৌৰৱেহে আমাক এই অর্থনৈতিক বিপর্যয়ৰ পৰা ৰক্ষা কৰিব পাৰিব।

মুঠতে আমাৰ সাধাৰণ মানুহে, আদা বেপাৰীয়ে, বাজেট, পৰিকল্পনা, উদ্যোগ আদিৰ ভু লোৱাই নহয়, বিতর্কত অংশ গ্রহণ কৰিবই লাগিব। আজিৰ পৰিস্থিতিত কোনো নেতা, কোনো দলেই আচলতে পৰিত্রাণৰ সহজ বাট উলিয়াব নোৱাৰে। সুবিধাবাদী নেতাসকলে আচল পৰিস্থিতিৰ পৰা জনসাধাৰণৰ দৃষ্টি আঁতৰাই ৰাখিবলৈ মন্দিৰ-মছজিদ, চাকৰিত সংৰক্ষণ আদি বিষয়ৰ হুলস্থুলৰ দ্বাৰা আচল বিষয়বোৰ তল পেলাই ৰখাৰ ব্যৱস্থা কৰে। আমি গোটেই দেশখনেই আমেৰিকান সাম্রাজ্যবাদৰ ওচৰত বন্ধকত সোমাইছো, মন্দিৰ-মছজিদে পৰিত্রাণৰ উপায় দিব নোৱাৰে। য'ত চাকৰিৰ সমস্ত বাটেই বন্ধ হোৱাৰ উপক্রম, সংৰক্ষণৰ কি অর্থ ? বিৰোধী দলবোৰে আচলতে বিৰোধিতাৰ নামত প্রকৃত বিষয়বোৰ তল পেলাই চহকী ১০ শতাংশৰ স্বার্থকে ৰক্ষা কৰিছে। ■

বিজ্ঞান

# মানুহ তপা হোৱাৰ ৰহস্য

চন্দ্রশেখৰ শর্মা

মানুহৰ মূৰৰ চুলিখিনিয়ে হ'ল আচল সৌন্দর্যৰ প্রতীক। চুলি যেন যৌৱনৰো প্রতীক। আপোনাৰ মুখৰ সৌন্দর্য সিমানে নেথাকক, মূৰৰ চুলিখিনি যদি অকালতে সৰি শেষ হৈ যায়, অথবা অকালতে পকি যায়, তেতিয়াহলে সকলো মিছা। আপোনাৰ তেতিয়া এনে ভাব হ'ব আপুনি যেন বার্ধক্যৰ ফালে গতি কৰাৰ ইয়ে যেন এক বহিঃপ্রকাশহে।

মানুহে মূৰৰ চুলিখিনিক সযত্নে ৰখাৰ কাৰণে কৰা চেষ্টাৰ অন্ত নাই। চুলি নপকিবলৈ বা চুলি নসৰিবলৈ ব্যৱহাৰ কৰা বিভিন্ন কেমিকেলচ্ আজিকালি বজাৰত যে কিমান ওলাইছে ! পকা চুলিক কৃত্রিম ভাবে ক'লা কৰিবলৈও বিভিন্ন ৰাসায়নিক দ্রব্য আজিকালি বজাৰত দেখা পোৱা যায়। আকৌ কিছুমানে নিজৰ আটাইখিনি পকাচুলিক ৰং সানি একেবাৰে মুগাবৰণীয়া কৰি চাহাবৰ সোণালী বৰণৰ চুলিৰ নিচিনা কৰি পেলায়। ইফালে চুলি সৰি শেষ হৈ যোৱা সকলে উইগ পিন্ধি হলেও যৌৱনক ভেটা দি ৰাখিব খোজে।

মুঠতে চুলিক লৈ কৰা মানুহৰ চেষ্টাৰ অন্ত নাই। যিকোনো মূল্যৰ বিনিময়ত হলেও যেন তেওঁ নিজৰ চুলিখিনিক ক'লা কৰি ৰাখিবই। এইটো মানুহৰ সহজাত প্রবৃত্তি।

এই যে মতা মানুহ মাইকী মানুহতকৈ তুলনামূলক ভাবে বেছিকৈ তপা হয় অথবা পুৰুষ মানুহৰ চুলি মাইকী মানুহতকৈ আগতে পকিবলৈ আৰম্ভ কৰে; আপুনি বাৰু এইবিলাক কথা কেতিয়াবা চিন্তা কৰেনে ?

অৱশ্যে এটা কথা ঠিক যে মানুহৰ নিজৰ চুলিখিনিৰ প্রতি আবদাৰ এতিয়াৰ কথা নহয়। আনকি এসময়ৰ ৰোমান সম্রাট জুলিয়াছ চিজাৰেও নিজৰ তপা মূৰটো ঢাকি ৰাখিবৰ কাৰণে সদায় এডাল মুকুতাৰ মালা নিজৰ মূৰটোত মেৰিয়াই লৈছিল। চিজাৰে মালাডাল এনেধৰণে সজাই লৈছিল যাতে কোনোৱেও তেওঁৰ তপা মূৰটো দেখা নাপায়। চিৰ যৌৱনপ্রাপ্ত হৈ থাকিবলৈ চিজাৰৰ ইমানেই আছিল হেঁপাহ।

আমি ইমানকৈ প্রাধান্য দিয়া চুলিবিলাক আচলতে কিছুমান প্রোটিনৰ আঁহহে। আমাৰ মূৰৰ খোলাটোত এনে আঁহৰ পৰিমাণ অতি কমেও একলাখ ডালমান হ'ব। এইবিলাক সদায় গজি থাকে আৰু একে সময়তে এচাম সৰিও থাকে। প্রতিদিনে অতি কমেও গড় হিচাপত আমাৰ এশডাল মান চুলি সৰে। তপা মানুহৰ ক্ষেত্রত অৱশ্যে এই পৰিসংখ্যাটো বেলেগ। তপা মানুহৰ চুলি সৰিলে সেই চুলি পূৰাবলৈ আৰু নতুনকৈ চুলি নগজে।

বহুতে ক'ব খোজে যে মূৰত খুব বেছি সময় টান টুপি পিন্ধি থাকিলেও চুলি সৰি মানুহজন তপা হ'ব পাৰে। চুলি কটাৰ বিভিন্ন ষ্টাইলৰ (hair cuts) কাৰণেও চুলি সৰি শেষ হৈ যাব পাৰে। আন এচাম চুলি বিশেষজ্ঞৰ মতে শৰীৰত ৰক্ত সঞ্চালন কম হলে বা ভিটামিনৰ পৰিমাণ শৰীৰক লগাতকৈ কম হলে, মূৰত উফি (dandruff), অথবা মূৰৰ খোলাটো বেছি তেলীয়া (oliy) হলেও মানুহ এজন তপা হ'ব পাৰে। তাৰ উপৰি অত্যধিক চিন্তা কৰিলেও মানুহ তপা হ'ব পাৰে।

অৱশ্যে এটা কথা ঠিক যে ওপৰত উনুকিওৱা কাৰণসমূহ এজন তপা মানুহৰ ক্ষেত্রত সকলো সময়তে প্রযোজ্য নহবও পাৰে।

কোনো মানুহ টাইফয়েড বা তেনেধৰণৰ অসুখত বহুদিন ধৰি বিছনাত পৰি থকাৰ পাছত তেওঁৰ চুলি প্রয়োজনতকৈ বেছি হাৰত সৰিবলৈ আৰম্ভ কৰে আৰু কেতিয়াবা একেবাৰে টকলা হৈ যোৱাও দেখা যায়। চিকিৎসকৰ মতে বহুদিন একেধাৰে বিছনাত পৰি থকাৰ ফলত মানুহজনৰ ৰক্ত সঞ্চালনৰ হাৰটো কমি যায় আৰু এই সময়ত যদি তেওঁৰ দেহত ভিটামিনৰ পৰিমাণৰ বেছিকৈ কমি যায় তেতিয়াহলে তেওঁৰ চুলি সৰিবই।

চিকিৎসা বিজ্ঞানী সকলৰ মাজত এতিয়াও এটা বিষয় অমিল হৈ আছে – মানুহ তপা হোৱাটো বংশানুক্রমিক নেকি ? এচাম বিজ্ঞানীয়ে যুক্তি সহকাৰে প্রতিপন্ন কৰিব খোজে যে মানুহ তপা হোৱাটোও একপ্রকাৰ ৰোগ আৰু ই বংশানুক্রমিক। কিন্তু শেহতীয়াকৈ প্রকাশ পোৱা তথ্য মতে তপা হোৱাটো বংশানুক্রমিক নহয়। অৱশ্যে একেখন ঘৰতে তিনি-চাৰিজন ভাই-ককাই তপা হ'ব পাৰে সেই বুলি সেইটো বংশানুক্রমিক হ'ব নোৱাৰে।

এজন মানুহৰ চুলি সৰি তপা হোৱা প্রক্রিয়াটো প্রায় বিশ বছৰ বয়স মানৰ পৰা আৰম্ভ হয়। এই সময়ত তপা হোৱাত সহায় কৰা জিন বিলাকে (Baldness genes) তৈল গ্রন্থীবিলাকক (যিবিলাক গ্রন্থীৰ পৰা আমাৰ চুলিৰ জন্ম হয়) অধিক মাত্রাত 5-alpha reductase নামৰ এনজাইম বিধ উৎপন্ন কৰিবলৈ নির্দেশ দিয়ে। এই 5-alpha reductase-ৰ লগত পাছত পুৰুষ মানুহৰ শৰীৰত থকা টেষ্টোচ্‌টেৰোন হৰমন (Testosterone Hormone) নামৰ হৰমন বিধৰ লগ হৈ ডি-হাইড্র'টেষ্টোচ্‌টেৰোন (Dihydrotestosterone) নামৰ জৈৱ ৰাসায়নিক পদার্থবিধ উৎপন্ন কৰে। এই ডিহাইড্র'টেষ্টোচ্‌টেৰোনে হ'ল মানুহ এজনক তপা কৰাৰ মূল কালপ্রিট।

মানুহ তপা হোৱাত পুৰুষ হৰমনে (Male hormone) যে এক মুখ্য ভূমিকা গ্রহণ কৰে এইটো অতীজতে বিজ্ঞানীসকলে ঠাৱৰ কৰিব পাৰিছিল। আনকি এৰিষ্টটোল আৰু হিপোক্রেটচ্‌ৰ (Hippocrates)ৰ লেখাতো এইদৰে উল্লেখ আছে যে – নপুংসক (Eunuches) বিলাক সাধাৰণতে তপা নহয়। তপা এই কাৰণে নহয় যে এনে শ্রেণীৰ মানুহৰ দেহত পুৰুষ হৰমন কম পৰিমাণে থাকে যাৰ ফলত 5-alpha reductase-য়ে কোনো গা-কৰি উঠিব নোৱাৰে। শুনাত শ্রুতিকটু হলেও এইটো ঠিক যে কোনোবাই যদি তপা হোৱাৰ পৰা হাত সাৰিব খোজে তেতিয়াহলে তেওঁ দেহত পুৰুষ হৰমন (Male Hormone) কমাই বা দেহত (Female Hormone) বঢ়াই লব লাগিব। অন্য অর্থত তেওঁ এজন কৃত্রিম নপুংসক হ'ব লাগিব। ইয়াৰ ফলস্বৰূপে কিছুমান মানুহৰ মাজত এইটো জনবিশ্বাস আছে যে তপা মানুহবিলাক অলপ বেছি পৌৰুষ প্রকৃতি (Virile) কিন্তু আচল কথাটো হ'ল তপা হোৱাৰ কাৰণে সাধাৰণ পৰিমাণৰ পুৰুষ হৰমন হলেই হ'ল।

তপা মানুহৰ কাৰণে এবিধ উল্লেখযোগ্য দৰৱ হ'ল মিনোক্সিডিল (Minoxidil)। দিনে দুবাৰমান মূৰত মিনোক্সিডিল লগালে আপোনা-আপুনি মূৰৰ খোলাত চুলি গজিবলৈ আৰম্ভ কৰে। মজাৰ কথাটো হ'ল মিনোক্সিডিলক আৰম্ভনিতে চিকিৎসক সকলে এন্টি-হাইপাৰটেনচন ড্রাগছ (Anti-Hypertension Medicine) হিচাপেহে ব্যৱহাৰ কৰিবলৈ অনুমোদন জনাইছিল। পাছত দেখা গ'ল যে মিনোক্সিডিল ব্যৱহাৰ কৰাৰ পাছত শতকৰা প্রায় ৭০ ভাগ ৰোগীৰে ভাবিব নোৱৰা ধৰণেৰে মূৰত চুলি বৃদ্ধি পাবলৈ ধৰিলে। অকল মূৰতে নহয়, কিছুমানৰ আকৌ কপালতো এইবিধ ঔষধ ব্যৱহাৰ কৰাৰ পাছত চুলি গজিবলৈ আৰম্ভ কৰিলে। সেই সময়ত আমেৰিকাত মিনোক্সিডিল প্রস্তুত কৰিছিল অকল 'আপজন কোম্পানী'হে (Upjohn Company)। মিনোক্সিডিলৰ এই দ্বি-মুখী ক্রিয়াত 'আপজন কোম্পানী'ৰ কাৰণে গাখীৰতে ম'হৰ খুটিৰ নিচিনা হ'ল। ইয়াৰ পাছত তেওঁলোকে মিনোক্সিডিলৰ পৰিমাণ শতকৰা দুভাগ কৰি এবিধ নতুন দ্রৱ (Solution) প্রস্তুত কৰি উলিয়াই বজাৰত ইয়াক চুলি গজাৰ এক নতুন ৰনৌষধ হিচাপে উলিয়াই দিলে। যুক্তৰাষ্ট্রৰ খাদ্য আৰু ভেষজ প্রশাসনেও (US Food and Drug Administration) আপজন কোম্পানীৰ এই অভিনৱ কৌশলক লগে লগে অনুমোদন জনালে। তেতিয়াৰ পৰাই মিনোক্সিডিলেই প্রধানকৈ তপা মূৰৰ লগত যুঁজিব পৰা ঔষধ হৈ আছে।

মিনোক্সিডিলে কেনে ধৰণে চুলি গজাত কাম কৰে সেই বিষয়ত বিজ্ঞানীসকল এতিয়াও এটা স্থিৰ সিদ্ধান্তত আহিব পৰা নাই। তেওঁলোকে ভাবে যে মিনোক্সিডিল মূৰৰ খোলাটোত ঘঁহাৰ পাছত মিনোক্সিডিলে কোঁচ খাই থকা মূৰৰ তৈলগ্রন্থীবোৰক পুনৰ সতেজ আৰু সবল কৰি তোলে আৰু তাৰ পাছত লাহে লাহে চুলি গজিবলৈ আৰম্ভ কৰে।

অৱশ্যে একেবাৰে তপা মূৰৰ মানুহে মিনোক্সিডিল ব্যৱহাৰ কৰিলে কোনো ফল নাপাব। আচলতে যিবিলাক লোকৰ অতি অস্বাভাৱিক হাৰত মূৰৰ চুলি সৰি তপা হবলৈ আৰম্ভ কৰিছে তেওঁলোকৰ কাৰণে মিনোক্সিডিল ফলদায়ক। আকৌ মিনোক্সিডিলে চুলি সৰা ৰোগটো বন্ধ কৰিব নোৱাৰে কাৰণ মিনোক্সিডিল বহুদিন ধৰি ব্যৱহাৰ কৰাৰ পাছত যদি আকৌ বন্ধ কৰি দিয়া হয় তেতিয়াহলে চুলি সৰাতো আকৌ আৰম্ভ হ'ব। মুঠতে Minoxidil is not a cure, it's a lifetime commitment. ■


সূত্রধাৰ

ডাকযোগেও আপুনি পাব

বছৰেকীয়া বৰঙণি: ১৪৪ টকা

ছমহীয়া বৰঙণি: ৭২ টকা

ডাক মাচুলৰ পৰা ৰেহাই দিয়া হ'ল।

আপোনাৰ বৰঙণি ডিমান্ড ড্রাফট অথবা চেক যোগে পূৰ্বী প্ৰকাশন প্রাঃ লিঃ, গুৱাহাটীৰ নামত তলৰ ঠিকনালৈ পঠিয়াওক:

চাৰ্কুলেচন মেনেজাৰ
সূত্রধাৰ
মনজেৰা হাউচ, মতিলাল নেহৰু পথ
পানবজাৰ, গুৱাহাটী-৭৮১০০১

# উন্নয়নমূলক কাম-কাজ স্থবিৰঃ

## প্ৰশাসনত দুৰ্নীতি, দালালৰ অবাধ ৰাজত্ব

হিতেন মহন্ত

কেইটামান দিনৰ পিছতে মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ নেতৃত্বত নতুন চৰকাৰখনৰ এবছৰ পূৰ্ণ হ'ব । এই এবছৰত নতুন চৰকাৰখনে কোনো ধৰণৰ উন্নয়নমূলক কাম কৰিব নোৱাৰিলে বুলি কলে নিশ্চয় তিলমাত্ৰাও ভুল কৰা নহ'ব । এক কথাত কবলৈ হলে যোৱা এবছৰত উন্নয়নমূলক কাম-কাজৰ প্ৰক্ৰিয়া স্থবিৰ হৈ আছে । শিক্ষা বিভাগত কেইটামান চাকৰি দিয়াৰ বাহিৰে এই চৰকাৰখনে নতুন একোৱেই কৰিব পৰা নাই । আনহাতে শিক্ষা বিভাগত চাকৰি দিয়া হৈছে যদিও শিক্ষকৰ পদত নিযুক্তিৰ ক্ষেত্ৰত হোৱা দুৰ্নীতি, অনিয়ম এতিয়া কাৰোৰ বাবে গোপন হৈ থকা নাই ।

চৰকাৰখনে অৱশ্যে দোহাই দি ক'ব পাৰে যে ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতিয়েই উন্নয়নমূলক কাম-কাজ নোহোৱাৰ মূল কাৰণ । কিন্তু চৰকাৰৰ এই দৰবে কেতিয়াও কাম নিদিয়ে । আইন-শৃংখলা পৰিস্থিতি স্বাভাৱিক নহলেই উন্নয়নমূলক কাম-কাজ হ'ব নেলাগিব এনে কোনো কথা নাই । সেইটোৱেই যদি হ'লহেঁতেন তেনেহলে অসমতহে নালাগে সমগ্ৰ ভাৰতবৰ্ষতে উন্নয়নমূলক কাম-কাজ নহ'লহেঁতেন । কেৱল অসমতে নহয়, পাঞ্জাব, জম্মু আৰু কাশ্মীৰ, অন্ধ্ৰপ্ৰদেশ, তামিলনাডু, বিহাৰ আদি ভাৰতবৰ্ষৰ প্ৰায় সকলো ৰাজ্যতে সন্ত্ৰাসবাদীৰ কাৰ্যকলাপে কম-বেছি পৰিমাণে নাগৰিকৰ জীৱন বিপৰ্যস্ত কৰিছে । যোৱা প্ৰায় এটা দশকতকৈ অধিককাল পাঞ্জাবত সন্ত্ৰাসবাদীয়ে উপদ্ৰৱ চলাইছে । কিন্তু সন্ত্ৰাসবাদীৰ উপদ্ৰৱ চলি থকাৰ সময়তো পাঞ্জাবত উন্নয়নমূলক কাম-কাজ ব্যাহত হোৱা নাই । এই কেইটা বছৰত পাঞ্জাবত কৃষি উৎপাদন কমা নাই । বৰং বাঢ়িছেহে । সেইদৰে অন্ধ্ৰপ্ৰদেশত নক্সাল বিদ্ৰোহীৰ সন্ত্ৰাস চলি থকাৰ সময়তো সেই ৰাজ্যত উন্নয়নমূলক কাম-কাজ ব্যাহত হোৱা নাই । এটা উদাহৰণ দিলেই বিষয়টো স্পষ্ট হৈ পৰিব । অন্ধ্ৰপ্ৰদেশৰ পৰা অহা মাছ আৰু কণীৰ অবিহনে অসমৰ বজাৰত সেই দুবিধ বস্তু পোৱাৰ কথাটো ভাবিব নোৱাৰি ।

ৰাজ্য চৰকাৰে ঢোল পিটি আছে যে নুমলীগড়ৰ তেল শোধনাগাৰ, গেছক্ৰেকাৰ, আই আই টি আদি প্ৰকল্প সম্পূৰ্ণ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে । কিন্তু যোৱা প্ৰায় এবছৰে কেৱল ব্যৱস্থা গ্ৰহণৰ কথাহে কোৱা হৈছে, কাৰ্যক্ষেত্ৰত হলে ৰাইজে একো দেখিবলৈ পোৱা নাই । মাজে সময়ে কেৱল এই ক্ষেত্ৰত পৰস্পৰবিৰোধী বাতৰি প্ৰকাশ পাইছে । এই পৰস্পৰবিৰোধী বাতৰিবোৰ চৰকাৰ পক্ষৰ পৰাই যোগান ধৰা হৈছে । এনে পৰস্পৰ বিৰোধী বাতৰি ৰাইজৰ মাজত বিভ্ৰান্তিৰ উপৰিও হতাশাৰ সৃষ্টি কৰিছে । তাৰ উপৰিও নুমলীগড় তেলশোধনাগাৰ, গেছক্ৰেকাৰ, আই আই টি আদি প্ৰকল্পৰ বাবে নতুন চৰকাৰখনে বাঃ বাঃ লোৱাৰো কোনো যুক্তি নাই । কিয়নো নুমলীগড় তেল শোধনাগাৰ, গেছক্ৰেকাৰ, আই আই টি আদি প্ৰকল্পৰ অনুমোদন অগপ চৰকাৰৰ দিনত ৰাষ্ট্ৰীয় মৰ্চা চৰকাৰে জনাইছিল । এক কথাত ক'বলৈ গ'লে অগপ চৰকাৰেই উক্ত প্ৰকল্প কেইটাৰ অনুমোদন আদায় কৰিছিল । কেৱল প্ৰকল্পকেইটাৰ নিৰ্মাণৰ বাবে যাৱতীয় কামখিনি কৰাটোহে নতুন চৰকাৰখনৰ দায়িত্ব আছিল । কিন্তু যোৱা এবছৰত এই ক্ষেত্ৰত বিশেষ কোনো ফলদায়ক উদ্যোগ হাতত লোৱা নহ'ল । যাৰ ফলত নতুন উন্নয়নমূলক আঁচনিৰ কথাটো বাদেই পূৰ্বেই অনুমোদিত প্ৰকল্প কেইটাৰ নিৰ্মাণৰ কামো সুদূৰপৰাহত হৈ আছে । ৰাজ্যচৰকাৰে অলপতে পৰিকল্পনা পৰিষদখন নতুনকৈ গঠন কৰে । উন্নয়নমূলক আঁচনি হাতত লোৱাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীক দিহা-পৰামৰ্শ দিয়াৰ বাবেই পৰিষদখন নতুন কৈ গঠন কৰা হয় । কিন্তু এই নতুন পৰিকল্পনা পৰিষদখনে কেনেধৰণৰ নতুন উন্নয়নমূলক আঁচনিৰ বাবে চৰকাৰখনক পৰামৰ্শ আগবঢ়াইছে, সেই বিষয়ে জনাৰ কোনো অৱকাশ নাই ।

মুখ্যমন্ত্ৰীয়ে অলপতে ঘোষণা কৰিছে যে ৰাজ্যখনৰ দহ হেজাৰ নিবনুৱা যুৱকক কৰ্ম সংস্থাপন দিয়াৰ বাবে বেংকৰ জৰিয়তে ঋণ সাহায্য আগবঢ়োৱা হ'ব । কিন্তু সেই আঁচনি কিমান ফলদায়ক হ'ব সেই বিষয়েও সন্দেহৰ অৱকাশ আছে । কিয়নো ১৯৮৩ চনতো ৰাজ্যখনৰ কেইবা হেজাৰো নিবনুৱাক কৰ্মসংস্থাপনৰ বাবে বেংকৰ জৰিয়তে ২৫/১৫ হেজাৰ টকা ঋণ সাহায্য আগবঢ়োৱা হৈছিল । কিন্তু ঋণ লাভ কৰা সৰহ সংখ্যক নিবনুৱাই সেই টকাৰে মটৰ চাইকেল, স্কুটাৰ আদি কিনা বা অন্য কামত খৰচ কৰিছিল । কিয়নো ২৫ বা ১৫ হেজাৰ টকাৰে এটা সৰু উদ্যোগ বা এখন সাধাৰণ দোকান দিয়াৰ বাবেও যথেষ্ট নাছিল । তাৰ উপৰি নিবনুৱা যুৱকসকলে সেই ঋণ পোৱাৰ বাবে চৰকাৰী বিষয়াৰ উপৰিও বেংকৰ বিষয়া সকলকো ঘোচ দিব লগীয়া হৈছিল । সেয়ে নিবনুৱা যুৱকসকলে যেন তেন প্ৰকাৰেণ সেই ঋণৰ টকা আদায় কৰি কিছুদিনৰ বাবে হলেও আনন্দ উপভোগ কৰাৰ মনোবৃত্তি গঢ় লৈছিল । এয়ে আছিল উক্ত আঁচনিৰ প্ৰকৃত স্বৰূপ ।

উন্নয়নমূলক কাম-কাজৰ পৰিবৰ্তে নতুন চৰকাৰখনৰ দিনত কেৱল চৰকাৰী বিষয়া কৰ্মচাৰীৰ সঘন বদলি, পোষ্টিং আদি হবলৈ ধৰিছে । বদলিকৰণৰ নিৰ্দেশ জাৰি হোৱাৰ পিছত সেই বদলি স্থগিতকৰণ হৈছে । এবাৰ বদলি নিৰ্দেশ জাৰি কৰণৰ পিছত সেই বদলি স্থগিত কেনেকৈ হয় সেইটো জানিবলৈ এতিয়া কাৰো বাকী নাই । প্ৰশাসনত তোষামোদকাৰী বিষয়া, দালালৰ অবাধ ৰাজত্ব চলিছে । কৰ্মচাৰী, বিষয়া, ঠিকাদাৰ, চাকৰিৰ বাবে আবেদনকাৰী প্ৰাৰ্থী আদি সকলোৰে মুখত এতিয়া এটাই কথা শুনিবলৈ পোৱা যায় । দালালৰ জৰিয়তে সকলো কাম হয় । দালালৰ অবিহনে গত্যন্তৰ নাই । তোষামোদকাৰী বিষয়াৰ ইমানেই প্ৰতিপত্তি যে স্বয়ং মুখ্যমন্ত্ৰীয়েও জাৰি কৰা নিয়ম বহিৰ্ভূত নিৰ্দেশ অৱশেষত মুখ্যসচিবৰ হস্তক্ষেপত বাতিল হৈছে । তোষামোদকাৰী বিষয়াৰ প্ৰভাৱত পৰিয়েই মুখ্যমন্ত্ৰীয়ে হেনো এটা নিয়মবহিৰ্ভূত পোষ্টিঙৰ বাবে অনুমোদন জনাইছিল । নিয়মবহিৰ্ভূত ভাৱেই এজন চৰকাৰী উচ্চপদস্থ বিষয়াই কামৰূপ জিলাৰ উপায়ুক্ত হবলৈ মন মেলিছিল । মুখ্যমন্ত্ৰীয়ে তাৰ বাবে অনুমোদনো জনাইছিল । কিন্তু উচ্চপদস্থ চৰকাৰী বিষয়া সকলৰ মাজত গভীৰ অসন্তুষ্টিৰ আশংকা কৰিয়েই মুখ্যসচিবে অৱশেষত হেনো সেই অনুমোদন বাতিল কৰালে ।

দুৰ্নীতি, দুৰ্বল প্ৰশাসনেৰে চৰকাৰী অধীনস্থ নিগমবোৰ ধ্বংসৰ গৰাহত । অসম ৰাজ্যিক পৰিবহণ নিগম, অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ এইক্ষেত্ৰত জ্বলন্ত উদাহৰণ । মুখ্যমন্ত্ৰীকে ধৰি বিভাগীয় মন্ত্ৰীবোৰে এইবোৰৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ আশ্বাস দি আহিছে । কিন্তু ক'তা ? বৰং ব্যৱস্থা গ্ৰহণৰ পৰিবৰ্তে কেৱল সংকীৰ্ণ দলীয় ৰাজনীতিৰ স্বাৰ্থতেই বিভিন্ন চৰকাৰী নিগমত অযোগ্য ব্যক্তিক সভাপতি পদত নিযুক্তি দিছে । এই সভাপতিবোৰে কৰিছে কি ? একোখন ৰঙা লাইটযুক্ত গাড়ীলৈ পায়তাৰা দি ঘূৰি ফুৰিছে আৰু বেছি সংখ্যক সভাপতিয়ে চাৰি-পাঁচ মাহৰ ভিতৰতে নিজাববীয়াকৈ একোখনকৈ গাড়ী কিনিছে । যেন এই সভাপতি সকলে আলাউদ্দিনৰ চাকিটিহে হাতত পাইছে । এনেকৈ জানো চৰকাৰী নিগমবোৰত চলি থকা দুৰ্নীতি, দুৰ্বল প্ৰশাসনৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব পাৰি ?

সৰহ সংখ্যক চৰকাৰী চাকৰিয়ালে নিজৰ কৰ্তব্য পালন কৰাৰ পৰিবৰ্তে ব্যক্তিগত স্বাৰ্থ পূৰণৰ প্ৰতিযোগিতাত নামিছে । কিন্তু সৎবিষয়া কৰ্মচাৰী যে নাই এনে নহয় । কিন্তু তেওঁলোকৰ সংখ্যা তেনেই নগণ্য । নগণ্য হোৱাৰ বাবেই প্ৰশাসনত তেওঁলোকৰ কথা নৰজে । এনে এটা পৰিস্থিতিৰ পৰা ৰাজ্যখনক কেনেকৈ উদ্ধাৰ কৰিব পৰা যায় সেইটোৱেই এতিয়া মূল প্ৰশ্ন । ■



প্ৰতিবেদন

# চৰম হতাশাগ্ৰস্ত এই চাম যুৱকৰ মনোবেদনা মুখ্যমন্ত্ৰীয়ে উপলব্ধি কৰিছেনে ?

দেৱব্ৰত বৰগোহাঞি

শিৰোনামাটো দেখি কিছুমান পাঠকে গুৰুত্ব দি পঢ়ি নাচাব বুলিয়েই আমাৰ ধাৰণা । সেইদৰে অসমৰ ৰাজগাদীত থকা মাননীয় মন্ত্ৰী মহাশয় সকলেও এয়া এজন নিবনুৱাৰ প্ৰলাপ বুলি ভাবি লৈ মনতে তাচ্ছিল্যৰ হাঁহি এটাও মাৰিব পাৰে । কিন্তু আমাৰ অসমৰে এচাম দুৰ্ভগীয়া অথচ মেধাবী ল'ৰাই 'আমাৰ কথা' বুলি আগ্ৰহেৰে ইয়াক সাবটি ল'বও পাৰে । অৱশ্যে এই হতভগীয়া নিবনুৱা যুৱকবোৰেও জানে যে এনেবোৰ লেখাই টকাৰ সপোন দেখা মন্ত্ৰী– বিষয়াৰ নোম এডালকে লৰাব নোৱাৰে । এই উচ্চ খাপৰ প্ৰাণীবিধে জীৱনত আন মানুহৰ বিষয়ে চিন্তা কৰিবলৈ কদাপি ইচ্ছা নকৰে । অজস্ৰ ধন-সম্পত্তিৰে নিজৰ ভৱিষ্যত কেনেদৰে সুৰক্ষিত কৰিব তাৰ চিন্তাতে মূৰ ঘমোৱা 'এইচাম'ৰ প্ৰতি সমাজে বাৰু কিবা আশা কৰিব পাৰেনে ??

এই প্ৰতিবেদনত অসমৰ প্ৰায় ৮ হাজাৰ নিবনুৱা কনিষ্ঠ অভিযন্তা আৰু অভিযন্তা (B.E) সকলৰ বৰ্তমান মানসিক অৱস্থাৰ বিষয়ে সঠিক চিত্ৰ এখন দিবলৈ যত্ন কৰা হৈছে ।

অসমত বৰ্তমান ডিপ্লমাধাৰী অভিযন্তাৰ সংখ্যা ৫৫৭২ জন । এইবছৰ পাছ কৰি ওলোৱা সকলৰ সংখ্যা ধৰিলে হ'বগৈ প্ৰায় ৬ হেজাৰজন । আনহাতে ডিগ্ৰীধাৰী অভিযন্তাৰ বৰ্তমান সংখ্যা ১৯৮০ গৰাকী । এই বৃহৎ সংখ্যক নিবনুৱা অভিযন্তাৰ ভাগ্য আজি অনিশ্চিত হৈ পৰিছে । প্ৰতিটো দিন, প্ৰতিটো নিশাই এওঁলোকে পাৰ কৰে, মনত অলপ আশা বান্ধি । কি জানিবা এওঁলোকৰ আশাবোৰে হঠাতে প্ৰাণ পাই উঠে ! চৰকাৰেও দেখোন কিবা কৰিম কৰিম বুলি কৈ আছে । সঁচাই যদি চৰকাৰে কিবা এটা কৰেই ............ । এওঁলোকৰ লগত মোৰ বহুদিনৰে পৰাই আত্মিক সম্পৰ্ক এটা গঢ়ি উঠিছে । ওচৰৰ পৰা এওঁলোকৰ হৃদয়খনৰ কথাবোৰ পঢ়িবলৈ সেয়েহে সুবিধা এটি পাইছো । মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ ওপৰত এই নিবনুৱা অভিযন্তাসকলে এতিয়াও আশা এটি পোষণ কৰি ৰাখিছে । অগপ চৰকাৰৰ সুদীৰ্ঘ পাঁচবছৰৰ ৰাজত্ব কালত অসমৰ কনিষ্ঠ অভিযন্তা আৰু ডিগ্ৰীধাৰী অভিযন্তা সকলক অন্যায়ভাবে চাকৰিৰ পৰা বঞ্চিত কৰি ৰখা হ'ল । এই সময়ছোৱাত এজনো অভিযন্তাক নিযুক্তি দিয়া নহ'ল । মহন্ত চৰকাৰে তেওঁলোকৰ অঙহী-বঙহী সকলক গোপনে আৰু অবৈধভাৱে নিযুক্তি দিয়া কামফেৰা কিন্তু কৰিবলৈ নাপাহৰিলে । তাৰ অজস্ৰ উদাহৰণ এই প্ৰতিবেদকৰ হাতত আছে । সম্পূৰ্ণ পাঁচ বছৰ নিযুক্তি বন্ধ ৰখাৰ ফলত অসমত এনে নিবনুৱাৰ সংখ্যা কিমান হ'বগৈ তাক অনুমান কৰিবলৈ কঠিন নহ'ব চাগে । অসমত থকা আঠখন পলিটেকনিক আৰু তিনিখন ইঞ্জিনীয়াৰিং কলেজৰ পৰা প্ৰতিবছৰে শ শ এনেদৰে কাৰিকৰীভাবে শিক্ষিত যুৱক ওলাই থাকিল । অ গ প চৰকাৰৰ এই অমনোযোগিতাৰ বাবে নিবনুৱা ডিপ্লমাধাৰী অভিযন্তা সকলে তীব্ৰ আন্দোলনৰ কাৰ্যসূচী হাতত লৈছিল । সম্পূৰ্ণ এবছৰকাল পলিটেকনিকবোৰত নতুন ছাত্ৰৰ ভৰ্তি বন্ধ কৰি দিলে । মহন্তইঁতৰ গা নলৰিল । শেহত ডিপ্লমাধাৰী অভিযন্তা সকলে ঠিক কৰিলে যে তেওঁলোকৰ মূল্যহীন চাৰ্টিফিকেটবোৰ মুখ্যমন্ত্ৰীৰ হাততেই জমা দিব । কাৰণ যিখন চাৰ্টিফিকেটৰ বিনিময়ত চাকৰিটো বাদেই

ব্যৱসায় কৰিবলৈকো চৰকাৰী ল'ন এটাকে পোৱা নাযায়,তেনে এখন কাগজৰ কিবা মূল্য আছেনে ? এদিন এওঁলোক "আমাৰ ৰাইজৰ চৰকাৰ" বুলি খিয়াতি থকা চৰকাৰখনৰ মুৰব্বী মহামান্য প্ৰফুল্ল মহন্তৰ ওচৰলৈ আহিল। কিন্তু ফল একো নধৰিল। হা-হুতাহেৰে সকলোবোৰ ঘৰমুৱা হ'ল। এজনে গৈ মোক ক'লে, "বাপৰে বাপ ! মহন্তৰ কি ডেমাক ! আমাক লগ কৰিবলৈ তেওঁৰ বোলে সময় নাই। অফিচৰ পৰা ওলাই আহোতে আমাৰ দুজনমানে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ গাড়ীখন ৰখাবলৈ যত্ন কৰিলে। গাড়ীখন কিন্তু ৰ'ল। ল'ৰা কেইজনে মহন্তৰ গাড়ীৰ খুন্দাৰ পৰা ৰক্ষা পাবলৈ ৰাস্তাৰ কিনাৰলৈ জাপ দিব লগা হ'ল। আমাৰ লগৰবোৰে মহন্ত যোৱা গাড়ীখনৰ পিনে ভেবা লাগি মাথো চাই থাকিল।" এয়াই আছিল কনিষ্ঠ অভিযন্তা (নিবনুৱা) সকলৰ প্ৰতি প্ৰফুল্ল মহন্তই কৰা ইতিহাসৰ এটি বেদনা গধুৰ দৃশ্য।

সময়বোৰ বাগৰিল। জীৱনত চৰম হতাশাৰে জীয়াই থকাতকৈ এওঁলোকে মৃত্যুকেই শ্ৰেয় বুলি গণ্য কৰিবলৈ ল'লে। সেয়েহে বহুতো এনে মেধা শক্তিৰ ল'ৰাই অসম সংযুক্ত মুক্তি বাহিনীত ভৰ্তি হৈ পাহাৰে-কন্দৰে ঘূৰিবলৈ ধৰিলে। জীৱনত সুন্দৰ সপোন ৰচনা কৰা এই যুৱকসকলে হাতত AK47 লৈ মৃত্যুৰ স'তে এনেদৰে যুঁজ কৰিম বুলি কোনোবা এদিনা ভাবিছিল নে বাৰু ? এই শিক্ষিত নিবনুৱা যুৱকবোৰেও জানে যে তেওঁলোকৰ লক্ষ্য জীৱনত পূৰণ নহয়। সংগঠনৰ ভিতৰ চ'ৰাৰ কাৰ্যকলাপত এওঁলোক মুঠেই সন্তুষ্ট নাছিল। কিন্তু তথাপিও এওঁলোক আছিল। কিয় আছিল বাৰু ?

আমি ভালদৰেই জানো যে এটা নিৰ্দ্দিষ্ট পদ্ধতিৰে শিক্ষা সাং কৰা এই অভিযন্তাসকলে কেৰাণী মহৰিৰ চাকৰি কৰিবগৈ নোৱাৰে। সাধাৰণ স্নাতক ডিগ্ৰীধাৰী নিবুনৱা যুৱকসকলে যি কোনো বিভাগতেই বিভিন্ন পদৰ বাবে আবেদন কৰিব। চৰকাৰৰ বিভিন্ন বিভাগত খালি হোৱা পদৰ বিপৰীতে এনে সাধাৰণ স্নাতক ডিগ্ৰীধাৰী নিবনুৱা সকলে নিজৰ প্ৰাৰ্থিত্ব আগবঢ়োৱাত কোনো বাধাৰ প্ৰশ্নই উঠিব নোৱাৰে। কিন্তু ডিপ্লমা বা ডিগ্ৰীধাৰী অভিযন্তা সকলৰ ক্ষেত্ৰত এইটো খাটেনে বাৰু ? সংস্থাপন বা আত্মসংস্থাপন নহলে ওৰেটো জীৱন এওঁলোকে নিবনুৱা হৈয়েই কটাব লাগিব। এইখিনিতে মন কৰিবলগীয়া কথা যে এই নিবনুৱা অভিযন্তা সকলৰ শতকৰা ৯৫ ভাগেই হাইস্কুল শিক্ষান্ত পৰীক্ষা বা প্ৰাক স্নাতক চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ। এখন দেশৰ ভৱিষ্যৎ স্বৰূপ কাৰিকৰী শিক্ষাৰে শিক্ষিত এই যুৱক সকলক সমাজৰ মূল সুঁতিৰ পৰা আঁতৰত ৰাখি আমি তেওঁলোকৰ সোণোৱালী জীৱনটোক জানো হত্যা কৰিবলৈ আগবঢ়া নাই !

১৯৯১ ৰ জুন মাহৰ শেষত অসমৰ মুখ্যমন্ত্ৰীৰ আসনত বহা হিতেশ্বৰ শইকীয়াৰ ওপৰত এই হতাশাগ্ৰস্ত নিবনুৱা যুৱকসকলে কিন্তু বহুত আশা ৰাখিছে। কাৰণ ১৯৮৫ চনলৈকে মুখ্যমন্ত্ৰীৰ আসনত থকা শ্ৰীশইকীয়াই তেতিয়া অতি আন্তৰিকতাৰে এই সমস্যাৰ সমাধান কৰি গৈছিল। '৮৫ ৰ আগলৈকে অসমত অভিযন্তা নিবনুৱা হৈ থকাৰ কথা কোনোবাই শুনিছিল নে বাৰু ? বৰ্তমান নিবনুৱা হৈ থকা এই সকল অভিযন্তাৰ প্ৰতি মুখ্যমন্ত্ৰীৰ যথেষ্ট সহানুভূতি আছে বুলিও গ'ম পোৱা গৈছে। এয়া নিশ্চয় সুখৰ খবৰ। কিন্তু মুখ্যমন্ত্ৰীয়ে এই জ্বলন্ত সমস্যা সমাধানৰ বাবে তৎপৰতাৰে একো ব্যৱস্থা হাতত লোৱা আমাৰ চকুত পৰা নাই। প্ৰথম তিনিমাহত ১০৫২ জন নিবনুৱা অভিযন্তাক চৰকাৰী সংস্থাপন দিয়াৰ কথা ঘোষণা কৰিছিল। আজি শইকীয়া চৰকাৰে ১২ মাহত ভৰি দিলেহি। আল্‌ফাৰ সমস্যাৰ সমাধান হোৱাটো প্ৰত্যেকেই কামনা কৰে। এদিন নহয় এদিন ইয়াৰ কিবা এটা সু-সমাধান হ'বই। প্ৰতিজন অসমবাসীয়েই ইয়াক মনে-প্ৰাণে কামনা কৰে। আল্‌ফাৰ সমস্যা সমাধানৰ বাবে আগবঢ়া অসমৰ মুখ্যমন্ত্ৰীয়ে নিবনুৱা হৈ থকা অভিযন্তা সকলৰ জ্বলন্ত সমস্যাটো নিষ্পত্তি কৰিবৰ বাবে পদক্ষেপ লব নোৱাৰেনে ? নিজৰ নিজৰ জীৱনটোৰ ওপৰত ধিক্কাৰ জন্মা এই যুৱকসকলৰ বিষাদেৰে ভৰা জীৱনবোৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই সুন্দৰ কৰি তুলিবলৈ অলপ চেষ্টা কৰা দেখিবলৈ পাম নে বাৰু ? ■


পূৰবী প্ৰকাশনৰ পৰা

*অসমৰ সংবাদ জগতত সংযোজন নতুন*
*আৰু বৰ্ণাঢ্য সাপ্তাহিক*

**জনক্ৰান্তি**

প্ৰতি দেওবাৰে

সকলো ধৰণৰ প্ৰবন্ধ-পাতি পঠিওৱাৰ ঠিকনা-
সম্পাদক,
জনক্ৰান্তি
মনজেৰা হাউচ, মতিলাল নেহৰু পথ
পানবজাৰ, গুৱাহাটী- ১

(এজেন্সিৰ বাবে চাৰ্কুলেচন মেনেজাৰৰ লগত যোগাযোগ কৰক)






# বিদেশী নাগৰিক আৰু সুবিধাবাদী ৰাজনীতি

যোৱা এক দশকৰো অধিক কাল অগ্নিগৰ্ভ হৈ থকা অসমৰ সামাজিক ৰাজনৈতিক ক্ষেত্ৰখনে আকৌ বিস্ফোৰণমুখী ৰূপ ধাৰণ কৰিছে। আপাততঃ ঠাণ্ডা হ'বলৈ ধৰা এই ক্ষেত্ৰখনক আকৌ বিভিন্ন দিশৰ পৰা তপতাই তোলা হৈছে। উত্তাপ আৰু কিছু বেছি হ'লেই ইয়াৰ অভ্যন্তৰত উতলি থকা আগ্নেয়গিৰিটোৰ বিস্ফোৰণ হ'ব। কিন্তু এইবাৰ এই বিস্ফোৰণে এনে প্ৰচণ্ড ৰূপ ধাৰণ কৰিব যে ইয়াৰ অগ্নি-স্ৰোতে অসমৰ সমাজজীৱন আৰু অসমীয়া জাতিক চিৰকালৰ বাবে বোকাত পুতি পেলাব। এটা ঐতিহ্যমণ্ডিত আৰু সংস্কৃতিসম্পন্ন জাতি অসমৰ মুষ্টিমেয় কেইজনমান ৰাজনীতিক আৰু তেওঁলোকৰ দলৰ ক্ষুদ্ৰ স্বাৰ্থৰ বলি হৈ ইতিহাসৰ গৰ্ভত লুকাই যাব। অসমীয়া জাতিক এনেকৈ কবৰ দিয়াৰ যি ৰাজনীতি বা ষড়যন্ত্ৰ আজি এক দশকৰো আগতে আৰম্ভ হৈছিল, যি সাময়িকভাৱে শাঁত পৰি আছিল যদিও তাক আজি পুনৰায় সঞ্জীৱিত কৰি উত্তপ্ত কৰি তোলাৰ প্ৰয়াস কৰা হৈছে। উদ্দেশ্য ? উদ্দেশ্য অতি পৰিষ্কাৰ– নিজৰ ক্ষুদ্ৰ স্বাৰ্থ পূৰণ। যদিওবা তেওঁলোকৰ কথাৰ মাজেদি কোনোৱে এটা জাতিৰ আকৌ কোনোৱে এটা বিশেষ ধৰ্মাৱলম্বী সম্প্ৰদায়ৰ বৃহত্তৰ স্বাৰ্থৰ বিষয়ে ওকালতি কৰাৰ প্ৰয়াস কৰা দেখা গৈছে। আৰু এই সকলোবোৰ আত্মবিধ্বংসী আৰু জিঘাংসাৰ ৰাজনীতি আৰম্ভ হৈছে অধুনা-খ্যাত বিদেশী নাগৰিকৰ সমস্যাটোক কেন্দ্ৰ কৰি। অসমৰ বিদেশী নাগৰিকৰ সমস্যাটোৰ বিষয়ে জানিবলৈ আজি আমাৰ দেশততো বাদেই, দেশৰ বাহিৰতো বোধহয় খুব বেছি লোক নাই। বিদেশী নাগৰিক বহিষ্কাৰৰ দাবীত আজিৰ পৰা প্ৰায় এক দশকৰ আগতে সুদীৰ্ঘ ছবছৰ ধৰি চলা এই আন্দোলনে অসমৰ সামাজিক আৰু ৰাজনৈতিক জীৱনত যুগান্তকাৰী প্ৰভাৱ আৰু পৰিবৰ্তন অনাৰ উপৰিও আমাৰ জাতীয় জীৱনৰ মূল্যবোধ আৰু প্ৰমূল্যসমূহৰো মূলোচ্ছেদ কৰিলে। এই আন্দোলনৰ ফলশ্ৰুতিত এখন এখনকৈ পাঁচখন মন্ত্ৰীসভাৰ পতন ঘটিল। অসমৰ শৈক্ষিক জীৱন চিৰকালৰ বাবে পংগু হ'ল। আন্দোলন সমৰ্থন নকৰা সকলক নানা ধৰণৰ নিৰ্যাতন কৰাৰ উপৰিও দিন দুপৰতে হত্যা কৰিব পৰা অৱস্থা এটাৰ সৃষ্টি হ'ল। নেলীৰ হত্যাকাণ্ডৰ দৰে নৰমেধ যজ্ঞ সংঘটিত হ'ব পৰা পৰিস্থিতিৰ সৃষ্টি হ'ল। ইতিমধ্যে সকলোৱে জনা এই কথাবোৰ এই কাৰণেই পুনৰাবৃত্ত কৰা হ'ল যাতে কেইজনমান ৰাজনীতিকৰ ক্ষুদ্ৰ স্বাথ পূৰণৰ অৰ্থে আজি যি নৰমেধ যজ্ঞ পতাৰ আয়োজন চলিছে, তাৰ ফলাফল সম্বন্ধে এক সম্যক জ্ঞান সকলোৱে অনুভৱ কৰে।

◆

**অসমত বিদেশী নাগৰিকৰ সমস্যাটো মৰাশ আৰু বিভিন্ন ৰাজনৈতিক দলবোৰক শগুণৰ লগত তুলনা কৰিব পাৰি। শগুণে যিদৰে মৰাশ দেখিলেই তাৰ ওপৰত জঁপিয়াই পৰি নিজৰ উদৰ পূৰোৱাত ব্যস্ত হৈ পৰে, ঠিক সেইদৰে অসমৰ ৰাজনৈতিক দলবোৰেও বিদেশী নাগৰিকৰ প্ৰশ্নটোক লৈ নিজৰ নিজৰ ক্ষুদ্ৰ ৰাজনৈতিক স্বাৰ্থ সিদ্ধিৰ উদ্দেশ্যে ব্যস্ত হৈ পৰে।**

◆

ছবছৰীয়া বিদেশী বিতাড়ন আন্দোলনৰ অন্তত যি অসম গণ পৰিষদ দল ৰাজ্যখনৰ ক্ষমতালৈ আহিল তেওঁলোকে কি কৰিলে সেই কথা আজি আৰু ৰাইজক বুজাই ক'ব নালাগে। সকলোতকৈ ডাঙৰ কথা হ'ল, এই সময়ছোৱাতেই অসমত আল্‌ফা সংগঠনৰ জন্ম হ'ল আৰু এই সংগঠনে পৰৱৰ্তী সময়ছোৱাত ৰাজ্যখনত চৰকাৰৰ পৃষ্ঠপোষকতাত যি বৰ্বৰ যুগৰ সূচনা কৰিলে সেই কথা স্মৰণ কৰিলে আজিও গাৰ নোম শিঁয়ৰি উঠে।

মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াই বিধান সভাত বিদেশী নাগৰিক সম্পৰ্কে দাঙি ধৰা এক তথ্যই আজি অসমত আকৌ এক উদ্গিৰণমুখী পৰিস্থিতিৰ সৃষ্টি কৰিছে। আৰু লগে লগে অসমৰ সামাজিক ৰাজনৈতিক জীৱনত কিছুমান আমোদজনক আৰু লক্ষণীয় ঘটনাৰ অৱতাৰণা কৰিছে। বিদেশী বিতাড়ণ আন্দোলনৰ কালত আছুৱে (পাছলৈ আছু অগপ হ'ল) ভাৰতীয় নাগৰিকৰ আৰু পৰৱৰ্তী সময়ছোৱাত ইউ এম এফে সংখ্যালঘু সকলৰ স্বাৰ্থ সুৰক্ষাৰ একচেটিয়া ঠিকা ল'লে। কিন্তু তেওঁলোকে কাৰ স্বাৰ্থ কোনে কিমান পূৰণ কৰিলে তাক আজি সকলোৱেই জানে। সংখ্যালঘুসকলৰ স্বাৰ্থ ৰক্ষাৰ দাবীত জন্ম হোৱা ইউ এম এফক মাত্ৰ পাঁচ বছৰৰ পাছতে সংখ্যালঘু সকলেই কবৰ দিলে। এসময়ত অসমীয়া মানুহে ঈশ্বৰৰ অৱতাৰ বুলি পূজা কৰা আছুৰ (পাছলৈ অগপ) নেতাক অসমীয়া মানুহেই পাছলৈ ঈশ্বৰতো বাদেই মানুহ বুলিও গণ্য নকৰা হ'ল। অসমত বিদেশী নাগৰিকৰ সমস্যাটো মৰাশ আৰু বিভিন্ন ৰাজনৈতিক দলবোৰক শগুণৰ লগত তুলনা কৰিব পাৰি। শগুণে যিদৰে মৰাশ দেখিলেই তাৰ ওপৰত জঁপিয়াই পৰি নিজৰ উদৰ পূৰোৱাত ব্যস্ত হৈ পৰে, ঠিক সেইদৰে অসমৰ ৰাজনৈতিক দলবোৰেও বিদেশী নাগৰিকৰ প্ৰশ্নটোক লৈ নিজৰ নিজৰ ক্ষুদ্ৰ ৰাজনৈতিক স্বাৰ্থ সিদ্ধিৰ উদ্দেশ্যে ব্যস্ত হৈ পৰে।

মুখ্যমন্ত্ৰীয়ে বিধানসভাত বিবৃতি দিয়াৰ পাছতেই তথাকথিত 'মুছলিম ফৰাম' ৰাতিটোৰ ভিতৰতে সক্ৰিয় হৈ পৰিল। আনকি তেওঁলোকে পাঁচ মিনিটৰ ভিতৰতে শইকীয়া চৰকাৰক গাদীচ্যুত কৰাৰ ভাবুকি দিলে। এইবাৰ এই নতুন ৰাজনীতিৰ নেতৃত্ব দিছে হিতেশ্বৰ শইকীয়াৰ একালৰ ঘনিষ্ঠ সহযোগী আব্দুল মুহিব মজুমদাৰে। সাধাৰণ মানুহে নুবুজিলেও জনা লোকে জানে মজুমদাৰৰ এই শইকীয়া বিৰোধী অভিযানৰ গুৰি কথা ক'ত ! মানুহৰ তেজৰ সোৱাদ পোৱা বাঘে যিদৰে আৰু অন্য

মাংস খাবলৈ ভাল নোপোৱা হয়, ঠিক সেইদৰে ৰাজনীতিৰ ক্ষমতাৰ সোৱাদ পোৱা লোকেও তাৰ সোৱাদ এৰিব নোৱৰা হয়। মজুমদাৰ এসময়ৰ মন্ত্ৰিত্বৰ সোৱাদ পোৱা লোক। কিন্তু, যোৱা নিৰ্বাচনত ধৰাশায়ী হোৱাৰ পাছত তেওঁ সেই ক্ষমতাৰ সোৱাদৰ পৰা বঞ্চিত হৈ আছে। সদিচ্ছা থাকিলেও ৰাজনীতিৰ পাল্লাৰ ফেৰ ৰাখিবলৈ গৈ শইকীয়াই মজুমদাৰক ক্ষমতাৰ ভাগ দিব পৰা নাই। বিধান সভাৰ নিৰ্বাচনৰ পাছত তিনিজনকৈ কংগ্ৰেছ (আই) দলৰ সদস্য ৰাজ্যসভালৈ নিৰ্বাচিত হৈ গৈছে। মজুমদাৰ চাহাবৰ নিজৰ ভাষাতেই ইয়াৰ অন্ততঃ এখন আসন তেওঁৰ প্ৰাপ্য আছিল। তেওঁৰ চেষ্টাতেই মোকৰ্দমাত অমৃতলাল বসুমতাৰী পৰাজিত হৈ শইকীয়া নিৰ্বাচিত হোৱাটো সম্ভৱ হ'ল। শইকীয়াৰ এই 'অকৃতজ্ঞতা'ৰ পোতক নল'লে আল্লাৰ ঘৰতো হয়তো গুণাহ হ'ব। কিন্তু, মজুমদাৰ চাহাবে বিদেশী নাগৰিক আৰু সংখ্যালঘু কথাটো একাকাৰ কৰি পেলাইছে। মুখ্যমন্ত্ৰী শ্ৰী শইকীয়াই বিধানসভাত সকলো ধৰ্মীয় সংখ্যালঘু লোকক বিদেশী নাগৰিক বুলি নিশ্চয় কোৱা নাছিল। মজুমদাৰ চাহাবেও কথাটো নজনা বা নুবুজা নহয়। কিন্তু, সকলো কথা বুজিলে নিজৰ ক্ষুদ্ৰ স্বাৰ্থ পূৰণ হ'ব কেনেকৈ ? মজুমদাৰ চাহাবে সাম্প্ৰদায়িক ৰাজনীতি কৰে বুলি আগতে গম পোৱা নাছিলো। কিন্তু এইবাৰ তেখেতে বিদেশী নাগৰিক আৰু সংখ্যালঘু সকলক সমাৰ্থক কৰি সাম্প্ৰদায়িক ৰাজনীতিৰ নিচান উৰুৱাইছে। তেখেতৰ এই কাৰ্যই এটা কথা প্ৰমাণ কৰিলে যে নিজৰ ক্ষুদ্ৰ স্বাৰ্থৰ বাবে বিদেশী নাগৰিক তেওঁ অসমত ৰখাৰ পোষকতা কৰে।

অন্যহাতেদি, পাঁচ বছৰ ক্ষমতাত থাকি 'সোণৰ সংসাৰ' গঢ়া অগপ দলৰ নেতাসকলে হাততে সৰগ ঢুকি পোৱা যেন পাইছে। ক্ষমতাৰ ৰাজনীতি কৰিবলৈ সম্প্ৰতি ইছ্যু বিচাৰি নোপোৱা অগপ দলে বিদেশী নাগৰিকৰ প্ৰশ্নটোত ইছ্যু (Issue) বিচাৰি পাইছে। কাৰণ, আল্‌ফা-আলোচনা, সৈন্য বাহিনীৰ আতিশয্য প্ৰভৃতি যিমান ইছ্যু তেওঁলোকে আনিছিলে, তাক ৰাইজে প্ৰত্যাখান কৰিছে। IMDT আইনখন সংশোধন কৰিবলৈ তেওঁলোকে দাবী তুলিছে। স্বাভাৱিকতে আজি প্ৰশ্ন উঠে– তেওঁলোক অংশীদাৰ হোৱা ৰাষ্ট্ৰীয় মৰ্চা চৰকাৰে সেই কামফেৰা নকৰিলে কিয় ? এটা কথা মনত পেলাই দিয়া প্ৰয়োজন যে আছু আৰু জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে এই দাবী সজোৰে তোলাৰ পাছত তেতিয়াৰ কেন্দ্ৰীয় মন্ত্ৰীসভাত অগপ দলৰ সদস্য প্ৰাক্তন আইন মন্ত্ৰী প্ৰয়াত দীনেশ গোস্বামীয়ে ক্ষুব্ধ হৈ কেন্দ্ৰীয় মন্ত্ৰীসভাৰ পৰা পদত্যাগ কৰিছিল। এইবোৰ কথাই ইয়াকেই প্ৰমাণ কৰে যে অগপ দল এই ক্ষেত্ৰত নিষ্কলুষতো নহয়েই, বৰঞ্চ বেছি পাপীহে।

কিন্তু এই ঘটনাৰ পাছত এটা কথা দেখিহে তবধ মানিব লগা হৈছে। মুছলিম ফ'ৰামৰ ভাবুকিৰ পাছত মুখ্যমন্ত্ৰী শইকীয়াৰ থৰ-কাচুতি হেৰুৱাৰ অৱস্থা এটা হৈছে।

◆

**মজুমদাৰ এসময়ৰ মন্ত্ৰিত্বৰ সোৱাদ পোৱা লোক। কিন্তু, যোৱা নিৰ্বাচনত ধৰাশায়ী হোৱাৰ পাছত তেওঁ সেই ক্ষমতাৰ সোৱাদৰ পৰা বঞ্চিত হৈ আছে। সদিচ্ছা থাকিলেও ৰাজনীতিৰ পাল্লাৰ ফেৰ ৰাখিবলৈ গৈ শইকীয়াই মজুমদাৰক ক্ষমতাৰ ভাগ দিব পৰা নাই।**

◆

তেওঁ ৰাজ্যখনৰ জনসংখ্যাৰ অনুপাতে চাকৰি দিয়া, সংখ্যালঘু ব'ৰ্ডখন নিগমলৈ ৰূপান্তৰিত কৰা প্ৰভৃতি চৰকাৰী সিদ্ধান্তৰ কথা ঘোষণা কৰাতেই ক্ষান্ত নাথাকি, শেহতীয়াকৈ অসমত এজনো বিদেশী নাই ধৰণৰ নাভূত-নাশ্ৰুত কথা কৈছে। অসমত কিমান বিদেশী আছে, তাৰ সঠিক পৰিসংখ্যা হয়তো কোনেও দিব নোৱাৰিব; কিন্তু এজনো বিদেশী নাই বোলা কথাটো কেৱল চকু-কাণ নাইকিয়া মানুহৰ বাহিৰে আন কোনেও বিশ্বাস নকৰিব। ইয়াৰ দ্বাৰা তেওঁ এটা কথাই প্ৰমাণ কৰি দিলে যে তেওঁ চৰকাৰ নাইবা মুখ্যমন্ত্ৰিত্বৰ গাদী বজাই ৰাখিবৰ বাবে ধৰ্মীয় সংখ্যালঘু সকলৰ ওপৰত বাৰুকৈয়ে নিৰ্ভৰশীল। অন্যহাতেদি পৰোক্ষভাবে তেওঁ অগপ দল আৰু আছুৰ স্বাৰ্থকেই পূৰণ কৰিলে। কাৰণ কংগ্ৰেছ (আই) দল বিদেশী নাগৰিকৰ পৃষ্ঠপোষক আৰু ৰক্ষক বুলি তেওঁলোকে ইমানদিনে যি প্ৰচাৰ চলাই আহিছিল মুখ্যমন্ত্ৰী শইকীয়াৰ শেহতীয়া কথাই তাকেই প্ৰমাণ কৰিলে।

দুঃখৰ বিষয় যে এই সকলোবোৰ ঘটনাৰ সুবিধা গ্ৰহণ কৰিব বিজেপিৰ দৰে এটা সাম্প্ৰদায়িক দলে। কাৰণ, বিদেশী নাগৰিকৰ সমস্যাটো অসমীয়া মানুহৰ কাৰণে এতিয়াও জীৱন-মৰণৰ সমস্যা। বিদেশীয়ে অসমীয়াক সংখ্যালঘু কৰিব– এই ভয় অসমীয়া মানুহৰ মনৰ পৰা এতিয়াও আঁতৰি যোৱা নাই। কিন্তু শিলত মূৰ আফালি থাকিলেও অগপৰ দৰে এটা অকৰ্মণ্য আৰু অপদাৰ্থ দলক অসমীয়া ৰাইজে কেতিয়াও বিশ্বাসত ল'ব নোৱাৰে। বহুধাবিভক্ত আৰু দুৰ্বল নেতৃত্বৰ চি পি এম দলেও সহজে সেই স্থান পূৰাব পৰাৰ আশা ক্ষীণ। কিন্তু পানী যিদৰে দলৈ বাগৰি যোৱাটো চিৰন্তন সত্য, ঠিক সেইদৰে বিকল্পৰ সন্ধানত থকাটোও মানুহৰ স্বাভাৱিক প্ৰবৃত্তি। আৰু সেয়ে যদি হয় অদূৰ ভৱিষ্যতে ৰাইজে আশ্ৰয় বিচাৰিব বিজেপি দলৰ ওচৰত। কাৰণ অসমত এজনো বিদেশী নাগৰিক নথকা কথাটোত ৰাইজে সমূলঞ্চে বিশ্বাস নকৰে। অন্যহাতেদি, এই সকলোবোৰে আমাৰ ৰাজনৈতিক দলবোৰৰ ক্ষমতা সৰ্বস্বতা আৰু সুবিধাবাদী চৰিত্ৰটোকে প্ৰকট কৰি তুলিছে। অহা দিনকেইটাত অসমৰ ৰাজনৈতিক দল আৰু বিবেকবান ৰাইজে কি ভূমিকা লয়, তাৰ ওপৰতে নিৰ্ভৰ কৰিব অসমৰ ভৱিষ্যত। কিন্তু ৰাইজে লগতে গুৰুত্ব সহকাৰে লক্ষ্য কৰিব, যুক্তি, তথ্য আৰু সততাৰ ভিত্তিত কোন দলে এই প্ৰত্যাহ্বানৰ মোকাবিলা কৰিবলৈ আগবাঢ়ি আহিব পাৰে। আৰু সেই দলেই হ'ব ৰাইজৰ প্ৰকৃত বন্ধু। মানুহে ভুল কৰে। মানুহেই ভুল শুদ্ধও কৰে। কিন্তু সেই ভুল শুদ্ধ কৰিব পৰাকৈ মানুহ বাচি থাকিব পাৰিব লাগিব। আমাৰ ৰাজনৈতিক দলবোৰে ভুল কৰি সেই ভুল শুধৰাব পৰাকৈ বচাই ৰখাৰ আশ্বাস ৰাইজক দিব পাৰিবনে ? ⊠

–ছদ্মবেশী





# লীলা-খেলা

ডাঃ মুক্তিপ্ৰসাদ গগৈ

## কাতি মহীয়া হাঁহ



হাঁহ – মানে পাতি হাঁহ
মোৰ জীৱনৰ এক অপৰিহাৰ্য বস্তু।
প্ৰাণী হিচাপে নহয়
খোৱা বস্তু হিচাপে।
পাতিৰ সলনি ৰাজহাঁহো হ'ব পাৰে
ডেকেৰুৱা পূৰঠ ৰাজহাঁহ।
বনৰীয়া হাঁহ শৰালি ৰাজহাঁহ
চাঁকৈ চকোৱা ইত্যাদিও।
কিন্তু এইবোৰ আজিকালি দুষ্প্ৰাপ্য বস্তু
আমাৰ পাতি হাঁহ এতিয়াও আছে
ঘৰৰ গৰালত নাইবা হাট বজাৰত।
মনত পৰা দিনৰে পৰা
হাঁহ খোৱাৰ অভ্যাস।
জিভাৰ সোৱাদ সৰুকালৰে পৰা
লাগি আছে।
এই সোৱাদ লগত যোৱা বস্তু।
বিশেষকৈ হাঁহৰ গোটা ভজাৰ।
সি এক অদ্ভুদ ৰন্ধন প্ৰকৰণ।
কোনে উলিয়াইছিল নাজানো।
কিন্তু জাৰৰ দিনত ইয়াৰ নিচিনা বস্তু নাই।
লগতে হাঁহ আৰু বাঁহৰ গাজ।
হাঁহৰ ভিদ্‌আলু
নাইবা ডাক্‌ৰোষ্ট
এইবোৰো অতি প্ৰিয় খোঁৱা বস্তু।
অসমীয়া নহলেও অসমীয়া খোৱাত
সোমাই গৈছে আজিকালি।
হংকঙৰ ৰাস্তাৰ দাঁতিৰ প্ৰতিটো ৰেষ্টোৰাঁত
পাতি আৰু ৰাজ হাঁহ গোটাই গোটাই পোৰা
শলাত ভৰাই গৰম চিচাৰ বাকচত
মানুহে দেখাকৈ ঘূৰাই থকা কি লোভনীয় দৃশ্য !
ভিয়েতনামৰ সৈন্যই যুদ্ধত
এহাতত ৰাইফল, পিঠিত বোজা
আৰু আনহাতত এটা
হাঁহ ওলোমাই লৈ



পথাৰত খোজ কাঢ়ি যোৱা ছবি
টাইম মেগাজিনত দেখিছিলো !
ডাঙৰ ডাঙৰ চীনা ৰেষ্টোৰেন্টত
বা হংকং চিঙ্গাপুৰৰ ফাইভষ্টাৰ
হোটেলত পোৱা 'পিকিং ডাক্'।
নোদোকা হাঁহৰ তেল থকা ছালৰ
এক বিশেষ আঞ্জা !
সকলো ভাল।
কিন্তু আমাৰ কাতিমহীয়া পাতি হাঁহৰ
গোটা ভজা – কাৰো হাৰ নমনা।
বিশেষকৈ বৰা ভাত আৰু মাটি মাহৰ
লগত – কোনে পাহৰিব ?

## কুকুৰাৰ ঠেং

কুকুৰাৰ ঠেং।
মানে তপিনা।
কোমল তপিনা।
দুটা। মাত্ৰ দুটা।
তিনিটা বা চাৰিটা নহ'ল কিয় ?
নাইবা তিনিটা বা চাৰিটা
কৰিব নোৱাৰি কিয় ?
দেশী ডাকুৱা কুকুৰা
নাইবা ধপধপীয়া বগী মেমনি কুকুৰা
হুৱাইট লেগহৰ্ন
সকলোৰে দুটা ঠেং কিয় হ'ল ?
খাবলৈ লৈ ভাতৰ পাতত
সদায় মনত পৰা কথা।
পৃথিৱীত এটম বোমা ওলাল।
তাৰ পাছত হাইড্ৰোজেন বোমা।
বোলাষ্টিক মিছাইল
স্কাদ মিছাইল
তাৰ উত্তৰ দিবলৈ ওলাল পেট্ৰিয়ত মিছাইল
অৰ্জুন আৰু কৰ্ণৰ কাঁড়ৰ দৰে।
কিন্তু কুকুৰাৰ ঠেঙৰ কথা
ভাবিবলৈ কাৰো সময় নাই।
কুকুৰাৰ ঠেং দুটাই থাকি গ'ল !



# আহোম হওক ! আহোম !!

যোৱা ১৬ মে তাৰিখৰ সূত্ৰধাৰত প্ৰকাশিত জনৈক ছদ্মবেশীৰ উক্ত শিৰোনামাৰ লেখাটিৰ যোগেদি বান্ অক্ পাপলিক্ ম্যুঙ তাই (তাই সাহিত্য সভা)ক পুনৰউত্থানবাদী (Revivalist) আৰু সাম্প্ৰদায়িকতাবাদী (Communalist) বুলি আখ্যা দিবলৈ যি প্ৰয়াস কৰা হৈছে সেই সন্দৰ্ভত নিম্ন উল্লিখিত বক্তব্যটি দাঙি ধৰা হ'ল।

(১) প্ৰতিবেদকে নিজেই স্বীকাৰ কৰিছে যে বিভিন্ন জনগোষ্ঠীৰ মিলন আৰু সংমিশ্ৰণৰ ফলত অসমীয়া জাতি গঢ়ি উঠিছে। গতিকে এই কথা অনস্বীকাৰ্য যে অসমীয়া জাতিৰ মূল ভেটি প্ৰতিষ্ঠা হৈছে – "বৈচিত্ৰ্যৰ মাজত ঐক্য" (Unity in diversity) নীতিৰ ওপৰত। সেয়েহে অসমীয়া জাতি তথা ইয়াৰ ভাষা-সংস্কৃতিৰ বিকাশ ঘটাবলৈ হ'লে বিভিন্ন জনগোষ্ঠী সমূহৰ ভাষা সংস্কৃতিৰো বিকাশ সাধন হ'ব লাগিব। অন্য কথাত কবলৈ হলে অসমীয়া ভাষা-সংস্কৃতিৰ ভঁৰাল চহকী কৰাৰ স্বাৰ্থতে অসমৰ জনগোষ্ঠী সমূহৰ ভাষা-সংস্কৃতিৰ বিকাশ সাধন কৰাৰ প্ৰয়োজন। কিন্তু; এই দিশৰ প্ৰতি মনোনিবেশ কৰাৰ বিপৰীতে এচাম অসমীয়াৰ আধিপত্যবাদৰ প্ৰৱণতাৰ বাবেই জনগোষ্ঠী সমূহে নিজস্ব ভাষা-সংস্কৃতি তথা অস্তিত্বৰ প্ৰতি শংকিত হৈ ইবিলাকৰ উন্নতিকল্পে নিজাববীয়াকৈ ব্যৱস্থা গ্ৰহণ কৰিব লগা হৈছে। অসম সাহিত্য সভাই এই ক্ষেত্ৰত যথোপযুক্ত পদক্ষেপ গ্ৰহণ কৰা হলে – বড়ো সাহিত্য সভা, মিচিং সাহিত্য সভা, তাই সাহিত্য সভাৰ নিচিনা সংগঠন সমূহৰ হয়তো প্ৰয়োজনেই নহ'লহেঁতেন। ডঃ হীৰেণ গোহাঁইয়ে কবৰ দৰে – "এচাম অদূৰদৰ্শী মানুহে এই বৈচিত্ৰ্য আৰু বিভিন্নতাৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধা মনত নাৰাখি, সেইবোৰ কোলাহললৈ কাণ নিদি সকলোকে জোৰকৈ একে অসমীয়া সাঁচত গঢ়িব খুজিছে। স্পষ্ট ভাষাত কবলৈ গলে আমাৰ এচাম উচ্চবৰ্ণৰ মানুহে তেওঁলোকৰ অভ্যস্ত জীৱন-যাত্ৰা, ৰীতি-নীতি, ধৰ্ম আৰু কলা কৃষ্টিকে সকলো অসমীয়াৰ বাঞ্ছিত, কাংক্ষিত ৰূপ বুলি জাপি দিবলৈ বিচাৰিছে। সেইসকল লোকৰ কৃষ্টি নিশ্চয় অসমীয়া কৃষ্টিৰ মূল্যবান উপাদান, নিশ্চয় তেওঁলোকৰ পৰা বাকীবোৰ গোষ্ঠীৰ শিকিবলৈ, লবলৈ বহুত আছে। কিন্তু, তেওঁলোকৰটোৱেই অসমীয়া জীৱন আৰু কৃষ্টিৰ একমাত্ৰ নিভাঁজ নিদৰ্শন নহয়। জবৰদস্তি কৰি তেওঁলোকে তাকে কৰিব বিচাৰিছে........." (**"অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা"**, ১৯৮৭, পৃঃ ৪-৫) গতিকে অসমৰ জনগোষ্ঠী সমূহৰ আন্দোলনক "সাম্প্ৰদায়িকতাবাদী",

◆

এই কথা নিশ্চয় কাৰো অবিদিত নহয় যে প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল মহন্তৰ দিনতেই জনগোষ্ঠীৰ আন্দোলন সমূহে তুঙ্গত উঠিছিলগৈ। হিতেশ্বৰ শইকীয়াৰ দিনত ইয়াৰ বহুখিনি শাম কটাহে পৰিলক্ষিত হৈছে। এই কথা অপ্ৰিয় হলেও সত্য যে শইকীয়া এজন আহোম সম্প্ৰদায়ৰ লোক হোৱাটোও অসমৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহে তেখেতৰ নেতৃত্বৰ প্ৰতি সঁহাৰি জনোৱাৰ অন্যতম কাৰণ।

◆

"বিভাজনবাদী", "পুনৰউত্থানবাদী"ৰ নিচিনা বিশেষণেৰে বিভূষিত কৰাতকৈ এনে আন্দোলনৰ পটভূমি তথা ইয়াৰ মূল কাৰণ সমূহ বিজ্ঞানসন্মতভাৱে বিশ্লেষণ কৰিলেহে বেছি ফলপ্ৰসু হ'ব।

(২) প্ৰতিবেদকে তাই সাহিত্য সভাৰ মূল লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে নজনাকৈয়ে ইয়াৰ ওপৰত বিৰূপ মন্তব্য কৰাটো দুৰ্ভাগ্যজনক। তেওঁ লিখাৰ দৰে তাই সাহিত্য সভাই তাই ভাষাক কেতিয়াও মাতৃ ভাষা হিচাপে ঘূৰাই আনিব বিচৰা নাই। তাই আহোমসকল নিভাঁজ অসমীয়া – গতিকে মাতৃভাষা অসমীয়া হবই লাগিব। তেওঁলোকে তাই ভাষাক তৃতীয় নাইবা চতুৰ্থ ভাষা হিচাপেহে পাব বিচাৰিছে। বড়ো সকলৰ নিচিনাকৈ প্ৰথম ভাষা হিচাপে নহয়। বিশ্ববিদ্যালয়ত যেনেকৈ অন্যান্য বিদেশী ভাষা শিকাৰ সুযোগ আছে আৰু অন্য শিক্ষানুষ্ঠান সমূহত সংস্কৃত, আৰবী, পাৰ্চী আদি ভাষা শিকাৰ সুবিধা আছে, তেনে সুবিধা প্ৰদান কৰিবলৈকেহে চৰকাৰৰ ওচৰত দাবী জনাই অহা হৈছে। তাই ভাষা যে কেৱল তাই সকলেহে শিকিব লাগে তেনে কথাও হ'ব নোৱাৰে। উল্লেখযোগ্য যে, শিৱসাগৰৰ বকতা, পাটসাঁকো অঞ্চলত তাই ভাষাত লিখিত বহুতো আপুৰুগীয়া সাঁচিপতীয়া পুথি অসংৰক্ষিত অৱস্থাত আছে। তাই সাহিত্য সভাই গভীৰ ভাবে বিশ্বাস কৰে যে বিজ্ঞানসন্মতভাবে তাই ভাষা শিকিলে তাই ভাষাত লিখিত এই পুথিবোৰৰ পৰা অতি মূল্যবান জ্ঞানৰ সম্ভাৰ উদ্‌ঘাটন কৰিব পৰা যাব, যিখিনি, অসমীয়া ভাষা-সংস্কৃতিৰেই অমূল্য সম্পদ হিচাপে বিবেচিত হ'ব। এই কথা কাৰো অবিদিত নহয় যে, ভালে সংখ্যক তাই ভাষাৰ শব্দ এতিয়া অসমীয়া শব্দ হিচাপে স্বীকৃত হৈছে। কিন্তু চৰ্চা আৰু ব্যৱহাৰ নকৰাৰ ফলত বহুতো তাই শব্দ ইতিমধ্যে লুপ্তপ্ৰায় হোৱাৰ উপক্ৰম হৈছে। আনকি তাই আহোম সকলে ব্যৱহাৰ কৰা সম্বন্ধবাচক শব্দ যেনে – আইতা, এনাইদেউ, পোথাদেউ, এপাদেউ, নিচাদেউ, ককাইদেউ, বাইচাও আদিকে ধৰি অন্যান্য বহুতো শব্দ অসমীয়া অভিধানৰ পৰাই বাদ পৰি ৰৈছে। অন্যহাতেদি, সংস্কৃত ভাষাৰ শব্দেৰে অভিধান ভৰাই পেলোৱা হৈছে। এই ক্ষেত্ৰত ড° দিলীপ কুমাৰ দত্তৰ এষাৰি মন্তব্য প্ৰণিধানযোগ্য – "তেওঁলোকে সংস্কৃত শব্দেৰে আমাৰ অভিধান ভৰাই পেলোৱাৰ উপৰিও সংস্কৃত ব্যাকৰণৰ একোডৰা আনি অসমীয়া ব্যাকৰণ বুজিব নোৱৰা কৰি পেলাইছে। তাৰ ফলত অসমৰ ঘাইকৈ





মঙ্গোলীয় গোষ্ঠীৰ আৰু অহিন্দুলোকৰ কাৰণে অসমীয়া ভাষাটো কঠিনৰ পিছত কঠিন হৈ পৰিছে। অসমীয়া ভাষাক এনেদৰে সংস্কৃত ভাষাৰ মেৰপাকত পেলোৱাৰ গুৰিতে অসম ৰাজ্যত আৰু অসমীয়া ভাষাৰ ওপৰত প্ৰতিপত্তি বঢ়াবলৈ অসমৰ আৰ্যহিন্দুসকলৰ এক কপটীয়া মনোভাবৰ গোন্ধ পোৱা যায়.........।" ("অসমীয়াৰ মাধমাৰ", অগ্ৰদূত, ৮ জুলাই, ১৯৮৭ চন)। খ্যাতনামা লেখক তথা সাংবাদিক শ্ৰীপদ্ম বৰকটকীৰ বক্তব্যও এই সন্দৰ্ভত উল্লেখনীয়ঃ "অসমীয়া ভাষাৰ অভিধান পাত পাতকৈ লুটিয়াই দেখিলো সংস্কৃতৰ পৰা অহা শব্দই অসংখ্য। তাৰ উপৰি আৰবী, পাৰ্চী, হিন্দী, উৰ্দ্দু আদি ভাষাৰ পৰা অহা শব্দও আছে। ইমানবোৰ পাৰ্বত্য আৰু ভৈয়ামৰ জনজাতি বসবাস কৰা অসমত অসমীয়া ভাষাত অন্ততঃ আধা-আধি শব্দ জনজাতীয় দোৱান বা ভাষাৰ পৰা নাহিল কিয় ?" ("চিন্তাৰ খোৰাক", সাদিন, ২৭ অক্টোবৰ, ১৯৮৯)। অসমৰ ভূমি পুত্ৰ সকলে ব্যৱহাৰ কৰা শব্দ ভাণ্ডাৰে আধুনিক অসমীয়া ভাষা/অভিধানত ঠাই নোপোৱাৰ বাবে আৰু সন্ধি আদিৰ দ্বাৰা ভাষাটোকে অহৈতুক জটিল কৰি পেলোৱাটো আজি জনগোষ্ঠীসমূহৰ ক্ষোভৰ অন্যতম কাৰণ বুলি পৰিগণিত হৈছে।

(৩) "তাই ভাষা এতিয়া কাৰো মাতৃভাষা হৈ থকা নাই" বোলা কথাটো বিভ্ৰান্তিকৰ। কাৰণ অসমত বাস কৰা তাই খামটি, তাই ফাকে, তাই তুৰুং আৰু তাই খাময়্যাং সকলৰ মাতৃভাষা এতিয়াও তাই ভাষা। তাই আহোম সকলৰো বহুতে তাই ভাষা ক'ব আৰু লিখিব পাৰে। ইতিমধ্যে তাই ভাষাত গীত মাত নৃত্য আদিও পৰিবেশন কৰিব পৰা হৈছে। তাই সাহিত্য সভাৰ তাই লিপিৰ এটি ছপাশালও আছে। এই ছপাশালৰ পৰাই তাই ভাষাত লিখা বিভিন্ন প্ৰবন্ধপাতি আদিও প্ৰকাশ কৰি থকা হৈছে। গতিকে তাই ভাষা মৃত ভাষা বুলি ভবাটো হাস্যকৰ। উল্লেখযোগ্য যে, তৎসত্ত্বেও, গোলাঘাটত হৈ যোৱা তাই সাহিত্য সভাৰ অধিবেশনত কেইজনমান তাই ভাষা সংস্কৃতিৰ শুভাকাংক্ষীলোকে গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ কৰ্মকৰ্তা এজনক তাই নৃত্য গীত আদি দূৰদৰ্শনৰ পৰ্দাত উলিওৱাৰ ব্যৱস্থা কৰাৰ কথা কওঁতে সেই কৰ্মকৰ্তাজনে তাই সংস্কৃতিৰ প্ৰতি অৱজ্ঞাসূচক মনোভাবহে প্ৰকাশ কৰিছিল। বুলি জানিব পাৰিছো।

(৪) উল্লিখিত অধিবেশনৰ ৰঙ্গমঞ্চৰ বেনাৰ এখনত "আহোম হওক" বুলি লেখা কথাখিনিয়ে অসমীয়া নহবা বুলি কোৱাটো নুবুজায়। যেনেকৈ মিছিং, চুতীয়া, ৰাজবংশী, বামুণ, কলিতা আদি হৈ অসমীয়া হ'ব পাৰি তেনেকৈ আহোম হৈ 'অসমীয়া' হ'ব নোৱৰাৰ কাৰণ কি ? হোম পুৰি বিয়া পাতি যেনেকৈ অসমীয়া হ'ব পাৰি চক্‌লং কৰি বিয়া পাতি অসমীয়া হ'ব নোৱাৰি নেকি ? তাই সাহিত্য সভাই ভাবে অসমীয়াৰ আধুনিক গীত যেনেকৈ অসমীয়া, মিছিঙৰ ঐনিতমও অসমীয়া। দশ-অৱতাৰ নৃত্য যেনেকৈ অসমীয়া তাই আহোমৰ লাইলুংখাম নৃত্যও অসমীয়া। সেইদৰে, চাহ বনুৱাৰ ঝুমুৰ নৃত্যও অসমীয়া। অসমীয়া হৈ যেনেকৈ ভাৰতীয় হ'ব পাৰি আহোম হৈও অসমীয়া হ'ব পাৰি। এই কথা নিশ্চয় সকলোৰে অবিদিত নহয় যে 'সমন্বয়' হৈছে তাই আহোম সংস্কৃতিৰ চাৰিত্ৰিক বৈশিষ্ট্য। তাই আহোম সকলেই সমন্বিত অসমীয়া সংস্কৃতিৰ ভেটি প্ৰতিষ্ঠা কৰিলে। গতিকে আহোম হবলৈ আহ্বান জনোৱাৰ অৰ্থই হৈছে বিভেদৰ বিপৰীতে সমন্বয়ৰ সংস্কৃতিক উৰ্দ্ধত তুলি ধৰি বৃহৎ অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়াক ত্বৰান্বিত কৰা। ইয়াৰ উপৰিও তাই আহোম সংস্কৃতিৰ অন্যান্য বৈশিষ্ট্যসমূহ হ'ল – সাংস্কৃতিক সহিষ্ণুতা, ধৰ্মনিৰপেক্ষতা, বৰ্ণবৈষম্যহীনতা, উদাৰতা, স্ব-নিৰ্ভৰশীলতা, প্ৰগতিশীলতা আদি। অসমীয়াৰ এচাম উগ্ৰজাতীয়তাবাদী তথা উচ্চজাত্যাভিমানী মনোভাবৰ বিপৰীতে এই গুণসমূহ আয়ত্ত কৰিবলৈকে "আহোম হওক" বুলি কোৱা হৈছে। 'অসমীয়া জাতি' আহোমসকলতকৈ কাৰো বেছি আপোন হ'ব নোৱাৰে। কাৰণ তেওঁলোকৰ পূৰ্বপুৰুষসকলে এই জাতিৰ ভেটি প্ৰতিষ্ঠা কৰিছিল। গতিকে অসমীয়া জাতিক সুস্থ সবল কৰি গঢ়ি তোলাৰ দায়িত্ব আহোমসকলৰ আটাইতকৈ বেছি। এই দায়িত্বৰ প্ৰতি তাই সাহিত্যসভা সদা সচেতন। বিতৰ্কিত বেনাৰ খনত "আহোম হওক"ৰ লগতে "তাই ভাষা শিকি অসমীয়া ভাষা-সংস্কৃতি চহকী কৰক" বুলিও লিখা আছিল। ছদ্মবেশী প্ৰতিবেদকজনে সেইখিনি উদ্দেশ্যপ্ৰণোদিত ভাবে উল্লেখ নকৰি তাই সাহিত্য সভাক সাম্প্ৰদায়িক, পুনৰ উত্থানবাদী আদি আখ্যা দি আৰু ইয়াৰ কৰ্মকৰ্তাসকলক অন্ধ আহোম প্ৰীতি থকা বুলি কৈ নিজকে আহোম বিদ্বেষী বুলি পৰিচয় দিছে।

(৫) তাই সাহিত্য সভাৰ কৰ্মকৰ্তাসকলে নামৰ আগত 'চাও' ব্যৱহাৰ কৰাত ছদ্মবেশী লেখকজন ক্ষুণ্ণ হোৱাত আমি আচৰিত হৈছো। নামৰ আগত কোনে কি লিখিব বা নিলিখিব সেইটো এটা নিজস্ব সিদ্ধান্ত। 'চাও' ব্যৱহাৰ কৰাটো তাই সাহিত্য সভাৰ এটি আনুষ্ঠানিক সিদ্ধান্ত। এই সিদ্ধান্ত অনুসৰিয়েই তাই সাহিত্য সভাৰ কৰ্মকৰ্তাসকলে নামৰ আগত 'চাও' ব্যৱহাৰ কৰি আহিছে। অৱশ্যে তাই আহোম সকলৰ ভিতৰত এই সন্দৰ্ভত বিতৰ্ক হ'ব পাৰে। সেই বুলি অন্যান্য সকলৰ ইয়াৰ বাবে মূৰৰ কামোৰণি হোৱাৰ কাৰণ নেদেখো। উল্লেখযোগ্য যে, যোৱা ৩১ জানুৱাৰী তাৰিখে শিৱসাগৰত তাই যাদুঘৰৰ উদ্বোধনী অনুষ্ঠানত তিনিগৰাকী তাই পণ্ডিতক অসম চৰকাৰে সম্বৰ্ধনা জনাইছিল। পণ্ডিত কেইগৰাকীক দিয়া মুখ্যমন্ত্ৰীৰ চহী সম্বলিত চৰকাৰী প্ৰশস্তি পত্ৰত 'চাও', 'মানচাও', 'ৰং বয় বয়' আদি শব্দ ব্যৱহাৰ কৰা হৈছিল। তদুপৰি, চৰকাৰে বিভিন্ন সময়ত তাই সাহিত্যসভাৰ কৰ্মকৰ্তাসকললৈ চিঠিপত্ৰ দিওঁতে নামৰ আগত 'চাও' ব্যৱহাৰ কৰি আহিছে। এইদৰে 'চাও' শব্দই চৰকাৰী স্বীকৃতি পোৱাৰ পিছতো "নিৰ্দিষ্ট নীতি নিয়ম", "গৃহীত আচৰণ বিধি", "বহুল অৰ্থত ব্যৱহাৰ নোহোৱা" আদিৰ অজুহাতত সংবাদ মাধ্যমত প্ৰকাশ কৰিব নোৱৰা বুলি কোৱাটো নিশ্চয় কপটীয়া মনোভাবৰ পৰিচায়ক। কোনোবাই নামৰ আগত 'মহম্মদ' লিখাৰ পাছত আনে তাৰ পৰিবৰ্তে 'শ্ৰী' লিখি দিলে এই কাৰ্য সৌজন্যমূলক হ'ব জানো ?

(৬) এই কথা দৃঢ়ভাবে ক'ব পাৰো যে প্ৰতিবেদকে ভবাৰ দৰে মন্ত্ৰী, এম এল এ হোৱাৰ বাসনা তাই সাহিত্যসভাৰ কৰ্মকৰ্তাসকলৰ নাই। এনে বাসনা অসম সাহিত্যসভাৰ কৰ্মকৰ্তাসকলৰ মাজতহে বিদ্যমান বুলি ইতিমধ্যে প্ৰতিপন্ন হৈ গৈছে।

(৭) গোষ্ঠীবাদী তথা সাম্প্ৰদায়িক শক্তিবোৰক মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই উদগনি নিদিয়াকৈ নাথাকে বুলি কৈ লেখক জনে প্ৰকাৰান্তৰে নিশ্চয় তাই আহোমকে ধৰি অন্যান্য জনগোষ্ঠীৰ আন্দোলনক

মুখ্যমন্ত্ৰীয়ে সাৰ পানী যোগাইছে বুলি কবলৈ প্ৰয়াস কৰিছে। এই কথা নিশ্চয় কাৰো অবিদিত নহয় যে প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল মহন্তৰ দিনতেই জনগোষ্ঠীৰ আন্দোলন সমূহে তুঙ্গত উঠিছিলগৈ। হিতেশ্বৰ শইকীয়াৰ দিনত ইয়াৰ বহুখিনি শাম কটাহে পৰিলক্ষিত হৈছে। এই কথা অপ্ৰিয় হলেও সত্য যে শইকীয়া এজন আহোম সম্প্ৰদায়ৰ লোক হোৱাটোও অসমৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহে তেখেতৰ নেতৃত্বৰ প্ৰতি সঁহাৰি জনোৱাৰ অন্যতম কাৰণ। উগ্ৰজাত্যাভিমানৰ বিপৰীতে তেখেতে জনগোষ্ঠী সমূহৰ মনোবেদনা তথা অনুভূতিবোৰৰ প্ৰতি উদাৰ দৃষ্টিভংগী গ্ৰহণ কৰি অহাৰ বাবেই চকুচৰহা এচামে তেখেতক বিভেদৰ তথা সাম্প্ৰদায়িক ৰাজনীতি কৰা বুলি দোষাৰোপ কৰি আহিছে। উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰীজনে তাই সাহিত্য সভাৰ গোলাঘাট অধিবেশনত যোগ দি সাম্প্ৰদায়িক ৰাজনীতিত লিপ্ত হৈছে বুলি কৰ্তব্যৰত গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ এজন কৰ্মকৰ্তাই তেখেতৰ বিৰুদ্ধে তাই সাহিত্যসভাৰ কেইবাগৰাকী শুভাকাংক্ষীৰ আগত বিষোদ্গাৰ প্ৰকাশ কৰিছিল বুলি জানিব পাৰিছো। অসম সাহিত্য সভালৈ প্ৰফুল্ল মহন্ত গলে শুচি আৰু হিতেশ্বৰ শইকীয়া গলে অশুচি হয় এইটো পিছে কোন বিধৰ ৰাজনীতিত পৰিব ?

(৮) উল্লেখ নকৰি নোৱাৰি যে প্ৰাক্-স্বাধীনতা কালত বৃটিছ শাসনৰ প্ৰতি সহযোগিতা আগবঢ়াই ইয়াৰ সুবিধাসমূহ গ্ৰহণ কৰি প্ৰশাসনকে ধৰি ৰাজ্যখনৰ প্ৰায় সকলো দিশতে প্ৰতিপত্তি লাভ কৰিবলৈ এচাম অসমীয়া সক্ষম হৈছিল। এইক্ষেত্ৰত সাংবাদিক অজিত কুমাৰ ভূঞাৰ এযাৰি মন্তব্য প্ৰণিধানযোগ্য। তেখেতৰ মতে "১৮২৬-১৯৫০ চনত মাজভাগত ইংৰাজসকলে পাতি দিয়া স্কুলসমূহৰ পৰা প্ৰধানকৈ লাভবান হ'ল উচ্চবৰ্ণৰ লোকসমাজ। স্বৰ্গদেউ সকলৰ দিনত সংস্কৃত টোলসমূহৰ স্থাপন কালতো উচ্চবৰ্ণৰ লোকসকলে সেই প্ৰতিপত্তি লাভ কৰা নাছিল যি প্ৰতিপত্তি ইংৰাজ শাসনে গঠন কৰি দিয়া ইংৰাজী মাধ্যমৰ স্কুল কলেজৰ জৰিয়তে তেওঁলোকে লাভ কৰিলে। উল্লেখযোগ্য যে, সংস্কৃত মাধ্যমে উচ্চবৰ্ণ হিন্দুক জীৱন-জীৱিকা দিবলৈ সমৰ্থ হোৱা নাছিল। ইংৰাজী ভাষাই যেনিবা তাকে সম্ভৱ কৰি তুলিলে। আৰু তেনে শিক্ষা-দীক্ষাই উচ্চবৰ্ণহিন্দুৰ মাজত এক নতুন অভিজাত সম্প্ৰদায়ৰ জন্ম দিলে। গঠিত হ'ল এক নতুন কুলীন সম্প্ৰদায়ৰ। এই কথা আজি আৰু লুকাই থকা নাই যে ইংৰাজী শিক্ষাৰ প্ৰচলনৰ দিনৰে পৰা গঢ় লৈ উঠা সমাজখনৰ প্ৰতিনিধিৰ হাততেই ক্ষমতাও বৰ্তি আছে।" ("ৰাজনৈতিক বিবৰ্তন; মধ্যবিত্তৰ সংকট ঃ বিদ্ৰোহ আদি" সাদিন অক্টোবৰ ৬, ১৯৮৯ চন)

সাম্প্ৰতিক অসমৰ গণ প্ৰচাৰ মাধ্যম সমূহো তেওঁলোকৰ দখলত। আনকি চৰকাৰী প্ৰচাৰ মাধ্যমও তেওঁলোকৰ কুক্ষিগত। সেয়েহে, তেওঁলোকৰ স্বাৰ্থত আঘাত হনা কোনো বাতৰিয়েই এই সংবাদ মাধ্যম সমূহত ঠাই নাপায়। এই বিষয়টি এই কাৰণেই অৱতাৰণা কৰিব লগা হ'ল যে প্ৰতিবেদকে উল্লেখ কৰা তাই সাহিত্যসভাৰ গোলাঘাট অধিবেশনৰ তিনি-দিনীয়া কাৰ্যসূচীৰ কোনো বাতৰিয়েই সংবাদ মাধ্যমসমূহে প্ৰচাৰ নকৰিলে। আনকি গোলাঘাটৰ পৰা কেইকিলোমিটাৰমান নিলগৰ যোৰহাটৰ পৰা প্ৰকাশিত 'দৈনিক জনমভূমি'ও এই ক্ষেত্ৰত ব্যতিক্ৰম নহ'ল। মুখ্যমন্ত্ৰীৰ লগত আহিব লাগে বাবেই অহা গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ কৰ্মকৰ্তাজনে এইবোৰ প্ৰচাৰ কৰা "নীতিবিৰুদ্ধ" বুলি ইঙ্গিত দিয়েই গৈছিল। গতিকে দূৰদৰ্শনৰ পৰ্দাত মুখ্যমন্ত্ৰীক অলপ দেখুৱালে যদিও জনসমাবেশৰ ছবি উদ্দেশ্যপ্ৰণোদিত ভাবে ঢাকি ৰাখিলে। উল্লেখযোগ্য যে, তাই সাহিত্য সভাৰ অধিবেশনৰ লগতে অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত "বৰাক-ব্ৰহ্মপুত্ৰ উপত্যকা সমন্বয় সাংস্কৃতিক অনুষ্ঠান"ও অনুষ্ঠিত হৈছিল। সম্প্ৰীতি সমন্বয়ৰ নামত তাল-ফাল লগোৱা সাংবাদিক সকলে এই বিষয়েও একো প্ৰকাশ কৰা চকুত নপৰিল। এই ক্ষেত্ৰত সকলোৰে পৰিচিত শ্ৰীনিবাৰণ বৰাৰ এটি বক্তব্য উল্লেখ কৰাৰ লোভ সামৰিব নোৱাৰিলো। তেখেতৰ মতে – "অসমীয়া জনজাতীয় আৰু অন্যান্য পিছপৰা সম্প্ৰদায়ৰ গোষ্ঠীসমূহে অসম আৰু অসমীয়াৰ ভৱিষ্যত সংকট সম্বন্ধে উপলব্ধি কৰিবলৈ সক্ষম হৈছে। কিন্তু তেওঁলোকৰ সামৰ্থ্য নাই। তেওঁলোকৰ মাজত ধনী পৰিয়াল নাই। তেওঁলোকৰ নিজা বাতৰি কাকত নাই – গণ মাধ্যমত নাই দখল, যাতায়াত, সাধাৰণ প্ৰচাৰ সম্ভাৰ, মাইক্ৰোফ'ন, মটৰগাড়ী, ছপা যন্ত্ৰ-শাল নাই– অতএৱ অসমীয়া সমাজৰ সংখ্যাগৰিষ্ঠ হলেও এওঁলোক Handicapped অৰ্থাৎ বিকলাঙ্গ......... অসমৰ সংখ্যাগৰিষ্ঠ জনজাতীয় তথা অন্যান্য পিছপৰা সম্প্ৰদায়সমূহৰ বিৰুদ্ধে অসমৰ সংখ্যালঘু অৰ্থাৎ জমিনত অধিষ্ঠিত, অগ্ৰগামী সকলে কি আঁচনি গুপুতে পাঙিছে বুজিবৰ বাবে, সকলোৰে বাবে বোধগম্য নহয়। জাতিগঠনৰ কিবা নতুন প্ৰক্ৰিয়া নে আত্মহত্যাৰ অবুজ আবেগ........." ("ভোটাৰ তালিকা আৰু আছু বনাম অগপ" **বুধবাৰ**, ১৮ অক্টোবৰ ১৯৮৯ চন পৃ ঃ ৩)

আচল কথা হ'ল উল্লিখিত অধিবেশনত অভূতপূৰ্ব জনসমাবেশ হৈছিল। অসম বিধান সভাৰ অধ্যক্ষ শ্ৰীজীৱকান্ত গগৈদেৱে এনে জনসমুদ্ৰ গোলাঘাটত কেতিয়াও সৃষ্টি হোৱা নাছিল বুলিয়েই কৈ পেলাইছিল। আনকি যোৱা বিদেশী খেদা আন্দোলনৰ সময়তো এনে জনসমাবেশ ইয়াত হোৱা নাছিল, তদুপৰি, অধিবেশনৰ সকলো কাৰ্যসূচীয়েই সাফল্যমণ্ডিত হৈছিল। এইবোৰ দেখি শুনি, ছদ্মবেশী সাংবাদিকজনৰ নিচিনা সকলৰ নিশ্চয় বুকুৰ পোৰণি হৈছিল। সেয়েহে, অধিবেশনৰ অন্যান্য দিশৰ ওপৰত আলোকপাত নকৰি কেৱল 'আহোম হওক' বুলি লিখা বেনাৰখনৰ ওপৰতে চকু থিয় হৈছিল। যি কোনো পৰিস্থিতিৰ বাস্তৱ প্ৰতিচ্ছবি পাঠকৰ আগত দাঙি ধৰাটো সাংবাদিক সকলৰ নৈতিক দায়িত্ব। এই দায়িত্ব পালন নকৰি, অধিবেশনখনৰ বিভিন্ন বা-বাতৰি ঢাকি ৰাখিবলৈহে চেষ্টা কৰা হ'ল। এইখিনি কথা মুকলিভাবে প্ৰকাশ কৰা বাবে পুনৰ আমাৰ ওপৰত নিশ্চয় "সাম্প্ৰদায়িকতাৰ" ছাপ মাৰি দিয়া হ'ব। "আহোম পুনৰউত্থানবাদৰ পুলিটো পুলিতেই নাশ কৰি" দেশপ্ৰেমিকৰ পৰিচয় দিবৰ বাবে মুখ্যমন্ত্ৰীক উচটনি দি প্ৰতিবেদকজনে নিজে ৰান্ধনীক উচটাই যে জোল খাব বিচাৰিছে এই কথা নিশ্চয় ওঁঠ চেপিলে গাখীৰ ওলোৱা বালকেও বুজি পাইছে। যেই কি নহওক, ছদ্মবেশী সাংবাদিকজনে আমাৰ বক্তব্যখিনি মুকলিকৈ প্ৰকাশ কৰাৰ সুযোগটো দিয়াৰ বাবে তেখেতলৈ আন্তৰিক ধন্যবাদ জনালো।

খুপতাং। ৰং বয় বয়

চাও পুষ্প গগৈ,
সম্পাদক
বান্ অক্ পাপলিক্ ম্যুঙতাই








# উইম্বলডনৰ কথা

পবিত্ৰ কুমাৰ ডেকা

আকৌ আহিল উইম্বলডন! বিশ্ব টেনিছৰ ঐতিহাসিক সমৰ। ঐশ্বৰ্যৱান সমৰ। ইংলেণ্ডৰ উইম্বলডন প্ৰতিযোগিতাৰ প্ৰাধান্যৰ কথা টেনিছ প্ৰেমিকক নকলেও হ'ব যে এই প্ৰতিযোগিতাখনত এবাৰ খিতাপ অৰ্জন কৰাটো আগশাৰীৰ টেনিছ তাৰকাসকলৰ জীৱন্ত প্ৰয়াস, সেইদৰে এচামৰ বাবে উইম্বলডন ক্ষেত্ৰত পদধূলি পেলোৱাটোও প্ৰাৰম্ভিক প্ৰয়াস। উইম্বলডনত আছে সীমাহীন খ্যাতি, অজস্ৰ ঐশ্বৰ্য। এয়া এশ চৈধ্য বছৰ গৰকি যোৱা উইম্বলডন সঁচাই কি ৰহস্যময়ী এই উইম্বলডন, চিৰ সেউজ উইম্বলডন কি আকৰ্ষণ, কি ৰহস্য.........।

সময় বাগৰি গলেও উইম্বলডনৰ ঐতিহ্যৰ জ্যোতি ম্লান পৰা নাই। বিশ্বসমৰৰ সময়ছোৱাৰ বাদে প্ৰতি বছৰে জুন মাহৰ শেষ সোমবাৰে আৰম্ভ হৈ আহিছে এই টেনিছ প্ৰতিযোগিতা। গ্ৰেণ্ড-শ্লাম প্ৰতিযোগিতা কেইখনৰ ভিতৰত সবাতকৈ লোভনীয় আৰু আকৰ্ষণীয় পুৰস্কাৰ আছে উইম্বলডনত।



*মাৰ্টিনা নাভ্ৰাটিলোভা ঃ নবাৰ বিজয়ী*

১৮৭৭ চনত যেতিয়া পোন প্ৰথমবাৰৰ বাবে উইম্বলডন টেনিছ আৰম্ভ তেতিয়া কিন্তু তেনে পৰিবেশ নাছিল। অৱশ্যে প্ৰথমবাৰ উইম্বলডন টেনিছ মাথো পুৰুষ শাখাৰ এখন খেলকলৈয়ে সীমাৱদ্ধ আছিল। ১৮৮৪ চনৰ পৰাহে উইম্বলডনত মহিলাই খেলাৰ সুযোগ পায়। ক্ৰমে দিন



*মনিকা ছেলেজ ঃ ঐতিহাসিক ষ্টাৰ*

যায় মানে টেনিছ বিশ্বৰ সৰ্ববিদিত ক্ৰীড়াৰূপে পৰিগণিত হোৱাত উইম্বলডনৰে যশ-কীৰ্তি বাঢ়িবলৈ আৰম্ভ কৰে। উইম্বলডনৰ গ্লেমাৰ বৃদ্ধি পাইছে। আকৰ্ষণ বাঢ়িছে। ট্ৰফীৰ অৰ্থ বৃদ্ধি পাইছে। উইম্বলডনৰ আকৰ্ষণ আজিও তুঙ্গত। অল-ইংলেণ্ড ক্লাবো এই দিশত অনড়। কিয়নো ঘাঁহৰ ক'ৰ্টৰ টেনিছ ইমান জনপ্ৰিয় হ'ব বুলি অল-ইংলেণ্ড ক্লাবেও ভবা নাছিল।

১৯৬৮ চনত উইম্বলডন টেনিছে প্ৰফেশ্যনেল ৰূপ লাভ কৰাৰ আগলৈকে ইয়াৰ প্ৰতিদ্বন্দ্বিতা কিছু বেলেগ আছিল। কিন্তু তাৰ পাছৰ পৰা উইম্বলডনৰ যশ-কীৰ্তিৰ লগতে প্ৰতিদ্বন্দ্বিতাৰ ৰূপো এক প্ৰকাৰে প্ৰফেশ্যনেল হৈ পৰে।

মাত্ৰ এসপ্তাহ পাছতে আৰম্ভ হ'ব উইম্বলডনৰ ১১৪তম সংকলন। টেনিছ ইতিহাসত ই আজিও বৃহত্তম প্ৰফেশ্যনেল প্ৰতিযোগিতা হিচাপে স্বীকৃত। এইবেলি উইম্বলডনত ভাৰতীয় মুদ্ৰাৰ হিচাপত সৰ্বমুঠ ১৪ দশমিক ৬৮ কোটি টকাৰ প্ৰাইজমানি দিয়া হ'ব। পুৰুষ ছিংগলছৰ বিজয়ী গৰাকীয়ে পাব প্ৰায় ৮৯ লাখ টকা। মহিলা ছিংগলছ বিজয়ী গৰাকীয়ে পাব প্ৰায় ৭৮ লাখ টকা। প্ৰাইজমানিৰ হিচাপটো যোৱাবাৰতকৈ প্ৰায় পাঁচ শতাংশ বেছি।

উল্লেখযোগ্য যে ১৯৬৮ চনত প্ৰথম প্ৰফেশ্যনেল উইম্বলডনৰ বিজয়ী ৰ'ড লেবাৰে লাভ কৰিছিল মাত্ৰ (আজিৰ তুলনাত) ৩৬ হাজাৰ টকা।

তাহানিৰে পৰা গ্ৰেণ্ডশ্লামৰ চাৰিওখন টুৰ্নামেন্টৰ ভিতৰত উইম্বলডন শ্ৰেষ্ঠ বুলি স্বীকৃত। ইয়াৰ খিতাপ আৰু ক্ৰীড়াসুলভ মূল্যৰ ফালৰ পৰা শ্ৰেষ্ঠত্ব ক্ৰমটো হ'ল – উইম্বলডন, ফ্লাছিং মেড'ছৰ ইউ এছ অ'পেন, ৰোণাল্ড গেৰছৰ ফ্ৰেন্স অ'পেন আৰু অষ্ট্ৰেলিয়ান অ'পেন। এই চাৰিখন প্ৰতিযোগিতাৰ ক'ৰ্টবিলাকৰ সুকীয়া সুকীয়া বৈশিষ্ট্য আছে। তাৰ ভিতৰত উইম্বলডন হ'ল অকৃত্ৰিম। ইয়াৰ খেলসমূহ অকৃত্ৰিম সেউজীয়া ঘাঁহনিৰ ওপৰত খেলোৱা হয়। সেই বাবে ইয়াৰ ফলাফল বাকী কেইখনতকৈ সম্পূৰ্ণ বিপৰীত হয়। সাধাৰণতে অকৃত্ৰিম ক'ৰ্ট হোৱা বাবে উইম্বলডনৰ চূড়ান্ত ফলাফলসমূহ অভিজ্ঞ চামৰ মাজতে সীমাবদ্ধ থাকে বুলিব পাৰি। অৱশ্যে কিছু ক্ষেত্ৰত খেলুৱৈসকলে ঘাঁহনি পথাৰৰ ক'ৰ্টত খেলিব পৰা



*ষ্টীফেন এডবাৰ্গ ঃ মনোবল যাৰ সঙ্গী*

অভিজ্ঞতাৰ ওপৰতো বহু পৰিমাণে নিৰ্ভৰ কৰে।

তথাপি টেনিছ জগতত উইম্বলডন সদায় উইম্বলডনেই। প্ৰত্যাখ্যিত হলেও, সঁহাৰি নাপালেও উইম্বলডন সদায় শ্যামলী কিন্তু ৰহস্যময়ী য'ত এবাৰ হলেও টেনিছ দুনিয়াৰ মন থমকি ৰয়।

ভূপেন্দ্ৰনাৰায়ণ ভট্টাচাৰ্য

# নীলমণি ফুকনৰ অৱসৰ গ্ৰহণ

কৰ্মক্ষেত্ৰৰ পৰা অৱসৰ গ্ৰহণ অবান্তৰ ঘটনা নহয়। ই বাস্তৱ। তথাপিও ই জীৱনৰ করুণতম অধ্যায় বুলিয়েই মই ভাবো। সৰহভাগ ব্যক্তিয়েই কৰ্মক্ষেত্ৰৰ পৰা অৱসৰ লৈ এক নিঃসঙ্গ নিৰ্জন দ্বীপত অৱস্থান কৰে। বন্ধু-বান্ধৱ কমি আহে, মনলৈ আহে হতাশা, অৱসাদ। অৱশ্যে মই কেতিয়াও নকওঁ যে ওপৰোক্ত কথাবোৰ শ্ৰীযুত নীলমণি ফুকনদেৱৰ ক্ষেত্ৰতো ঘটিব। হতাশা, নিৰ্জনতা, নিঃসঙ্গতা এই শব্দবোৰ তেওঁৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব। তেখেতে, অৱসৰৰ আনন্দত কিজানি কৰিম কৰিম বুলি সময়ৰ অভাৱত কৰিব নোৱৰা কামবোৰত দুগুণ উৎসাহেৰে লাগি যাব।

তথাপিও, তেখেতৰ কাৰণে কৰ্মক্ষেত্ৰৰ পৰা অৱসৰ লোৱাটো আনন্দৰ কথা হলেও মোৰ কাৰণে এই খবৰ কিন্তু এক প্ৰকাৰ বিষাদ। কিছুমান ব্যক্তিয়ে বিশেষ কিছুমান ব্যক্তিৰ লগত কথা পাতি আনন্দ পায়; আৰু হয়তো সেই কথাই দুয়োৰে প্ৰাণ সঞ্চাৰিত কৰে আৰু সেই সঞ্চাৰণেই হয়তো একোটা সৃষ্টিৰ জন্ম দিয়ে। হয়তো সেইবাবেই কিছুমান ব্যক্তিৰ বাবে কিছুমান ব্যক্তিৰ উমাল সান্নিধ্যৰ প্ৰয়োজন আছে।

যিখন কলেজত আমাৰ দেশৰ প্ৰখ্যাত কবি শ্ৰীযুত নীলমণি ফুকনদেৱৰ কৰ্মক্ষেত্ৰ সৌভাগ্যবশতঃ মোৰো একেখন কলেজেই সময়ৰ গতিত কৰ্মক্ষেত্ৰ হৈ উঠিল। অৱশ্যে আমাৰ ডিপাৰ্টমেন্ট একে নহয়। তথাপিও মই প্ৰতিদিন নহলেও আজৰি পালেই তেওঁৰ কাষলৈ ধাপলি মেলো। ই যেন মোৰ এটা অভ্যাস।

৩০ মে' ১৯৯২। কলেজত শ্ৰীযুত নীলমণি ফুকনদেৱৰ অৱসৰ গ্ৰহণ অনুষ্ঠান চলিছে। মই ইচ্ছাকৃতভাৱেই অনুপস্থিত থাকি সমুখৰ এজোপা গছৰ তলত বহি থাকিলো। সেইকাৰণেই কলো, বিদায় পৰ তেওঁৰ কাৰণে আনন্দ হবও পাৰো ই মোৰ কাৰণে কিন্তু বিষাদ পৰ্ব। অহা ১৯৯২-৯৩ বৰ্ষৰ পৰা তেওঁক আৰু মই কলেজত দেখিবলৈ নাপাম। মোৰ কাৰণে ই এক শূন্যতা বা ভয়ঙ্কৰ নিৰ্জনতা।

গছৰ তলত আৰু বেছি বহি থাকিব নোৱাৰিলো। কলেজৰ সমুখত ৰিক্সা এখন ৰৈ আছিল। মই নাটকীয়ভাৱে ৰিক্সাত উঠি কলো – বলা, ভৰলুমুখ।

মাজে মাজে মোক সহকৰ্মীসকলে ধেমালি কৰিছিল, – "হেৰা, ফুকনৰ লগত তোমাৰ ইমান হলি-গলি কিয় হে? তেওঁ দেখোন তোমাৰ খুড়াৰৰ বয়সৰ হ'ব?" মই তেতিয়া হাঁহি হাঁহি কৈছিলো – নহয়, আপোনালোকে ভুল বুজিছে – মনেৰে কিন্তু তেওঁ মোতকৈ দুগুণ সৰু। এতিয়াও তেওঁ তৃতীয় শ্ৰেণীত পঢ়া সৰু ল'ৰাজনৰ দৰেই আছে। তদুপৰি মোক ব্যংগ কৰে – 'তোমাৰ বিভাগটো হৈছে উদ্ভিদ বিজ্ঞান, ফুকনে পঢ়ুৱাই বুৰঞ্জি ......... উদ্ভিদ বিজ্ঞানৰ লগত মহাৰাজ অশোক বা আকবৰৰ কি সম্পৰ্ক আছে? মযো তেওঁলোকক ব্যংগ কৰি কওঁ – "আছে, কিয় নাই? মহাৰাজ অশোকে জানো পথৰ দাঁতিয়ে দাঁতিয়ে ছাঁৰ কাৰণে গছ ৰুৱাই দিয়া নাছিল?"

অফ থাকিলে কেতিয়াবা কেতিয়াবা আমি সমুখৰ বিহাৰী দোকানত বহি অতি অখাদ্য চাহ-গজা-খুৰ্মা খালেও তাৰ ভিতৰতে মই এক সুস্বাদু খাদ্য খাইছিলো, সেয়া আছিল তেখেতৰ উমাল সান্নিধ্য। সেই সান্নিধ্য ঠিক 'সংসাৰ মৰুভূমিত গান সৰোবৰৰ দৰেই।' তদুপৰি তেখেতৰ মোৰ প্ৰতি থকা স্নেহ, মৰম। সেই যে তেখেতে মোক কেতিয়াবা সুধিছিল – 'কিবা লিখিছা নেকি?' মই কি লিখিছো সেয়া বৰ ডাঙৰ কথা নহয়, কিন্তু এইষাৰ কথা বাৰু কেইজনে সোধে? গতিকে, তেখেতৰ মুখৰ পৰা ওলোৱা সেই বাক্যটো মোৰ বাবে এক প্ৰেৰণাৰ উৎস হৈ পৰিছিল।

মই দেখিছো, দৈনন্দিন জীৱনতো তেওঁ এক পিতৃতুল্য ব্যক্তি। কোনোবাদিনা হয়তো ৰাতিপুৱাই মই গৈ তেওঁৰ ঘৰত উপস্থিত হৈছো। খটখটীত উঠি দেখিছো, কোনোবা এক চুৰিয়া পৰিহিত ব্যক্তিয়ে হাতত লেচা আৰু পিতলৰ ঘটী লৈ কঁথি মচিছে, পিৰালি মচিছে। মই পাছফালৰ পৰা মাতো – ছাৰ! মোক দেখি হাঁহি হাঁহি তেওঁ নিজকে "ব্যঙ্গ কৰিছে – আচ্ছা, মোৰ এই চেহেৰাটো দেখি তুমি বাৰু ভয় খোৱা নাইনে?"

কবি নীলমণি ফুকনদেৱৰ সান্নিধ্য মোৰ বাৰু ইমান ভাল লাগিছিল কিয়? মই নিজকে নিজে প্ৰশ্ন কৰিলো। আচল কথা তেখেতৰ কথাৰ সুৰ। দেৰগঞা গ্ৰাম্য সুৰ এটা তেওঁৰ ওঁঠত লাগি থাকে আৰু লগে লগে ধেনুভেৰীয়াকৈ এডাল ধনুৰ কাঁড়। মাজে মাজে সেই ধনুখনৰ কাঁড়ডাল মোৰ মনলৈ এৰি দিয়ে। সেই কাঁড়ডাল কিন্তু বিষাক্ত নহয় – সেইডাল কাঁড় হৈছে অভিভাৱকসুলভ মনোবৃত্তিৰ কাঁড়। তেওঁ কথা কবলৈ ভয় নকৰে। ............এদিন জজ ফিল্ডৰ মাজত থকা চিত্ৰশালাত মই কেইজনমান বন্ধুৰ আগত কমিউনিজমৰ সমৰ্থনত এক উত্তাল বক্তৃতা দি আছো। বন্ধুকেইজন যোৱাৰ পাছত তেওঁ মোক সুধিলে – "তুমি হঠাৎ কমিউনিষ্ট কেতিয়াৰ পৰা হ'লা।" মই কলো – মইতো কমিউনিষ্টেই। তেওঁ কলে – "কমিউনিষ্ট হলে হাতে কামে আৰু আদৰ্শেৰে হ'ব লাগে, তোমাৰ মাজত মই গুণ ফেৰা হলে অলপো দেখা নাই। তাতকৈ কোৱা তুমি হিপ'ক্ৰেট"

সেইদিনাখন মোৰ তেওঁৰ ওপৰত অলপ খং উঠিছিল। কাৰণ তেতিয়া মই বিশ্ববিদ্যালয়ৰ ছাত্ৰ; সহপাঠীসকলে কৰাৰ দৰে মযো কৰিছিলো সেই অভ্যাসটো – অলপ অলপ কমিউনিজম আৰু অলপ অলপ ভণ্ডামি। মই যিসকল কমৰেডৰ দ্বাৰা কমিউনিজম দীক্ষাত দীক্ষিত হৈছিলো তেওঁলোকৰ চলন ফুৰণত এতিয়া কমিউনিজমৰ কোনো গোন্ধ নাই আৰু মইতো সঁচাকৈয়ে এজন হিপ'ক্ৰেট। সেই কাৰণেই হঠাৎ আজি আকৌ মোৰ সেই কথাষাৰ মনলৈ আহিছে। আৰু অনুভৱ কৰিছো – আমাৰ কাৰণে সেই সময়ত কমিউনিজমটো একপ্ৰকাৰ প্ৰেমাৰেই আছিল।

১৯৮৫ চনৰ জেঠ মাহৰ কোনোবা এটা দিনত ৰাজ্যিক কলা বীথিকাত মই মোৰ ছবি আৰু ড্ৰইংৰ এখন একক চিত্ৰ প্ৰদৰ্শনী পাতিছিলো। প্ৰদৰ্শনী মুকলি কৰিছিল শ্ৰীযুত ফুকনদেৱে। ভাবিছিলো, তেখেতে মোৰ শিল্পকৰ্ম সমূহ দেখি মুগ্ধ হৈ গৈছে, সেই কাৰণেই অবাক হৈ মোক একো কোৱা নাই। কিন্তু এদিন সোধো-নোসোধোকৈ সুধিলো – 'ছাৰ, মোৰ ছবি-তবি কেনেকুৱা পালে?' তেওঁ উত্তৰ দিলে – "তোমাৰ ড্ৰইংবোৰ ভাল, কিন্তু পেইন্টবোৰ? গোবৰ কৰি পেলাইছা; ৰং লগাইছা নে সেই সোপা গোবৰ?" প্ৰথমে অলপ খং উঠিছিল, কিন্তু অভিজ্ঞতা হোৱাৰ পাছত এতিয়া ভাবিছো – বোধহয়, মোৰ পেইন্টিংবোৰ সঁচাকৈয়ে গোবৰেই আছিল।

### শেষত লেখকৰ কথা

মই সমালোচক নহয় মাত্ৰ সাধাৰণ শিল্পবোধ থকা বাবেই হয়তো কবিতা বুজিব পাৰো; ৰসাস্বাদন কৰিব পাৰো। গতিকে তেখেতৰ কবিতা সম্পৰ্কে এষাৰো মন্তব্য দিয়াৰ মোৰ দুঃসাহস নাই। কিন্তু মই এই শিতানৰ মাধ্যমত তেখেতক কেইটামান অনুৰোধহে কৰিব খুজিছো।–

(১) বহুতেই নাজানে যে শ্ৰীযুত ফুকন ডাঙৰীয়া এজন ভাস্কৰো। বোকামাটিৰ মাধ্যমত কৰা তেখেতৰ হাতৰ কেইটামান ভাস্কৰ্য আজি কিছুবছৰ আগেয়ে মই তেওঁৰ ঘৰত দেখিছিলো। দুই-চাৰিজনে দেখাৰ পাছত কৰিয়ে লাজতে হয়তো ক'ৰবাত লুকাই ৰাখিছে। মই ভাবো, তেখেতে ভাস্কৰ্যৰ পুনৰ অনুশীলন কৰি থকা উচিত। কাৰণ, সেই ভাস্কৰ্যবোৰত আছে এক গ্ৰাম্য সৰলতা। যি সৰলতা থাকে আমাৰ গাঁৱৰ ফালৰ সেই গোসাঁনী সজা শিল্পীসকলৰ কৰ্মৰাজিত।

(২) অসমীয়া ভাষাত এখন কলা-শিল্প বিষয়ক সচিত্ৰ অভিধানৰ অভাৱ আমাৰ শিল্পীসকলে সদায় অনুভৱ কৰি আহিছে। আশাকৰো তেখেতে এই অভাৱ দূৰ কৰিব।

(৩) অসমীয়া ভাষাত এই দেশৰ প্ৰাচীন খনিকৰ সকলৰ পৰা আৰম্ভ কৰি আধুনিক চিত্ৰকৰ বা ভাস্কৰ সকলৰ জীৱন আৰু কৰ্মৰ ওপৰত আলোকপাত হোৱাকৈ কোনো পুস্তক নাই।

আশাকৰো, আমাৰ উক্ত অভাৱ কেইটা তেখেতে অদূৰ ভৱিষ্যতে পূৰণ কৰিব পাৰিব।

*অহা সংখ্যাত ঃ লেখকৰ দিল্লী ভ্ৰমণ*



